UG HT S6-01 (DSC)

চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি. বি. চি. এছ; এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

অসমৰ সাংস্কৃতিক ইতিহাস

ইতিহাস

সূর্য কুমাৰ ভূঞা সমাজবিজ্ঞান অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

ড° পাৰমিতা দাস, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° ৰাজীৱ সন্দিকৈ, অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়
ড° বর্ণালী শর্মা, সহযোগী অধ্যাপক, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° প্রীতি সলিলা ৰাজখোৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৱিহণা যোগাইছে	অনুবাদকাৰী
১, ২	ড° মামনি শর্মা, এল চি বি কলেজ	ড° ধনমণি কলিতা
৩	ড° ধনমণি কলিতা, গুৱাহাটী কলেজ,	গীতাঞ্জলী মেধি, *KKHSOU*
৪, ৫	ড° মিতালি কলিতা,	তুলিকা দেৱী
৬	ড° সংঘামিত্রা শর্মা, তিনিচুকীয়া মহাবিদ্যালয়	
৭	ড° প্রীতি সলিলা ৰাজখোৱা, কৃ. স. ৰা. মু. বি.	গীতাঞ্জলী মেধি, *KKHSOU*
৮	ড° মৃদুৎপল গোস্বামী, দুধনৈ কলেজ,	মিতালী কলিতা
৯, ১১	মুক্তাৰ ৰহমান শইকীয়া, চেইণ্ট জনছ্ কলেজ, ডিমাপুৰ	ড° দ্বীপমণি কলিতা
১০	ড° সুকমায়া লামা, কৃ. স. ৰা. মু. বি.	অদীপ কুমাৰ ফুকন
১২	জিন্তু ঠাকুৰীয়া, প্রাগজ্যোতিষ বিশ্ববিদ্যালয়	
১৩	নিহাৰিকা বুঢ়াগোহাঁই, চিকিম বিশ্ববিদ্যালয়, ড° প্রীতি সলিলা ৰাজখোৱা	ড° ৰোজা আহমেদ, *KKHSOU*

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° মৌচুমী দত্ত পাঠক, ইতিহাস বিভাগ, আর্য্য বিদ্যাপীঠ কলেজ
ড° প্রীতি সলিলা ৰাজখোৱা

গাঁথনিক সম্পাদনা ঃ ড° প্রীতি সলিলা ৰাজখোৱা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

মে', ২০২৬ **ISBN :**

Copyright © Krishna Kanta Handiqui State Open University

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-Non Commercial-Share Alike 4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/
For the avoidance of doubt, by applying this license KKHSOU does not waive any privileges or immunities from claims that it may be entitled to assert, nor does KKHSOU submit to the jurisdiction, courts, legal processes or laws of any jurisdiction.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী- ৭৮১০১৭
মহানগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী - ৭৮১০২২ ;
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ১ ঃ **অসমীয়া সংস্কৃতি আৰু ইয়াৰ তাৎপর্য্য** ৭-২০

সংস্কৃতিৰ সংজ্ঞা, অসমীয়া সংস্কৃতিৰ তাৎপর্য্য।

অধ্যায় ২ ঃ **অসমীয়া সংস্কৃতি আৰু ইয়াৰ বৈশিষ্ট্য** ২১-২৮

অসমীয়া সংস্কৃতি আৰু ইয়াৰ বৈশিষ্ট্য ঃ সাংস্কৃতিক সংমিশ্রিতকৰণ আৰু সন্মিলিতকৰণ

অধ্যায় ৩ ঃ **অসমৰ লোক-সংস্কৃতি ঃ সংজ্ঞা আৰু গুৰুত্বতা** ২৯-৪১

লোক-সংস্কৃতিৰ অর্থ আৰু সংজ্ঞা, সমাজৰ সৈতে সম্পর্ক, জনজাতীয় সংস্কৃতিৰ বিপৰীতে অভিজাত সংস্কৃতি

অধ্যায় ৪ ঃ **অসমৰ লোক-সাহিত্য ঃ বৃত্তান্তমূলক আৰু অবৃত্তান্তমূলক** ৪২-৫৫

বড়ো লোক-সাহিত্য, ৰাভা লোক-সাহিত্য, কার্বি লোক-সাহিত্য, ডিমাচা লোক-সাহিত্য, মিচিং লোক-সাহিত্য, চাহ-জনগোষ্ঠীৰ লোক-গীত, বৰাক উপত্যকাৰ লোক-গীত

অধ্যায় ৫ ঃ **অসমৰ বস্তুগত সংস্কৃতি** ৫৬-৬৫

বস্তুগত সংস্কৃতিৰ ধাৰণা, অসমৰ গৃহসজ্জা, আ-অলংকাৰ, সাজ-পাৰ, কাহ-শিল্প, বাদ্য-যন্ত্র

অধ্যায় ৬ ঃ **অসমৰ ধর্মীয় পৰম্পৰা** ৬৬-৭৮

শৈব ধর্ম, শাক্ত ধর্ম, বৌদ্ধ ধর্ম, বৈষ্ণৱ ধর্ম

অধ্যায় ৭ ঃ **অসমত নৱবৈষ্ণববাদ আন্দোলন** ৭৯-৮৩

অসমত নৱবৈষ্ণবাদৰ পটভূমি, শংকৰদেৱৰ নৱবৈষ্ণববাদৰ অৱদান, শংকৰদেৱৰ পৰৱর্তী পর্যায়ত নৱবৈষ্ণব ধর্ম

অধ্যায় ৮ ঃ **নৱবৈষ্ণববাদৰ অনুষ্ঠানসমূহ** ৮৪-৯৩

সত্র, নামঘৰ

অধ্যায় ৯ ঃ **অসমত কলাৰ প্রদর্শন** ৯৪-১০১

কলা প্রদর্শনৰ ইতিহাস, দেৱালয় নৃত্যসমূহ

অধ্যায় ১০ ঃ অসমৰ কলা আৰু স্থাপত্য শিল্প **১০২-১২৯**

ভাস্কর্য্য কলা, স্থাপত্য কলা, চিত্রকলা

অধ্যায় ১১ ঃ ইছলামবাদী সংস্কৃতিৰ অৱদান **১৩০-১৩৯**

অসমীয়া সংস্কৃতিলৈ ইছলামবাদৰ অৱদান, ইছলামবাদীক কলা আৰু স্থাপত্য শিল্প, সংগীত আৰু নৃত্য

অধ্যায় ১২ ঃ অসমীয়া সমাজ আৰু অসমৰ পৰম্পৰাগত ক্রীয়া সমুহ **১৪০-১৫১**

অসমৰ থলুৱা খেল ধেমালিসমূহ ঃ কণী যুঁজ, ম'হ যুঁজ, কড়ি খেল, বুলবুলি চৰাই খেল

অধ্যায় ১৩ ঃ অসমীয়া চলচ্চিত্র আৰু নাট্যদল **১৫২-১৫৬**

অসমীয়া চলচ্চিত্র গতিধাৰা ঃ জ্যোতিপ্রসাদ আগৰৱালাৰপৰা ভবেন্দ্রনাথ শইকীয়ালৈ, থিয়েটাৰ

পাঠ্যবিষয়ৰ পৰিচয় ঃ অসমৰ সাংস্কৃতিক ইতিহাস

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ষাণ্মাসিক পদ্ধতিৰ স্নাতক (কলা) পাঠ্যক্রমৰ ষষ্ঠ ষাণ্মাসিকৰ ইতিহাসৰ এই পাঠ্যবিষয় হৈছে *অসমৰ সাংস্কৃতিক ইতিহাস*। এই পাঠ্যবিষয়টোৰ অধ্যয়নে শিক্ষার্থীসকলক অসমৰ সাংস্কৃতিক ইতিহাসৰ বিষয়ে জ্ঞাত কৰিব।

প্রথম অধ্যায়টো হৈছে অসমীয়া সংস্কৃতি আৰু ইয়াৰ তাৎপর্য্য। এই অধ্যায়টোত সংস্কৃতিৰ সংজ্ঞা আৰু অসমীয়া সংস্কৃতিৰ তাৎপর্য্যৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বিতীয় অধ্যায়টো হৈছে *অসমীয়া সংস্কৃতি আৰু ইয়াৰ বৈশিষ্ট্য*। এই অধ্যায়টোত অসমীয়া সংস্কৃতিৰ সংমিশ্রিতকৰণ আৰু সন্মিলিতকৰণৰ বিষয়ে আলোচনা কৰা হৈছে।

তৃতীয় অধ্যায়টো হৈছে *অসমৰ লোক-সংস্কৃতি ঃ সংজ্ঞা আৰু গুৰুত্বতা*। এই অধ্যায়টোত লোক-সংস্কৃতিৰ অর্থ আৰু সংজ্ঞা, লোক-সংস্কৃতিৰ সমাজৰ সৈতে সম্পর্ক আৰু জনজাতীয় সংস্কৃতিৰ বিপৰীতে অভিজাত সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে।

চতুর্থ অধ্যায়টো হৈছে *অসমৰ লোক-সাহিত্য ঃ বৃত্তান্তমূলক আৰু অবৃত্তান্তমূলক*। এই অধ্যায়টোত বড়ো লোক-সাহিত্য, ৰাভা লোক-সাহিত্য, কার্বি লোক-সাহিত্য, ডিমাচা লোক-সাহিত্য, মিচিং লোক-সাহিত্য, চাহ জনগোষ্ঠী লোকগীত আৰু বৰাক উপত্যকাৰ লোকগীতৰ বিষয়ে আলোচনা কৰা হৈছে।

পঞ্চম অধ্যায়টো হ'ল *অসমৰ বস্তুগত সংস্কৃতি*। এই অধ্যায়টোত বস্তুগত সংস্কৃতিৰ ধাৰণা, গৃহসজ্জা, আ-অলংকাৰ, সাজ-পাৰ, কাহ-শিল্প আৰু বাদ্যযন্ত্রৰ বিষয়ে আলোচনা কৰা হৈছে।

ষষ্ঠ অধ্যায়টো *অসমৰ ধর্মীয় পৰম্পৰা*। এই অধ্যায়টোত শৈব ধর্ম, শাক্ত ধর্ম, বৌদ্ধ ধর্ম আৰু বৈষ্ণৱ ধর্মৰ বিষয়ে আলোচনা কৰা হৈছে।

সপ্তম অধ্যায়টো হৈছে *অসমত নৱবৈষ্ণৱবাদ আন্দোলন*। এই অধ্যায়টোত অসমত নৱবৈষ্ণৱবাদৰ পটভূমি, শংকৰদেৱৰ নৱবৈষ্ণৱবাদলৈ অৱদান, শংকৰদেৱৰ পৰৱর্তী পর্যায়ত নৱবৈষ্ণৱ ধর্মৰ বিষয়ে আলোচনা কৰা হৈছে।

অষ্টম অধ্যায়টো হৈছে *নৱবৈষ্ণৱবাদৰ অনুষ্ঠানসমূহ*। এই অধ্যায়টোত সত্র আৰু নামঘৰৰ বিষয়ে আলোচনা কৰা হৈছে।

নৱম অধ্যায়টো হৈছে *অসমত কলাৰ প্রদর্শন*। এই অধ্যায়টোত কলা প্রদর্শনৰ ইতিহাস আৰু দেৱালয় নৃত্যসমূহৰ বিষয়ে আলোচনা কৰা হৈছে।

দশম অধ্যায়টো হৈছে *অসমৰ কলা আৰু স্থাপত্য শিল্প*। এই অধ্যায়টোত ভাস্কর্য্য কলা, স্থাপত্য কলা আৰু চিত্রকলাৰ বিষয়ে আলোচনা কৰা হৈছে।

একাদশ অধ্যায়টো হ'ল *ইছলামবাদী সংস্কৃতিৰ অৱদান*। এই অধ্যায়টোত অসমীয়া সংস্কৃতিলৈ ইছলামবাদৰ অৱদান, ইছলামবাদীক কলা আৰু স্থাপত্য শিল্প, সংগীত আৰু নৃত্যৰ বিষয়ে আলোচনা কৰা হৈছে।

দ্বাদশ অধ্যায়টো হৈছে *অসমীয়া সমাজ আৰু খেল-ধেমালি*। এই অধ্যায়টোত অসমৰ থলুৱা খেল-ধেমালিসমূহ যেনে কণী যুঁজ, ম'হ যুঁজ, কড়ি খেল, বুলবুলি চৰাই খেলৰ বিষয়ে আলোচনা কৰা হৈছে।

ত্রয়োদশ অধ্যায়টো হৈছে *অসমীয়া চলচ্চিত্র আৰু ভ্রাম্যমান নাট্যদল*। এই অধ্যায়টোত অসমীয়া চলচ্চিত্র গতিধাৰা ঃ জ্যোতিপ্রসাদ আগৰৱালাৰপৰা ভবেন্দ্রনাথ শইকীয়ালৈ, থিয়েটাৰ বিষয়ে আলোচনা কৰা হৈছে।

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অর্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূর্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্রগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্রশ্নাৱলীয়ে অধ্যয়নৰ অগ্রগতি সম্পর্কে স্ব-পৰীক্ষণৰ সুবিধা প্রদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্রশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্রগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্রশ্ন' হিচাপে কেইটিমান আৰ্হি প্রশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্রন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ অসমীয়া সংস্কৃতি আৰু ইয়াৰ তাৎপর্য

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ সংস্কৃতিৰ সংজ্ঞা

১.৪ সংস্কৃতিৰ প্রকৃতি আৰু বৈশিষ্ট্য

১.৫ প্রজাতিগত উপাদান

১.৫.১ নেগ্রিট'

১.৫.২ অষ্ট্রে'লয়ড

১.৫.৩ মংগোলীয় উপাদান

১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.৭ অধিক জানিবলৈ

১.৮ অগ্রগতিৰ খতিয়ান

১.৯ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সংস্কৃতি আৰু সমাজ আৰু মানৱ জাতিৰ সৈতে ইয়াৰ সম্পর্ক নির্ধাৰণ কৰিব পাৰিব
- সংস্কৃতিৰ উপাদান আৰু ইয়াৰ বিভিন্ন অংশ বর্ণনা কৰিব পাৰিব
- অসমীয়া সংস্কৃতিৰ নির্মাণত সংমিশ্রিতকৰণ আৰু সন্মিলিতকৰণৰ প্রক্রিয়া বর্ণনা কৰিব পাৰিব।

১.২ পৰিচয়

আপুনি নিশ্চয় লক্ষ্য কৰিছে যে বিভিন্ন ৰাষ্ট্র, সম্প্রদায়ৰ লোকসকলৰ অভিবাদনৰ শৈলীও বিভিন্ন। উদাহৰণস্বৰূপে ভাৰতীয়সকলে হাতযোৰ কৰি নমস্কাৰ দিয়াৰ বিপৰীতে পশ্চিমীয়া দেশসমূহত মানুহে কৰমর্দন কৰে, আন কেতবোৰ ৰাষ্ট্রত নম্রতাৰে মূৰ দোৱাই অভিবাদন জনোৱা হয়। এই আটাইবোৰ ব্যক্তি অথবা সমূহে নিজৰ নিজৰ সংস্কৃতি অনুসৰণ কৰিছে আৰু ইয়াৰে কাকো আনতকৈ শ্রেষ্ঠ বুলি ক'ব পৰা নাযায়। বিভিন্ন স্থান আৰু সমাজত প্রচলিত এই সন্মান জনোৱাৰ ৰীতি সংস্কৃতিৰ বাহিৰে আন একো নহয়।

এই নির্দিষ্ট অধ্যায়টোত মানৱ জীৱনৰ অতি গুৰুত্বপূর্ণ দিশ সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে। আমি সংস্কৃতিৰ সৈতে সমাজৰ সম্পর্ক আৰু দৈনন্দিন জীৱনত ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰিম।

১.৩ সংস্কৃতিৰ সংজ্ঞা

সংস্কৃতি কি? এয়া কেৱল জীৱনৰ মসৃন দিশ, যেনে ধ্রুপদী সংগীত, ধ্রুপদী কলা, সুস্বাদু ব্যঞ্জন আদিয়ে সংস্কৃতিক ব্যাখ্যা কৰে নেকি? জানো আহক।

সংস্কৃতিৰ ইংৰাজী প্রতিশব্দ কালচাৰৰ বুৎপত্তি হৈছে ফৰাচী শব্দ 'কলেৰে'ৰ পৰা। ইয়াৰ দ্বাৰা পৃথিৱীৰ প্রতি ঢাল খোৱা আৰু বিকাশ অথবা কৃষি আৰু প্রতিপালন। জার্মান শব্দ কালটোৰাৰ সৈতেও সংস্কৃতিৰ সম্পর্ক আছে। ইয়াৰ দ্বাৰা সংস্কৃতিক সভ্যতা আৰু ব্যক্তিগত অথবা সামূহিক, নৈতিক বিকাশৰ সৈতে একে অর্থত ব্যৱহাৰ কৰা হৈছে। সংস্কৃতি সকলো দিশতে বিদ্যমান আৰু ইয়াক কেৱল উচ্চ কলা অথবা পশ্চিমীয়া সভ্যতাৰ মাজতহে পোৱা নাযায়।

বর্ণাত্মক সংজ্ঞাৰ পৰা দেখা যায় যে সামগ্রিকভাৱে সংস্কৃতিয়ে সমাজ জীৱনৰ সকলো দিশ সামৰি লৈছে আৰু বিভিন্ন ক্ষেত্রই সংস্কৃতি নির্মাণ কৰিছে। ঐতিহাসিকভাৱে সংস্কৃতিক সময়ৰ সৈতে প্রজন্ম অনুসৰি লাভ কৰা ঐতিহ্য বুলি ক'ব পৰা যায়।

নৃতত্ত্ববিদসকলে সংস্কৃতিৰ বিভিন্ন সংজ্ঞা তুলি ধৰিছে। ঊনবিংশ শতিকাৰ বৃটিছ নৃতত্ত্ববিদ এডৱার্ড টাইলৰে (১৮৭১) সংস্কৃতিৰ এইদৰে ব্যাখ্যা কৰিছে— 'সেই জটিল সমগ্র য'ত জ্ঞান, বিশ্বাস, কলা, নৈতিকতা, আইন আৰু ৰীতি আৰু সমাজৰ সদস্য ৰূপে মানুহে আহৰণ কৰা সকলো ক্ষমতা আৰু অভ্যাসক অন্তর্ভুক্ত কৰা হৈছে।'

মালিন'বস্কিৰ দৃষ্টিত (১৯৩১) — সংস্কৃতি হৈছে জীৱনৰ সামগ্রিক প্রক্রিয়া যিয়ে ইয়াৰ কার্য প্রণালী আগবঢ়াই নিয়ে। তেওঁৰ দৃষ্টিত সামাজিক সংস্কৃতি আৰু দৈহিক সংস্কৃতি উভয়ে সংস্কৃতিৰ গুৰুত্বপূর্ণ কাৰক। ৰুথ বেনেডিক্ট (১৯৩৪) ৰ মতে সংস্কৃতি সামাজিক জীৱনৰ উপাদান নহয়, বৰং ই হৈছে সামাজিক জীৱনৰ শৃংখলা আৰু সংগঠন।

আমাৰ দৰে সাধাৰণ মানুহৰ বাবে সামূহিকভাৱে সমাজৰ সদস্য ৰূপে ব্যক্তিসকলে লাভ কৰা সকলো দিশ, চিন্তা আৰু কার্যক সংস্কৃতি ৰূপে বুজিব পৰা যায়। মানুহক পশুৰ পৰা যিয়ে পৃথক কৰে সেয়াই হৈছে সংস্কৃতি। সংস্কৃতিত মানুহৰ ভিতৰে বাহিৰে থকা সকলো অন্তর্ভুক্ত কৰা হৈছে যিসমূহ প্রকৃতিগতভাৱে স্বাধীন নহয়, কিন্তু মানৱ শ্রম আৰু মানুহৰ কার্যৰ মাজেৰে বহল পৰিসৰ প্রকাশ পায়।

সংস্কৃতিয়ে ৰীতি-নীতি, পৰম্পৰা, মনোভাব, মূল্যবোধ, প্রমূল্য, ধাৰণা আৰু মানৱ আচৰণৰ প্রতীকক সূচায়। সমাজৰ সদস্যসকলে কেৱল ইয়াক বৈধতা প্রদান কৰাই নহয়, লগতে এই অনুসৰি নিজৰ আচৰণো পৰিচালিত কৰে। তেওঁলোক সমাজৰ সদস্য আৰু ইয়াৰ কাৰণ হৈছে সামূহিক পৰম্পৰা আৰু ৰীতি-নীতি, যিসমূহক তেওঁলোকে সামাজিকীকৰণৰ প্রক্রিয়াৰ মাজেৰে পুৰুষানুক্রমে লাভ কৰে। এই সাধাৰণ শৈলীসমূহক সংস্কৃতি বুলি কোৱা হয়। এই সংজ্ঞাই সামাজিক সম্পর্কৰ ভিত্তিত মানুহৰ বিস্তাৰিত আচৰণ পদ্ধতি বুজাত সহায় কৰে।

গতিকে সংস্কৃতি হৈছে ভাষা, ধর্ম, খাদ্যাভাস, সামাজিক অভ্যাস, সংগীত আৰু কলাই নির্ধাৰণ কৰা এক নির্দিষ্ট মানৱ গোটৰ বৈশিষ্ট্য আৰু জ্ঞান হৈছে সংস্কৃতি। সাংস্কৃতিক ধাৰণাসমূহৰ বিৱর্তন ঘটে সামাজিক জীৱনৰ ভাগ-বটোৱাৰাত।

সংস্কৃতিক দুটা ভাগত বিভক্ত কৰিব পাৰি। মানৱ অথবা বিমূর্ত আৰু বস্তুগত সংস্কৃতি। বস্তুগত সংস্কৃতিত মানুহে নিজৰ সংস্কৃতিক বুজাবলৈ ব্যৱহাৰ কৰা সামগ্রী, সম্পদ আৰু ক্ষেত্রক অন্তর্ভুক্ত কৰা হৈছে। ইয়াৰ ভিতৰত আছে ঘৰ, চুবুৰী, চহৰ, বিদ্যালয়, গির্জা, মন্দিৰ, মছজিদ, কাৰখানা আৰু উপাদানৰ আহিলা আৰু অন্যান্য সামগ্রী। সংস্কৃতিৰ এই বস্তুগত দিশে ইয়াৰ সদস্যসকলৰ আচৰণ আৰু ধাৰণা নির্ধাৰণ কৰাত সহায় কৰে। বস্তুগত সংস্কৃতি হৈছে মানত নির্মিত, দৃশ্যমান আৰু ভংগুৰ আৰু দ্রুত গতিত পৰিৱর্তনশীল। বিমূর্ত সংস্কৃতিত ধাৰণা, বিশ্বাস,

মূল্যবোধ, প্রমূল্য, নৈতিকতা, ভাষা, সংগঠন আৰু সংগঠন যিসমূহ পৰম্পৰাগত ৰূপে প্রচলিত, সেইসমূহক স্থান দিয়া হৈছে। এই বিমূর্ত সাংস্কৃতিক উপাদানে ইয়াৰ সদস্যসকলৰ চিন্তা, অনুভৱ আৰু আচৰণ গঢ় দিয়ে। বিমূর্ত সংস্কৃতিৰ আটাইতকৈ গুৰুত্বপূর্ণ দিশ হৈছে প্রতীক, ভাষা, মুল্যবোধ আৰু ৰীতি-নীতি।

সংস্কৃতিক পুনৰ দুটা গোটত ভাগ কৰিব পাৰি— ধ্রুপদী সংস্কৃতি আৰু লোকসংস্কৃতি। ধ্রুপদী সংস্কৃতি কেতবোৰ ৰীতি আৰু নিয়মত বান্ধ খাই থাকে। আনহাতে লোকসংস্কৃতিক পুৰুষানুক্রমে পর্যবেক্ষণ আৰু অনুশীলনৰ দ্বাৰা আহৰণ কৰা হয়। লোকসংস্কৃতি হৈছে নৃগোষ্ঠীয় লোকৰ অৱদান আৰু জীৱনৰ এক অংশ। সাংস্কৃতিক মূল্যবোধৰ ভিত্তি হৈছে ধাৰণা, ন্যায় আৰু অন্যায়, ভাল আৰু বেয়া। ইয়াত প্রত্যাশাৰ ওপৰত ভিত্তি কৰা কেতবোৰ ৰীতি-নীতি আৰু নিয়ম আছে, যিসমূহৰ দ্বাৰা এটা সংস্কৃতিয়ে সমাজখনৰ সদস্যসকলৰ আচৰণ যিকোনো পৰিস্থিতিত নিয়ন্ত্রণ কৰে। কোনো সংস্কৃতিৰ অস্তিত্বৰ বাবে ইয়াৰ নীতি-নিয়ম সদস্যসকলে মানি চলাটো প্রয়োজন। গতিকে সদস্যসকলে নিয়ম মানি চলিবই লাগিব। এই নীতি-নিয়ম মানি নচলিলে সামাজিক নিয়ন্ত্রণৰ মুখামুখি হৈ বর্জন, জৰিমনা, শাস্তি আৰু কাৰাবাস পর্যন্ত খাটিবলগীয়া হ'ব পাৰে।

সংস্কৃতি হৈছে এক বিৱর্তনমূলক প্রক্রিয়া যাৰ দ্বাৰা মানৱ সমাজ বর্তি থকাৰ লগতে উৎপাদনৰ সক্ষম হয়। এজন মানুহৰ সংস্কৃতি এটা গোটৰ সংস্কৃতি বা পৃথক নহয় আৰু এটা গোটৰ সংস্কৃতি সমগ্র সমাজৰ পৰা পৃথক কৰিব পৰা নাযায়।

আদিম সংস্কৃতি হৈছে সৰল সংস্কৃতি য'ত প্রযুক্তি, উদ্যোগ, সাহিত্য আৰু বাণিজ্যৰ উপস্থিতি দেখা নাযায়। আধুনিক সংস্কৃতি হৈছে অধিক জটিল প্রকৃতিৰ আৰু ইয়াত বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ লগতে শ্রমৰ বিশেষিকীকৰণৰ আধিপত্য দেখিবলৈ পোৱা যায়। একবিংশ শতিকাত সাংস্কৃতিক ভিন্নতা এক লক্ষ্যণীয় বৈশিষ্ট্য আৰু ইয়াক সু�ৰক্ষা দিয়াটো প্রয়োজনীয়। সাংস্কৃতিক অনৈক্যই সমাজ অথবা সংস্থাত বিভিন্ন সংস্কৃতিৰ পার্থক্য থকা ভিন্নমুখী জনসংখ্যাৰ উপস্থিতিক সূচায়।

১.৪ সংস্কৃতিৰ প্রকৃতি আৰু বৈশিষ্ট্য

কোনো সাংস্কৃতিক পৰিঘটনা পৃথক নহয়, বৰং আন্তঃসম্পর্কিত। সংস্কৃতি হৈছে এক সামূহিক পৰিঘটনা। মানুহে নিজৰ সাংস্কৃতিক মূল্যবোধৰ আগ্রহ প্রতিক্রিয়ামূলক কার্যৰ জৰিয়তে প্রসাৰ কৰে। প্রতিটো সংস্কৃতিয়ে ইটোৱে সিটোক প্রভাৱান্বিত কৰে। এখন সমাজত সংৰচনাত্মক আৰু কার্যাৱলীৰ দিশৰ পৰা ব্যক্তিসকল সম্পর্কিত হোৱাৰ বাবে এজনৰ প্রভাৱ আনজনৰ ওপৰত পৰাটো প্রায় স্বাভাৱিক। আমি কোনো চিন্তা অথবা কোনো কার্যক সংস্কৃতি ৰূপে বিবেচনা কৰিব পাৰো যদি ইয়াক মানৱ গোটৰ অংশীদাৰিত্ব আৰু বিশ্বাস অথবা অনুশীলন ঘটে। অৱশ্যে এই ক্ষেত্রত জটিলতাও বিদ্যমান। একে ধৰণৰ সংস্কৃতি অনুসৰণ কৰা লোকৰ সংখ্যা অগণন হ'ব পাৰে আৰু তেওঁলোক ভৌগোলিকভাৱে বিচ্চুৰিত হ'ব পাৰে। অধিকাংশ আধুনিক ৰাষ্ট্রত বর্তমান ভিন্ন সাংস্কৃতিক জনসংখ্যা থকা দেখা যায় আৰু ইয়াৰ ফলত উপসংস্কৃতি আৰু আঞ্চলিক সংস্কৃতিয়ে ভুমুকি মাৰিছে। ইয়াৰ দ্বাৰা এখন ৰাষ্ট্রত থকা সংস্কৃতিৰ ভিন্নতাক বুজোৱা হৈছে।

সংস্কৃতিৰ বৈশিষ্ট্য -

সমাজৰ সদস্যসকলে সংস্কৃতিক জন্মগতভাৱে আহৰণ নকৰে, বৰং ইয়াক শিকে বা আহৰণহে কৰে।

সাংস্কৃতিক সম্পদবোৰ জন্মগত সম্পদ নহয়। এই সমূহ হৈছে আহৰণ কৰা সম্পত্তি, যিসমূহক গোট অথবা সমাজৰ ব্যক্তিগত সদস্যসকলে নিজৰ কার্যাৱলী অথবা ক্রিয়াৰ জৰিয়তে আহৰণ কৰে। তেওঁলোকে আচৰণৰ পদ্ধতি, ভাষা, ৰীতি-নীতি আৰু পৰম্পৰা এক নির্দিষ্ট সংস্কৃতি আৰু পৰিবেশত ডাঙৰ হোৱাৰ সূত্রে শিকে। আনকসংস্কৃতিৰ সৈতে আপোনত্ব অনুভৱ কৰা যিকোনো ব্যক্তিয়ে তেওঁলোকৰ ব্যক্তিত্ব আৰু জীৱন শৈলীৰ পৰা প্রভাৱান্বিত হ'ব পাৰে। সমাজত আন লোকৰ সৈতে সামাজিক আন্তঃসম্পর্কৰ দ্বাৰা সংস্কৃতিৰ শিক্ষা লাভ কৰা হয়। সংস্কৃতিৰ পৰিক্রমণৰ দ্বাৰা মানুহৰ সাংস্কৃতিক পৰম্পৰা প্রভাৱিত হয়। ভাষাই এই প্রৱাহৰ প্রক্রিয়াত সহায় কৰে। শিশুৱে সংস্কৃতিক আহৰণ আৰু শিকাৰ কার্যত নৃতত্ত্ববিদসকল পৰিক্রমণ ৰূপে ব্যাখ্যা কৰিছে। মানসিক সংৰচনাৰ সৃষ্টি হয় সাধাৰণ অভিজ্ঞতাৰ জৰিয়তে।

সংস্কৃতি এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ প্রভাৱিত হ'ব পাৰে। সাংস্কৃতিক শৈলী নির্ধাৰণ কৰাৰ ক্ষেত্রত ভাষাই এক গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰে। সংস্কৃতিৰ প্রৱাহত অনুকৰণ অথবা নির্দেশনা কাৰক হ'ব পাৰে। সংস্কৃতি হৈছে মানুহৰ জীৱন পৰিক্রমাক চেৰাই এক আন্তঃপ্রজন্মগত ধাৰাবাহিকতা। সংস্কৃতিক পুনঃ পুনঃ নির্মাণ আৰু নতুনকৈ গঢ় দিয়াৰ তথ্যৰ মাজতো সময়ৰ পৰিৱর্তনৰ মাজত সাংস্কৃতিক শৈলীত স্থিৰতা আৰু স্থায়ীত্ব থকা দেখা যায়।

সংস্কৃতি হৈছে গতিশীল। সংস্কৃতিৰ পৰিৱর্তন হয়। এখন সমাজৰ আৱিষ্কাৰ আৰু বিচ্ছু ৰিতকৰণে সংস্কৃতিৰ পৰিৱর্তন সাধন কৰে আৰু এই পৰিৱর্তন সমাজ ভেদে ভিন্ন হয়। বস্তুগত পৃথিৱীৰ পৰিৱর্তিত পৰিস্থিতিৰ প্রতি ই প্রতিক্রিয়াশীল। সংস্কৃতি হৈছে নমনীয় আৰু পৰিৱর্তিত পৰিস্থিতিত নিজকে খাপ খুৱাই ল'ব পাৰে। সংস্কৃতিৰ বৈশিষ্ট্যই সমাজৰ সদস্যসকলক সংকটৰ সৈতে সন্মুখীন হোৱাৰ লগতে সংঘাত সমাধান কৰা আৰু শৃংখলাবদ্ধ পুনৰ প্রতিষ্ঠা কৰাত সহায় কৰে। মানুহে নিজে অনুসৰণ কৰা সংস্কৃতিক প্রত্যাহ্বান জনাই নতুন সংস্কৃতি গঠন কৰে।

সংস্কৃতি হৈছে ভিন্নমুখী। ইয়াক বিভিন্ন পৃথক সংস্কৃতিয়ে গঠন কৰে। প্রতিখন সমাজত নিজস্ব সংস্কৃতি থাকে। যিটো হৈছে বৈশিষ্ট্যসম্পন্ন আৰু কেতবোৰ বিশেষ ৰীতি-নীতি, পৰম্পৰা আৰু নৈতিক মূল্যবোধ অনুসৰণ কৰে। সংস্কৃতি হৈছে অংশীদাৰিত্বৰ মাজেৰে প্রৱাহিত কাৰণ সংস্কৃতিৰ সকলো দিশ প্রতীকীভাৱে সমাজৰ সদস্যসকলৰ মাজত প্রৱাহিত হয়। যিকোনো কার্য সংস্কৃতি হ'বলৈ হ'লে ব্যক্তি গোটৰ সদস্যসকলে ইয়াত সামূহিকভাৱে অংশ ল'ব লাগিব। ধাৰণা, মূল্যবোধৰ অনুমান আৰু আচৰণৰ মানৰ এক অংশীদাৰিত্বৰ অর্থ থাকে যিটোৱে মানুহৰ ক্রিয়াক আনৰ সন্মুখত জ্ঞানী ৰূপত তুলি ধৰে। গতিকে সদস্যসকলে নিজৰ সতীর্থৰ আচৰণ অনুসৰণ কৰি সেইমতে প্রতিক্রিয়া প্রকাশ কৰিব পাৰে। অৱশ্যে সংস্কৃতি সকলো সমাজতে একে ধৰণৰ নহয়। আদিম সমাজ হৈছে সাধাৰণ প্রকৃতিৰ আৰু ইয়াত সংস্কৃতিৰ ভিন্নতা অনুসৰি গোট থকা দেখা যায়। সংস্কৃতিৰ সদস্যসকলে পর্যাপ্ত পৰিমাণৰ বিনিময় কৰে। এনে পদ্ধতিত যিসমূহ হৈছে আনৰ বাবে বুজাত সহজ আৰু গ্রহণযোগ্য। এই জ্ঞানে আচৰণক এনেদৰে নির্দেশ কৰে যে ব্যক্তিসকলে নিজৰ সংস্কৃতিৰ অস্তিত্ব বর্তাই ৰাখি পুনঃ উৎপাদন আৰু প্রৱাহ কৰিব পাৰে।

সংস্কৃতিৰ ভিত্তি হৈছে প্রতীক-শব্দভিত্তিক আচৰণ, যিসমূহক এক অর্থপূর্ণ প্রক্রিয়াৰ উপস্থাপন কৰা হয়। ভাষা হৈছে সংস্কৃতিৰ আন এক প্রতীকী দিশ। গোটৰ বহির্ভূত সদস্যৰ সৈতে প্রতীকসমূহে আত্মীয়তা গঢ়ি তোলাত সহায় কৰে।

সংস্কৃতি হৈছে আদর্শগত। প্রতি সমাজে ইয়াৰ সদস্যসকলে কেনেদৰে আচৰণ কৰিব সেয়া নির্ধাৰণ কৰে। ইয়াক সংস্কৃতিৰ পদ্ধতি বুলি কোৱা হয়।

সংস্কৃতি হৈছে সংহতিপূর্ণ। সংস্কৃতিৰ উপাদানসমূহ ইটোৰ লগত সিটো সংযোজিত আৰু এইসমূহ পৰস্পৰৰ সৈতে সহাৰস্থান থাকে। সংস্কৃতিত বহু ধৰণৰ উপাদান থাকে যিসমূহ তলত উল্লেখ কৰা হৈছে। সংস্কৃতিৰ উপাদানসমূহ হৈছে বিশ্বাস, ধাৰণা, জ্ঞান, মূল্যবোধ আৰু মনোবৃত্তি।

- সংস্কৃতি হৈছে সামগ্রিকভাৱে আচৰণৰ পদ্ধতিৰ ওপৰত নির্ভৰশীল। সামাজিকভাৱে গ্রহণযোগ্য আর্হিসমূহ ৰীতি-নীতিলৈ পৰিৱর্তিত হয় আৰু এইসমূহ ইটো প্রজন্মৰ পৰা সিটো প্রজন্মলৈ আৰু এজন ব্যক্তিৰ পৰা আন এজন ব্যক্তিলৈ প্রৱাহিত হয়। ৰীতিসমূহ হৈছে সাধাৰণভাৱে গ্রহণযোগ্য আৰু গণ অভ্যাসৰ দ্বাৰা এইসমূহ গ্রহণ কৰা হয়। সামাজিক, সাংস্কৃতিক ৰীতিসমূহ ব্যাখ্যাৰ আওতাৰ বাহিৰত আৰু সমাজৰ সদস্যসকলে ইয়াৰ বিষয়ে জ্ঞাত নহয়, এইসমূহৰ ভিতৰত আছে পৰম্পৰাগত শ্রম, আচৰণৰ পদ্ধতি, জীৱনশৈলী আৰু ডাঙৰ-দীঘল হোৱাৰ ব্যৱস্থা।
- বিশ্বাস— বিশ্বাসৰ ব্যৱস্থা সময়ৰ সৈতে গঢ়ি উঠে আৰু মানুহে এই ব্যৱস্থাৰ বিৱর্তন ঘটোৱাৰ ফলত মানৱ সংস্কৃতিৰ এয়া ভিত্তি ৰূপে পৰিগণিত হয়। সামাজিক নিয়ন্ত্রণৰ ব্যৱস্থা ৰূপে থকা কার্য কৰে। অজানা শক্তিৰ প্রতি ভয়, অতিলৌকিক বস্তুৰ প্রতি ধাৰণা অনুভৱ আদি ইয়াৰ উদাহৰণ।
- প্রমূল্য— প্রমূল্যসমূহ হৈছে সমাজৰ সদস্যসকলৰ নির্দিষ্ট ভূমিকা আৰু মান অনুসৰি তেওঁলোকৰ পৰা প্রত্যাশা কৰা আচৰণ পদ্ধতিৰ মানৱ বিকশিত ৰূপ। প্রমূল্যসমূহ কম-বেছি পৰিমাণে সকলোৱে মানি লয়। প্রমূল্যসমূহ হৈছে পৰিচালনা কৰা নীতি আৰু ইয়াত কোনো নির্দিষ্ট পৰিঘটনা প্রতিফলিত নহয়। অধিকাংশ প্রমূল্য চেষ্টা আৰু শৃংখলাৰ মাজত স্বতস্ফূর্তভাৱে গঢ়ি উঠে। প্রমূল্যসমূহ হৈছে মূল নির্ধাৰক যিসমূহে সমাজে বান্ধি দিয়া পৰিসীমা উলংঘন নকৰাকৈ ব্যৱহাৰৰ এক নির্দিষ্ট পর্যায়ত ভিন্নতাক অনুমতি প্রদান কৰে।
- প্রমূল্যৰ কার্যাৱলীৰ ভিতৰত বিষয়ভিত্তিক ঘটনাকেন্দ্রিক উদ্দেশ্য নাথাকে আৰু বিশ্বাসযোগ্য ধাৰণা কৰিব পৰা মান সম্পন্ন আচৰণ ই নিশ্চিত কৰে। প্রমূল্যই ধাৰণাৰ মূল্যবোধ আৰু বাস্তৱিক জীৱনত বিজ্ঞানসন্মতভাৱে প্রয়োগ কৰিব পৰা পদ্ধতিৰ প্রসাৰ ঘটে। প্রমূল্যসমূহ হৈছে সকলোৱে মাজত থকা এক ধাৰণা যাৰ দ্বাৰা মানুহে নির্দিষ্ট পৰিস্থিতিত কেনেদৰে আচৰণ কৰিব লাগে তাৰ শিক্ষা প্রদান কৰা হয়। আচৰণৰ ক্ষেত্রত কেতবোৰ নির্দিষ্ট মান ৰক্ষা কৰিবলৈ মানুহক প্রমূল্যই শিকায়। প্রমূল্যসমূহ আমাৰ সমাজত এনেদৰে সোমাই আছে যে মানুহ ইয়াৰ সম্পর্কত সজাগেই নহয়, প্রমূল্যই সামাজিক আন্তঃক্রিয়া আগতীয়াকৈ ধাৰণা কৰি আমাক আনৰ প্রতি ব্যৱহাৰ কৰাৰ লগতে তেওঁলোকৰ পৰা ভিন্ন পৰিস্থিতিত ব্যৱহাৰ আশা কৰিবলৈ শিকায়।
- মূল্যবোধ হৈছে জীৱনৰ এনে দিশ য'ত সমাজৰ গ্রহণযোগ্যভাৱে ব্যক্তিক গঢ়ি তোলা হয়। মূল্যবোধে আমাৰ মনোভাৱত প্রভাৱ পেলাই আৰু ইয়াৰ ফলতে আমি কার্য সম্পাদন কৰো। মূল্যবোধ সংস্কৃতিৰ ৰক্ষণাবেক্ষণৰ বাবে অতি গুৰুত্বপূর্ণ কাৰণ এইসমূহে মানুহে জীৱন অতিবাহিত কৰিবলৈ প্রয়োজন গুণসমূহ নিশ্চিত কৰে। মূল্যবোধ হৈছে পুনঃনির্ধাৰণ কৰা লক্ষ্য। ইয়াৰ দ্বাৰা সকলো সদস্যই সমাজৰ সদস্য ৰূপে ব্যক্তিগত সম্পর্কৰ এক নির্দিষ্ট ধৰণে আগবঢ়াই নিয়াটো বুজোৱা হয়। সামাজিক মূল্যবোধ, সামাজিক

প্রমূল্য সামাজিক মূল্যবোধৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠে।

- চিহ্ন— চিহ্ন আৰু প্রতীকসমূহক সমাজে যোগাযোগৰ বাবে গঢ়ি তোলে আৰু ইয়াৰ দ্বাৰা সমাজৰ সদস্যসকলে সমাজৰ আন্তঃক্রিয়াসমূহ সম্পাদন কৰে। সংস্কৃতিৰ প্রাথমিক দিশ হৈছে চিহ্ন। চিহ্ন গঠন কৰা আৰু ইয়াক অর্থ প্রদান কৰা কার্যই মানুহক বস্তুসমূহৰ বিভাজন, ধাৰণা আৰু আচৰণ চিনাক্ত কৰিবলৈ সহায় কৰে। সাধাৰণ চিহ্নসমূহৰ শক্তি তেতিয়া পৰিস্ফুট হয় যেতিয়া আমি সুদূৰ দেশত আমাৰ নিজৰ সংস্কৃতিৰ কাৰোবাক লগ পাওঁ। আমাৰ চিহ্নসমূহৰ সাধাৰণ চৰিত্রই আমাক কোনো ধৰণৰ ভুল বুজাবুজি নোহোৱাকৈ আনৰ সৈতে মত বিনিময় কৰিবলৈ সহায় কৰে।

সংস্কৃতিৰ সংজ্ঞাৰ সৈতে প্রজাতি আৰু সভ্যতাৰ সংজ্ঞাক প্রায়ে একাকাৰ ৰূপত বিবেচনা কৰা হয়। প্রজাতি হৈছে এনে জনসংখ্যা য'ত সদস্যসকলে সাধাৰণ শাৰীৰিক গুণ অর্থাৎ জৈৱিক জিন বহির্ভূত চৰিত্র লৈ জন্মগ্রহণ কৰে। একে ধৰণৰ সাংস্কৃতিক গুণ আৰু প্রজাতিগত অথবা শাৰীৰিক গুণসম্পন্ন লোকৰ ক্ষেত্রতো এই ধাৰণা ভিন্ন হয়।

এই সংজ্ঞাসমূহক ইটোৰ স্থানত সিটোক ব্যৱহাৰ কৰিব নোৱাৰি। সংজ্ঞা ৰূপে সভ্যতাই উন্নত সংস্কৃতিক নির্দেশ নকৰে। সকলো সভ্যতাই সংস্কৃতি, কিন্তু সকলো সংস্কৃতি সভ্যতা নহয়। নৃতত্ত্ববিদসকলে সভ্যতাক এক নির্দিষ্ট প্রকাৰৰ সংস্কৃতি বুলি ব্যাখ্যা কৰিছে, যিটোৰ প্রথম উদ্ভৱ ঘটিছিল ৫৫০০ বছৰ পূর্বে মধ্য পূবৰ উর্বৰ ভূমিত (বর্তমান ইৰাকত)। সংস্কৃতিৰ ধাৰাবাহিকভাৱে বিকাশ ঘটে যাৰ ফলত ধাৰণা, বিশ্বাস আদিৰো পৰিৱর্তন হয়। সংস্কৃতিৰ বিকাশৰ সৈতে জড়িত প্রক্রিয়াত আছে —

- **আহৰণ**— সংস্কৃতিৰ বিকাশৰ লগে লগে ই নতুন ধাৰণ আৰু দক্ষতা আহৰণ কৰে। নতুন সাংস্কৃতিক গুণসমূহ গ্রহণ কৰা হয় আৰু পুৰণাখিনি বর্জন কৰা হয়।
- **বিচ্ছুৰিতকৰণ**— বিচ্ছুৰিতকৰণৰ মাধ্যমত সংস্কৃতি এখন সমাজৰ পৰা আন এখন সমাজলৈ বিয়পি পৰে। ইয়াত সকলো বস্তুগত আৰু বিমূর্ত সংস্কৃতিক সামৰি লোৱা হৈছে।
- **আশ্রয় প্রদান**— সাংস্কৃতিক আশ্রয় প্রদানে বিভিন্ন সাংস্কৃতিক গুণক গ্রহণ কৰি সমাজত ইয়াক স্থান প্রদান কৰে।
- **আন্তঃ উর্বৰতাকৰণ**— পাৰস্পৰিক আদান-প্রদানৰ মাধমেৰে দুটা সংস্কৃতিৰ মিলনক উর্বৰতা বুলি ক'ব পৰা যায়।
- **সন্মিলিতকৰণ**— আন সমাজৰ পৰা সাংস্কৃতিক গুণ গ্রহণ কৰা কার্যক সন্মিলিতকৰণ বুলি কোৱা হয়।
- **সংমিশ্রিতকৰণ**— সংমিশ্রিতকৰণৰ প্রক্রিয়া তেতিয়া দেখিবলৈ পোৱা যায় যেতিয়া এখন সমাজে আন সমাজৰ সৈতে বিলীন হৈ নিজৰ পৰিচয় হেৰুৱাই পেলায়।

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নৰ উত্তৰ দিয়ক

প্রশ্ন নং ১ ঃ কলেৰে শব্দৰ দ্বাৰা কি বুজে?

.....

প্রশ্ন নং ২ ঃ সাংস্কৃতিক ভিন্নতাই কি সূচায়?

.....

প্রশ্ন নং ৩ ঃ সংস্কৃতি আন্তঃ-সাধাৰণীকৃত বুলি আপুনি বিশ্বাস কৰেনে?

.....

১.৫ প্রজাতিগত উপাদান

প্রাক ঐতিহাসিক যুগৰ নিদর্শন আৰু আন অৱশেষৰ পৰা আমি জানিব পাৰো যে অসমত বিভিন্ন প্রজাতিগত উপাদানৰ সমাহাৰ ঘটিছে আৰু সেইবাবে অসমক নৃতাত্ত্বিক সংগ্রহালয় বুলি উল্লেখ কৰিব পাৰি। বর্তমানেও ইয়াত কেতবোৰ প্রাচীন লোক বাস কৰে। ভাৰতৰ বিভিন্ন প্রান্তৰ লগতে দক্ষিণ পূব এছিয়াৰ পৰাও বিভিন্ন সময়ত নানা লোকৰ আগমন ঘটি অসমৰ পাহাৰ আৰু ভৈয়ামত তেওঁলোকৰ প্রজাতিগত উপাদান এৰি থৈ গৈছে। উত্তৰ দিশেদি বিশেষভাৱে প্রব্রজন হোৱা নাছিল আৰু প্রব্রজনৰ প্রধান বাট আছিল অসম আৰু তিব্বতৰ মাজৰ পর্বতশৃংখলা আৰু ব্রহ্মপুত্র আৰু গংগাৰ মাজৰ জলপথ।

ধ্রুপদী সূত্রই এই পথসমূহৰ অস্তিত্ব উল্লেখ কৰিছে। অন্যান্য সূত্রসমূহৰ মতেও প্রব্রজনৰ প্রধান পথ আছিল ভূটান আৰু তিব্বতৰ পর্বতশৃংখলা। এইয়ে প্রমাণ কৰে যে কেতবোৰ প্রজাতিগত বৈশিষ্ট্যসম্পন্ন ক্ষুদ্র গোটে এই পথসমূহেদি অসমত প্রৱেশ কৰিছিল। অসম হৈছে ভিন্ন সংস্কৃতিৰ মিলনভূমি, কাৰণ অতি প্রাচীন যুগৰ পৰাই ইতিহাসৰ বিভিন্ন সময়ত প্রধান মানৱ প্রজাতিসমূহৰ অসমলৈ প্রব্রজন ঘটিছিল। প্রধান মানৱ প্রজাতি যেনে নেগ্রিট', দ্রাবিড়, মংগোলীয় আৰু আর্যসকলে বিভিন্ন সময়ত অসম ভূমিলৈ প্রব্রজন কৰিছিল। এই প্রজাতিগত উপাদানসমূহৰ বিষয়ে জানো আহক।

- **নেগ্রিট'**

বি এছ গোহাঁই ভাৰতৰ লোকপিয়ল (১৯৩১) ৰ আধাৰত নেগ্রিট' প্রজাতিৰ বিষয়ে উল্লেখ কৰিছে আৰু কৈছে যে ভাৰতত অতি প্রাচীনকালত এইসকল লোকৰ উপস্থিতি আছিল। নৃতত্ত্ববিদসকলৰ মতে নেগ্রিট' প্রজাতিয়ে অষ্টিক আৰু মংগোলীয় লোকসকলৰ পিছতেই ভাৰতত প্রথম প্রৱেশ কৰে। নেগ্রিট' সকলৰ প্রধান বাসস্থান আছিল আফ্রিকা, য'ৱপৰা তেওঁলোকে আৰৱ আৰু ইৰাণৰ উপকূল ভূমি আৰু বালুচিস্থান হৈ ভাৰতত প্রৱেশ কৰে আৰু সময়ৰ সোঁতত অসমৰ লগতে ভাৰতত বিভিন্ন প্রান্তত বিয়পি পৰে। ভাৰতৰ উত্তৰ আৰু পূব এলেকাত অষ্ট্রিকসকলে তেওঁলোকক প্রব্রজনত বাধা দিছিল । অষ্ট্রিকসকলৰ সৈতে যুদ্ধৰ বাবে তেওঁলোক ভাৰতৰ দক্ষিণ এলেকাত সীমাবদ্ধ হৈ ৰয় আৰু তাৰ পৰা তেওঁলোকে পূব দিশলৈ আগবাঢ়ি আহি ইণ্ডোনেছিয়াৰ দ্বীপত উপস্থিত হৈ সেই এলেকাৰ অষ্ট্রিকসকলৰ সৈতে মুক্তভাৱে মিলিত হয়। এই মিশ্রিত তেজৰ ব্যক্তিসকলে তেতিয়া পশ্চিমমুৱা হৈ আহি অসমত প্রৱেশ কৰে আৰু দেশৰ পূব সীমান্তত থকা পাহাৰীয়া এলেকাত সীমাবদ্ধ হৈ ৰয়।

অৱশ্যে এই প্রজাতিৰ উপস্থিতিক লৈ বিভিন্ন বিতর্ক আছে। যিহেতু তেওঁলোকে অতি প্রাচীন কালত অসম প্রৱেশ কৰিছিল, গতিকে তেওঁলোকৰ উপস্থিতিৰ প্রমাণ অতি কম পৰিমাণে পোৱা যায়। নেগ্রিট' প্রজাতিৰ অস্তিত্বৰ বিষয়ে এছ এছ সৰকাৰ, ডি এম মজুমদাৰ, এল এ কে আয়াৰৰ দৰে বিজ্ঞানীয়ে স্বাকাৰ কৰিছে । দক্ষিণ ভাৰতৰ কেতবোৰ লোকৰ মাজত নেগ্রিট' উপাদান লক্ষ্য কৰা গৈছে। মিলছৰ মতে অসমৰ পাহাৰীয়া বাসিন্দাসকল

নেগ্রিট' আছিল আৰু এইসমূহ আছিল চুটি-চাপৰ, কৃষ্ণকায় আৰু কেকোৰা চুলিৰ গৰাকী। তেওঁলোকে পাহাৰীয়া এলেকাত ক্ষুদ্র ঘৰ সাজি বাস কৰিছিল বুলি ধাৰণা কৰা হয় যিসমূহৰ অস্তিত্ব উদ্ধাৰ কৰা হৈছে। এছ কে চেটার্জীয়েও এই ধাৰণা স্বীকাৰ কৰি সদূৰ পূবৰ নগাসকলৰ মাজত নেগ্রিট' প্রজাতিৰ উপস্থিতি মানি লৈছে । পি চি চৌধুৰীৰ মতে— 'এই জনজাতিৰ নৃগোষ্ঠীয় আৰু বস্তুগত উভয় দিশৰ অস্তিত্বই এনে প্রজাতিৰ উপস্থিতিলৈ আঙুলিয়ায়। ইয়াৰ উপৰিও কলাৰ কেতবোৰ অশোধিত নিদর্শনৰ আৱিষ্কাৰে অসমৰ জনজাতিসকলৰ মাজত নেগ্রিট' প্রজাতিৰ উপস্থিতি প্রমাণ কৰে। জি অলিভাৰৰ দৰে একাংশ নৃতত্ত্ববিদে নগাসকলৰ মাজত নেগ্রিট'ৰ বৈশিষ্ট্যক অস্বীকাৰ কৰিছে।

পাহাৰীয়া এলেকাত বাস কৰা আংগামী নগাসকলৰ মাজত নেগ্রিট' প্রজাতি আৱিষ্কাৰ হৈছে। ডঃ হাটনে নেগ্রিট'ৰ বৈশিষ্ট্য আংগামী নগাসকলৰ মাজত আঙুলিয়াই দেখুৱাইছে। বিভিন্ন বিদ্বানে তেওঁৰ ধাৰণা গ্রহণ কৰিছে আৰু উল্লেখ কৰিছে যে তেওঁলোক নেগ্রিট' প্রজাতিৰ উত্তৰসূৰী। কিন্তু পৰৱর্তী সময়ত মংগোলীয় জনজাতিৰ সৈতে সংমিশ্রিত হৈ পৰিছে। নেগ্রিট'সকলৰ মংগোলীয় প্রজাতিৰ সৈতে সন্মিলিতকৰণৰ ফলত বর্তমান নেগ্রিট' প্রজাতিৰ পুৰণি অভ্যাস, ৰীতি-নীতি, বিশ্বাস আৰু সামাজিক মান উপস্থিতি নির্ধাৰণ কৰাটো কঠিন হৈ পৰিছে। আংগামী নগাসকলৰ মাজত এই আচৰণ আৰু ৰীতি-নীতিসমূহৰ অতি কম পৰিমাণে নিদর্শন দেখিবলৈ পোৱা যায় ।

অসমৰ পেলিঅ'লিথিক যুগত তেওঁলোকৰ অস্তিত্ব থকা বুলি বিশ্বাস কৰা হয়। দৰং আৰু কাছাৰ জিলাত উদ্ধাৰ কৰা দুটা শিলালিপিয়ে অসমত প্রস্তৰ যুগৰ নিদর্শন তুলি ধৰিছে। এই দুই শিলালিপি নেগ্রিট' প্রজাতিৰ আছিল বুলি বিশ্বাস কৰাৰ লগতে লক্ষ্যণীয়ভাৱে আংগামী নগাসকলৰ মাজত ইয়াৰে এক শিলালিপিৰ বিষয়ে প্রবাদ প্রচলিত আছে। মংগোলীয় প্রজাতিৰ সৈতে তেওঁলোকৰ সন্মিলিতকৰণৰ অসমীয়া সংস্কৃতিলৈ তেওঁলোকৰ অৱদান নির্ধাৰণ কৰিব পৰা নাযায়। অৱশ্যে নেগ্রিট' প্রজাতিৰ সমাজ পিতৃতান্ত্রিক আছিল আৰু ইয়াক আংগামী নগাসকলৰ মাজত দেখিবলৈ পোৱা যায়।

- **অষ্ট্রলয়ড**

অষ্ট্রলয়ডসকলক প্রাক দ্রাবিড়, প্রট' অষ্ট্রলয়ড, বেদিদ আৰু নিষাদ আদি বিভিন্ন নামেৰেও জনা যায়। দীঘলীয়া মূৰ, বহল নাক, ডাঠ বাদামী ৰঙৰ ছাল, চাপৰ দেহ আৰু ঢৌ বৰণীয়া অথবা কেকোৰা চুলি আছিল অষ্ট্রলয়ডসকলৰ বৈশিষ্ট্য। তেওঁলোকৰ সৈতে ককেছিঅ'সকলৰ সাদৃশ্য আছিল আৰু সেইবাবে তেওঁলোকক ককেছিঅ'সকলৰ উপবিভাজন বুলি গ্রহণ কৰাৰ লগতে আর্কাইক ককেছিঅ' বুলিও তেওঁলোকক জনা গৈছিল। এই প্রজাতিগত উপাদানৰ প্রধানকৈ সমাহাৰ ঘটিছিল দক্ষিণ ভাৰতত। কিন্তু উত্তৰ আৰু উত্তৰ পূব ভাৰতলৈও তেওঁলোকৰ বিস্তাৰ ঘটিছিল। প্রাগ ঐতিহাসিক যুগৰ কেতবোৰ কংকালৰ অৱশেষৰ পৰা আৰু বর্তমান জনসংখ্যাৰ শাৰীৰিক বৈশিষ্ট্যৰ পৰা এই কথা নির্ধাৰণ কৰা হৈছে।

পাহাৰীয়া উপত্যকা আৰু বনাঞ্চলত বাস কৰা অষ্ট্রলয়ডসকল আছিল চিকাৰী আৰু সংগ্রহকাৰী যিসকলে আদিম যুগৰ কৃষি কার্যক অনুসৰণ কৰিছিল। তেওঁলোকে মাটিৰ পাত্র নির্মাণ কৰিছিল আৰু লাঠী আছিল তেওঁলোকৰ প্রধান আহিলা। তেওঁলোকে বুমেৰাং ব্যৱহাৰ কৰি চৰাই আৰু আন সৰু প্রাণীক হত্যা কৰিছিল। তেওঁলোকে

কোৱা ভাষা হৈছে অষ্ট্রিক ভাষা পৰিয়ালৰ সৈতে সাদৃশ্যপূর্ণ। এই ভাষা পৰিয়ালত অষ্ট্র-এছিয়াটিক আৰু অষ্ট্রনেছিয়ান দুটা গোটৰ সমাহাৰ ঘটিছে। অষ্ট্র-এছিয়াটিক গোটৰ ভাষা বর্তমান প্রচলিত আছে ভাৰত, বার্মা আৰু চীনত। অসমত মেঘালয়ৰ খাচিসকলে এই গোটৰ ভাষা কয়।

সৰকাৰৰ মতে অষ্ট্রলয়ড প্রজাতিৰ উপাদান পৰিলক্ষিত হৈছে নিম্ন জাতিৰ মাজত। সূক্ষ্ম পর্যবেক্ষণৰ পৰা নিম্ন জাতিৰ মাজত এই প্রজাতিগত উপাদানৰ অস্তিত্ব পৰিলক্ষিত হয়। পৰৱর্তী সময়ত উচ্চ জাতিলৈ এই প্রজাতিগত উপাদানৰ প্রৱাহ ঘটিছে। খাচিসকলে অষ্ট্রিক ভাষা কয় যদিও তেওঁলোকৰ শাৰীৰিক অৱয়ব ভিন্ন। ইয়াৰ দুটা সম্ভাৱনা থাকিব পাৰে — প্রথম তেওঁলোক অষ্ট্রলয়ডত আছিল আৰু অষ্ট্রিক ভাষা কৈছিল। মংগোলীয় তেজৰ সৈতে তেওঁলোকৰ সম্মিলিতকৰণে তেওঁলোকৰ শাৰীৰিক অৱয়ব পৃথক। আন এক সম্ভাৱনা অনুসৰি তেওঁলোক মংগোলীয় আছিল কিন্তু অষ্ট্রিক ভাষা গ্রহণ কৰিছিল। দিৱশ্যনৰ দৃষ্টিভংগী অনুসৰি খাচিসকলৰ সৈতে তিব্বত বর্মীয় জনজাতিসকলৰ প্রজাতিগত সাদৃশ্য আছে। আনহাতে চেটার্জীয়ে বর্ণনা কৰিছে যে তেওঁলোক মংগোলীয়ৰ দৰে দেখিবলৈ হ'লেও তিব্বত-বার্মাৰ পৰা অহাৰ পিছত পূর্বৰ প্রজাতি অর্থাৎ অষ্ট্রিকসকলৰ ভাষা গ্রহণ কৰিছিল। তেওঁ লগতে কৈছিল যে বার্মাত থাকোতে হয়তো তেওঁলোকে ভাষাৰ পৰিৱর্তন ঘটাইছিল।

অৰুণাচলৰ প্রদেশৰ ৰাংচুসকলে নিজৰ উপভাষাত অষ্ট্রিক শব্দ ব্যৱহাৰ কৰা দেখা যায়। তেওঁলোকৰ শাৰীৰিক অৱয়বতো প্রট'অষ্ট্রলয়ড বৈশিষ্ট্য বিদ্যমান। ধাৰণা কৰা অনুসৰি বর্তমানৰ ৰাংচুসকলৰ বাসস্থানৰ পৰা অষ্ট্রিক ভাষা কোৱা একাংশ লোকৰ বিস্তাৰ ঘটাৰ ফলত কেতবোৰ সাংস্কৃতিক আৰু নৃগোষ্ঠীয় বৈশিষ্ট্যৰো প্রসাৰ ঘটিছিল।

অষ্ট্রলয়ডসকলৰ নৃতাত্ত্বিক গুণ বৰো জনজাতিৰ মাজতো বিদ্যমান। ৰাভা, গাৰো আৰু মিকিৰসকলৰ মাজতো দীঘল মূৱৰ শাৰীৰিক গুণ থকালৈ চাই উত্তৰ পূব ভাৰতৰ মংগোলীয় জনজাতিসমূহৰ মাজত অষ্ট্রলয়ডসকলৰ অৱদান পৰিস্ফুট হয়। ফ্লেটছ আৰু অন্যান্যসকলে পর্যবেক্ষণ কৰিছিল যে অসমৰ সমগ্র এলেকা, উত্তৰ বংগ আৰু নেপালৰ অংশ বিশেষত প্রাক ঐতিহাসিক কালত মাতৃতান্ত্রিক অষ্ট্রলয়ড জনজাতিৰ গোটে বাস কৰিছিল।

গতিকে এইটো পৰিস্ফুট হয় যে মংগোলীয়সকলে নিজৰ জিনিয় বৈশিষ্ট্য লৈ অসমলৈ অহাৰ পূর্বেই অষ্ট্রলয়ডসকলৰ আগমন ঘটিছিল। অষ্ট্র-এছিয়াটিকসকলে চাদৰ কৃষি (Terrace cultivation), স্তম্ভ নির্মাণৰ সংস্কৃতিক অসমলৈ আনিছিল। অষ্ট্রলয়ডসকলৰ মূল আৰু প্রব্রজন এক বিতর্কিত বিষয়। সৰকাৰৰ মতে দক্ষিণ ভাৰতৰ পৰা অষ্ট্রলয়ডসকলৰ পূব আৰু পশ্চিমলৈ অষ্ট্রলয়ডসকলৰ আগমন ঘটিছিল আৰু তেওঁলোক অকলশৰীয়া গোটলৈ ৰূপান্তৰ নোহোৱা পর্যন্ত বিভিন্ন স্থানত তেওঁলোকৰ বিস্তৃতি ঘটিছিল।

- **মংগোলীয়**

উত্তৰ পূব ভাৰতৰ জনজাতিসকল প্রধানকৈ মংগোলীয়। বিভিন্ন সময়ত বিভিন্ন পথেদি মংগোলীয়সকলৰ এই অঞ্চললৈ আগমন ঘটিছে। ভাষা, সংস্কৃতি আৰু শাৰীৰিক অৱয়বৰ দিশৰ পৰা তেওঁলোক ভিন্ন হ'লেও তেওঁলোকে তিব্বত-ধর্মীয় ভাষা কয়। মংগোলীয়সকলৰ মাজত থকা বৈশিষ্ট্যসমূহ হৈছে পিট বর্মীয়া, বাদামী ছাল, ক'লা, দীঘলীয়া অথবা চেপেটা কেকোৱা মূৱৰ চুলি, শৰীৰ আৰু মুখত কম পৰিমাণৰ চুলি। অসমত মংগোলীয়সকলে পূর্বতে অষ্ট্রলয়ড আৰু ককেছিয়সকলৰ সৈতে সম্মিলিত হৈ তেওঁলোকৰ পৰা কেতবোৰ জিনিয় বৈশিষ্ট্য গ্রহণ কৰাৰ ফলত তেওঁলোকৰ শাৰীৰিক অৱয়বৰ গঠন হৈছে।

তিব্বত-বর্মীয়সকল উত্তৰ পশ্চিম চীনৰ পৰা অহা প্রব্রজনকাৰী। তেওঁলোকে অসমৰ পাহাৰ আৰু সমতল

ভূমিত বসতি স্থাপন কৰি অষ্ট্রিক ভাষীসকলক বিভিন্ন দিশলৈ আঁতৰি যাবলৈ বাধ্য কৰে আৰু তেওঁলোক পৰিচিত হৈ পৰে ৰাভা, কছাৰী, বড়ো, তিৱা, কার্বি, ডিমাছা আৰু আন আন নামেৰে। ভাষাগত দিশত তিব্বত-বর্মীয় গোটক দুটা প্রধান শাখাত বিভক্ত কৰিব পাৰি— উত্তৰ অসম আৰু অসম-বর্মীয়। উত্তৰ অসম শাখা গঠন হৈছে অৰুণাচলৰ বিভিন্ন জনজাতি- আবৰ, অকা, দফলা, মিৰি আৰু মিছিমিসকল। অসম-বর্মীয় গোটত তিনিটা উপগোট আছে— বড়ো, নগা, কুকি চিন। বড়ো ভাষা কোৱা লোকসকল হৈছে গাৰো, ৰাভা, কছাৰী, কোচ, মেচ, হাজং, লালুং। নগা হৈছে নাগালেণ্ডত বাস কৰা জনজাতিসকলৰ সাধাৰণ নাম। নগাসকলৰ শাৰীৰিক অৱয়বত বিভিন্ন প্রজাতিৰ উপাদানৰ সমাহাৰ ঘটিছে। কুকি চিন জনজাতীয়সকল অসমৰ দক্ষিণ প্রান্তত বিস্তৃত। তেওঁলোকৰ বিষয়ে উপলব্ধ তথ্যসমূহ কেৱল থাৰু-কুকি আৰু পুৰুং কুকিসকলৰ মাজতে সীমাবদ্ধ।

মংগোলীয়সকলৰ টাই অথবা শ্যান গোটৰ আহোমসকলে অসমক প্রৱেশ কৰি উজনি অসমত বসতি স্থাপন কৰিছিল। ইয়াৰ পিছতে অসমত প্রৱেশ ঘটা আন শ্যান গোটসমূহ হৈছে— খাম্‌টি, খাম্‌ইয়াম, আইটং, ফাকিয়াল আৰু টুৰুংসকল। তেওঁলোকে নিজৰ জীৱনশৈলী পৰম্পৰাগত সমাজ সংস্কৃতিৰ সংৰক্ষণ কৰিছে।

কিৰাটসকল হৈছে যযুর্বেদত উল্লেখ থকা ব্যক্তিৰ গোট। বিশ্বাস অনুসৰি 'পুৰুষ মেধা' যজ্ঞত এজন কিৰাটৰ উপস্থিতি প্রয়োজনীয়। অথর্ব বেদৰ মতে কিৰাটসকল আছিল গুহাবাসী আৰু তেওঁলোকে পাহাৰ আৰু বনাঞ্চলত বাস কৰিছিল। মহাভাৰতত প্রাগজ্যোতিষৰ ৰজা ভগদত্তৰ সেনাত কিৰাটসকলৰ উপস্থিতি আছিল। ৰামায়ণত উল্লেখ থকা অনুসৰি তেওঁলোকৰ শৰীৰৰ ৰং সোণৰ দৰে উজ্বল আছিল। কালিকাপুৰাণত উল্লেখ আছে — কিৰাটসকল আছিল শক্তিশালী, সাহসী, সুৰা আৰু মাংসত অনুৰক্ত আৰু তেওঁলোকৰ ছালৰ ৰং আছিল হালধীয়া। ভৌগোলিক বিতৰণৰ ক্ষেত্রত বিষ্ণু পুৰাণে উল্লেখ কৰিছে যে কিৰাটসকলে ভাৰতৰ পূব প্রান্তত বাস কৰিছিল।

কিৰাটসকলে প্রথমে অসমত বিভিন্ন ধৰণৰ ৰেচমৰ খেতি প্রচলন কৰিছিল। সেইবাবে অসমৰ পাহাৰীয়া জনজাতিসকল ৰেচমৰ বয়নত অতি দক্ষ। অসমত বসতি স্থাপন কৰাৰ পিছত তেওঁলোকে খেতি কৰিবলৈ লয় আৰু নিজৰ সৈতে তেওঁলোকৰ মূল গৃহভূমি আৰু ভাৰতৰ অন্যান্য প্রান্তৰ সৈতে বাণিজ্যিক সম্পর্ক গঢ়ি তোলে। তেওঁলোক কেৱল মহান যোদ্ধাই নাছিল, লগতে অতি দক্ষ নাৱৰীয়াও আছিল। অষ্ট্রিসকলৰ পিছত তেওঁলোকেই প্রথম অসমৰ শাসনৰ জৰী গ্রহণ কৰে।

- **বিভিন্ন তেজৰ সংমিশ্রণ**

নৃতাত্বিক দৃষ্টিৰ পৰা লক্ষ্য কৰিব পাৰি যে অসমৰ প্রাচীন বাসিন্দাসকলৰ শৰীৰত বিভিন্ন প্রজাতিগত সংমিশ্রিত উপাদান আছিল। কেতিয়া আৰু কেনেকৈ এই প্রজাতিগত সংমিশ্রণ ঘটিছিল সেয়া আমি ক'ব নোৱাৰিম যদিও ধাৰণা কৰিব পাৰি যে এই ভূমিত তেওঁলোকৰ আগমন আৰু প্রব্রজনৰ আগত আৰু পিছত উভয় ক্ষেত্রতে এই সংমিশ্রণ হৈছিল।

খাচি-চিনটেঙসকলৰ মাজত নেগ্রিট', অষ্ট্রিক, আলপাইন আৰু তিব্বত'-বর্মীয় উপাদান ভিন্ন অনুপাতত লক্ষ্য কৰা হয়। ডিক্সনৰ মতে খাচিসকল প্রজাতিগতভাৱে তিব্বত'-বার্মা জনজাতিৰ অতি নিকটভাৱে সম্পর্কিত। আনহাতে হাট্টনৰ মতে নগাসকলৰ অধিকাংশ হৈছে নেগ্রিট', অষ্ট্র'-এছিয়াটিক, আলপাইন আৰু তিব্বত'বর্মীয়ৰ লগতে দক্ষিণীয় মূলৰ ফিলিপিনছ, বৰনেঅ' আৰু ইন্দোনেছিয়াৰ অংশবিশেষৰ সৈতে সম্পর্ক থকা এক প্রজাতিগত উৎসৰ সংমিশ্রণ। এই সকলোবোৰ উপাদান আও নগা আৰু থাৰ'সকলৰ মাজত প্রত্যক্ষ কৰা যায়। থাৰ'সকলৰ সংস্কৃতিৰ সৈতে মন সংস্কৃতিৰ সৈতে কেতবোৰ সাদৃশ্য দেখা যায় আৰু তেওঁলোকৰ বহুতো ৰীতি-নীতি ইন্দোনেছিয়

মূলৰ খাচি হ' সংস্কৃতি আৰু মালয়সকলৰ পেগান আৰু ফিলিপিনছৰ সৈতে সম্পর্কিত। মৃতকৰ অন্তেষ্টিক্রিয়াৰ ক্ষেত্রত তেওঁলোকৰ সৈতে সুমাত্রা আৰু ফিলিপিনছৰ লোকসকলৰ ৰীতি-নীতিৰ মিল আছে।

চেমা আৰু আংগামী নগা উভয়ৰে মাজত মংগোলীয় আৰু বড়ো উপাদান প্রত্যক্ষ কৰা যায়। স্থাপত্য আৰু নৃতাত্বিক অভিলেখৰ পৰা নগাসকলৰ মাজত কেতবোৰ দ্রাবিড় উপাদান লক্ষ্য কৰা যায়। আওসকলৰ মাজতো এই উপদান বিদ্যমান। কেতবোৰ বিদ্বানৰ মতে দ্রাবিড়ীয় উপাদান কোচ-কছাৰীসকলৰ মাজতো দেখা যায়। ৰাইছলেৰ মতে কোচসকল হৈছে মংগোলীয় তেজ সংমিশ্রিত বৃহৎ দ্রাবিড় জনজাতি। কিন্তু সামগ্রিকভাৱে দ্রাবিড়ীয় বৈশিষ্ট্যই তেওঁলোকৰ মাজত প্রাধান্য লাভ কৰিছে। অতি পূর্বতে নগা আৰু বড়ো তেজৰ সংমিশ্রণ ঘটিছিল। নগাসকলে বিশেষভাৱে অছিনীয় উপাদান আহৰণ কৰিলেও তেওঁলোকৰ শাৰিৰীক বৈশিষ্ট্যৰ সৈতে তিব্বত'- বর্মীয় জনজাতিৰ সাদৃশ্য আছে। উদাহৰণস্বৰূপে আমি চেমা নগাসকলৰ মাজত বড়ো আৰু মংগোলীয় প্রজাতিগত উপাদানৰ মিশ্রণ ঘটা দেখা পাও। ইয়াৰ ফলত নগা-বড়োৰ দৰে উপ জাতিৰ সৃষ্টি হৈছে। আন্নাম জনজাতিৰ সৈতে নগাসকলৰ সাদৃশ্যই প্রজাতি আৰু সংস্কৃতিৰ একে ধৰণৰ মিশ্রণকে প্রতিফলিত কৰে। প্রকৃততে অসমৰ জনজাতিসকলৰ সৈতে মনকো বা তিব্বত'-বর্মীয় সকলেই হওক বার্মাৰ লোকসকলৰ অতি নিকট সাদৃশ্য আছে।

আনহাতে ককেছীয় তেজ প্রৱাহিত অসমৰ অধিকাংশ জনজাতিৰ মাজত আলপাইন উপাদান প্রত্যক্ষ কৰা যায়। ইয়াৰ লোকসকল প্রাক্ ঐতিহাসিক যুগত দক্ষিণ-পূৱ এছিয়াত সীমাবদ্ধ আছিল আৰু পৰৱর্তী সময়ত ক্রমাৎ অসম আৰু বার্মাৰ নদী উপত্যকালৈ নামি আহে। ইয়াত তেওঁলোক নগা আৰু আন সাদৃশ্য থকা জনজাতিৰ পূর্বপুৰুষ ৰূপে পাহাৰীয়া এলেকাত বসতি স্থাপন কৰে। তেওঁলোকৰ ইয়ালৈ আগমনৰ সময়ত অথবা ইয়াৰ পূর্বে আংগামী, মণিপুৰী আৰু মিছিমিসকলৰ দৰে তিব্বত'-বর্মীয় জনজাতিয়ে ককেছীয় তেজ গ্রহণ কৰিছিল।

বিভিন্ন নৃগোষ্ঠীয়-সাংস্কৃতিক গোটৰ সাংস্কৃতিক সন্মিলিতকৰণৰ পৰিণতি হৈছে অসমীয়া সংস্কৃতি। বিভিন্ন প্রজাতিগত উপাদানৰ প্রব্রজনৰ লগতে মিশ্রিত উত্তৰ ভাৰতীয়সকলৰ অৰিহণাৰ লগতে একে সময়তে সংস্কৃতিকৰণ আৰু হিন্দুকৰণেও অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে।

গতিকে অসমত থকা ককেচীয় তেজৰ জনজাতিসকলৰ মাজত প্রধানকৈ আলপাইন উপাদান পোৱা যায়। প্রাক ঐতিহাসিক যুগত এই লোকসকল দক্ষিণ-পূব এছিয়াত সীমাবদ্ধ হৈ আছিল আৰু পৰৱর্তী সময়ত ক্রমান্বয়ে অসম আৰু বার্মাৰ নদী উপত্যকালৈ নামি আহে। ইয়াত তেওঁলোকে পাহাৰীয়া এলেকাত নিজৰ বসতি স্থাপন কৰি নগা আৰু আন সম্পর্কিত জনজাতিৰ পূর্বপুৰুষ ৰূপে পৰিচিত হৈ পৰে। এই ভূমিত বসতি স্থাপনৰ আগে-পিছে আংগামী, মণিপুৰী আৰু মিচিমিৰ দৰে তিব্বত'-বর্মীয় জনজাতিৰ সৈতে ককেচীয় তেজৰ সংমিশ্রণ ঘটিছিল।

- **দ্রাবিড়সকল**

অষ্ট্রিকসকলৰ পিছত দ্রাবিড়সকলৰ এক ঢৌ পশ্চিমৰ পৰা অসমত প্রৱেশ কৰে। বনিয়া আৰু কৈৱর্তসকল এই দ্রাবিড়সকলৰ গোটৰ অধীনস্থ। প্রথম অৱস্থাত দ্রাবিড়সকলৰ এই গোট পূর্বৰ ইন্দো-চীনা লোকসকলৰ সংস্পর্শলৈ অহাৰ ফলত অৱশ্যম্ভাৱীভাৱে দুয়োটা প্রজাতিৰ মিশ্রণ ঘটিছিল। এই মিশ্রণৰ ফলত মংগোল-দ্রাবিড় নামৰ এক নতুন গোটৰ সৃষ্টি হৈছিল। বিশ্বাস অনুসৰি অসমীয়া সমাজত প্রচলিত কেতবোৰ ৰীতি-নীতি যেনে বিবাহত হালধীৰ ব্যৱহাৰ দ্রাবিড় সংস্কৃতিৰ পৰা আহিছে।

- **আর্য**

পৰৱর্তী বৈদিক যুগত ব্রহ্মপুত্র উপত্যকাই দি অসমত প্রব্রজন ঘটা আর্যসকল হৈছে অন্তিম প্রজাতীয় গোট। হিন্দু সংস্কৃতিৰ প্রভাৱৰ ফলত ব্রহ্মপুত্র উপত্যকাৰ মংগোল-দ্রাবিড়সকলৰ বৃহৎ হাৰত আর্যকৰণ হৈছিল আৰু তেওঁলোক হিন্দু ৰূপে পৰিচিত হৈ পৰিছিল। খ্রীষ্টাব্দ ৬ষ্ঠ শতিকাৰ আৰম্ভণিৰ পৰা এক সংগঠিত সামাজিক-ৰাজনৈতিক শৃংখলাৰ উত্থানৰ ফলত বৃহৎ হাৰত অগ্রহাৰা ব্রাহ্মণ আৰু আন উচ্চ শ্রেণীৰ আর্যসকলৰ বসতিস্থান দেখিবলৈ পোৱা গৈছিল। অসমৰ প্রাচীন শাসকসকলে আর্য সংস্কৃতিক পৃষ্ঠপোষকতা আগবঢ়োৱাৰ ফলত বিদ্বানসকলে বার্মা আৰু দক্ষিণ-পূৱ এছিয়াৰ দূৰণীবটীয়া স্থানত আর্য সংস্কৃতিৰ প্রসাৰত উদগনি লাভ কৰিছিল। চীনা পৰিব্রাজক হিউৱেন চাঙৰ মতে আর্য সংস্কৃতিৰ প্রসাৰৰ ফলত কামৰূপ ব্রাহ্মণ্যবাদী শিক্ষাৰ কেন্দ্র হৈ পৰিছিল। আলপাইন সংস্কৃতিৰ প্রভাৱত উপত্যকাৰ আর্যকৰণত বিভিন্ন শাসকে বৰঙনি আগবঢ়োৱাৰ লগতে কেতবোৰ জনজাতিৰ প্রতি দায়বদ্ধ হৈ পৰিছিল। আর্য সংস্কৃতিৰ প্রভাৱত কেতবোৰ তিব্বত-বর্মীয় শাসকে হিন্দু সংস্কৃতি গ্রহণ কৰি ক্ষত্রিয় ৰূপে পৰিচিত হৈ পৰিছিল। অসমৰ ব্রাহ্মণ্যবাদী সংস্কৃতিৰ প্রভাৱ ভাৰতৰ ওচৰ চুবুৰীয়া এলেকাৰ লগতে শাসকৰ পৃষ্ঠপোষকতাত সুদূৰ বার্মা আৰু দক্ষিণ-পূৱ এছিয়াত অনুভৱ কৰা গৈছিল।

প্রবাদৰ যুগৰ পৰাই অসমৰ সংস্কৃতি অতি চহকী। বিভিন্ন প্রকাৰৰ প্রজাতিগত উপাদান গ্রহণ কৰিলেও ইয়াত প্রধানকৈ তিব্বত'-বর্মীয় লক্ষণ অধিক লক্ষ্য কৰা যায়। অষ্ট্রিক আৰু তিব্বত'-বর্মীয় উপাদানে অসমীয়া ভাষা আৰু সংস্কৃতিৰ বিকাশ আৰু উন্নতিত অৱদান আগবঢ়াইছে। সমগ্র প্রজাতিগত গোট যেনে আর্য, অনার্য আৰু হিন্দু আৰু অনা হিন্দুসকলে ইয়াত সমিলমিলেৰে বাস কৰি অসমৰ বর্ণাঢ্য সংস্কৃতি গঢ়ি উঠাত অৱদান আগবঢ়াইছে।

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নৰ উত্তৰ দিয়ক

প্রশ্ন নং ৪ ঃ ভাৰতত প্রথম দেখা পোৱা প্রাচীনতম প্রজাতি কি?

.....

প্রশ্ন নং ৫ ঃ আংগামী নগাৰ মাজত নেগ্রিট' লক্ষণ প্রথম কোনে আঙুলিয়াই দেখুৱাইছিল?

.....

.....

প্রশ্ন নং ৬ ঃ ছাদৰ খেতি, স্তম্ভ নির্মাণৰ সংস্কৃতি অসমত কোনে প্রৱর্তন কৰিছিল?

.....

.....

প্রশ্ন নং ৭ ঃ মহাভাৰতত কিৰাটসকলে কোনজন ৰজাৰ সৈন্যবাহিনী গঠন কৰিছিল?

.....

.....

১.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি—

- মানৰ জীৱনৰ এক অন্তর্নিহিত অংগৰূপে সংস্কৃতিয়ে এজন মানুহৰ ভিতৰে-বাহিৰে সকলো সামৰি লয় তাক জানিব পাৰিলো।
- সংস্কৃতি হৈছে বিকাশশীল, অংশীদাৰিত্বপূর্ণ, ভিন্নমুখী, সহৱর্তনমুলক আৰু একে সময়তে মূল্যবোধ, প্রমূল্য আৰু বিশ্বাস আদি উপাদান সমৃদ্ধ।

১.৭ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। ভৰালী, শৈলেন; (২০১০); *অসমীয়া লোক নাট্য পৰম্পৰা;* গুৱাহাটী: বাণী প্রকাশন।

২। বৰদলৈ, নির্মলপ্রভা; (২০০৪); *অসমৰ লোক সংস্কৃতি;* গুৱাহাটী: বীণা লাইব্রেৰী।

৩। ডেকা, ড° নমিতা; (সম্পা.) (২০১০); *অসম দর্পন;* গুৱাহাটী: বাণী মন্দিৰ।

ইংৰাজী গ্রন্থ ঃ

1. Barpujari, H.K. (2004). *The Comprehensive History of Assam*, Vol. 1 and Vol. 3. Guwahati, Assam: Publication Board Assam.
2. Barua, B.K. (1954). *Ankiya-Nat* (edited). Gauhati, Assam: Department of Historical and Antiquarian Studies.
3. Bharali, Arunima. (1999). *Assamese Culture*. Guwahati, Assam: Lawyers Book Stall.
4. Bodley, John H. (2011). *Cultural Anthropology: Tribes states and the global system* (5th edition). Plymouth, UK: AltaMira Press.
5. Choudhury, P.C. (1987). *The History of the Civilization of the People of Assam to the Twelfth Century AD* (3rd edition). Guwahati, Assam: Spectrum Publication.

১.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কলেৰে'ৰ অর্থ হৈছে পৃথিৱীমুখী আৰু বিকাশ অথবা কৃষিকার্য আৰু প্রতিপালন।

২ নং প্রশ্নৰ উত্তৰ ঃ সাংস্কৃতিক ভিন্নতাই এখন সমাজ অথবা সংস্থাত বিভিন্ন সাংস্কৃতিক ভিন্নতা সমৃদ্ধ ভিন্নমুখী জনতাৰ অস্তিত্বক সূচায়।

৩ নং প্রশ্নৰ উত্তৰ ঃ হয়, কাৰণ এজন ব্যক্তিৰ জীৱন পৰিক্রমাৰ পিছতো এই প্রক্রিয়া চলি থাকে।

৪ নং প্রশ্নৰ উত্তৰ ঃ নেগ্রিট'।

৫ নং প্রশ্নৰ উত্তৰ ঃ ডঃ হাট্টন।

৬ নং প্রশ্নৰ উত্তৰ ঃ অষ্ট্র-এছিয়াটিক।

৭ নং প্রশ্নৰ উত্তৰ ঃ ভগদত্ত।

? ১.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন ঃ (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৫০ টা মান শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ 'চন্দ্রাৱলী কাব্য' কোনে ৰচনা কৰিছিল?

প্রশ্ন ২ঃ কাৰ শাসনকালত মোগল শৈলীৰ সাজপাৰ গ্রহণ কৰা হৈছিল?

প্রশ্ন ৩ঃ ইতিহাসত উল্লেখ কৰা অনুসৰি কাৰ অধীনত বস্ত্রৰ নির্মাণত কিমান সংখ্যক খেলৰ বিষয়ে উল্লেখ আছে?

(খ) চমু প্রশ্ন ঃ (প্রত্যেকটো প্রশ্নৰ উত্তৰ ১৫০ টা মান শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ চমুটোকা লিখক-

১) কিৰাট।

২) অসমীয়া সংস্কৃতিৰ অংগ ৰূপে বাঁহ।

৩) দ্রাবিড়।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রত্যেকটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ টা মান শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ আর্যসকলৰ অৱদানৰ উল্লেখেৰে অসমীয়া সংস্কৃতি নির্মাণত সম্মিলিতকৰণৰ প্রক্রিয়া বিশ্লেষণ কৰক।

প্রশ্ন ২ঃ অসমত বিভিন্ন প্রজাতিগত উপাদানৰ সংহতি ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ২ ঃ অসমীয়া সংস্কৃতিঃ সমন্বয় আৰু সমাহৰণ

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ সাংস্কৃতিক সংমিশ্রিতকৰণ আৰু সন্মিলিতকৰণ
২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.৫ অধিক জানিবলৈ
২.৬ অগ্রগতিৰ খতিয়ান
২.৭ আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমীয়া সংস্কৃতিৰ নির্মাণত সংমিশ্রিতকৰণ আৰু সন্মিলিতকৰণৰ প্রক্রিয়া বর্ণনা কৰিব পাৰিব।

২.২ পৰিচয়

প্রিয় শিক্ষার্থীসকল আপোনালোকে ইতিমধ্যে অসমীয়া সংস্কৃতি সম্পর্কে ইয়াৰ আগৰ অধ্যায়টোত অধ্যয়ন কৰিলে। এই অধ্যায়টোত আমি অসমীয়া সংস্কৃতিৰ সাংস্কৃতিক সংমিশ্রতকৰণ আৰু সন্মিলিতকৰণৰ বিষয়ে অধ্যয়ন কৰিম।

২.৩ সাংস্কৃতিক সংমিশ্রিতকৰণ আৰু সন্মিলিতকৰণ

ভাৰতৰ সংস্কৃতিৰ ভেঁটি হৈছে অনৈক্যৰ মাজত ঐক্য। ভাৰতীয় সংস্কৃতিৰ বৈশিষ্ট্য হৈছে মংগোলীয়, নেগ্রিট', অষ্ট্রলয়ড আৰু নর্ডিকসকলৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক প্রক্রিয়াৰ সাংস্কৃতিক সংহতি, গ্রহণীয়তা, একত্রিতকৰণ, সংশোধন, উন্নীতকৰণ, সমন্বয়কৰণ আদি। অসমীয়া সংস্কৃতিও চাৰিটা প্রধান নৃগোষ্ঠীয় সংস্কৃতি- অষ্ট্রলয়ড, মংগোলীয়, দ্রাবিড় আৰু আর্য সংস্কৃতিৰ সমিলমিলেৰে গঠিত এক সংহতিপূর্ণ সংস্কৃতি। সাধাৰণ পৰিভাষাত অসমীয়া সংস্কৃতি আৰু সভ্যতা হৈছে বৃহত্তৰ ভাৰতীয় সংস্কৃতি আৰু সভ্যতাৰ ক্ষুদ্র ৰূপ।

পৰম্পৰাগত অসমীয়া সংস্কৃতি হৈছে জনজাতীয় আৰু ইন্দো-আর্যসকলৰ মাজত প্রচলিত আন্তঃক্রিয়াৰ ফ ল। ইতিহাসৰ বিভিন্ন সময়ত এই অঞ্চলত সংঘটিত বিভিন্ন নৃগোষ্ঠীয়-সাংস্কৃতিক গোটৰ সাংস্কৃতিক সন্মিলিতকৰণ অসমীয়া সংস্কৃতিৰ মাজত পৰিস্ফুট হয়। বিভিন্ন প্রজাতীয় উপাদানৰ লগতে মিশ্রিত উত্তৰ ভাৰতীয়সকলৰ প্রব্রজনে সংমিশ্রিত সংস্কৃতি সমৃদ্ধিশালী কৰাৰ লগতে একে সময়তে সংস্কৃতিকৰণ আৰু হিন্দুকৰণৰ প্রক্রিয়া প্রবল কৰি তুলিছে আৰু সংস্কৃতিক অধিক স্পষ্ট ৰূপত উদ্ভাসিত কৰিছে।

কোঁচ অথবা ৰাজবংশীসকলৰ এক বৃহৎ অংশ জনজাতিসকলৰ বংশধৰ। প্রকৃততে ৰাভা, তিৰা (লালুং)

আৰু সোনোৱালৰ দৰে জনজাতিসকল হিন্দুসকলৰ পৰা পৃথক নহয়। বর্তমান অসমীয়া সামাজিক গাঁথনি গঢ়ি উঠিছে জন (জনগোষ্ঠীয় গোট) আৰু জাতি (আর্য হিন্দু সমাজ)ৰ সংমিশ্রণত। সংমিশ্রিতকৰণ আৰু সন্মিলিকৰণৰ প্রক্রিয়া এতিয়াও থমকি ৰোৱা নাই আৰু এয়া বর্তমানেও অব্যাহত।

বিশ্বাস অনুসৰি প্রাক আহোম যুগত অসমীয়া সংস্কৃতিৰ বিৱর্তন ঘটি টাই-শ্যানসকলৰ আগমনত এক নির্দিষ্ট ৰূপ ধাৰণ কৰে। অসমীয়া সংস্কৃতিত আন এক পৰিসীমা প্রদান কৰে শ্রীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ আন্দোলনে। এই আন্দোলনে ভাষা, সাহিত্য, সুকুমাৰ কলা আদি বিভিন্ন ক্ষেত্রক প্রভাৱান্বিত কৰি সর্বসাধাৰণৰ জীৱনত বৃহৎ প্রভাৱ বিস্তাৰ কৰে। সাংস্কৃতিক বৈশিষ্ট্য আছিল সাধাৰণ চৰিত্রৰ আৰু কেতবোৰ ক্ষেত্রত স্থানীয় বৈশিষ্ট্য আহৰণ কৰি স্থান ভেদে ভিন্ন ৰূপ ধাৰণ কৰিছিল।

অসমীয়া সংস্কৃতিৰ ঐক্য আৰু সংহতি পৰিলক্ষিত হয় জনসংখ্যাৰ গাঁথনি, অসমীয়া ভাষা, ধর্মীয় বিশ্বাস, সামাজিক ৰীতি-নীতি, উৎসৱ, নৃত্য-গীত, সাংগীতিক বাদ্য , খাদ্য আৰু সাজপাৰ আদিত।

- **ভাষা**

অসমীয়া ভাষাত সংস্কৃত আৰু আন ভাষাগত সম্প্রদায়ৰ মিশ্রিত প্রভাৱ পৰিছে। নৃগোষ্ঠীয় গোট আৰু অঞ্চল ভেদে ভাষাৰ ভিন্নতা দেখা যায়। অধিকাংশ নৃগোষ্ঠীয় গোটে নিজৰ ভাষা পৰিত্যাগ কৰি নিজৰ পৰিভাষাত অসমীয়া ভাষা ক'বলৈ লৈছে। নাগামিজ হৈছে নগা উপভাষা আৰু অসমীয়া ভাষাৰ সম্প্রীতিমূলক সমাহাৰৰ উদাহৰণ। মত বিনিময়ৰ বাবে চুবুৰীয়া উপভাষাৰ সৈতে অসমীয়াক একেলগে সংযোগী ভাষা ৰূপে ব্যৱহাৰ কৰা হয়।

দেওধাই আৰু বাইলুংসকলৰ টাই লিপিৰ স্থানত নতুন লিপি অসমীয়া ব্যৱহাৰ হ'বলৈ ধৰে। অসমীয়া লিপিত সংস্কৃত, পার্চী, আৰবী আৰু স্থানীয় উপভাষাৰ উপাদান গ্রহণ কৰা হৈছে।

মূলগতভাৱে পূৱ প্রান্তৰ মাগধী প্রাকৃতৰ পৰা অপভ্রংশৰ সৃষ্টি হৈ অসমীয়া ভাষাৰ উদ্ভৱ হয়। অসমীয়া ভাষা এক দীঘলীয়া সংহতিৰ প্রক্রিয়াৰ মাজেৰে আগবাঢ়িছে। পৰৱর্তী সময়ত সংস্কৃত, প্রাকৃত, অনা-আর্য, জনজাতি আৰু আৰৱী-পার্চী শব্দও এই ভাষাত মিলিত হয়। এই শব্দসমূহে অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব, ৰূপতত্ত্ব, বাক্যগাঁথনি আৰু শব্দার্থবিজ্ঞানৰ ক্ষেত্রত বৰঙণি যোগাইছে। ভাস্কৰবর্মাৰ শাসনকালত কামৰূপলৈ অহা হিউৱেন চাঙৰ তথ্যত অসমীয়া ভাষাৰ উল্লেখ পোৱা যায়।

গোলোক চন্দ্র গোস্বামীৰ মতে, অসমীয়া ভাষা বিভিন্ন প্রভাৱৰ মাজত এনে পর্যায়লৈ বিকশিত হৈছে যে এতিয়া ইয়াত নিহিত হৈ থকা উপাদান চিনাক্ত কৰাটো কঠিনেই নহয় অসম্ভৱো। ইয়াৰ ফলত আর্যমূলীয় ভাষা হোৱা সত্বেও ইয়াত অনা-আর্য প্রভাৱ অধিক সুস্পষ্ট। আর্য ভাষাত থকা বিভিন্ন একক আৰু অসাধাৰণ বৈশিষ্ট্য আহৰণ কৰি চিৰ চেনেহী মোৰ ভাষা জননীৰ মূল ৰূপ গঢ়ি উঠিছে।

প্রথমে আমি অসম শব্দটোৰ উদাহৰণ লও আহক। একাংশ বিদ্বানৰ মতে এয়া হৈছে এক টাই-আহোম শব্দ, কিন্তু আন একাংশই এই ধাৰণা নস্যাৎ কৰি অসম শব্দটো বড়ো হা-ছাম শব্দৰ পৰা অহা বুলি উল্লেখ কৰিছে। একে ধৰণে বিদ্বানসকলৰ মতে কামৰূপৰ সৃষ্টি হৈছে অষ্ট্রিক ভাষাৰ পৰা আৰু প্রাগজ্যোতিষৰ মূল হৈছে কেতবোৰ আর্য শব্দ (পাগৰ-পাহাৰ, জ্যো-ওখ, ঢিকি-দীঘল)। ইয়াৰ ওপৰিউ অসমীয়া ভাষাৰ বহুতো শব্দৰ উচ্চাৰণ জনজাতীয় প্রকৃতিৰ। কেতবোৰ আত্মীয়সূচক শব্দ-এনাই, পুথাও, মোমাই, আপা, নিচা আদি টাই-আহোম শব্দ। মুছলমানসকলৰ সৈতে বহুতো আৰবী আৰু পার্চী ভাষাৰ শব্দ অসমীয়া ভাষালৈ আহিছে। ইয়াৰ লগতে ব্রিটিছসকলৰ শাসনকালত

বহুতো ইংৰাজী শব্দ অসমীয়া শব্দ ভাণ্ডাৰত সোমাইছে।

জানি থোৱা ভাল

অসমীয়া ভাষা মূলতঃ ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ অধীনস্থ। খ্ৰীষ্টপূর্ব নবম শতিকাৰ পৰা খ্ৰীষ্টপূর্ব দশম শতিকাৰ ভিতৰত লিখিত চর্যাপদসমূহ অসমীয়া ভাষাৰ আটাইতকৈ পুৰণি নিদর্শন।

- **সাহিত্য**

অসমীয়া সাহিত্যও সংহতি আৰু সম্মিলিতকৰণৰ মাজত গঢ় লৈ উঠিছে। প্ৰাচীন অসমত লিখিত সাহিত্যৰ অস্তিত্ব নাছিল। কেৱল কেতবোৰ মৌখিক লোক সাহিত্যৰ ৰূপত সাহিত্যৰ অস্তিত্ব আছিল। ৰামায়ণ, মহাভাৰত, পু�ৰাণৰ অসমীয়া অভিযোজনা আৰু বুৰঞ্জীসমূহৰ লগতে নৱবৈষ্ণৱ আন্দোলনৰ সময়ৰ ভক্তিমূলক গ্ৰন্থসমূহেৰে প্ৰাচীন অসমীয়া সাহিত্যৰ সৃষ্টি হৈছে। পু�ৰাণৰ ভিতৰত বিষ্ণুপুৰাণ, ভাগৱত পুৰাণ আৰু হৰিবংশৰ অৱদান আটাইতকৈ বেছি।

কেতবোৰ অসমীয়া গীত, পদ (অন্তিম শাৰীত সুৰৰ মিলসহ দুশাৰীৰ গীত), নাট, ধর্মীয় গ্ৰন্থসমূহ হৈছে এই পু�ৰাণসমূহৰ বুকুৰ পৰা বুটলি অনা অথবা ইয়াৰ সাহিত্যিক অনুবাদ। শৈলী আৰু প্ৰকাৰৰ দিশৰ পৰা অসমীয়া ভাষা সম্পূর্ণৰূপে পশ্চিমীয়া। জোনাকীত প্ৰথমে আধুনিক উপাদান প্ৰকাশ পাইছিল। ইয়াৰ মাজতে অসমৰ লোক সাহিত্যই বিভিন্ন থলুৱা চিন্তা আৰু ধাৰণাৰ সহযোগত বিকশিত হৈছিল। ইয়াত স্থানীয় সুবাস অটুট আছিল। আই-নাম, অপেশ্বৰী সবাহৰ নাম, লখিমী সবাহৰ নাম, বিয়া নাম, মালিতা, জুনা, সাঁথৰ, প্ৰবাদ আদি বিভিন্ন অনুৰূপ চিন্তা, ধাৰণা আৰু ৰীতিৰ মাজত সমৃদ্ধ হৈছিল। অৱশ্যে বিহু আৰু হুঁচৰি অনা আর্যসকলৰ অৱদান যে সেয়া নিশ্চিত। সোনোৱালসকলৰ হাইদাং গীত, পাতি ৰাভা সম্প্ৰদায়ৰ মাৰে গানৰ সৈতে সংহতিপূর্ণ বিষহৰী গীত আৰু বিভিন্ন গীতে অসমীয়া সংস্কৃতি সমৃদ্ধ কৰিছে। একে ধৰণে বড়ো-কছাৰী আৰু ৰাভাসকলৰ জীৱ-জন্তুক লৈ লোককথাসমূহেও অসমীয়া সাহিত্যলৈ অৱদান আগবঢ়াইছে।

দেহ বিচাৰৰ গীত ৰূপে জিকিৰ আৰু জাৰী গীতসমূহ ৰচনা কৰা হৈছিল। ওজা উঠা গীত (আইতুলি), কবীৰা গীত অথবা বাদছাহী গীতসমূহ হৈছে অসমত সংস্কৃতিৰ সংমিশ্ৰিতকৰণৰ উৎকৃষ্ট উদাহৰণ।

আহোমসকলৰ বুৰঞ্জী অথবা লিখিত ইতিহাস হৈছে অসমীয়া লিখিত সাহিত্যৰ এক অমূল্য সম্পদ। বুৰঞ্জী সাহিত্য আৰু শাক্ত সাহিত্য হৈছে সর্বাচীন সাহিত্য। নাটক আৰু অন্যান্য সাহিত্যৰ প্ৰকাৰ আৰু আন বাস্তৱভিত্তিক গ্ৰন্থসমূহ আহোম শাসকৰ পৃষ্ঠপোষকতাত লিখা হৈছিল। স্বর্গদেউ ৰুদ্ৰসিংহই শিৱপুৰাণ লিখাৰ লগতে জয়ধ্বজ সিংহ আৰু শিৱ সিংহৰ দৰে ৰজাসকলে গীত ৰচনা কৰিছিল। এই সময়তে সুকুমাৰ বৰকাথে হস্তীবিদ্যার্ণৱ ৰচনা কৰিছিল। মুছলমান সকলৰ আক্ৰমণৰ ফলত ইছলাম সংস্কৃতিয়ে অসমত প্ৰৱেশ কৰে। সেই সময়ৰ ইছলামিক পদ চুফীৰ আর্হিত পশুপতি দ্বিজে 'চন্দ্ৰাৱলী কাব্য' আৰু ৰাম দ্বিজে 'মৃগাৱতী চৰিত' ৰচনা কৰিছিল।

ঊনবিংশ শতিকাৰ মধ্যভাগৰ অসমীয়া সাহিত্যৰ মাইলৰ খুঁটি হৈছে ৰেভাৰেণ্ড অলিভাৰ টি কাট্টাৰৰ সম্পাদনাত প্ৰকাশিত অসমীয়া আলোচনী 'অৰুণোদয়'। অসমীয়াত প্ৰকাশিত আন সাহিত্যসমূহ হৈছে ৰেভাৰেণ্ড নাথান ব্ৰাউনৰ ব্যাকৰণৰ গ্ৰন্থ আৰু ৰেভাৰেণ্ড মাইল ব্ৰন্সনৰ দ্বাৰা ৰচিত প্ৰথম অসমীয়া অভিধান। অসমীয়া সাহিত্যত খ্ৰীষ্টানসকলৰ প্ৰভাৱে ভাষাটোৰ আধুনিকীকৰণত সহায় কৰাৰ লগতে অসমীয়া সংস্কৃতিক উদাৰমনা কৰি তুলিছিল।

বিংশ শতিকাৰ শেষৰফালে অসমীয়া সাহিত্য সমৃদ্ধ হৈছিল সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্রকুমাৰ আগৰৱালা, অম্বিকাগিৰি ৰায়চৌধুৰী, জ্যোতিপ্রসাদ আগৰৱালা, নলিনীবালা দেৱী আদি নমস্য ব্যক্তিৰ ৰচনাৰ মাজেৰে।

- **ধর্ম**

অসমৰ ধর্মীয় ইতিহাস সংহতিৰো ইতিহাস। জনজাতীয় সাংস্কৃতিক উপাদানৰ সৈতে অসমীয়া সংস্কৃতিৰ ধর্মীয় দিশৰ সংমিশ্রণ ঘটিছে। বিশেষকৈ শিৱ মহাদেৱ বুঢ়াগোঁসাই ধাৰণাই জনজাতীয় উপাদান সুস্পষ্ট ৰূপত কঢ়িওৱাৰ লগতে ইয়াৰ প্রভাৱো সুদুৰপ্রসাৰী।

শিৱ হৈছে এক দ্রাবিড়ীয় ভগৱান আৰু ৰুদ্র হৈছে বৈদিক ভগৱান। শিৱ আৰু ৰুদ্রৰ সংহতিয়ে পুৰাণত উল্লেখ কৰা শিৱৰ জন্ম দিছে। জনজাতীয় নৃগোষ্ঠীয় গোটসমূহে হিন্দু দেৱ-দেৱীসমূহক নিজৰ ধর্মীয় ব্যৱস্থাত ঢাল খুৱাই লৈছে।

অসমৰ প্রায় সকলো জনজাতীয় সম্প্রদায় যেনে বড়ো, কছাৰী, ৰাভা, ডিমাছা, লালুং, সোনোৱাল, দেউৰী, চুতীয়া, কার্বিসকলে শিৱৰ উপাসনা কৰে। থুল-মুলকৈ ক'বলৈ গ'লে অসমত শিৱ উপাসনাৰ পৰম্পৰা হৈছে প্রাক আর্য, আর্য, জনজাতীয় আৰু আধ্যাত্মিক উপাদানৰ সংমিশ্রণ।

একে ধৰণে দুর্গা আৰু পার্বতীৰ দৰে হিন্দু দেৱীৰ মূল আমি প্রাক আর্য, আর্য আৰু জনজাতীয় সংস্কৃতিত লাভ কৰিব পাৰো। সর্পদেৱী মনসা-বিষহৰি হৈছে অনা-আর্য, আর্য আৰু দ্রাবিড় সংস্কৃতিৰ সাংস্কৃতিক সমন্বয়। সমান্তৰালভাৱে বিভিন্ন গ্রাম্য দেৱতা, প্রেতাত্মা আদিৰ ধাৰণাই জনজাতীয় সংস্কৃতিৰ প্রভাৱৰ কথা কয়। বিদ্বানসকলৰ মতে কাম্যাখ্যাও মূলতঃ এগৰাকী জনজাতীয় দেৱী। উদ্ধাৰকাৰীৰূপে দেৱী মনসাৰ উপাসনা হৈছে প্রাণীবাদী জনজাতীয় লোকসকলৰ লগতে ভৈয়ামবাসীৰ মাজত প্রচলিত ধাৰণা। মনসা উপাসনা আৰু দেওধনী নৃত্যৰ প্রধান কেন্দ্র হৈছে কামাখ্যা।

যোনী পূজাৰ প্রাধান্যৰে প্রাচীন অসমৰ শাক্ত তন্ত্রৰ প্রতিষ্ঠা হৈছিল আৰু এই পূজা আছিল জনজাতি প্রভাৱিত। অসমীয়া হিন্দুসকলৰ ধর্মত জনজাতীয় উপাদানৰ বৰঙনি দেখা যায়। নৃত্য আৰু গীতৰ পৰা ব'হাগ বিহুক কৃষিভিত্তিক উৎসৱৰ পৰা সৃষ্ট বুলি কোৱা হয়। মাঘ বিহুক আদিম কৃষিভিত্তিক উৎসৱৰ পৰা সৃষ্ট বুলি কোৱা হয়। বিবাহক কেন্দ্র কৰি সৃষ্টি হোৱা অনুষ্ঠান আৰু নিয়মসমূহৰ আৰম্ভনিও যাদু-মন্ত্র আৰু মায়াজালৰ সৈতে সম্পর্কিত। উদাহৰণ স্বৰূপে নৱবিবাহিত দম্পত্তিয়ে অংশ লোৱা খোবা-খুবুনী অনুষ্ঠানৰ মূল হৈছে খোবা আৰু খুবুনী নামৰ দুটা অসুৰক আগবঢ়োৱা অৰিহণা। আত্রেয় ব্রাহ্মণ্য, শতপথ ব্রাহ্মণ্যত উল্লেখ থকা অনুসৰি আর্যসকলৰ সৈতে ব্রাহ্মণ্যবাদী ধাৰাৰ আগমনৰ উল্লেখ আছে।

অসমত ধর্মৰ ক্ষেত্রত সন্মিলিতকৰণ স্পষ্টৰূপত পৰিলক্ষিত হয় শ্রমণসকলক সন্মান প্রদান কৰাৰ ক্ষেত্রত শিৱৰ উপাসক ৰূপে ভাস্কৰবর্মনৰ বিষয়ে উপলব্ধ তথ্যৰ পৰা। কামৰূপ পাল শাসকসকল শৈৱপন্থী আছিল যদিও তেওঁলোক দেৱীৰ উপাসকো আছিল। গুৱাকুছী ফলিত উল্লেখ থকা অনুসৰি তান্ত্রিক পন্থা অনুসৰণ কৰা ৰজা ইন্দ্রপাল আছিল বিষ্ণুৰ উপাসক। শাক্ত পুৰাণ হোৱা সত্বেও কালিকা পুৰাণ সহনশীলতাৰ নিদর্শনেৰে আন দেৱ-দেৱীৰ উপাসনাৰ বিষয়ে উল্লেখ আছে। একে ধৰণে নৱবৈষ্ণৱবাদী আন্দোলনত কেতবোৰ গণতান্ত্রিক উপাদান থকা দেখা যায় যিয়ে সকলো শ্রেণীৰ বহুতো লোকক আকর্ষণ কৰিছিল। সেই সময়তে জনজাতীয় লোকসকল আর্য প্রভাৱৰ অধীনলৈ আহিছিল আৰু ইয়াক দেখা পোৱা যায় স্থান আৰু নদীৰ জনজাতীয় নামৰ সংস্কৃতিকৰণৰ দ্বাৰা। হিন্দুবাদ আৰু নৱবৈষ্ণৱধর্মৰ প্রভাৱ জনজাতীয় লোকসকলৰ মাজত দেখা যায় যে বড়ো-কছাৰীসকলৰ

প্ৰধান আৰাধ্য দেৱতা বাথৌক শিৱৰ লগত আৰু দেৱী মাইনাওক পাৰ্বতীৰ লগত ৰিজোৱা হয়। চুতিয়াসকলেও গিৰা আৰু গিৰাচীক শিৱ-পাৰ্বতীৰূপে উপাসনা কৰিবলৈ লয়। হাজংসকলেও বহুসংখ্যক হিন্দু দেৱ-দেৱীক পূজা কৰিবলৈ লৈছিল।

- **উৎসৱ, নিয়ম আৰু সামাজিক ৰীতি-নীতি**

ৰাষ্ট্ৰীয় উৎসৱ আৰু অসমৰ আন ৰীতি-নীতিসমূহ সাংস্কৃতিক সংহতিৰ নিদৰ্শন। অসমৰ জাতীয় উৎসৱ বিহু হৈছে মূলতঃ এক সংহতিপূৰ্ণ উৎসৱ। মাঘ বিহুৰ সৈতে জড়িত মেজি শব্দটো আহিছে সংস্কৃত শব্দ মেধ্যৰ পৰা। একেদৰে মাঘ বিহুৰ অংশ ভেলাঘৰৰ সম্পৰ্ক হৈছে সংস্কৃত শব্দ মেষ গৃহৰ সৈতে। চুঙা পিঠা আৰু ম'হ যুঁজৰ পৰম্পৰা আহিছে মংগোলীয় আৰু দ্ৰাবিড় পৰম্পৰাৰ পৰা। বিহুৰ ভিত্তি হৈছে কৃষিজীৱী সমাজৰ উৰ্বৰতা উৎসৱ। দেশৰ বিভিন্ন প্ৰান্তত এই উৎসৱৰ অনুৰূপ উৎসৱ একে সময়তে অনুষ্ঠিত কৰা হয়। বিহুৰ বহুতো পৰম্পৰাৰ সৈতে তামিলনাডুৰ পোংগল, উৰিষ্যাৰ পৌষ সংক্ৰান্তি, কেৰালাৰ বিষু, পঞ্জাৱৰ বৈশাখী, উত্তৰ ভাৰতৰ চঠ পূজাৰ সৈতে সাদৃশ্য আছে। গৰু বিহু বা পোহনীয়া প্ৰাণীক উপাসনা কৰাটো হৈছে বৈদিক যুগৰ পৰা বাগৰি অহা পৰম্পৰা। কিন্তু মাহ-হালধীৰে লাও, বেঙেনা, থেকেৰা আদিৰে চাট সাজি দলিওৱাৰ পৰম্পৰা আৰ্য সম্প্ৰদায়ৰ পৰা অহা।

অসমত বাঁহ পূজাৰ পৰম্পৰা থকা বহুতো উৎসৱ আছে যিসমূহৰ মূল আহিছে মংগোলীয়সকলৰ পৰা। গতিকে সকলো বাঁহ উৎসৱ যেনে-ভথেলী, দেউল, পাউৰাতোলা, সুৱঁৰেৰি, সুৰী আৰু দাহাৰ ফুৰুৱা আদিত মংগোলীয় উপাদান সুস্পষ্ট। একে ধৰণে নামনি অসমত প্ৰচলিত মহহ' উৎসৱৰ সৈতে বড়ো-কছাৰীসকলৰ মাছা হানা(বাঘ চিকাৰ) উৎসৱৰ সাদৃশ্য আছে।

বিবাহ অনুষ্ঠানো হৈছে বিভিন্ন সংস্কৃতিৰ মিশ্ৰণ। বিবাহ আঠ প্ৰকাৰৰ আৰু হোম পুৰি মন্ত্ৰোচ্চাৰণৰ মাজত সম্পন্ন বিবাহক আটাইতকৈ পৱিত্ৰ বিবেচনা কৰা হয়। অৱশ্যে বিবাহৰ সৈতে সম্পৰ্কিত আন আন ৰীতি-নীতি যেনে-জোৰোণ, গাথিয়ন, সুৱাগুৰি তোলা, টেকেলি দিয়া, খোবা-খুবী, জোৰোণত কইনাৰ পৰিয়ালক মাছ দিয়া আৰু অন্যান্য সমূহ হৈছে স্থানীয় অসমীয়া বিশ্বাস। যিকোনো ৰোগৰ চিকিৎসাৰ পৰম্পৰাগত পদ্ধতি (বেজালি) অথবা ঔষধ প্ৰস্তুতকৰণতো জনজাতীয় বিশ্বাসৰ উপাদান নিহিত হৈ আছে।

- **সংগীত, নৃত্য আৰু গীত**

সংগীত হৈছে সংস্কৃতিৰ এক অন্তর্নিহিত অংগ আৰু এয়া মানৱ সমাজৰ সৃষ্টি। অসম হৈছে উপত্যকা, পাহাৰেৰে আবৃত এখন ৰাজ্য আৰু বাস কৰে বিভিন্ন নৃগোষ্ঠীয় জনজাতিয়ে। অসমৰ সংগীত সকলো জনজাতীয় আৰু অজনজাতীয় উপাদান বিদ্যমান। সংস্কৃতিৰ সংহতিৰ প্ৰক্ৰিয়া অসমীয়া নৃত্য আৰু গীততো বিদ্যমান। আনকি অসমত ব্যৱহৃত বাদ্যতো বিভিন্ন সংস্কৃতিৰ সমাহাৰ ঘটিছে। বিহু গীত-নৃত্যত জনজাতীয় নৃত্য-গীতৰ প্ৰভাৱ দেখা যায়। বড়োসকলৰ বৈশাগু বিহুৰ সৈতে একে ধৰণৰ। একে ধৰণে মিছিংসকলৰ ঐনিতমৰ সৈতে অসমীয়া বিহুৰ মিল আছে। অসমৰ ওজাপালি গীতসমূহ হৈছে মুছলমান সম্প্ৰদায়ৰ ফকিৰ আলী গীতৰ অনুৰূপ। বিশিষ্ট লিখক চৈয়দ আব্দুল মালিকৰ মতে জিকিৰৰ সুৰত অসমীয়া ওজাপালি, দেহ বিচাৰৰ গীত আৰু বৰগীতৰ প্ৰভাৱ সুস্পষ্ট।

দেওধনী নৃত্যও হৈছে এক থলুৱা প্ৰকাৰৰ নৃত্য। ৰোগ আৰু চিকিৎসাৰ ক্ষেত্ৰত লোকবিশ্বাসসমূহ জনজাতীয় আৰু অজনজাতীয় লোকৰ মাজত সমানে থকা দেখা যায়।

- **খাদ্য**

আটাইতকৈ চকুত পৰা সাংস্কৃতিক মিশ্ৰণ পৰিলক্ষিত হয় খাদ্যত। এটা সম্প্ৰদায়ৰ খাদ্যাভ্যাসে তেওঁলোকৰ

জীৱন আৰু মূল্যবোধক উদঙাই দিয়ে। অসমীয়া খাদ্যৰ মূল বৈশিষ্ট্য হৈছে মছলাৰ কম ব্যৱহাৰ আৰু সাধাৰণভাৱে উপলব্ধ বনৌষধিৰ ব্যৱহাৰ। খাদ্য প্ৰস্তুতকৰণ অতি সৰল প্ৰকাৰৰ আৰু ইয়াত উতলাই প্ৰস্তুত কৰা খাদ্যক স্থান দিয়া হৈছে। বিভিন্ন সংস্কৃতিৰ প্ৰভাৱত এই খাদ্যাভাস গঢ়ি উঠিছে। অসমত বাহিৰৰ অঞ্চলৰ লোকসকলৰ সৈতে সঘন যোগাযোগৰ ফলত জৈৰ তেল আৰু সৰিয়হৰ তেলৰ ব্যৱহাৰ হ'বলৈ লৈছে।

অসমীয়া সংস্কৃতিত অনা আৰ্যসকলৰ প্ৰভাৱত ৰাজ্যৰ উচ্চ শ্ৰেণীৰ(ব্ৰাহ্মণ, ধৰ্মীয় গুৰু) মাজত মাংসভোজী প্ৰকৃতি গঢ়ি উঠা দেখা যায়। আনকি শংকৰদেৱ মাছৰ প্ৰতি বিশেষভাৱে অনুৰক্ত আছিল বুলি জনা যায়। অসমৰ বৰ্ণ হিন্দুসকলে জনজাতীয় লোকৰ পৰা বিদ্যা আহৰণ কৰি জাল, জাকৈ, জুলুকি আদি ব্যৱহাৰ কৰি মাছ ধৰিবলৈ শিকিছে। মাছৰ পৰা প্ৰস্তুত কৰা বিভিন্ন খাদ্যসামগ্ৰী(মাছৰ জোল, পাতত দিয়া মাছ, মাছৰ খাৰ) আদিত জনজাতীয় প্ৰভাৱ দেখা যায়। বিভিন্ন বনৰীয়া শাকক খাদ্যৰূপে গ্ৰহণ কৰা আৰু পইঁতা ভাত খোৱা পৰম্পৰা জনজাতীয় প্ৰকৃতিৰ। বিভিন্ন পিঠাৰ প্ৰস্তুতকৰণ আৰু খোৱাৰ পৰম্পৰা হৈছে জনজাতীয় আৰু অজনজাতীয় সংস্কৃতিৰ মিশ্ৰণ। অসমীয়া সংস্কৃতিৰ এৰাব নোৱাৰা অংগ তামোল-পাণৰ ব্যৱহাৰ হৈছে অষ্ট্ৰিকসকলৰ অৱদান। একে ধৰণে স্থানীয় জনজাতিৰ সৈতে চুবুৰীয়া এলেকাৰ সংস্পৰ্শৰ বাবে বহু পলমকৈ এই অঞ্চললৈ অহা আলু, বিলাহী আৰু অমিতা হৈছে অসমীয়া খাদ্য সংস্কৃতিৰ অভিন্ন অংগ। অসমীয়া খাদ্যৰ অন্তৰ্ভুক্ত হোৱা বাঁহ হৈছে জনজাতীয় খাদ্যাভাসৰ পৰা অহা।

- **সাজপাৰ**

অসমৰ পৰম্পৰাগত সাজপাৰ আৰু গহণাৰ উল্লেখ বুৰঞ্জী আৰু লোকগীতসমূহত পোৱা যায়। বুৰঞ্জীত উল্লিখিত তথ্য অনুসৰি আহোম ৰজাই ভূঞাৰ অধীনত চাৰিখেলৰ সৃষ্টি কৰি ব্স্ত্ৰ প্ৰস্তুতৰ দায়িত্ব দিছিল। এই খেলকেইটা হৈছে-কপাহ কাটনি, পাত কাটনি, জলা কাটনি আৰু মেজাং কাটনি।

ধনী-দুখীয়া নিৰ্বিশেষে পুৰুষ-মহিলা উভয়ে গহণা পৰিধান কৰিছিল। ইয়াৰ পাৰ্থক্য পৰিলক্ষিত হয় গহণা প্ৰস্তুতকৰণত ব্যৱহৃত ধাতুৰ দ্বাৰা। বিভিন্ন শুভ অনুষ্ঠানত যেনে বিবাহ, উৎসৱ আৰু আন পৰম্পৰাত গহণা পৰিধান কৰাৰ নিয়ম আছিল। সময়ৰ সৈতে গহণাৰ ক্ষেত্ৰত থকা শৈলী আৰু উদ্দেশ্যৰ পৰিৱৰ্তন হৈছে।

অসমীয়া লোকসকলে পৰিধান কৰা সাজপাৰ আৰু গহণাই বিভিন্ন জনজাতীয় আৰু ইছলামিক সংস্কৃতিৰে সংহতিক চিহ্নিত কৰে। অসমীয়া মহিলাই ব্যৱহাৰ কৰা তাঁতশাল হৈছে জনজাতীয় প্ৰভাৱযুক্ত। ভাৰতৰ আন প্ৰান্তত বৰ্ণ হিন্দু নাৰীয়ে তাঁতশালত বস্ত্ৰ নবয়। কিন্তু অসমত এই পৰম্পৰা জাতি আৰু সম্প্ৰদায় নিৰ্বিশেষে পুৰুষানুক্ৰমে প্ৰচলিত হৈ আছে।

অসমীয়া মহিলাই পৰিধান কৰা পৰম্পৰাগত সাজত সন্মিলিতকৰণৰ প্ৰক্ৰিয়া দেখা যায়। তেওঁলোকে পিন্ধা মেখনি (বুকুৰ ওপৰত মেখেলা পিন্ধা) আদি ইয়াৰ উদাহৰণ। বস্ত্ৰ পৰিধানৰ ঔপৰিও ফোঁট লোৱা আৰু খোপা বন্ধ কাৰ্য জনজাতীয় সমাজৰ প্ৰভাৱত সৃষ্টি হোৱা। অসমত পুৰুষসকলৰ সাজপাৰতো জনজাতীয় প্ৰভাৱ পৰিছে। ৰুদ্ৰ সিংহৰ ৰাজত্বকালত অসমীয়া সাজপাৰত মোগল প্ৰভাৱ পৰিবলৈ লয়। উল্লেখযোগ্য যে ইছলামিক শৈলীৰ সাজ পৰিধানৰ পৰম্পৰা অসমৰ সত্ৰ সংস্কৃতিত প্ৰৱেশ কৰে আৰু পৰৱৰ্তী সময় ইয়াৰ প্ৰভাৱ সূত্ৰধাৰী নৃত্য, ওজাপালি নৃত্য আৰু নটুৱা নাচৰ মাজত দেখা যায়। একে ধৰণে ৰিহা-মেখেলাত ফুল তোলাৰ পৰম্পৰা ইছলামিক পৰম্পৰাৰ প্ৰভাৱত সৃষ্টি হোৱা।

ডঃ লীলা গগৈয়ে আহোম যুগত সাজপাৰৰ বৰ্ণাঢ্য পৰম্পৰা উল্লেখ কৰিছে। অসমীয়া বস্ত্ৰ পৰিধানৰ ধাৰা

আন নৃগোষ্ঠীয় জনজাতি আৰু সম্প্রদায়ৰ সৈতে সাদৃশ্যপূর্ণ। ছফুট দীঘল শাৰী পৰিধান কৰা পৰম্পৰা অসমীয়া মহিলাসকলৰ মাজত প্রচলিত নাছিল।

গহণাৰ বাবে সোণাৰীৰ খেল আছিল। গহণাসমূহ সোণ, ৰূপ আৰু তামেৰে নির্মিত হৈছিল। গহণাসমূহ সোণাৰীৰ খেলে নির্মাণ কৰিছিল। ইয়াত গহণা প্রস্তুতকাৰীসকল মূলতঃ পশ্চিমৰ পৰা আহিলেও ইয়াত আঞ্চলিক প্রভাৱ আৰু শৈলী সুস্পষ্ট। সত্রীয়া নৃত্য, ভাওনা আন আন ক্ষেত্রত এই গহণাসমূহ পৰিধান কৰা হৈছিল। ভাওনা প্রদর্শনৰ সময়ত পৰিধান কৰা আটাইতকৈ উল্লেখযোগ্য গহণা হৈছে-ভৰিত নেপূৰ আৰু ঘুঘুৰা, খাৰু, বাহুবন্ধ, মূৰ আৰু পাগৰ বাবে কিৰিটি। ৰজা-ৰাণীসকলে চন্দ্রহাৰ(কঁকালৰ অলংকাৰ) পৰিধান কৰিছিল। অসমীয়া মহিলাসকলে পিন্ধা পৰম্পৰাগত গহণাসমূহ হৈছে-থুৰীয়া, কেৰু, কর্ণবালা, লোকাপাৰ, দীঘলীয়া কেৰু, জাংফাই(কাণফুলি), গলপতা, ঢোলবিৰি, জোনবিৰি, ধৰিয়াবিৰি, পাৰচকুৰা, মাদুলী, দুগদুগী, গেজেৰা, বেনা, পানসৰী, সাতসৰী, চিপাটমণি(ডিঙিত পিন্ধা), গামখাৰু, কংকন, বালা(খাৰু), চিৰিপতা, চেনেপতা, পাৰচকুৰা(আঙুঠি) আদি। গহণা প্রস্তুত কৰোতে জন্তুৰ দাঁত আৰু নখ ব্যৱহাৰ কৰা হৈছিল।

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নৰ উত্তৰ দিয়ক-

প্রশ্ন নং ৪ ঃ হাইদাং গীত কোন জনজাতিৰ সৈতে জড়িত?

.....

প্রশ্ন নং ৫ ঃ অসমীয়া ভাষাৰ প্রাচীনতম নিদর্শনৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন নং ৬ ঃ বড়ো-কছাৰীসকলৰ প্রধান উপাস্য দেৱতাৰ নাম উল্লেখ কৰক।

.....

২.৪ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি—

- অসমীয়া সংস্কৃতি বিভিন্ন প্রজাতিগত উপাদান আৰু জনজাতীয় আৰু অজনজাতীয় সাংস্কৃতিক গুণৰ সন্মিলিতকৰণ আৰু সংমিশ্রিতকৰণৰ দ্বাৰা গঢ়ি উঠিছে।

২.৫ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১। ভৰালী, শৈলেন; (২০১০); *অসমীয়া লোক নাট্য পৰম্পৰা;* গুৱাহাটী: বাণী প্রকাশন।

২। বৰদলৈ, নির্মলপ্রভা; (২০০৪); *অসমৰ লোক সংস্কৃতি;* গুৱাহাটী: বীণা লাইব্রেৰী।

৩। ডেকা, ড° নমিতা; (সম্পা.) (২০১০); *অসম দর্পন;* গুৱাহাটী: বাণী মন্দিৰ।

ইংৰাজী গ্ৰন্থ ঃ

1. Barpujari, H.K. (2004). *The Comprehensive History of Assam*, Vol. 1 and Vol. 3. Guwahati, Assam: Publication Board Assam.
2. Barua, B.K. (1954). *Ankiya-Nat* (edited). Gauhati, Assam: Department of Historical and Antiquarian Studies.
3. Bharali, Arunima. (1999). *Assamese Culture*. Guwahati, Assam: Lawyers Book Stall.
4. Bodley, John H. (2011). *Cultural Anthropology: Tribes states and the global system* (5th edition). Plymouth, UK: AltaMira Press.
5. Choudhury, P.C. (1987). *The History of the Civilization of the People of Assam to the Twelfth Century AD* (3rd edition). Guwahati, Assam: Spectrum Publication.

✓ ২. ৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ হয়, কাৰণ এজন ব্যক্তিৰ জীৱন পৰিক্ৰমাৰ পিছতো এই প্ৰক্ৰিয়া চলি থাকে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ সোনোৱাল।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ চৰ্যাপদ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বাৰ্থৌ।

? ২.৭ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা মান শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ কোনজন লিখকে শিৱপুৰাণ ৰচনা কৰিছিল?

প্ৰশ্ন ২ঃ বনিয়া আৰু কৈৱৰ্তসকল কোনটো প্ৰজাতিৰ অন্তৰ্গত?

(খ) চমু প্ৰশ্ন ঃ (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০ টা মান শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ চমুটোকা লিখক-

১) সংস্কৃতিৰ প্ৰকাৰ আৰু উপাদান।

২) অসমৰ খাদ্যাভাস।

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা মান শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ঃ অসমৰ ধৰ্মীয় চিন্তাত জনজাতীয় উপাদানৰ প্ৰভাৱ বৰ্ণনা কৰক।

*** ***** ***

অধ্যায় ৩ ঃ অসমৰ লোক সংস্কৃতি

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ লোক সংস্কৃতিৰ সংজ্ঞা আৰু ইয়াৰ বিভিন্ন দিশ

৩.৪ লোক বা মৌখিক সাহিত্য

৩.৫ ভৌতিক সংস্কৃতি

৩.৬ লোকাচাৰ

৩.৭ লোক পৰিৱেশ্য কলা

৩.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৯ অধিক জানিবলৈ

৩.১০ অগ্রগতিৰ খতিয়ান

৩.১১ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- লোক সংস্কৃতিৰ সংজ্ঞা আগবঢ়াব পাৰিব
- লোক সংস্কৃতিৰ বিভিন্ন দিশৰ বর্ণনা আগবঢ়াব পাৰিব
- অসমৰ লোক সাহিত্যৰ বিভিন্ন দিশৰ আলোচনা কৰিব পাৰিব
- অসমৰ লোক সংস্কৃতিৰ লগত জড়িত বিভিন্ন পৰম্পৰা আৰু ৰীতি নীতিৰ জ্ঞান লাভ কৰিব পাৰিব
- অসমৰ লোক নৃত্যৰ আলোচনা আগবঢ়াব পাৰিব

৩.২ পৰিচয়

আগৰ অধ্যায়ত আমি সংস্কৃতি আৰু ইয়াৰ প্রকৃতিৰ বিষয়ে ব্যাখ্যা কৰিলো। অসমীয়া সংস্কৃতিৰ গঠনত সাংস্কৃতিক সমন্বয়ৰ প্রক্রিয়াকো আমি আলোচনা কৰিলো। এই অধ্যায়ত আমি লোক সংস্কৃতি আৰু ইয়াৰ বিভিন্ন ভাগ যেনে মৌখিক / লোক সাহিত্য, ভৌতিক সংস্কৃতি, ৰীতি-নীতি, পৰম্পৰা আৰু লোক নৃত্য আদিৰ বিষয়ে আলোচনা কৰিম।

৩.৩ লোক সংস্কৃতিৰ সংজ্ঞ আৰু ইয়াৰ বিভিন্ন দিশ

ইংৰাজী Culture শব্দটো আহিছে লেটিন শব্দ Culture যাৰ অর্থ হ'ল কর্ষণ কৰা (To Cultivate) মানুহৰ জীৱন শৈলীৰ সমুহীয়া প্রকাশেই হ'ল সংস্কৃতি আৰু মানুহে কৰা প্রত্যেকটো কার্যই সংস্কৃতিৰ অংগ। সংস্কৃতিৰ সর্বগ্রহণযোগ্য সংজ্ঞাক লৈ পণ্ডিত সকলৰ মাজত মতভেদ দেখা যায়। আভিধানিক অর্থ অনুসৰি লোক

(folk) শব্দই মানুহক বুজায়। সেয়ে 'লোক সংস্কতি' বুলিলে সাধাৰণতে কোনো এক অঞ্চলৰ মানুহৰ সংস্কৃতিক বুজায় য'ত জড়িত হৈ থাকে মানুহৰ মানসিক, সামাজিক, ভৌতিক আদি বিভিন্ন দিশ যিবোৰ অবিহনে মানুহৰ দৈনন্দিক জীৱন সুচাৰু ৰূপে নচলে।

লোক সংস্কৃতি মানৱ সভ্যতাৰ সমানেই পুৰণি আৰু লোক সাহিত্য আৰু লোক সংস্কৃতি আৰু লোক সাহিত্যৰ সংগ্রহ।

পঞ্চম-ষষ্ঠ খ্রীষ্ট পূর্বৰ পৰাই ইয়াৰ আৰম্ভ হৈছিল। অৱশ্যে লোক সংস্কৃতিৰ বিষয়ে বিজ্ঞান সন্মত অধ্যয়ন ষোল্ল শতিকা মানৰ পৰাহে আৰম্ভ হয়।

বৃটিছ চৰকাৰৰ বিষয়া আৰু খ্রীষ্টান মিচনেৰীসকল অসমৰ লগতে ভাৰতৰ অন্য ঠাইত লোক সংস্কৃতিৰ অধ্যয়নৰ বাটকটীয়া আছিল। অৱশ্যে তেওঁলোকৰ আগতে মধ্যযুগৰ অসমৰ কবি আৰু লেখকৰ ৰচনাত অসমৰ লোক সংস্কৃতিৰ বিষয়ে কথা পোৱা যায়। শংকৰদেৱ, মাধৱদেৱ, হৰিবৰ বিপ্র, অনন্ত কন্দলী আদি ৰচনাত অসমৰ লোক সংস্কৃতিৰ বিষয়ে বিভিন্ন তথ্য পোৱা যায় যদিও এইবোৰত বিজ্ঞানসন্মত অধ্যয়নৰ অভাৱ পৰিলক্ষিত হয়। সেয়ে ক'ব পাৰি যে অসমৰ লোক সংস্কৃতিৰ বিষয়ে বিজ্ঞানসন্মত অধ্যয়ন উপনিৱেশিক শাসন কালছোৱাত আৰম্ভ হয়।

লোকসংস্কৃতিৰ অধ্যয়নত বিভিন্ন দিশ সামৰি লোৱা হয় যেনে মৌখিক সাহিত্য (oral Literature) ভৌতিক সংস্কৃতি (Material Culture), সামাজিক লোকচাৰ (Social Folk Custom), লোক পৰিৱেশ্য কলা (folk performing art) ইত্যাদি। অসম বিভিন্ন জনগোষ্ঠীৰ লোকৰ সমন্বয়স্থলী আৰু সেয়ে অসমক ভাৰত উপমহাদেশৰ এক ক্ষুদ্র সংস্কৰণ বুলি কোৱা হয়। অসমৰ ভৌগোলিক বৈশিষ্ট্যইও ইয়াত বিভিন্ন আঞ্চলিক উপাদানক ইয়াৰ সংস্কৃতিত বিলীন হৈ যোৱাত সহায় কৰিছে। সেয়ে অসমৰ ইতিহাসত অবিৰত জনস্রোতৰ প্রতিফলন পৰিলক্ষিত হয় আৰু লগতে সংস্কৃতিৰ মিলনভূমি বুলি ক'ব পাৰি য'ত বিভিন্ন সাংস্কৃতিক পৰম্পৰাই নিজৰ স্বকীয়তা বজাই ৰখাৰ লগতে এক সহাৱস্থানো গঢ়ি তুলিছে।

৩.৪ লোক বা মৌখিক সাহিত্য

বহুক্ষেত্রত মৌখিক সাহিত্যৰ মাজেৰে যিকোনো সমাজৰ প্রজ্ঞাৰ প্রতিফলন ঘটে। ই আমাক কেৱল এখন সমাজৰ বিষয়ে বুজাতেই সহায় নকৰে, ই সেই সমাজৰ ইতিহাস পুনর্নির্মাণৰ ক্ষেত্রতো এক গুৰুত্বপূর্ণ উৎস হিচাপে কাম কৰে। বিভিন্ন নৃগোষ্ঠীয় সাংস্কৃতিক পৰম্পৰাৰ মিলনভূমি অসমত এক বুজন পৰিমাণৰ মৌখিক সাহিত্য উপলব্ধ যিয়ে অসমৰ লোকৰ আর্থ-সামাজিক তথা ৰাজনৈতিক অৱস্থাৰ এক প্রতিচ্ছবি আমাৰ আগত দাঙি ধৰে। অসমৰ মৌখিক সাহিত্যক তলত দিয়া বিভিন্ন ভাগত ভগাব পাৰি—

- জাতিগত শ্রেণী বিভাজন (ethnic genre)ঃ সাংস্কৃতিক দৃষ্টিকোণৰ পৰা লোক সংস্কৃতিক বিভিন্ন ভাগত ভাগ কৰিব পাৰি। এনে শ্রেণীবিভাজনকে জাতিগত শ্রেণীবিভাজন বুলি ক'ব পাৰি। এনে শ্রেণীবিভাজন স্থানীয় শ্রেণী বিভাজন বুলিও ক'ব পাৰি যিহেতু জাতিগত শ্রেণী বিভাজন আৰু স্থানীয় শ্রেণী বিভাজন লোক সংস্কৃতিক একে দিশ প্রতিফলিত কৰে।
- তাত্ত্বিক শ্রেণী বিভাজন (Analytical Classification) ঃ বিদ্যায়তনিক দিশ তথা আন্তর্জাতিক শ্রেণী বিভাজনৰ প্রতি লক্ষ্য ৰাখি মৌলিক সাহিত্যৰ যি শ্রেণী বিভাজন কৰা হয় তাকে তাত্ত্বিক শ্রেণী বিভাজন

বুলি কোৱা হয়। এনে বিভাজনে তলত দিয়া দিশবোৰ সামৰি লয়।

(i) বাচিক গীত -পদ

(ii) গদ্যধর্মী লোক কথা

(iii) প্রবচন, লোকোক্তি, যোজনা, পটন্তৰ

(iv) সাঁথৰ, দিষ্টান

(v) লোক ভাষা

- বিষয়বস্তু অনুসৰি শ্রেণী বিভাজন (Thematic Classification) ঃ মৌখিক সাহিত্যৰ বিভিন্ন বিষয়বস্তু অনুসৰি ইয়াক বিভিন্ন ভাগত ভাগ কৰিব পাৰি-

(i) অনুৰাগ-আসক্তি, প্রেম-প্রণয় আৰু বিৰহ-মিলন বিষয়ক গীত পদ

(ii) ভক্তিমূলক বা ভক্তিপ্রধান গীত পদ

(iii) দার্শনিক ভাবপ্রধান গীত পদ

(iv) ব্যংগপ্রধান গীত

(v) হাস্যপ্রধান গীত

(v i) আর্থ- সামাজিক বিষয়ক গীত পদ

(vii) আশা-আকাংক্ষা আৰু উৎসাহ-উদ্দীপনা বিষয়ক গীত

(viii) ঐতিহাসিক, ৰাজনৈতিক আদি বিষয়ক গীত

- অনুষংগ অনুসৰি শ্রেণী বিভাজন (Contextual Classification) ঃ বহুতো লোক সংগীত কেতবোৰ বিশেষ উৎসৱ পার্বণত পৰিবেশন কৰা হয়। ইয়াৰ পৰিৱেশন প্রসংগঠন লক্ষ্য ৰাখি মৌখিক সাহিত্যক এক শ্রেণীত ভাগ কৰিব পাৰি।
- প্রকার্যাত্মক শ্রেণী বিভাজন (Functional Classification)ঃ মৌখিক সাহিত্যৰ বিভিন্ন উপাদানৰ কেতবোৰ সুনির্দিষ্ট সামাজিক কার্য আছে। উদাহৰণস্বৰূপে শিশুক টোপনি নিওৱাৰ বাবে গোৱা গীতবোৰক নিচুকনি গীতৰ অন্তর্ভূক্ত কৰা হয় যিহেতু ইয়াৰ কার্য হৈছে শিশুক নিচুকোৱা।
- আঞ্চলিক শ্রেণী বিভাজন (Regional Classification)ঃ ভাষিক আৰু আঞ্চলিক বৈশিষ্ট্যৰ প্রতি লক্ষ্য ৰাখি অসমীয়া লোক সাহিত্যক বিভিন্ন ভাগত ভাগ কৰিব পাৰি-

(i) কামৰূপী গীত-পদ

(ii) নলবাৰী গীত-পদ

(iii) দৰঙী গীত-পদ

(iv) শোণিতপুৰীয়া গীত-পদ

(v) লক্ষীমপুৰীয়া গীত-পদ

(v i) ডিব্রুগড় অঞ্চলৰ গীত-পদ

(vii) যোৰহাট অঞ্চলৰ গীত-পদ

(viii) শিৱসাগৰ অঞ্চলৰ গীত-পদ

(ix) নগাওঁ অঞ্চলৰ গীত-পদ

(x) মৰিগাওঁ অঞ্চলৰ গীত-পদ

(xi) গোৱালপৰীয়া গীত-পদ

(xii) ধুবুৰী অঞ্চলৰ গীত-পদ

অসমীয়া মৌখিক সাহিত্যৰ বিষয়বস্তু, অর্থ আদি বিভিন্ন দিশ সামৰি ইয়াক অন্যান্য বহুতো ভাগত ভগাব পাৰি যদিও ইয়াক তলত দিয়া ধৰণে আলোচনা কৰা হৈছে। ইয়ে আমাক অসমীয়া মৌখিক সাহিত্যৰ এক আভাস দিব।

- ধর্মীয় গীত (Religious Songs)ঃ মৌখিক সাহিত্যৰ বা লোক সাহিত্যত ধর্মীয় গীত- পদে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰে। পূজা বা প্রার্থনাৰ সময়ত গোৱা গীতবোৰকে ধর্মীয় গীত বুলি কোৱা হয়। এনে গীতৰ মূল বিষয়বস্তু হ'ল ভগৱানৰ জন্ম, পৃথিৱীত ভগৱানৰ পূজাৰ প্রসাৰ, ধর্মীয় নীতি নিয়ম ইত্যাদি। ধর্মীয় গীতবোৰক আকৌ কেতবোৰ উপভাগত ভাগ কৰিব পাৰি-

(i) বিভিন্ন দেৱ দেৱীৰ লগত জড়িত পূজাঃ এনে গীতবোৰ দূর্গা, মনসা, শিৱ, জগন্নাথ আদি দেৱ দেৱীক লৈ গোৱা হয়।

(ii) আই নাম বা শিতলা দেৱীৰ গীতঃ বসন্ত ৰোগৰ পৰা আৰোগ্য লাভ কৰিবলৈ এনেবোৰ গীত গোৱা হয়। আই সন্তুষ্ট হ'লে বেমাৰ ভাল হয় বুলি জনবিশ্বাস চলি আহিছে।

(iii) অপেশ্বৰী নামঃ অপেশ্বৰী বা পৰীসকলক সন্তুষ্ট কৰিবলৈ মূলত: মহিলাসকলে এনে গীত গায় যাতে অপেশ্বৰীয়ে কাৰো ক্ষতি নকৰে।

(i v) সোণাৰায় পূজাৰ গীতঃ গোৱালপাৰা অঞ্চলৰ গৰখীয়াসকলে সোণাৰায় পূজাত এনে গীত পৰিবেশন কৰে।

(v) কাতি পূজাৰ গীতঃ নিঃ সন্তান মহিলাসকলে সন্তান লাভৰ বাবে কার্তিক দেৱতাক সন্তুষ্ট কৰিবলৈ এনে গীত গায়। মুলতঃ গোৱালপাৰা অঞ্চলত ইয়াৰ প্রচলন দেখা যায়।

(vi) বাঁশ পূজাৰ গীতঃ বাঁশ পূজা দুই প্রকাৰৰ মদন কাম আৰু ভাগৱতী বাঁশ। বাঁশৰ পূজাৰ সময়ত এনে গীত গোৱা হয়।

(vii) তুকুৰীয়া পূজাৰ গীতঃ পাতি ৰাভাসকলে তুকুৰীয়া পূজাৰ সময়ত এনে গীত পৰিৱেশন কৰে।

(viii) বৰমাণী পূজাৰ গীতঃ এই গীতবোৰো পাতি ৰাভাসকলৰ মাজত প্রচলিত।

(i x) দেহ বিচাৰৰ গীতঃ ভকত আৰু সন্ন্যাসীসকলে এনে গীত পৰিবেশন কৰিছিল। গীতবোৰত মূলতঃ মানুহৰ জীৱনৰ বিভিন্ন দিশক প্রতিফলিত কৰা হয়।

(x) জিকিৰ ঃ মুছলমান লোকসকলে প্রধানকৈ জিকিৰ গীত পৰিবেশন কৰে। দেহ বিচাৰৰ গীতবোৰৰ দৰে ইয়াত মানুহৰ জীৱনৰ বিভিন্ন দিশ সামৰি লোৱা হয়। ইয়াৰ উপৰিও 'কাৰবালা'ৰ মর্মন্তুদ ঘটনাৰ বিৱৰণীও ইয়াত পোৱা যায়।

(xi) কামৰূপী লোক গীতঃ মূলতঃ কামৰূপ জিলাৰ বিভিন্ন অঞ্চলত এনেবোৰ গীত গোৱা হৈছিল। গীতবোৰত কৃষ্ণ, শিৱ-পার্বতী আদি বিভিন্ন দেৱতাক আৰাধনা কৰা হয়।

জানি থোৱা ভাল

কাৰবালাৰ ট্ৰেজেদি ঃ ইয়াৰ কাৰবালা যুদ্ধৰ লগত জড়িত (৬৮০ খ্ৰীষ্টাব্দ)। হুছেইন আলি আৰু প্ৰথম ইয়াজিদৰ মাজত এই যুদ্ধ সংঘটিত হৈছিল। ইয়াত হুছেইন আলি আৰু তেওঁৰ ছমহীয়া শিশুসহ সকলো অনুগামীক হত্যা কৰা হৈছিল। চিয়া মুছলমানসকলে এই ঘটনাক হুছেইন আলিৰ মহান ত্যাগ হিচাপে ৰোমন্থন কৰে।

- অসমৰ বিভিন্ন উৎসৱৰ লগত জড়িত গীত-পদ অসমৰ বিভিন্ন প্ৰান্ততঃ বিভিন্ন উৎসৱ পালন কৰা হয়। এনে উৎসৱৰ ভিতৰত অধিক প্ৰচলিতবোৰ হ'ল- বিহু, মহোহো, অম্বুবাচী, সুৱেৰী ইত্যাদি। এনে উৎসৱতো বহুতো গীত গোৱা হয়। অৱশ্যে এনে গীতবোৰক প্ৰধানকৈ দুটা মূল ভাগত ভগাব পাৰি-

(i) বিহুৰ লগত জড়িত গীত আৰু

(ii) সংস্কাৰমূলক বা জীৱনবৃত্তৰ লগত জড়িত গীত।

বিহুৰ লগত জড়িত গীতবোৰ মূলতঃ বহাগ বা ৰঙালী বিহুৰ সময়ত গোৱা হয়। অৱশ্যে কাতি আৰু মাঘ বিহুৰ লগত জড়িত কেতবোৰ গীতো আছে। এনে গীতক বিহু গীত বা হুচৰি গীত বুলি কোৱা হয়। সম্ভৱতঃ বিহু নাম বা বিহুগীতবোৰেই জাতি-ধৰ্ম-ভাষা-বৰ্ণ নিৰ্বিশেষে সকলো লোকৰ মাজত আটাইতকৈ জনপ্ৰিয়। বিহুগীতৰ উৎপত্তিৰ সময় সঠিকভাৱে ক'ব পৰা নাযায়।

বিহুগীতবোৰ বিহুৰ সময়ত গোৱা হৈছিল আৰু সেইবোৰ মুখে মুখে বাগৰি এটা প্ৰজন্মৰ পিছত আন এটা প্ৰজন্মলৈ গৈছিল আৰু পিছলৈ সেইবোৰে লিখিত ৰূপ লাভ কৰে। বিহু গীতবোৰৰ বিষয়বস্তু ভিন্নধৰ্মী যেনে- অসমৰ প্ৰকৃতি, ৰীতি নীতি, পৰম্পৰা, স্থাপত্য ভাস্কৰ্য, আ-অলংকাৰ, খাদ্যাভাস ইত্যাদি। বিহু গীতৰ উপৰিও বিভিন্ন উৎসৱত পৰিৱেশন কৰা বহু গীত অসমত প্ৰচলিত হৈ আহিছে।

- সংস্কাৰমূলক বা জীৱন বৃত্তৰ লগত জড়িত গীত মানুহৰ জীৱনৰ বিভিন্ন পৰ্যায় যেনে অন্নপ্ৰাসন, চুলাকৰণ, উপনয়ন, তোলনি বিয়া, বিয়া আদিৰ লগত জড়িত গীতবোৰকে সংস্কাৰমূলক গীত বুলি ধৰা হয়। ইয়াৰ ভিতৰত বিয়া নাম সৰ্বাধিক প্ৰচলিত। বিয়ানামবোৰত অসমৰ সমাজ জীৱনৰ বিভিন্ন দিশ পৰিস্ফুট হয়। এনে গীতবোৰত প্ৰায়ে কৃষ্ণ-ৰুক্মিণী, বা হৰ-গৌৰীক প্ৰতীক হিচাপে লৈ বাস্তৱ জীৱনক প্ৰতিফলিত কৰা হয়।

জানি থোৱা ভাল

❖ ***অন্নপ্ৰাসন ঃ*** ইয়াৰ আক্ষৰিক অর্থ হ'ল খাদ্য খোৱা'। এই অনুষ্ঠানত এজন শিশুক হিন্দু পৰম্পৰা অনুসৰি মুখত খাদ্য দিয়া হয়।

❖ ***উপনয়নঃ*** হিন্দু পৰম্পৰা অনুসৰি-পবিত্ৰ জ্ঞানৰ হস্তান্তৰৰ বাবে কেতবোৰ নীতি নিয়ম অনুসৰি ইয়াক উদযাপন কৰা হয়।

❖ ***তোলনি বিয়াঃ*** ছোৱালী পুষ্পিতা হোৱা উপলক্ষে পালন কৰা অনুষ্ঠান

❖ ***বিয়া নামঃ*** বিয়াৰ সময়ত গোৱা গীত।

- প্ৰেম প্ৰণয়মূলক গীতঃ(Love songs /love poems) ঃ প্ৰেম -প্ৰণয়, আকৰ্ষণ আদিৰ লগত জড়িত গীতবোৰক প্ৰেম প্ৰণয়মূলক গীত হিচাপে ধৰা যায়। এনে লোক-প্ৰেম প্ৰণয়মূলক গীত বিভিন্ন উৎসৱ পাৰ্বণৰ সময়ত গোৱা হয়। বিহু গীতবোৰৰ বহুতো গীত এনে শ্ৰেণীত পৰে। অৱশ্যে বিহু গীতক উপৰিও অন্যান্য কেতবোৰ প্ৰেম প্ৰণয়মূলক গীত আছে যেনে ভাবাইয়া আৰু চটকা, মুছালী বা মাহুত গীত, লেৰাটা, গৰখীয়া গীত ইত্যাদি।

জানি থোৱা ভাল

- ভাৱাইয়া আৰু চটকা গোৱালাপাৰা অঞ্চলত প্ৰচলিত। হিন্দু মুছলমান উভয় ধৰ্মৰ লোকে এনে গীত গায়।
- মুছালী বা মাহুত গীত গৰখীয়া আৰু হাতীৰ মাউতসকলে গায় যিবোৰত প্ৰেয়সীৰ প্ৰতি প্ৰেম নিবেদনৰ সুৰ লক্ষ্য কৰা যায়
- লেৰাটান গীতবোৰ হাজং সম্প্ৰদায়ৰ লোকৰ মাজত প্ৰচলিত
- শিশুসকলৰ গীত (Children Songs)

বিশ্বৰ সকলো ঠাইতে শিশুৰ লগত জড়িত গীত পোৱা যায়। অসমীয়া ভাষাতো এনে গীত পোৱা যায় যেনে- নিচুকনি গীতঃ শিশুক টোপনি নিয়াবলৈ পিতৃ-মাতৃ, ককা-আইতা আদিয়ে গোৱা গীতবোৰকে নিচুকনি গীত বুলি কোৱা হয়। গীতবোৰৰ ভাষা অতি সহজ সৰল যাতে শিশুৱে সহজতে বুজি পায়। অসন্তুষ্ট শিশুক সন্তুষ্ট কৰিবলৈ বা খাবলৈ ইচ্ছা নকৰা শিশুক খুৱাবৰ বাবে মাক দেউতাক বা পৰিয়ালৰ অন্যলোকে যিবোৰ গীত গায় সেয়াও এক প্ৰকাৰৰ নিচুকনি গীত বুলি ধৰা হয়।

- শ্ৰম গীত

  বিভিন্ন কাৰ্য্য বা শ্ৰমৰ লগত জড়িত গীতবোৰক শ্ৰম গীত বুলি কোৱা হয়। বেছিভাগ লোকে বিভিন্ন প্ৰকাৰে কেতবোৰ কামৰ লগত জড়িত আৰু কামৰ অৱসাদ পাহৰিবলৈ তেওঁলোকে কেতবোৰ গীত গায়। হালুৱৈ গীত, কুঁহিয়া পেৰা গীত, নাওঁ বাওতে গোৱা গীত আদি শ্ৰম গীতৰ কেতবোৰ উদাহৰণ।
- স্বাধীনতাৰ লগত জড়িত গীত

  ভাৰতৰ স্বাধীনতা সংগ্ৰামে সকলো শ্ৰেণীৰ লোককে চুই গৈছিল। ভাৰতৰ অন্যান্য ঠাইৰ দৰে অসমতো স্বাধীনতাৰ বাণী প্ৰচাৰ কৰিবলৈ কেতবোৰ গীত ৰচিত হৈছিল। অসমত মণিৰাম দেৱান, কুশল কোঁৱৰ, মহাত্মা গান্ধীৰ অৱদানক লৈ বহুতো গীত ৰচিত হৈছিল। মণিৰাম দেৱানক ১৮৫৭ চনৰ বিদ্ৰোহৰ সময়ত আৰু কুশল কোঁৱৰক ভাৰত ত্যাগ আন্দোলনৰ সময়ত মৃত্যুদণ্ড দিয়া হৈছিল।
- মালিতা (Ballads)

  বিভিন্ন কিংবদন্তি, বীৰ, ইতিহাস, যাদু আদিৰ বৰ্ণনা কৰা গীতবোৰক মালিতা বোলা কোৱা হয়। অসমীয়া মালিতাত বিভিন্ন দিশ সামৰি লোৱা হয় যেনে- ঢেঁকীৰ জন্ম কথা, ঢোলৰ জন্ম কথা, গান্ধীৰ বৰ্ণনা, ৰঙিয়া, পথৰুঘাট, ফুলগুৰীৰ কৃষক বিদ্ৰোহৰ বৰ্ণনা, বেউলা লক্ষিন্দাৰৰ জীৱন ইত্যাদি।
- মন্ত্ৰ (Charms)

মন্ত্রবোৰো মৌখিক সাহিত্যৰ এক অভিন্ন অংগ। মন্ত্রবোৰ বিভিন্ন ভাগত ভাগ কৰিব পাৰি যেনে- যাদুমূলক মন্ত্র, প্রার্থনা মন্ত্র, ধর্মপ্রধান মন্ত্র ইত্যাদি।

- গদ্যধর্মীলোক কথা (Prose Narratives)

  মৌখিক গীতবোৰৰ দৰে গদ্যধর্মী লোক কথাবোৰো মৌখিক সাহিত্যৰ এক গুৰুত্বপূর্ণ অংগ। আখ্যান, কিংবদন্তি, উপাখ্যান, সাধুকথা আদি গদ্যধর্মী লোককথা। লোক সংগীতৰ দৰে ইয়াতো বিভিন্ন জন্তুৰ জন্ম কথা, চৰাই, ভৌগালিক বৈশিষ্ট্য, দেৱ-দেৱীৰ কার্য্য আদি বিভিন্ন দিশৰ বর্ণনা পোৱা যায়। কিং বদন্তীমূলক বর্ণনাত কেতবোৰ শক্তিশালী ব্যক্তি বিশেষৰ বর্ণনা পোৱা যায়। ঠিক সেইদৰে সাধুকথাবোৰো লোকসাহিত্যৰ গুৰুত্বপূর্ণ অংশ। সাধুকথাবোৰক আকৌ কিছুমান উপভাগত ভাগ কৰিব পাৰি যেনে- জীৱ জন্তুৰ সাধু, অতিপ্রাকৃতিক বর্ণনাৰ সাধু, একক ঘটনাবিশিষ্ট সাধু, ব্যংগাত্মক সাধু ইত্যাদি। অসমত শিয়াল, কাউৰী, বান্ধৰ আদিক লৈ ৰচিত সাধু প্রায়ে পোৱা যায়। বহুতো লোক সাধুকথা ইতিমধ্যে কিতাপৰ ৰূপত প্রকাশিত হৈছে। লক্ষ্মীনাথ বেজবৰুৱা, প্রফুল্লদণ্ড গোস্বামীৰ সংগৃহীত সাধু সংকলন ইয়াৰ উৎকৃষ্ট উদাহৰণ।

- প্রবচন- প্রবাদ (Proverb and Riddles)

  বিশ্বৰ অন্যান্য প্রান্তৰ দৰে অসমতো প্রবচন আৰু প্রবাদ লোক সাহিত্যৰ এক গুৰুত্বপূর্ণ অংশ। বেচিভাগ প্রবচনেই বিভিন্ন কাহিনীৰ লগত জড়িত যিবোৰে এটা নীতি শিক্ষা দিবলৈ যত্ন কৰে। অসমীয়া ডাকৰ বচন এনে প্রবচনৰ উৎকৃষ্ট উদাহৰণ। ঠিক সেইদৰে ফকৰা যোঁজনাবোৰেও একোটা শিক্ষা বা জ্ঞান দিয়ে।

অগ্রগতি নিৰীক্ষণ

তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক।

প্রশ্ন ১ ঃ লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন সাধু কথাপুথিৰ নাম উল্লেখ কৰক।

.....

প্রশ্ন ২ ঃ অসমৰ কোনটো অঞ্চলত সোনাৰায় পূজাৰ গীত জনপ্রিয়?

.....

প্রশ্ন ৩ ঃ বৰমাণী পূজাৰ গীত কোনটো জনগোষ্ঠীৰ মাজত প্রচলিত ?

.....

৩.৫ ভৌতিক সংস্কৃতি

লোক সংস্কৃতিৰ দৃশ্যমান ৰূপটোৱেই হ'ল ভৌতিক সংস্কৃতি। মানুহে ব্যৱহাৰ কৰা সকলো ভৌতিক সামগ্রীয়ে ভৌতিক সংস্কৃতিৰ অন্তর্গত, যেনে- ঘৰ দুৱাৰৰ আচবাব, বিভিন্ন সা-সজুলি, অস্ত্র, বাচন-বর্তন ইত্যাদি। ভৌতিক সংস্কৃতিক মুলতঃ পাঁচ ভাগত ভগাব পাৰি।

- লোক শিল্প
- লোক কলা

- লোক স্থপতিবিদ্যা
- লোক আভৰণ
- লোক ৰন্ধন প্ৰণালী ইত্যাদি

- লোক কলা-লোক শিল্প আৰু লোক স্থপতি

  যুগ যুগ ধৰি অসমে লোক কলা আৰু লোক শিল্পৰ এক চহকী পৰম্পৰা দাঙি ধৰি আহিছে। অসমৰ মূল লোক শিল্পৰ ভিতৰত বাহ-বেতৰ কৰ্ম, কাহ-পিতলৰ শিল্প, পাট মুগাৰ কাপোৰ, পুতলা আৰু মুখা শিল্প, বাচন-বৰ্তন নিৰ্মাণ, কাঠৰ কাম, গহণা গঢ়া কাম, সংগীতৰ সজুলি নিৰ্মাণ ইত্যাদিয়েই প্ৰধান। ইয়াৰ উপৰিও অসমীয়া শিল্প কলাই আন কেতবোৰ দিশো সামৰি লয়, যেনে- নাওঁ সজা, পৰম্পৰাগত বন্দুক আৰু টোপ নিৰ্মাণ, পৰম্পৰাগত ঘৰুৱা সজুলি নিৰ্মাণ, চকি-মেজ সজা ইত্যাদি।

- কাঁহ পিতলৰ শিল্প

  ই অসমৰ এক অন্যতম পুৰণি কুটীৰ শিল্প। কাঁহ-পিতল অসমৰ কলা কুশলীসকলে ব্যৱহাৰ কৰা অতি জনপ্ৰিয় ধাতু। অসমৰ প্ৰায় প্ৰতি ঘৰতে কাঁহ পিতলৰ একোটা হ'লেও সামগ্ৰী পোৱা যায়। শৰাই আৰু বঁটা অসমত বহু যুগ ধৰি প্ৰচলন হৈ আহিছে। ডাঙৰক সন্মানৰ প্ৰতীক হিচাপে এই সামগ্ৰীবিধ উপহাৰ হিচাপে আগবঢ়োৱা হয়।

  অসমৰ কাঁহ পিতলৰ সামগ্ৰী নিৰ্মাণৰ এক উল্লেখযোগ্য স্থান হ'ল হাজো আৰু সৰ্থেবাৰী। পৰিবৰ্তিত সময়ৰ চাহিদা অনুসৰি ইয়াৰ লোকসকলে কাঁহ পিতলৰ বিভিন্ন সামগ্ৰী নিৰ্মাণ কৰি আহিছে। ইয়াৰোপৰি সোণ, ৰূপ আদিৰ গহণাও নিৰ্মাণ অসমৰ পৰম্পৰাগত ধাতু শিল্পৰ ভিতৰত উল্লেখযোগ্য।

- অসমীয়া পুতলা আৰু মুখা শিল্প অসমীয়া মুখা ভাওনা পৰিৱেশনৰ সময়ত পিন্ধা হয়। এই মুখাবোৰে অসমৰ সাংস্কৃতিক জগতত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ঠিক সেইদৰে পুতলাইও কোনো এখন ঠাইৰ সংস্কৃতি আৰু পৰম্পৰাৰ বিষয়ে এক ধাৰণা দিয়ে। ই মানুহৰ জীৱনশৈলীৰ বিষয়ে এক ধাৰণা দাঙি ধৰে।

- বাঁহ-বেতৰ শিল্প

  বাঁহ-বেতে অসমৰ অৰ্থনীতিত এক উল্লেখযোগ্য বৰঙণি আগবঢ়াই আহিছে। ই অসমৰ সমাজ জীৱনৰ এক অভিন্ন অংগ। অসমৰ সকলো ঠাইতে বুজন পৰিমাণৰ বাঁহ-বেত পোৱা যায়। বাঁহ-বেতৰ পৰা নিৰ্মিত বহুতো সামগ্ৰী অসমৰ প্ৰতিঘৰ মানুহত পোৱা যায়। ঘৰুৱা আচবাব, ফাৰ্ণিচাৰৰ পৰা আৰম্ভ কৰি সংগীতৰ বিভিন্ন সা-সজুলি বাঁহ-বেতৰ পৰা নিৰ্মাণ কৰা হয়।

- কাঠ শিল্প

  কাঠেৰে নিৰ্মিত বিভিন্ন সা-সামগ্ৰীৰ উল্লেখ অবিহনে অসমৰ পৰম্পৰাগত শিল্প কলাৰ আলোচনা আধৰুৱা হ'ব। অসমৰ হাবিত বিভিন্ন ধৰণৰ কাঠ পোৱা যায় যিবোৰে অসমৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

  কোৱা হয় যে এজন অসমীয়া ব্যক্তিয়ে আন্ধাৰতো চুই চাই কাঠ এডাল চিনাক্ত কৰিব পাৰে। আহোমৰ ৰাজপ্ৰাসাদ, বৈষ্ণৱ সত্ৰ আদিত কাঠেৰে নিৰ্মিত বিভিন্ন সামগ্ৰী পোৱা যায়। কাঠেৰে বিভিন্ন সা-সামগ্ৰী নিৰ্মাণ কৰা শিল্পীসকলক খনিকৰ বুলি জনা যায়।

- অসমীয়া গহণা

  অসমত কেতবোৰ একক আৰু অনন্য পৰম্পৰাগত গহণা পোৱা যায়। অসমীয়া মহিলাসকলে মূলতঃ সোণ আৰু ৰূপৰ গহণা পৰিধান কৰে। এই গহণাবোৰ মহিলাসকলৰ বৰ আপোন আৰু এইবোৰ বিভিন্ন সাংস্কৃতিক আৰু ধর্মীয় অনুষ্ঠানত তেওঁলোকে পৰিধান কৰে। অসমৰ প্ৰতিটো জনগোষ্ঠী নিজা নিজা পৰম্পৰাগত গহণা আছে।

- লোক আভৰণ

  সাজপাৰ মানৱ জীৱনৰ বাবে এক অন্যতম মৌলিক প্ৰয়োজন। মানুহৰ সাজপাৰ ভৌগোলিক অৱস্থান, ধর্ম , সামাজিক ব্যৱস্থ্য আদিৰ ওপৰত নির্ভৰ কৰে। অসমীয়া সাজপাৰে অসমৰ লোক সংস্কৃতিৰ বিভিন্ন দিশ প্ৰতিফলিত কৰে। অসমীয়া মহিলাসকলে হস্ত-তাত শিল্পৰ ক্ষেত্ৰত আগৰণুৱা আৰু অসমত বিভিন্ন প্ৰকাৰৰ -ৰেচম পোৱা যায় , যেনে - এৰি মুগা ইত্যাদি।

  ৰেচমৰ কাপোৰ উৎপাদনৰ মূল কেন্দ্ৰ হৈছে শুৱালকুছী। অৱশ্যে অসমৰ সকলো ঠাইতে গ্ৰামাঞ্চলত কাপোৰ বোৱাতো মহিলাসকলৰ বাবে দৈনন্দিন কামৰ দৰে। ইয়াৰোপৰি, বিভিন্ন জনগোষ্ঠীৰ লোকে ভিন্ন ভিন্ন প্ৰকাৰৰ কপাহী কাপোৰ বয় যিবোৰত সুন্দৰ ৰঙৰ সৈতে কাম কৰা থাকে।

- লোক ৰন্ধন প্ৰণালী

  আদিতে অসমৰ মানুহে অসমত সহজতে উপলব্ধ বিভিন্ন ফল মূল খাইছিল। অসমৰ পৰম্পৰাগত খাদ্যবোৰ মচলাযুক্ত নহয়। অসমৰ মানুহৰ মূল খাদ্য ভাত আৰু তাৰ লগত থকা বিভিন্ন নিৰামিষ বা আমিষ আঞ্জা, বিভিন্ন শাক-ফলমূলৰ পৰা আৰম্ভ কৰি মাছ- মাংস অসমীয়া মানুহৰ খাদ্যৰ মূল অংশ।

অগ্ৰগতি নিৰীক্ষণ

তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ লিখক।

প্ৰশ্ন ৪ ঃ ধাতু শিল্পৰ বস্তু নির্মাণ কৰা অসমৰ দুখন গাঁৱৰ নাম উল্লেখ কৰক।

.....

প্ৰশ্ন ৫ ঃ কি কাৰণে শুৱালকুছী বিখ্যাত?

.....

প্ৰশ্ন ৬ ঃ অসমৰ মানুহৰ প্ৰধান খাদ্য কি?

.....

৩.৬ লোকাচাৰ

লোক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজতেই সামাজিক লোকাচাৰ গঢ় লৈ উঠে। ই লোক সাহিত্য আৰু ভৌতিক সংস্কৃতিৰ মাজত সংযোগী হিচাপে কাম কৰে। খেতি বাতি, জন্ম, বিবাহ মৃত্যু আদিৰ লগত জড়িত পৰম্পৰা আৰু নীতি নিয়মক লোকাচাৰৰ অন্তর্ভুক্ত কৰিব পাৰি। লোকচাৰে চাৰিটা মূল দিশ সামৰি লয়, যেনে লোক উৎসব,লোক খেল ধেমালী, পৰম্পৰাগত ঔষধ, স্থানীয় লোক ধর্ম।

অসমৰ মূল উৎসৱ হ'ল বিহু। অৱশ্যে অসমৰ প্ৰত্যেক জনগোষ্ঠীয়ে নিজৰ নিজৰ জনজাতীয় উৎসৱ পালন

কৰে। বৰোসকলে বৈশাগু আৰু খেৰাই পূজা, মিচিংসকলে আলি আই লিগাং, আহোমসকলে মে-ডাম-মে-ফি আদি বিভিন্ন উৎসৱ উদ্‌যাপন কৰে। ফাকুৱা, দূর্গা পূজা, লক্ষ্মী পূজা, ঈদ, মহৰম আদি বিভিন্ন উৎসৱ অসমত পালন কৰা হয়।

অসমত কেতবোৰ পৰম্পৰাগত খেল ধেমালীও প্রচলিত হৈ আহিছে, যেনে- কণী যুঁজ,কড়ীখেল, ম'হ যুজ, বুলবুলী চৰাইৰ যুজঁ, কুকুৰা যুঁজ, নাওঁখেল ইত্যাদি। এই খেলবোৰ বিভিন্ন উৎসৱৰ সময়ত খেলা হয়।

অন্যান্য পৰম্পৰাৰ দৰে পৰম্পৰাগত ঔষধৰ পৰম্পৰাও অসমত বিদ্যামান। মানুহে বেমাৰ আজাৰৰ পৰা আৰোগ্য হ'বলৈ এনে ঔষধৰ ওপৰত বিশ্বাস কৰিছিল। অসমৰ হাবিত পোৱা ঔষধী গছবোৰ বহুল ভাৱে ব্যৱহাৰ কৰা হয়। অৱশ্যে বহুতো পৰম্পৰাগত ঔষধী পৰম্পৰা আজি কালি প্রচলিত নহয়।

লোকধর্মৰ লগত জড়িত লোকাচাৰ ধর্মীয় উৎসৱবোৰত দেখা যায়। জন্ম-মৃত্যু, বিবাহ আদিৰ লগত জড়িত লোকচাৰ মূলতঃ ধর্মীয় লোকাচাৰ যিবোৰ স্থান তথা জনগোষ্ঠী ভেদে বেলেগ বেলেগ হয়।

৩.৭ লোক পৰিৱেশ্য কলা

লোক সংস্কৃতিৰ এক অভিন্ন অংগ লোক পৰিৱেশ্য কলা। ইয়াক লোক নাট্য, লোক সংগীত আৰু লোক নৃত্য ইত্যাদি বিভিন্ন ভাগত ভগাব পাৰি। অৱশ্যে এনে প্রতিটো ভাগেই এটা আনটোৰ লগত জড়িত।

অসমৰ লোক সাহিত্যৰ এক অবিচ্ছদ্য অংগ লোক নাট্য। লোক সাহিত্যৰ অন্যান্য ভাগবোৰৰ দৰে, ইয়াৰো সৃষ্টিৰ কোনো নির্দিষ্ট তাৰিখ নাই। ই মৌখিকভাৱে এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ বাগৰি আহিছে। লোক নাট্যৰ লেখক লোক সমাজ আৰু ইয়াৰ পৰিবেশকো লোকসমাজেই। অসমৰ লোক পৰিৱেশ্য কলাৰ কেতবোৰ উদাহৰণ হ'ল- ওজাপালি, ঢুলীয়া ভাওনা, গায়ন বায়ন, পুতলা নাচ, ভাৱৰীয়া ইত্যাদি,

লোক পৰিৱেশ্য কলাৰ আটাইতকৈ পুৰণি ৰূপটো হ'ল ওজাপালি। প্রথম অৱস্থাত কামৰূপ আৰু দৰঙত জনপ্রিয় আছিল আৰু পিছলৈ সমগ্র অসমতে ই সিঁচৰতি হৈ পৰে । ওজাপালিক তিনিটা ভাগত ভগাব পাৰি- (i) সুকনান্নি ওজাপালি (ii) ব্যাস গোৱা ওজাপালি আৰু (iii) ৰামায়ণ গোৱা ওজাপালি। ব্যাস আৰু ৰামায়ণ গোৱা ওজাপালি বৈষ্ণৱ ধর্মৰ লগত জড়িত, আনহাতে সুকনান্নি গোৱা ওজাপালী মনসা পূজাৰ লগত জড়িত।

ওজাপালিৰ দৰে ঢুলীয়া ভাওনা কামৰূপ আৰু দৰঙত বেছি জনপ্রিয় । ইয়াক একোটা দলে উপস্থাপনৰ কৰে আৰু দলটোৰ মূখ্য উদ্দেশ্য হ'ল বিভিন্ন ব্যংগ আৰু হাস্যৰসিক কথাৰে দর্শকক আমোদ যোগোৱা। গায়ন-বায়ন অন্য এক জনপ্রিয় লোক পৰিৱেশ্য কলা। বৈষ্ণব সত্রীয় পৰম্পৰাৰ ই প্রাৰম্ভৰিক অংগ। ইয়াৰ গায়কজনক 'গায়ন' আৰু বাদ্যযন্ত্রীসকলক বায়ন বুলি কোৱা হয়।

ভাৰতৰ অন্যান্য প্রান্তৰ দৰে অসমতো পুতলা নাচ বৰ জনপ্রিয়। পুতলা নাচৰ মাধ্যমত নীতি শিক্ষামূলক কাহিনী, ব্যংগ আদি প্রদর্শন কৰা হয়। এইবোৰ উপৰিও অসমত আৰু অন্যান্য বহুতো লোক পৰিৱেশ্য কলা আছে যিয়ে লোক সংস্কৃতিৰ ভঁৰাল চহকী কৰিছে।

অগ্রগতি নিৰীক্ষণ

তলত দিয়া প্রশ্নসমূহৰ উত্তৰ লিখক।

প্রশ্ন ৭ ঃ চৰাইৰ লগত জড়িত অসমৰ দুটা পৰম্পৰাগত খেলৰ নাম লিখক।

.....

প্রশ্ন ৮ ঃ কোন বিধ ওজাপালি মনসা পূজাৰ লগত জড়িত?

.....

প্রশ্ন ৯ ঃ বড়োসকলৰ দুটা লোক-উৎসৱৰ নাম লিখক।

.....

৩.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ পৰা আমি—

- সাধাৰণতে কোনো এক অঞ্চলৰ লোকে মানি অহা সংস্কৃতিকে লোক-সংস্কৃতি বোলে। লোক সংস্কৃতিত মানুহৰ মানসিক সামাজিক আৰু ভৌতিক পন্থাবোৰক সামৰি লোৱা হয়।
- মৌখিক পৰম্পৰাই আমাক সমাজখনৰ বিষয়ে বুজাত সহায় কৰে। ই কোনো এচোৱা কাল অথবা স্থানৰ ইতিহাস পুনৰ গঠন কৰাৰো এটা গুৰুত্বপূর্ণ উৎস।
- অসমীয়া মৌখিক সাহিত্য বুলিলে আমি ধর্মমূলক গীত, সংস্কাৰমূলক গীত জীৱনৰ বিভিন্ন পর্য্যায়ৰ সৈতে জাড়ি গীত শিশুগীত আদিৰ বিষয়ে বুজো।
- চাৰু-কাৰু শিল্পৰ দ্বাৰা সৃষ্ট বিভিন্ন ঘৰ, ঘৰুৱা কামত ব্যৱহৃত সামগ্রী, আহিলা-পাতি, অস্ত্র-শস্ত্র, বাচন-বর্তন, লোক-সংস্কৃতিৰ চিহ্ন স্পষ্ট ৰূপত দেখা যায়।
- লোক ঐতিহ্য আৰু পৰমপৰাও লোক-সংস্কৃতিৰ অংশ। মূলতঃ চাৰিটা প্রধান দিশ— লোক উৎসৱ, লোকক্রীড়া, লোকদৰৱ, লোকধর্ম লোক সংস্কৃতিৰ পৰিধিত সামৰি লোৱা হয়।

৩.৯ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

- Dash, K.N. (2004). *Invitation to Social and Cultural Anthropology*. New Delhi, India: Atlantic Publishers.
- Datta, Birendranath. (2012). *Cultural Contours of North East India*. New Delhi, India: Oxford University Press.
- Ferraro, Gary and Andreatta, Susan. (2012). *Cultural Anthropology: An Applied Perspective* (10th edition). Stamford, USA: Cengage Learning.

অসমীয়া গ্ৰন্থ

- ভৰালী, শৈলেন; (২০১০); *অসমীয়া লোক নাট্য পৰম্পৰা;* গুৱাহাটী: বাণী প্ৰকাশন
- বৰদলৈ, নিৰ্মলপ্ৰভা; (২০০৪); *অসমৰ লোক সংস্কৃতি;* গুৱাহাটী: বীণা লাইব্ৰেৰী
- গঠন, লীলা; (২০১০); *অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা;* ডিব্ৰুগড়: বনলতা প্ৰকাশন
- গোস্বামী, প্ৰফুল্ল দত্ত; (২০১৪); *অসমীয়া জন সাহিত্য;* গুৱাহাটী: বাণী প্ৰকাশ মন্দিৰ
- শৰ্মা, শৰ্মা, নবীন চন্দ্ৰ; (২০১৩); *লোক সংস্কৃতি;* গুৱাহাটী: চন্দ্ৰ প্ৰকাশন
- শৰ্মা, শশী; (২০১১); *অসমৰ লোক সাহিত্য;* গুৱাহাটী: ষ্টুডেণ্টচ্' ষ্টোৰ্চ

✓৩.১০ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বুঢ়ী আইৰ সাধু, জুনুকা

২ নং প্ৰশ্নৰ উত্তৰ ঃ গোৱালপাৰা

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পাতি ৰাভা

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হাজো আৰু সৰ্থেবাৰী

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পাট কাপোৰৰ উৎপাদনৰ বাবে

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ভাত

৭ নং প্ৰশ্নৰ উত্তৰ ঃ বুলবুলী চৰাইৰ যুঁজ আৰু কুকুৰা যুঁজ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সোক নাৰায়ণী গোৱা ওজাপালী

৯ নং প্ৰশ্নৰ উত্তৰ ঃ বৈশাগু আৰু কেহৰায় উৎসৱ

?৩.১১ আৰ্হি প্ৰশ্ন

বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৫০ টা মান শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ অপেশ্বৰী সবাহৰ মূল উদ্দেশ্য কি?

প্ৰশ্ন ২ ঃ অসমৰ কোনটো অঞ্চলত কাতি পূজাৰ গীত গোৱা হয়?

প্ৰশ্ন ৩ ঃ খনিকৰ বুলিলে কেনে ধৰণৰ ব্যক্তিক বুজায়?

প্ৰশ্ন ৪ ঃ অসমৰ কোনটো গোষ্ঠীয়ে মে-ডাম-মে-ফি পালন কৰে?

প্ৰশ্ন ৫ ঃ অসমৰ কোনটো অঞ্চলত ওজাপালি বেছিকৈ প্ৰচলিত আছিল?

প্ৰশ্ন ৬ ঃ গায়ন কোন?

চমু প্ৰশ্ন ঃ (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ১৫০ টা মান শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ লোক সংস্কৃতি বুলিলে কি বুজে?

প্ৰশ্ন ২ ঃ লোক সংস্কৃতিৰ মূল ভাগবোৰ কি?

প্ৰশ্ন ৩ ঃ বিভিন্ন উৎসৱৰ লগত জড়িত অসমৰ লোক সংগীতৰ ভাগবোৰ কি?

প্ৰশ্ন ৪ ঃ ওজাপালি কেইপ্ৰকাৰৰ আৰু কি কি?

ৰচনাধৰ্মী প্ৰশ্নঃ (প্ৰত্যেকটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা মান শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ বিষয়বস্তুৰ ওপৰত নিৰ্ভৰ কৰি কৰা মৌখিক সাহিত্যৰ ভাগবোৰ আলোচনা কৰক?

প্ৰশ্ন ২ ঃ ভৌতিক সংস্কৃতিৰ বিভিন্ন দিশবোৰ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ অসমৰ লোকাচাৰ আৰু লোক নাট্য পৰম্পৰাৰ বিষয়ে আলোচনা কৰক।

** ****** **

অধ্যায় ৪ ঃ অসমৰ লোক-সাহিত্য ঃ বৃত্তান্তমূলক আৰু অবৃত্তান্তমূলক

অধ্যায় গাঠনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ অসমীয়া লোক-সাহিত্য
৪.৪ বড়ো লোক-সাহিত্য
    ৪.৪.১ ৰাভা লোক-সাহিত্য
    ৪.৪.২ কাৰ্বি লোক-সাহিত্য
    ৪.৪.৩ ডিমাচা লোক-সাহিত্য
    ৪.৪.৩ মিচিং লোক-সাহিত্য
৪.৫ অসমৰ চাহ জনগোষ্ঠীৰ লোকগীত
৪.৬ ৰৰাক উপত্যকাৰ লোকগীত
৪.৭ অধ্যায়টিৰ পৰা কি শিকিলো
৪.৮ অধিক জানিবলৈ
৪.৯ অগ্রগতিৰ খতিয়ান
৪.১০ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই গোটটো অধ্যয়ন কৰাৰ পিছত আপুনি নিম্নোক্ত বিষয়ত সক্ষম হ'ব—

- লোক-সাহিত্যৰ সংজ্ঞা
- অসমৰ লোক-সাহিত্যৰ বিৱৰণ
- অসমৰ জনজাতি বড়ো, ৰাভা, কাৰ্বি, ডিমাচা আৰু মিচিঙৰ লোক-সাহিত্যৰ বিষয়ে জনা
- অসমৰ চাহ জনগোষ্ঠীৰ লোক-গীত সম্পৰ্কে ধাৰণা
- ৰৰাক উপত্যকাৰ লোক-গীত সম্পৰ্কে ধাৰণা

৪.২ পৰিচয়

অতি প্রাচীনকালৰে পৰা মানুহে তেওঁলোকৰ অভিজ্ঞতাবোৰ অতি-কথা, আখ্যান, মহাকাব্য, কাহিনী, সাধুকথা, লোকগীত আদিৰ ৰূপত কথিতভাৰে প্রকাশ কৰি মানৱ জীৱনৰ বিভিন্ন দিশত আলোকপাত কৰিছিল। এই কথিত পৰম্পৰাকে লোক-সাহিত্য বোলা হয়। জনসাধাৰণৰ আবেগ-অনুভূতিবোৰ ধৰি ৰখা এনে লোক-সাহিত্যবোৰ মুখে মুখে এটা প্রজন্মৰ পৰা আনটোলৈ বাগৰি গৈ আছিল। সাধাৰণতে লোক-সাহিত্যৰ লেখকৰ নাম নাথাকে বা নাম উলিয়াব পৰা নাযায় আৰু ইবিলাক যিহেতু লিখিত ৰূপৰ নহয় সেয়ে এটা প্রজন্মৰ পৰা তাৰ পাছৰটোলৈ মুখে মুখে চলি গৈ থাকে। লোক-সাহিত্য হৈছে এখন সমাজৰ দাপোণ

স্বৰূপ য'ৰ পৰা সমাজখনৰ সামাজিক, ধৰ্মীয়, সাংস্কৃতিক আদি দিশ জানিব পাৰি।

ইয়াৰ আগৰ গোটত আমি লোক-সংস্কৃতিৰ বিষয়ে আলোচনা কৰিছিলোঁ। লোক-সাহিত্য হৈছে লোক-সংস্কৃতিৰ এটা অংশ যি কেৱল এখন বিশেষ সমাজকে নহয়, সেই সমাজৰ বিশ্বাস, ৰীতি-নীতি, পৰম্পৰা আদি জনাটো সহায় কৰে। আমি এই গোটত অসমীয়া, লোক-সাহিত্য, বড়ো, ৰাভা, কাৰ্বি, ডিমাচা আৰু মিচিং আদি অসমৰ বিভিন্ন জনজাতিৰ লোক-সাহিত্যৰ বিষয়েও অধ্যয়ন কৰিম। ইয়াৰ লগতে এই গোটে অসমৰ চাহ জনগোষ্ঠীৰ বৰাক উপত্যকাৰ লোক-গীতসমূহো সামৰি ল'ব।

৪.৩ অসমীয়া লোক-সাহিত্য

অসমীয়া সমাজৰ ভালেমান দিশ সামৰি লোৱা অসমৰ লোক-সাহিত্য, লোকগীত, আখ্যান-গীত (বেলাড), অতি-কথা, আখ্যান, সাধুকথা, প্ৰবচন, সাঁথৰ আদিৰে চহকী। ইয়াত থকা বিভিন্ন নৃগোষ্ঠীয় গোটসমূহ আৰু সিবিলাকৰ লোক-সাহিত্যই প্ৰদেশখনৰ লোক-সাহিত্যৰ ধাৰাটো চহকী কৰিছে।

ভাষা আৰু আঞ্চলিকতা, বিষয় আদিৰ ভিত্তিত অসমীয়া লোক-সাহিত্যক কেইবাটাও ভাগত ভগাব পাৰি। পিছৰ যুগত ভালেখিনি অসমীয়া লোক-সাহিত্য উদ্ধাৰ কৰিব পৰা হৈছিল। ইবিলাকৰ পৰা অসমীয়া মানুহে মূল সংস্কৃতিৰ বিষয়ে যথেষ্টখিনি জনাৰ সমল পালে। মানুহৰ দৈনন্দিন জীৱন-যাত্ৰাৰ ভালেমান দিশৰ সৈতে লোক-সাহিত্য সাঙোৰ খাই আছে।

জানি থোৱা ভাল

ভাষা আৰু আঞ্চলিকতাৰ অসমীয়া লোক-সাহিত্যক কেইবাটাও ভাগত ভগাব পাৰি যেনে কামৰূপী (কামৰূপৰ লোক-সাহিত্য), দৰঙী (দলঙৰ লোক-সাহিত্য), শোণিতপুৰী (শোণিতপুৰৰৰ লোক-সাহিত্য), গোৱালপৰীয়া (গোৱালপাৰাৰ লোক-সাহিত) আদি। সেইদৰে বিষয়বস্তুৰ ভিত্তিত খুহুতীয়া, ৰোমাণ্টিক, বুৰঞ্জীমূলক, পৌৰাণিক, ধৰ্মীয়, অৰ্থনৈতিক, পুৰাতনীয়া আদি। গঠন আৰু প্ৰণালীৰ ওপৰত ভিত্তি কৰি অসমীয়া লোক-সাহিত্যক দুটা বহল ভাগত ভগাব পাৰি যেনে পৰম্পৰাগত বৰ্ণনামূলক পদ্য আৰু পৰম্পৰাগত বৰ্ণনামূলক গদ্য। পৰম্পৰাগত বৰ্ণনামূলক পদ্য সাধাৰণতে গোৱা বা আবৃত্তি কৰা হয় আৰু কাহিনী সম্বলিত লোক-গীত, আখ্যান গীত (বেলাড) আদিক ইয়াত অন্তৰ্ভুক্ত কৰিব পাৰি। পৰম্পৰাগত বৰ্ণনামূলক পদ্যসমূহ বৰ্ণনা কৰা হয় আৰু অতিকথা, কাহিনী, সাধুকথা আইদক এই শ্ৰেণীত অন্তৰ্ভুক্ত কৰিব পাৰি। ইয়াৰ উপৰি অসমীয়া লোক-সাহিত্যত প্ৰবচন, সাঁথৰ, স্তুতি আদিও পৰে।

লোক-গীতসমূহে অসমৰ লোক-সাহিত্যত এক উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে। বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি ইয়াক কেইবাটাও ভাগত ভগাব পাৰি। যেনে— ধৰ্মীয় গীত, প্ৰেমৰ গীত, কৰ্মৰ গীত, শিশুৰ গীত, কোনো অনুষ্ঠান আৰু উৎসৱত গোৱা গীত ইত্যাদি। এই গীতবোৰে অসমীয়া সমাজ-জীৱনৰ এখন সুন্দৰ ছবি দাঙি ধৰে।

কোনো ধৰ্মীয় অনুষ্ঠানৰ সময়ত গোৱা গীতবোৰক ধৰ্মীয় গীত বোলা হয়। কোনো দেৱী বা দেৱতাৰ মূল, পৃথিৱীত তেওঁলোকৰ পূজা-উপাসনাৰ আৰম্ভণি আৰু বিকাশ, পূজা-পাতলৰ সৈতে জড়িত ৰীতি-নীতি আদি এনে ধৰ্মীয় গীতসমূহৰ মূল বিষয়।

জানি থোৱা ভাল

অসমত বিভিন্ন ধৰণৰ ধর্মীয় গীত আছে, যেনে আই নাম (বসন্ত নির্মূলৰ বাবে গোৱা হয়, অসমীয়া ভাষাত আই শীতলা), দুর্গা, সৰস্বতী, লক্ষ্মী, কালী, মনসা, জগদ্ধাত্রী, শিৱ, গণেশ আদি পূজাত গোৱা নাম। এইবিলাকৰ উপৰি অসমীয়া লোক-সাহিত্য চহকী কৰা আৰু কিছুমান ভক্তিমূলক আৰু আধ্যাত্মিক গীত আছে; সেইবোৰ হৈছে— দেহবিচাৰৰ গীত, জিকিৰ আৰু জাৰি আদি। দেহবিচাৰৰ গীতবোৰ আধ্যাত্মিক ভাৱব্যঞ্জক। এই গীতবোৰ গুহ্যার্থক। দেহতে যে চৈধ্য ব্রহ্মাণ্ড আছে, ই যে ব্রহ্মাণ্ডৰ এটি ক্ষুদ্র সংস্কৰণ এই কথাই দেহবিচাৰৰ গীতৰ প্রতিপাদ্য বিষয়। অসমৰ মুছলমানসকলৰ মাজত প্রচলিত ভক্তিমূলক গীত হৈছে জিকিৰ আৰু জাৰি। ইবিলাকক দেহবিচাৰৰ গীতৰ ইছলামিক সংস্কৰণ বুলিব পাৰি। নাগাৰা নাম, নাম, পালনাম, থিয়নাম হৈছে অসমৰ কেইবিধমান ভক্তিমূলক গীত।

- লোকগীতৰ আৰু এটা ভাগ হৈছে প্রেমৰ গীতবোৰ, যিবোৰৰ প্রেম, আসক্তি আদি প্রকাশ পায়। ভাবাইয়া-চাতকা (গোৱালপাৰা অঞ্চলত গোৱা প্রেমৰ বাণী কঢ়িওৱা গীত), মুচলি বা মাহুত গীত (মহ-ৰখীয়া বা হাতীৰ মাউতে প্রেমিকাক উদ্দেশ্যি গোৱা গীত), লেৰাটনা গীত (হাজংসকলৰ মাজত প্রচলিত প্রেমৰ গীত) আদিও এই শ্রেণীত পৰে।
- বিভিন্ন কাম কৰোতে গাই কাম লাঘৱ কৰা গীতসমূহক কামৰ গীত বুলিব পাৰি। যেনে— হালুৱৈ গীত, খৰিকটীয়া গীত, মাছমৰীয়া গীত, কুঁহিয়াৰ পেৰা গীত আদি এনে গীতৰ উদাহৰণ।
- শিশুৰ বাবে গোৱা নিচুকণি গীত, ওমলা গীত আদি অসমৰ লোক-সাহিত্যৰ এক উল্লেখযোগ্য দিশ। মিঠা সুৰৰ এই গীতবোৰ শিশুক নিচুকাবলৈ আৰু ওমলাবলৈ গোৱা হয়। এই গীতবোৰৰ ভাষা অতি সহজ আৰু শিশুৱে সহজতে বুজি পোৱা ধৰণৰ। এই গীতবোৰে শিশুমনক কল্পনাৰ জগত এখনলৈ লৈ যায়, ইয়াত যুক্তি কোনো কথা নাখাটে।
- অসমৰ যিহেতু এক সাংস্কৃতিক ঐতিহ্য আছে, সেয়ে ইয়াত বিহু, ফাকুৱা, সুঁৱৰি, মহোহো আদি উৎসৱ পালন কৰা হয়। এই উৎসৱবোৰৰ সময়ত উৎসৱৰ গীত গোৱাটো অসমীয়া সমাজৰ এক এৰাব নোৱাৰা অংশ। অসমৰ জাতি-বর্ণ নির্বিশেষে বিহুৰ সময়ত আটায়ে বিহু গীত বা বিহু নাম, হুঁচৰি আদি গায়। ইয়াৰ উপৰি, অসমীয়া সমাজত কিছুমান ৰীতি-নীতি আৰু আনুষ্ঠানিকতাও পালন কৰা হয়। বিয়া নাম, জেৰা নাম, খিচাগীত (এইবোৰ বিবাহ অনুষ্ঠানত গোৱা হয়) আদি অসমৰ সাধাৰণ আনুষ্ঠানিক গীত।

জানি থোৱা ভাল

অসমৰ ব'হাগ বা ৰঙালী বিহুৰ সময়ত বিহু গীত বা বিহু নাম, হুঁচৰি গোৱা হয়। এই বিহুক বসন্তৰ আদৰণি জনোৱা ঋতু উৎসৱ বুলি গণ কৰা হয় আৰু ইয়াত চ'ত মাহৰ শেষৰ দিনাৰ পৰা ব'হাগ মহৰ ছয় দিনলৈকে পালন কৰা হয়। কিন্তু বাস্তৱ ক্ষেত্রত আজিকালি এই উৎসৱ আৰু দীঘলীয়াকৈ পালন কৰা হয়। বহুত বিহু গীত প্রকৃতি আৰু অসমীয়া সমাজৰ নানান দিশ লৈ জড়িত। হুঁচৰি গীতো এই বিহুত গোৱা হয় আৰু পুৰুষসকলেহে এই গীত পৰিৱেশন কৰে। ভালেমান বিহু গীত প্রেমৰ গীতৰ শাৰীত পৰে।

- অসমীয়া লোকগীতৰ এক উল্লেখযোগ্য ভাগ লৈছে বেলাড বা আখ্যানগীতসমূহ। এইবোৰত একোটা কাহিনী সুৰ ধৰি গোৱা হয় আৰু অতীজতে ইয়াৰ লগত নৃত্যও পৰিৱেশন কৰা হৈছিল। বা আন কথাত এনেকৈও ক'ব পাৰি যে আখ্যান গীতত কিম্বদন্তী, কাহিনী, বুৰঞ্জী আদিৰ সৈতে জড়িত কাহিনী দীঘলীয়া গীতৰ দৰে গোৱা হয়। অসমীয়া ভাষাত বেলাড বা আখ্যানগীতসমূহক মালিতা বুলি বুলিও কোৱা হয়। বিষয়বস্তু অনসুৰি অসমীয়া আখ্যানগীতসমূহ বুৰঞ্জীমূলক, কিম্বদন্তী বা জনশ্রুতিমূলক, কাল্পনিক আদি ভাগত ভগাব পাৰি। বৰফুকনৰ গীত, মণিৰাম দেৱানৰ গীত, গৌৰীনাথ সিংহৰ গীত, হৰদত্ত আৰু বীৰদত্তৰ গীত, জনা-গাভৰুৰ গীত, ফুলকোঁৱৰৰ গীত, কমলা কুঁৱৰীৰ গীত, মণিকোঁৱৰৰ গীত, দুবলা শান্তিৰ গীত, পদ্মকুমাৰীৰ গীত, পগলা-পার্বতীৰ গীত আদি হৈছে কিছুমান বেলাড। এইবিলাকৰ উপৰি ঢেঁকী, ঢোল, ভূমিকম্প আদি কিছুমান বিষয়ৰ অতিকথা লৈও কিছুমান আখ্যানগীত আছে।
- জনশ্রুতি আৰু আখ্যানবোৰো অসমীয়া লোক-সাহিত্যৰ এক উল্লেখযোগ্য অংশ। জনশ্রুতিসমূহে কোনো পাৰম্পৰিক আৰু প্রাকৃতিক ঘটনা প্রতীকাত্মকৰূপে দাঙি ধৰে। জনশ্রুতিবোৰত পৃথিৱীৰ বা মানৱ জাতিৰ আৰম্ভৰ বিষয়ে আখ্যান থাকে। ই কোনো ৰহস্য, অতিভৌতিক ঘটনা আৰু সাংস্কৃতিক পৰম্পৰাৰ ব্যাখ্যা দিয়ে। কেতিয়াবা প্রকৃতিৰ প্রতি হোৱা ভয়, দেৱী-দেৱতা বা আন সৃষ্টিৰ কথাও জনশ্রুতিবোৰত পোৱা যায়। আখ্যানবোৰত প্রকৃত আৰু আখ্যানেই কিছুমান দৈৱিক আৰু অলৌকিক কাহিনীৰ ওপৰত প্রতিষ্ঠিত আৰু মানুহে সেইবোৰ সত্য বুলি বিশ্বাস কৰে। এইবোৰ ধর্মীয় বিশ্বাস, প্রাকৃতিক আৰু সাংস্কৃতিক বাতাৰৰণ, যেনে- পাহাৰ, উপত্যকা, হাবি, জলাহভূমি, হ্রদ, নদী, পথাৰ, শিল, পুৰণি গছ, মৰিশালি, গীর্জা আদি আন আন বিষয় লৈ জড়িত।
- সাধুকথাবোৰ অসমীয়া লোক-সাহিত্যৰ এক এৰাব নোৱৰা অংগ। সাধাৰণতে বয়স্ক পুৰুষ বা মহিলাই সৰু ল'ৰা-ছোৱালীক কোৱা এই সাধুকথাবোৰ প্রায়ে কোনো বীৰ পুৰুষৰ কাহিনী, অতি প্রাকৃতিক বিষয়, জন্তু আদিৰ সৈতে জড়িত হৈ থাকে। সাধুকথাবোৰ সাধাৰণতে সহজবোধ্য, উপভোগ্য আৰু মনত থকা হয়। অসমীয়া ভাষাৰ সাধুকথাবোৰ কেইবাটাও ভাগত ভগাব পাৰি, যেনে জীৱ-জন্তুৰ সাধু, অতিপ্রাকৃত সাধু আদি। বেছিভাগ অসমীয়া সাধুকথাই ঠগ বা জীৱ-জন্তু সম্বন্ধীয়। ঠগৰ সাধুবোৰত হয় এটা টেটোন বা এটা শিয়াল থাকে। বনদেৱতা, চম্পাৱতী, পানেশৈ, তেজীমলা, তুলা আৰু তেজা, টেটোন তামুলী, তিখৰ আদি হৈছে অসমৰ কেইটামান জনপ্রিয় সাধুকথা।
- প্রৱচনবোৰ অসমীয়া লোক-সাহিত্যৰ এক উল্লেখযোগ্য অংশ। সাংসাৰিক অভিজ্ঞতালব্ধ জ্ঞানমূলক নীতি, বিভিন্ন সময়ত প্রচলিত জীৱনচর্য আৰু আদর্শবাদ আদি ইবিলাকত পোৱা যায়। অসমীয়া ভাষাত এনে প্রৱচনবোৰক ফকৰা-যোজনা বোলা হয়। অসমীয়া লোক-সাহিত্য এনে প্রৱচনেৰে চহকী আৰু ডাকৰ বচন হৈছে অসমীয়া প্রৱচনৰ এক উল্লেখযোগ্য উদাহৰণ।
- সাঁথৰবোৰে প্রশ্ন, গঠন আৰু বিষয়বস্তুৰ ওপৰত গুৰুত্ব দিয়ে। মানুহৰ উপস্থিত বুদ্ধি আৰু বুদ্ধিমত্তা জুখিবৰ বাবে সাঁথৰবোৰ কৌশলেৰে সজা হয়।
- স্তুতিবোৰে অসমীয়া লোক-সাহিত্যত এক বিশেষ ভূমিকা লৈ আহিছে। ই হৈছে এজন বা একাধিক দেৱতাৰ প্রশংসামূলক গীত। অসমীয়া সমাজৰ কোনো বিশেষ উৎসৱ, ধর্মীয় অনুষ্ঠান বা পূজা-পাতল আদিত সাধাৰণতে এনে স্তুতিবোৰ গোৱা পয়।

৪.৪ বড়ো লোক-সাহিত্য

লোক-গীত, আখ্যান গীত, কাহিনী, সাধুকথা, প্ৰৱচন, সাঁথৰ, স্তুতি আদি মৌখিক পৰম্পৰাৰে বড়োসকলৰ লোক-সাহিত্য চহকী।

- লোকগীত ঃ বড়ো লোক-সাহিত্যৰ লোকগীতসমূহে এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে। বেছিভাগ গীতেই বড়োসকলৰ দৈনন্দিন জীৱনৰ সৈতে জড়িত। এই গীতবোৰে তেওঁলোকৰ সামাজিক-সাংস্কৃতিক আৰু অর্থনৈতিক জীৱন প্ৰতিফলিত কৰে। বিষয়বস্তুৰ ভিত্তিত বড়ো লোকগীতবোৰক কেইবাটাও ভাগত ভগাব পাৰি। যেনে- হাবা মেতাই (বিয়া গীত), বৈচাগু মেতাই (বৈচাগু উৎসৱৰ সময়ত গোৱা গীত), গোটো বুৰকাইনাই মেতাই (নিচুকণি গীত), কামানি মাওনৈও কন্নাই মেতাই (কামৰ সময়ত গোৱা গীত), অবদ মাওনৈও (খেতি-বাতিৰ সৈতে জড়িত গীত), হাদান চিপৈনাই (হাবি পৰিষ্কাৰ কৰাৰ সময়ত গোৱা গীত), দংপং দান্নাই (খৰিকটীয়াই গোৱা গীত), না গুমাই (মাছমৰীয়াই গোৱা গীত) আদি।

জানি থোৱা ভাল

অসমীয়াৰ বসন্ত উৎসৱ বিহুৰ দৰে বৈশাগু হৈছে বড়োসকলৰ অতি জনপ্ৰিয় উৎসৱ। বৈশাগু গীতবোৰত বড়ো সমাজৰ নানান দিশত আলোকপাত কৰা হয়। কিছুমানৰ বৈশাগু গীতক প্ৰেমৰ গীত হিচাপেও চিহ্নিত কৰিব পাৰি।

- আখ্যান গীতবোৰ বড়ো লোক-সাহিত্যৰ এৰাব নোৱৰা অংশ। আদা বেছিৰাম, দাওহাৰাম, জাওহাওলাও, দৈমালু, চেওবৰ, চৌমদাওন, তুলাৰাম সেনাপতি, জাওলিয়া দেৱান, বেছিৰাম, বিৰগশ্ৰৰি চিখলা আদিয়ে বড়ো জাতিৰ সাহসিকতাৰ পৰিচয় দাঙি ধৰে।
- বড়ো লোক-সাহিত্যত, ঘাইকৈ ধর্ম, সংস্কৃতি, সংগীত, সাহিত্য আদিৰে সৈতে জড়িত ভালেমান অতিকথা আছে। বেছিভাগ বড়ো অতিকথাই বিশ্বৰ সৃষ্টি, দেৱ-দেৱী, মানৱ, ভূত-প্ৰেত, প্ৰাকৃতিক বিষয়, চৰাই, জন্তু আদিক কেন্দ্ৰ কৰি সৃষ্টি হোৱা। খেৰাই পূজাৰ সৈতে জড়িত অতিকথাবোৰ বড়োসকলৰ মাজত অতি জনপ্ৰিয়।
- কাহিনীবোৰে লোক-সাহিত্যৰ অধিকাংশ ঠাই অধিকাৰ কৰি আছে। আদা বেছিৰাম আৰু তেওঁৰ সেনাপতি দাওহাৰাম, চেওবৰ, চৌমদাওন, তুলাৰাম সেনাপতি, দৈমালু, গম্ভৰি চিখলা, বিৰগশ্ৰৰি চিখলা আদিৰ দৰে কাহিনীবোৰত বড়ো কাহিনীবোৰত বড়ো বীৰ, বীৰাংগণাসকলে জাতিৰ বাবে আগবঢ়োৱা সাহসিকতাৰ কথা জানিব পাৰি।
- সাথুকথা হৈছে বড়ো লোক-সাহিত্যৰ আন এটা ঠাল। পৃথিৱী, আকাশ আদি জন্ম কাহিনী, হা ফিচা হোৱা চৰাইৰ জন্ম কাহিনী, কাঠিয়া পটুলা আৰু চন্দ্ৰমলী, লখিশ্ৰী, জাওলিয়া দবদানৰ কাহিনী, বিৰগশ্ৰৰি চিখলা আদিৰ কাহিনীবোৰ বড়ো সমাজত বৰ জনপ্ৰিয়। সাধুকথাবোৰে বড়ো সমাজৰ ভালেমান দিশৰ বিষয়ে অৱগত কৰে।
- বড়ো ভাষাত প্ৰৱচনবোৰক বাথ্ৰা-ফাও বোলে। সময়, মহাকাশ আৰু পৰিস্থিতি সম্পৰ্কীয় বহুতো প্ৰৱচন বড়োসকলৰ মাজত চলি আছে। সেইবোৰৰ ব্যৱহাৰৰ ভিত্তিত বড়ো ভাষাৰ প্ৰৱচনবোৰক ইতিবাচক,

নেতিবাচক, নাৰীকেন্দ্রিক, কৃষিকেন্দ্রিক, নীতি শিক্ষাৰ সৈতে জড়িত আদি ভালেমান ভাগত ভগাব পাৰি।

- আন জনজাতিৰ দৰে বড়োসকলৰ মাজত প্রচলিত সাঁথৰবোৰেও বড়ো লোক-সাহিত্যৰ যথেষ্ট ঠাই দখল কৰি আছে। প্রশ্নৰ মাজতে বুদ্ধিমত্তা লুকাই থকা বড়ো সাঁথৰবোৰক বর্ণনাত্মক, জ্ঞান প্রকাশক, প্রাকৃতিক, সুৰীয়া, গাণিতীক, পোক-পতংগ আৰু সৰীসৃপৰ সাঁথৰ, বাজনাৰ সাঁথৰ আদি নানা ভাগত ভগাব পাৰি।
- বড়ো আৰজ মেতাই (স্তুতি)বোৰ বিশেষ উৎসৱ, ৰীতি-নীতি, ধর্মীয় অনুষ্ঠান আৰু পূজা-পাতলৰ সৈতে জড়িত। বাথৌ হৈছে বড়ো সমাজৰ মূল ধর্ম। সকলো দুখ-কষ্টৰ পৰা পৰিত্রাণ পাবৰ বাবে বড়োসকলে বিভিন্ন প্রার্থনা বাথৌ পূজা কৰে।

৪.৪.১ ৰাভা লোক-সাহিত্য

অসমৰ আন আন জনজাতিবোৰৰ দৰে ৰাভাসকলৰো নিজা সুকীয়া লোকগীত, আখ্যান গীত, অতিকথা, কাহিনী, সাধুকথা, প্রৱচন, সাঁথৰ, স্তুতি আদিৰে লোক-সাহিত্যৰ ভঁৰাল চহকী হৈ আছে। এইবোৰ মৌখিক পৰম্পৰাৰে ইবোৰ এটা প্রজন্মৰ পৰা আনটোলৈ বাগৰি গৈ থাকে।

- ৰাভা লোকগীতবোৰৰ বিষয়বস্তু পূজা-পাতল, মেলা, উৎসৱ, প্রেম, আনন্দ, কৃষি, কর্ম আদি। এই লোকগীতবোৰে ৰাভা সমাজৰ সামাজিক, ধর্মীয়, অর্থনৈতিক, সাংস্কৃতিক আইদ দিশৰ পৰিচয় দাঙি ধৰে। হুয়মাৰু গীত, বায়খু দেৱীৰ গীত, ছাথাৰ গীত, টুকুৰীয়া গীত আদি ৰাভা ধর্মীয় উৎসৱৰ সৈতে, তেকামনি চাইবোৰ বিবাহ উৎসৱৰ সৈতে, ফৰকান্তি মৃত্যু উৎসৱৰ সৈতে, বগেজাৰি নানান উৎসৱত, বায়ুখু ত্রকে গীত প্রেমৰ সৈতে, হমজদাৰ তানকাই কৃষিৰ সৈতে জড়িত। ইয়াৰ উপৰিও ৰাভা লোকগীতবোৰ কিছুমান কামৰ গীত যেনে- না-বোকায় গীত (মাছধৰা সম্পর্কীয়), মাৰাংমাটাং গীত (চিকাৰ সম্পর্কীয়) আদি আছে যিবোৰে ৰাভা সমাজৰ অর্থনৈতিক দিশটো দাঙি ধৰে।
- কাহিনী-গীতবোৰ ৰাভা লোক-সাহিত্যৰ এৰাব নোৱৰা অংগ। দদন-দৈমুখী, কুম্বাইচুং, মৰুক্ষেত্রী-কুৰুক্ষেত্রী, নালুৱা-চুলুৱা, যোগেন বাস্থ', তনচেন দৰাই আদিত ৰাভা জনজাতিৰ বুৰঞ্জীৰ যথেষ্ট কথা জনা যায়।
- কাহিনীবোৰে ৰাভা লোক-সাহিত্যৰ অধিকাংশ ঠাই অধিকাৰ কৰি আছে। দদান-মাৰুখেত্রী, হাচং তেকাই খির্চা, দদন-দৈমুখী, তৰে-তর্চে, ননীদেন-ফণিদেন, শিশু-গিনাই, পাংবাং বাই, ৰণ্টুক জাকুৰাদেও, মৈৰাবাই, জাগালাং, মেমাং, খিচাম্বাই আদিয়ে ৰাভা সমাজৰ বিশ্বাস, ৰীতি-নীতি আদিৰ বিষয়ে ভালেখিনি তথ্য দিয়ে।
- ৰাভা লোক-সাহিত্য **সাধুকথাত** চহকী। ৰাভা সাধুকথাবোৰ বৰ দীঘল। ইয়াৰ ভিতৰত চাটি দুইমুক্ষী, কুম্বাইচুং, জেগলেন মেমান, নলুৱা-চলুৱা, গান্ধীতশ্রী, থপে নেৎচে, মাইৰা-মাইৰী, ৰোন্দান-সোন্দান আদি সাধুকথাবোৰৰ কথা উল্লেখ কৰিব পাৰি। ৰাভা সাধুকথাৰ বিষয়বস্তুবোৰত জাতিটোৰ সামাজিক-সাংস্কৃতিক দিশৰ লগতে ইয়াৰ সুকীয়া বৈশিষ্ট্যৰ কথা জানিব পাৰি।

- ৰাভা ভাষাত প্ৰৱচনবোৰৰক 'চুলুক' বোলা হয়। বিষয়বস্তু আৰু পৰিৱেশনৰ ৰীতিৰ ওপৰত নিৰ্ভৰ কৰি প্ৰৱচনবোৰক সামাজিক, কৃষিজ, নৈতিক, ধৰ্মীয় আদি ভাগত ভগাব পাৰি। এই 'চুলুক' বা প্ৰৱচনবোৰৰ জৰিয়তে অভিজ্ঞ আৰু বয়স্ক লোকসকলে সমাজৰ অনভিজ্ঞ আৰু কম বয়সীয়া লোকসকলক উপদেশ দিয়ে।
- আন আন জনজাতিৰ দৰে ৰাভাসকলৰ মাজতো সাঁথৰৰ প্ৰচলন আছে। বৰ্ণনাত্মক, প্ৰাকৃতিক, সুৰীয়া, গাণিতিক আদি ভাগত ভাগ কৰিব পৰা সাঁথৰবোৰে প্ৰশ্নৰ যোগেদি জ্ঞান বৃদ্ধি কৰে।
- লোক-সাহিত্যৰ ভিতৰত স্তুতি বা মন্ত্ৰসমূহো অন্তৰ্ভুক্ত কৰিব পাৰি। বিশেষ উৎসৱ, ৰীতি-নীতি, ধৰ্মীয় অনুষ্ঠান আৰু পূজা-পাতলৰ সৈতে ৰাভাসকলৰ বিভিন্ন স্তুতি সংলগ্ন হৈ আছে।

৪.৪.২ কাৰ্বি লোক-সাহিত্য

লোকগীত, আখ্যান গীত, অতি কথা, কাহিনী, সাধুকথা, প্ৰৱচন, সাঁথৰ, স্তুতি আদিৰে কাৰ্বি লোক-সাহিত্যৰ ভঁৰাল চহকী। কাৰ্বি লোক-সাহিত্য ইয়াৰ জন-জীৱনৰ সৈতে গভীৰভাৱে জড়িত আৰু ইবিলাকে কাৰ্বি সমাজ-জীৱনৰ যথেষ্ট তথ্যৰ যোগন ধৰে। প্ৰকৃতি, ইয়াৰ পৰিৱেশ, ঝুম খেতি, নদী, গছ লতা আদি হৈছে কাৰ্বি লোক-সাহিত্যৰ ভেঁটি।

- লোকগীতবোৰ হৈছে কাৰ্বি লোক-সাহিত্যৰ আটাইতকৈ উল্লেখযোগ্য শাখা। কাৰ্বি সমজৰ জন্ম, শুধীকৰণ, মৃত্যু, বিবাহ, কৰ্ম, খেলা, বাৰ্ধক্য, উপাসনা আদি বিভিন্ন উপলক্ষত গোৱা অনেক লোক গীত আছে। কাৰ্বিসকলে লোক গীতক 'অলুন' বোলে। বিষয়বস্তুৰ সৈতে সংগতি ৰাখি কাৰ্বি লোক গীতবোৰক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। যেনে, সৃষ্টিৰ গীত (কেপলাং বা কেপলাংক), শোকৰ গীত (কেচাহৰে অলুন), বিয়াৰ গীত (থেলু অলুন বা আদাম আচাৰঅলুন), সমাজ গঠন আৰু প্ৰশাসনৰ গীত, ভোজ আৰু উৎসৱৰ গীত, ঋতু আৰু কৃষিৰ গীত, ৰীতি-নীতিৰ গীত, শিশুৰ সৈতে জড়িত গীত (আচ্ছু কেবাই অলুন অচ' কেবাই অলুন), প্ৰেমৰ গীত (লামফাৰো অলুন), প্ৰকৃতিৰ গীত, বয়স্কৰ গীত (চাৰ অলুন), কৰ্মৰ গীত আদি। হচ্চা অলুন, দোমাহী কিকান অলুন, কুৰ্মী অলুন, আন-কিমি-কিচ অলুন, চাৰ কেবাত অলুন, ৰেতকিনং অলুন আদি কাৰ্বি লোক গীতবোৰ তেওঁলোকৰ বিভিন্ন উৎসৱ-পাৰ্বণ, পূজা-পাতল আৰু কৰ্ম-সংস্কৃতিৰ সৈতে সংযুক্ত হৈ আছে। দুখন কাৰ্বি লোক মহাকাব্য চাবিন অলুন (মৌখিক কাৰ্বি ৰামায়ণ) আৰু হা-ই-মু কাৰ্বি লোক-সাহিত্যৰ সমলেৰে সমৃদ্ধ।

জানি থোৱা ভাল

- হেচ্চা কেকান হৈছে কাৰ্বি সমাজৰ শস্য চপোৱা উৎসৱ আৰু ইয়াৰ সৈতে জড়িত লোকগীতবোৰক হচ্চা অলুন বোলা হয়।
- দোমাহী হৈছে ভৈয়ামৰ কাৰ্বিসকলৰ বসন্ত উৎসৱ আৰু ইয়াৰে সৈতে জড়িত লোকগীতবোৰক দোমাহী কিকান অলুন বোলা হয়।
- বৰুণ দেৱতাৰ পূজা উপলক্ষে কাৰ্বিসকলে কুৰ্মি উৎসৱ পালন কৰে। এই উৎসৱত গোৱা

গীতবোৰক কুৰ্মি অলুন বোলা হয়।

- ভৈয়ামৰ কাৰ্বিসকলে আঘোণ মাহত ন-খোৱা উৎসৱ পালন কৰে। এই উৎসৱৰ সৈতে জড়িত লোকগীতবোৰক অন-কিমি-কিচ অলুন বোলা হয়।
- কাৰ্বি গাঁৱত গাঁৱৰ মুখিয়ালজনৰ অভিষেক অনুষ্ঠানক চাৰ কেবাত বোলা হয়। এই অনুষ্ঠানত গোৱা গীতবোৰক কোৱা হয় চাৰ কেবাত অলুন।
- ঝুম খেতি কাৰ্বিসকলৰ অন্যতম কৃষিকৰ্ম। কাৰ্বিসকলে এই খেতিক ৰেটকিন্নং বোলে আৰু এই খেতিৰ সৈতে জড়িত লোকগীতবোৰক ৰেটকিন্নং অলুন বোলা হয়।

● কাৰ্বি লোক-সাহিত্যৰ অন্যতম সমল হৈছে বেলাড বা কাহিনী গীত। এই কাহিনী গীতবোৰে কাৰ্বি সমাজৰ ভালেমান দিশ উন্মোচিত কৰে। বিষয়বস্তুৰ ভিত্তিত কাৰ্বি কাহিনী গীতবোৰক কেইবাটাও ভাগত ভাগ কৰিব পাৰি। যেনে, পৌৰাণিক, বুৰঞ্জীমূলক, প্ৰেমৰ কাহিনী গীত আদি। হাই-১, ৰমিৰ, হেম্ফু কেপলাং, কাৰ্বি কেপলাং, লুনচে কেপলাং, চক কেপলাং, থাপ কেপলাং, বং কেপলাং, ফেল' কেপলা, বিৰিক কেপলাং, নক কেপলাং, ল' কেপলাং, নিহু কেপলাং, ইংতি কেপলাং, ৰং কেকিম অলুন, হেনৰি অলুন, লাৰটা অলুন, কেচিং অলুন, চাংলিন অলুন, চেৰদিহ্ন অলুন, দিদি অলুন আদি কাৰ্বিসকলৰ মাজত জনপ্ৰিয় কাহিনী গীত।

● কিছুমান অতিকথা আৰু আখ্যানো কাৰ্বি লোক-সাহিত্যৰ অন্তৰ্গত পৰে। পৃথিৱীৰ সৃষ্টি, কাৰ্বিসকলৰ মূল, প্ৰকৃতিৰ বিভিন্ন অৱদান সম্পৰ্কে কাৰ্বিসকলৰ মাজত অনেক অতিকথাৰ প্ৰচলন আছে। ৰাংচিনা চাৰ্পো, থিৰেং ৰাৰেং আদি কাৰ্বি অতিকথাবোৰ তেওঁলোকৰ মাজত অতি জনপ্ৰিয়। কাৰ্বিসকলৰ মাজত থং-নকবে, ৰংফেৰ্পি ৰংবে, লাৰ্টা, দিদি আৰু দিচুমাই, চত ৰেচু, ৰুকাচেন, হাৰমন আদিৰ আখ্যান পোৱা যায়।

● সাধুকথা হৈছে কাৰ্বি লোক-সাহিত্যৰ অন্যতম বিষয়। প্ৰকৃতিৰ বিভিন্ন উপাদান, ৰাক্ষস, প্ৰেম, জন্তু, চৰাই আদি কাৰ্বি সাধুকথাৰ মূল বিষয়বস্তু। কাৰ্বিসকলৰ মাজত তেওঁলোকৰ পৃথিৱীৰ, ধানৰ, আদাৰ, জলকীয়াৰ বা এনে কিছুমান বস্তুৰ মূল সম্পৰ্কে অনেক সাধুকথাৰ (কেপলাং) প্ৰচলন আছে। পিৰতে কেপলাং (পৃথিৱীৰ জন্ম কাহিনী), কাৰ্বি কেপলাং (কাৰ্বিসকলৰ জন্ম কাহিনী), হেমফু কেপলাং (হেমফু দেৱতাৰ জন্ম কাহিনী), কুৰ কেপলাং (কাৰ্বি ঠালৰ জন্ম কাহিনী), লেখি কেপলাং (ধানৰ জন্ম কাহিনী), বিৰিক কেপলাং (জলকীয়াৰ জন্ম কাহিনী), হানচু কেপলাং (আদাৰ জন্ম কাহিনী) আদিৰ দৰে জন্ম কাহিনীবোৰ কাৰ্বিসকলৰ মাজত অতি জনপ্ৰিয়। এই সাধুকথাবোৰে কাৰ্বি জনজীৱন, তেওঁলোকৰ বিশ্বাস, ৰীতি-নীতি আদিৰ বিষয়ে ভালেমান তথ্যৰ সন্ধান দিয়ে।

● দৈনন্দিন জীৱনৰ বিভিন্ন বস্তু আৰু অৰ্থৰ সৈতে জড়িত অলেখ প্ৰৱচন কাৰ্বিসকলৰ মাজত প্ৰচলিত হৈ আছে। এইবোৰে তেওঁলোকৰ নৈতিক বিচাৰ, সামাজিক বিশ্বাস, ব্যক্তিৰ স্বভাৱ, সমাজত নাৰীৰ স্থান, প্ৰকৃতিৰ সৈতে কাৰ্বিসকলৰ আন্তঃগাঁথনি আদি ভালেমান দিশ প্ৰতিফলিত কৰে।

● সাঁথৰবোৰে কাৰ্বি লোক-সাহিত্যৰ এক সুকীয়া স্থান দখল কৰি আছে। প্ৰশ্নোত্তৰ ভিত্তিত থকা এই সাঁথৰবোৰক জ্ঞানৰ সাঁথৰ, সাঁথৰৰ সাঁথৰ আদি নানান ভাগত ভগাব পাৰি।

● দেৱতাৰ সন্তুষ্টিৰ বাবে কাৰ্বিসমাজত অনেক স্তুতিৰ প্ৰচলন আছে। তদুপৰি, বিভিন্ন উৎসৱ-পাৰ্বণ, পূজা-পাতল আদিৰ সৈতেও কাৰ্বি স্তুতি গোৱাৰ পৰম্পৰা আছে। চমাংকনৰ সময়ত দীঘলীয়া পদ্যৰ মচেৰা কিহিৰ আবৃত্তি কৰা হয়।

৪.৪.৩ ডিমাচা লোক-সাহিত্য

অতি ৰংচঙীয়া আৰু বিভিন্নতাৰে ভৰা ডিমাচা লোক-সাহিত্যই সেই সমাজখনৰ আৰ্থ-সামাজিক, ধৰ্মীয় আৰু আন আন দিশ উমেনমাচিত কৰে।

- লোকগীত ঃ ডিমাচা লোক-সাহিত্যৰ লোক-গীতসমূহে এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে। অসমীয়া সমাজৰ বিহু গীতৰ দৰেই ডিমাচাসকলৰ বুচু গীতবোৰ সমাজৰ এক এৰাব নোৱৰা অংগ। বুচু হৈছে তেওঁলোকৰ শস্য চপোৱা উৎসৱৰ গীত। পথাৰৰ কাম শেষ হোৱাৰ পিছত জাতি-ধৰ্ম, বয়স নিৰ্বিশেষে ডিমাচাসকলে আজৰি সময়ত এই উৎসৱ পালন কৰে।
- বুচু গীতবোৰে ডিমাচাসকলৰ সমাজৰ সামাজিক-সাংস্কৃতিক আৰু অৰ্থনৈতিক জীৱন প্ৰতিফলিত কৰে। এই বুচু গীতবোৰৰ উপৰি মজংদিনি (প্ৰেমৰ গীত), গৰচিমা (এজন লোকৰ মৃত্যুত গোৱা বেজাৰৰ গীত), বাদাথিজাওবানি (ককায়েক বা ভায়েকৰ মৃত্যুত বায়েক বা ভনীয়েকে গোৱা বেজাৰৰগীত), বিয়াৰ গীত, জিনিজা ৰাজি (ডিমাচা জাতিৰ পূৰ্বৰ গৌৰৱ সুঁৱৰি গোৱা গীত), নিচুকণি গীত আদি অনেক লোকগীত ডিমাচাসকলৰ মাজত প্ৰচলিত হৈ আছে।
- বেলাড বা কাহিনী গীতবোৰ ডিমাচা লোক-সাহিত্যৰ এৰাব নোৱৰা অংগ। দিশ্ৰু, মাইবংমা-হা-গৰ-বানি, জিনিবা ৰাজি, স্লেমদুৰি, অমালু, দিমালু, জাহায়া, হাৰিফা, পেৰোবালা আৰু গাংগেলা, খালাচিং আৰু চক্ৰদৈংদাই আদিৰ **কাহিনী-গীত**বোৰ অতি বিখ্যাত আৰু অনন্য। ডিমাচা সমাজৰ সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক দিশবোৰৰ বিষয়ে জানিবলৈ এই **কাহিনী-গীত**বোৰে সহায় কৰে।
- ডিমাচা লোক-সাহিত্য **সাধুকথাই এক উল্লেখযোগ্য স্থান অধিকাৰ কৰি আছে। এই সাধুকথাবোৰত থকা নায়কৰ কাহিনী, জীৱ-জন্তু, চৰাই-চিৰিকতি, অতিপ্ৰাকৃতি উপাদান আদি** ডিমাচা লোকসকলৰ মাজত অতি জনপ্ৰিয়।
- ডিমাচা লোক-সাহিত্য প্ৰৱচনত চহকী। প্ৰৱচনক বুজাবলৈ ডিমাচাসকলে গ্ৰৌগ্ৰা শব্দটো ব্যৱহাৰ কৰে। জাতিটোৰ বিশ্বাস, নীতি, পৰম্পৰা আদিৰ গূঢ়ৰ্থৰ সৈতে এনে যথেষ্ট সংখ্যক প্ৰৱচন আছে।

এইবোৰৰ উপৰি ডিমাচা লোক-সাহিত্যক চহকী কৰা কিছুমান পৌৰাণিক কাহিনী, অতিকথা আদিও আছে।

৪.৪.৪ মিচিং লোক-সাহিত্য

লোকগীত, সাধুকথা, প্ৰৱচন আৰু সাঁথৰবোৰ মিচিং লোক-সাহিত্যৰ অতি উল্লেখযোগ্য শাখা, মিচিং লোক-সাহিত্যই মিচিং জাতিটোৰ সাংস্কৃতিক দিশটো অতি সুন্দৰভাৱে প্ৰতিফলিত কৰে।

- লোকগীতবোৰ হৈছে মিচিং লোক-সাহিত্যৰ সঘনে পৰিৱেশন কৰা আৰু বহলভাৱে চিহ্নিত হোৱা শাখা। মিচিং লোকসকলে বিভিন্ন উপলক্ষত বিভিন্ন লোকগীত পৰিৱেশন কৰে। বিষয়বস্তুৰ ভিত্তিত মিচিং লোকগীতবোৰক ঋতুজনিত গীত (বিৰদুং নিতম), প্ৰেমৰ গীত (ঐনিতম), শোকৰ গীত

(কাবান নিতম), বিয়াৰ গীত (মিদাং নিতম), নিচুকণি গীত (ক নিতাম), ওমলা গীত (মমান নিতম) আদি।

জানি থোৱা ভাল

মিচিংসকলে পথাৰত প্ৰথম শস্য সিঁচোতে পালন কৰা উৎসৱ হৈছে আলি-আই-লৃগাং। এই উৎসৱ সাধাৰণতে ফাগুন মাহত পালন কৰা হয়। এই উৎসৱত লিগাং নিতম গায়।

- সাধুকথা হৈছে মিচিং লোক-সাহিত্যৰ অন্যতম বিষয়। মিচিং ভাষাত সাধুকথাবোৰক দৈয়িং বোলা হয়। এই সাধুকথাবোৰে মিচিং জাতিৰ বিশ্বাস, ৰীতি-নীতি, নিয়ম-কানুন আদিৰ বিষয়ে নানান তথ্যৰ যোগান ধৰে। মিচিং সাধুকথাবোৰ বিভিন্ন ধৰণৰ। যেনে, থূপ খোৱা সাধুকথা, টেটোনৰ সাধুকথা, জীৱ-জন্তুৰ সাধুকথা, প্ৰেমৰ সাধুকথা, ভূত-প্ৰেতৰ সাধুকথা ইত্যাদি। মিচিং সাধুকথাৰ কিছুমান জনপ্ৰিয় সাধুকথা হৈছে শহা আৰু কাছৰ সাধু কথা, আবু টুন্তুৰুং, বুঢ়া-বুঢ়ী আৰু এজাল শিয়াল, বিজুলী আৰু গাজনি, টানি আৰু টাৰু, টাচিক আৰু কবাঙৰ সাধু, টাতু অম্পোলুং, বাটুম আৰু বালি, টেঙৰ শিয়াল, গুৱালা চৰাই, মিতিৰ ভঙা, উকহ আৰু ফেঁচা, দল পুচক আদি।
- প্ৰৱচন আৰু সাঁথৱবোৰ মিচিং লোক-সাহিত্যৰ আন এক উল্লেখযোগ্য বিষয়। মিচিং ভাষাত প্ৰৱচনবোৰক লুচ-লুকৰ আৰু সাঁথৱবোৰক চলক বোলা হয়। বেছিভাগ মিচিং প্ৰৱচন আৰু সাঁথৱ মানুহৰ চৰিত্ৰ আৰু ব্যৱহাৰকেন্দ্ৰিক। এইবোৰেও মিচিং সমাজৰ অনেক দিশ পোহৰাই তোলে।
- মিচিংসকলৰ ভক্তিমূলক গীতবোৰক (এ বেঙচ) স্তুতি আখ্যা দিব পাৰি। এইবোৰ সমাজৰ পূজাৰীজনেহে (মিবুচ) মাত্ৰ পৰিৱেশন কৰে। মিচিংসকলৰ বিভিন্ন দেৱ-দেৱীক সন্তুষ্ট কৰিবৰ বাবে এই এ বেঙচবোৰ পৰিৱেশন কৰা হয়।

৪.৫ অসমৰ চাহ-জনজাতিৰ গীত

১৯শ শতিকাত ব্ৰিটিছ উপনিবেশিকতাৰ ফলত অসমত চাহ বাগিচাবোৰ পতাৰ লগে লগে, সেই নতুন চাহ বাগিচাবোৰত কাম কৰিবলৈ টেলেঙানা, ঝাৰখণ্ড, বিহাৰ, উৰিষ্যা আদি ভাৰতৰ বিভিন্ন ঠাইৰ পৰা চাহ জনজাতিৰ লোকসকল আহিল। লাহে লাহে এই চাহ জনজাতিৰ লোকসকল নিগাজীকৈ অসমত থাকিবলৈ ল'লে। সময়ৰ লগে লগে কিছুমান নতুন মানুহবোৰ অসমলৈ প্ৰব্ৰজন ঘটিল আৰু কিছুমানক জোৰ-জুলিম কৰি অসমলৈ অনা হ'ল।

অসমৰ চাহ জনজাতিৰ লোকসকলৰ লোক-সাহিত্য বাৰেৰহণীয়া। তেওঁলোকৰ লোক-সাহিত্যৰ বিভিন্ন বিভাগবোৰৰ ভিতৰত লোকগীতবোৰ উল্লেখনীয়। চাহ জনজাতিৰ লোকসকলৰ মাজত প্ৰচলন থকা এনে লোকগীতেবাৰ হ'ল— কৰম পূজাৰ গীত, জাহলি গীত, টুচু গীত, ঝুমুৰ গীত, চাদী গীত, দমকচ গীত, মনসা গীত, ফাগুৱা গীত আদি। এই গীতবোৰৰ অনেকতে জোৰ-জুলিম কৰি অসমলৈ অনা চাহ জনজাতিৰ লোকসকলৰ মনত দুখ-বেজাৰ প্ৰতিফলিত হৈছে।

- কৰম পূজা অসমৰ চাহ জনজাতিৰ লোকসকলৰ অন্যতম উল্লেখযোগ্য উৎসৱ। কৃষিৰ সৈতে

জড়িত এই উৎসৱ ভাদ মাহৰ একাদশী তিথিৰ দিনা ৰাতি পালন কৰা হয়। এই উৎসৱত সৃষ্টিৰ দেৱী আই বসুমতীক পূজা কৰা হয়। এই উৎসৱত নৃত্য-গীত পৰিৱেশন কৰা হয়। কৰম পূজাত পৰিৱেশন কৰা গীতবোৰেই কৰম পূজাৰ গীত নামে জনা যায়।

- সাধাৰণতে নৱেম্বৰ মাহৰ অমাৱস্যা ৰাতি, অসমৰ চাহ-জনজাতিৰ লোকসকলৰ আন এক উল্লেখযোগ্য উৎসৱ চহৰাই পূজা পালন কৰা হয়। এই উৎসৱত গৰুক পূজা কৰা হয় বাবে গো-পূজা বা গৌদা বঙা বুলিও জনা যায়।
- অসমৰ চাহ জনজাতিৰ লোকসকলৰ ঘাইকৈ মহিলাসকলে ভাগ লোৱা এক ধর্মীয় উৎসৱ টুচু পূজা, মাঘ মাহত পালন কৰা হয়। টুচু পূজাত পৰিৱেশন কৰা গীতবোৰেই টুচু পুাৰ গীত নামে জনা যায়।
- ঝুমুৰ চাহ-জনজাতিৰ অন্যতম লোক-নৃত্য। এই নৃত্য ঝুমুৰ গীতৰ লগত পৰিৱেশন কৰা হয়। ঝুমুৰ গীত সাধাৰণতে কৰম পূজাত গোৱা হয়। এই গীতবোৰে চাহ-জনজাতিৰ লোকসকলৰ সামাজিক-সাংস্কৃতিক দিশৰ ভালেমান তথ্যৰ যোগান ধৰে।
- বিয়াত গোৱা গীতবোৰেই চাদী গীত। বিভিন্ন ধৰণৰ বিয়াত বিভিন্ন ধৰণৰ চাদী গীত পৰিৱেশন কৰা হয়। এই গীতবোৰ সাধাৰণতে জনজাতিটোৰ মহিলাসকলে গয়।
- দমকচ গীতবোৰ ঝুমুৰ গীতৰ দৰেই যদিও এইবোৰ কৰম উৎসৱত পৰিৱেশন কৰা নহয়। এইবোৰ সাধাৰণতে বিবাহ অনুষ্ঠানহে গোৱা হয়। এই গীতবোৰে জনজাতিটোৰ সমসাময়িক সামাজিক গঠন আৰু অৱস্থাৰ বিষয়ে ব্যংগাত্মক দিশেৰে জনায়।
- মনসা পূজাৰ সময়ত মনসা গীত গোৱা হয়।
- ফাগুন মাহত পালন কৰা ৰঙৰ উৎসৱ ফাগুৱা চাহ জনজাতিৰ লোকসকলৰ অন্যতম আনন্দৰ উৎসৱ। এই উৎৱসত জনজাতিটোৰ সদস্যসকলে এক বিশেষ নাচ কাঠিনাচ পৰিৱেশন কৰে। কাঠি নাচৰ সময়ত ৰাধা আৰু কৃষ্ণ বিষয়ক গীত গোৱা হয়। ফাগুনা উৎসৱত গোৱা গীতবোৰক ফাগুৱাৰ গীত বুলি জনা যায়। এই গীতবোৰৰ উপৰিও চাহ-জনজাতিৰ লোকসকলে জন্ম, মৃত্যু আদি জীৱনৰ নানান বিষয় লৈ বিভিন্ন উপলক্ষত গীত পৰিৱেশন কৰে। এই গীতবোৰে চাহ-জনজাতিৰ লোকসকলৰ বিভিন্ন দিশ প্রতিফলিত কৰে।

৪.৬ বৰাক উপত্যকাৰ লোকগীত

অসমৰ বৰাক উপত্যকা কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি— এই তিনিখন জিলাৰে গঠিত। অসমৰ বৰাক উপত্যকা এই অঞ্চল বিভিন্ন ধর্মাৱলম্বী আৰু জাতিৰ লোকৰ বাসস্থান হোৱাৰ বাবে ইয়াৰ সংস্কৃতিও বাৰেৰহণীয়া। বৰাক উপত্যকাৰ লোক-সাহিত্যৰ ভিতৰত ইয়াৰ লোকগীতসমূহ অতি উল্লেখযোগ্য। লোকগীতবোৰ নানা ধৰণৰ। ইয়াৰ কিছুমান লোকগীত এনে ধৰণৰ—

- আই গান ঃ সাধাৰণতে গৰখীয়াসকলে গোৱা এইবোৰ এক প্রকাৰৰ চৰণ গীত। বৰাক উপত্যকাত এক কৃষি উৎসৱ হিচাপে পতা ৰাখাল সেৱা উৎসৱত গৰু-গাইক পূজা কৰা হয় আৰু কৃষকৰ শ্রীবৃদ্ধি কামনা কৰা হয়। এই আই গান বা গীতবোৰ প্রত্যক্ষ বা পৰোক্ষভাৱে এই উৎসৱৰ সৈতে জড়িত।

বেছিভাগ আই গানৰ বিষয় বৃন্দাবন, শ্রীকৃষ্ণ, ৰাধা, ললিতা, বিশাখা, বাঁহী আদি। ৰাখাইলা গান হ'ল আন এবিধ লোকগীত, যিবোৰ গৰখীয়াসকলে গছৰ ছাঁত জিৰণি লৈ যায়। এই গীতবিধ সাধাৰণতে এজন গায়কে গায় আৰু গায়কৰ মনৰ ভাৱ অনুসৰি গীতবোৰৰ বিষয়বস্তুৰ বিভিন্নতা দেখা যায়।

- দৌল গীত ঃ দৌলযাত্রা বা হলি হৈছে ৰঙৰ উৎসৱ। এই উৎসৱত গোৱা গীতবোৰেই দৌল গীত। অসমৰ আন ঠাইৰ দৰে বৰাক উপত্যকাতো এই গীতবোৰ জনপ্রিয়। কৃষ্ণ, ৰাধা, জীৱনৰ আনন্দ আদিয়েই হৈছে এই গীতবোৰৰ বিষয়বস্তু।
- মেয়েলি গীত ঃ এই গীতবোৰ সম্পূর্ণৰূপে নাৰীসকলৰ মাজত আৱদ্ধ। জন্ম, বিবাহ, পূজা আদি নাননান সামাজিক-ধর্মীয় উপলক্ষত এই গীতবোৰ গোৱা হয়। একমাত্র নাৰীয়েই এই মেয়েলি গীতবোৰৰ ৰচয়িতা আৰু গায়িকা। এই গীতবোৰ নাৰীসকলে এঠাইত বহি কোনো বাদ্যযন্ত্র নোহোৱাকৈ গায়। গোৱাৰ সময়ত গীতৰ তাল ৰাখিবলৈ হাত চাপৰি বজোৱা হয় বা কেতিয়াবা তাল বজায়।
- সমাজৰ সকলোৰে কল্যাণৰ বাবে বৰাক উপত্যকাত কীর্তন, সংকীর্তন, নাগৰকীর্তন, উদায়স্তকীর্তন, প্রভাতীকীর্তন, হৰিকীর্তন, সন্ধ্যাকীর্তন আদি ভক্তিমূলক গীত গোৱা হয়। এইবোৰ গোৱাৰ সময়ত বিভিন্ন ধৰণৰ বাদ্যযন্ত্র সংগত কৰা হয়।
- ধমাইল গীত হৈছে বৰাক উপত্যকাৰ আন এক জনপ্রিয় লোকগীত। হিন্দু আৰু মুছলমান উভয়ৰে বিবাহ অনুষ্ঠানত নৃত্যৰে সৈতে ধমাইল গীত পৰিৱেশন কৰা হয়। সাধাৰণতে মহিলাৰ এটা দলে ধমাইল পৰিৱেশন কৰি গীত গাই আৰু বৃত্তাকাৰে নাচি নাচি গীতৰ সুৰে সুৰে চাপৰি বজাই যায়।
- থেত গীত ঃ এই গীতবোৰ ক্রমান্বয়ে উচ্চ স্বৰত গোৱা হয়। সাধাৰণতে এদল পুৰুষে গোৱা এই গীতবোৰ বৃত্তাকাৰে নাচি নাচি গোৱা হয়।
- বাউল গীত ঃ এই গীতবোৰত অসমীয়া দেহ বিচাৰৰ গীতৰ সামঞ্জস্য বিচাৰি পোৱা যায়। এই গীতবোৰ অতি আধ্যাত্মিক আৰু ইবিলাকত এক দার্শনিক ভাৱ আৰু ঈশ্বৰত্বৰ অর্থ বিচাৰি পোৱা যায়।
- চাৰিগান ঃ নাৰিক আৰু নাৱৰীয়াসকলে এই ধৰণৰ গীত গায়। এইবিধ সুৰ-তাল ৰাখি পুৰুষে গোৱা সমূহীয়া গীত। চাৰিগান সাধাৰণতে নাওখেলৰ সৈতে সংযুক্ত। নাগৰীয়া আৰু আন সহায়কাৰীসকলে গোৱা আন এবিধ লোকগীত হৈছে ভাটিয়ালী গীত। মূলতঃ আজৰিপৰত গোৱা এই গীতবোৰত আনন্দ আৰু বিষাদ, আশা আৰু নিৰাশা, বিফলতা আৰু বিৰাগ, লাভ আৰু লোকচান, প্রেম আৰু বিচ্ছেদ আদিৰ কথা কোৱা হয়। নদীৰ সৈতে জড়িত আন এক লোকগীত হৈছে ঘাটু গীত। এই গীতবোৰ নাও ৰখাই থোৱা নদীৰ ঘাটত গোৱা হয়। ৰাধা, কৃষ্ণ আৰু সাময়িক আন আন লোক ঘাটু গীতবোৰৰ বিষয়বস্তু।
- পটুৱা গীত ঃ ধর্ম, মহাকাব্য, ভক্তি, সমাজ, ৰাজনীতি আৰি অর্থনৈতিক সমস্যা আদিক লৈ ৰচিত চিত্রবোৰ কেনভাচৰ পটত আঁকা হয় আৰু সেই চিত্রবোৰ যি গীতেৰে বর্ণনা কৰা হয়, সেয়াই পটুৱা গীত। এই গীতবোৰ বৰাক উপত্যকাত অতি জনপ্রিয়।
- আৰিগান ঃ বৰাক উপত্যকাত এই গীতবোৰ দিনৰ ভাগত গোৱা নহয়। এইবোৰ মাজৰাতিৰ পৰা

দোকমোকালিলৈকে গোৱা হয়।

- জাৱিগান, মুৰ্চিদি গান, গাজী গান আদি লোকগীতবোৰ বৰাক উপত্যকাৰ ঘাইকৈ মুছলমান লোকসকলৰ মাজত জনপ্রিয়। কাৰবালাৰ কৰুণ কাহিনী হৈছে জাৱিগানৰ মূল বিষয়। মুৰ্চিদি গানবোৰ এক প্রকাৰৰ ভক্তিমূলক গীত আৰু এইবোৰত গুৰুৰ গুৰুত্বৰ ওপৰত আলোকপাত আৰু মুৰ্চিদৰ প্রতি সম্পূর্ণ ভক্তি প্রদর্শন কৰা হয়। গাজী গানবোৰ মুছলমানসকলে গাজী পীৰৰ (সন্যাসী) প্রশংসা কৰি গোৱা হয়।

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্রশ্ন ১ ঃ চমাংকন বুলিলে কি বুজায়?

.....

প্রশ্ন ২ ঃ বৈশাগু কি?

.....

প্রশ্ন ৩ ঃ কিহক চুলুক বোলা হয়?

.....

প্রশ্ন ৪ ঃ অলুন কি?

.....

প্রশ্ন ৫ ঃ দঃয়িং কাক বোলা হয়?

.....

প্রশ্ন ৬ ঃ মুৰ্চিদ বুলিলে কি বুজায়?

.....

৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলো

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- এখন বিশেষ সমাজৰ বিভিন্ন দিশবোৰ জানিবৰ বাবে লোক-সাহিত্য অন্যতম মুখ্য উপায়।
- লোকগীত, বেলাড বা কাহিনী গীত, অতিকথা, পৌৰাণিক কাহিনী, সাধুকথা, প্রৱচন, সাঁথৰ, স্তুতি আদিৰে সমৃদ্ধ অসমীয়া লোক-সাহিত্য অতি চহকী।
- ৰাভা, কার্বি, ডিমাচা, মিচিং আদি অসমৰ বিভিন্ন জনজাতিৰ লোকগীত, বেলাড বা কাহিনী গীত, অতিকথা, পৌৰাণিক কাহিনী, সাধুকথা, প্রৱচন, সাঁথৰ, স্তুতি আদিৰ গঢ়ৰ নিজস্ব লোক-সাহিত্য আছে। এই সকলোবোৰ মিলি অসমৰ লোক-সাহিত্য অতি চহকী।
- চাহ-জনগোষ্ঠী আৰু অসমৰ বৰাক উপত্যকাৰ লোক-সাহিত্যই উভয় সমাজৰে সামাজিক আৰু সাংস্কৃতিক দিশৰ বিষয়ে বহুমূলীয়া তথ্যৰ যোগান ধৰে।

✓ ১.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কার্বি সমাজত এজন ব্যক্তিৰ মৃত্যুত চমাংকন অনুষ্ঠান পালন কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ অসমীয়াৰ ঋতুকালীন উৎসৱ বিহুৰ দৰে বৈশাগু বড়োসকলে বসন্ত কালত পালন কৰা অতি জনপ্রিয় উৎসৱ।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাভা ভাষাত প্রৱচনক চুলুক বোলা হয়।

৪ নং প্রশ্নৰ উত্তৰ ঃ কার্বিসকলে লোকগীতক বুজাবলৈ অলুন শব্দ ব্যৱহাৰ কৰে।

৫ নং প্রশ্নৰ উত্তৰ ঃ মিচিং ভাষাত সাধুকথাক দঃয়িং বোলা হয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ মুৰ্চিদ হৈছে এনে এজন ব্যক্তি যি ইৰ্চাদ বা দিশ দর্শন কৰে। আন শব্দত মুৰ্চিদ হৈছে আধ্যাত্মিক গুৰু।

৪.৯ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ বেলাড কি?

প্রশ্ন ২ ঃ প্রৱচন কি?

প্রশ্ন ৩ ঃ চাৰ কেবাত বুলিলে কি বুজা যায়?

প্রশ্ন ৪ ঃ গাৰাচিমাং কি?

প্রশ্ন ৫ ঃ কাবান নিতম কি?

(খ) চমু প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ লোক-সাহিত্য বুলিলে কি বুজায়?

প্রশ্ন ২ ঃ যিকোনো দুটা বড়ো পৌৰাণিক কাহিনীৰ নাম।

প্রশ্ন ৩ ঃ যিকোনে দুটা ডিমাচা বেলাডৰ নাম।

প্রশ্ন ৪ ঃ মিচিং জনজাতিৰ লোকগীতৰ বিভিন্ন প্রকাৰ।

প্রশ্ন ৫ ঃ অসমৰ চাহ-জনজাতিৰ যিকোনো দুটা উৎসৱৰ নাম।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০ - ৫০০ টা শব্দৰ ভিতৰত দিব)

প্রশ্ন ১ ঃ অসমৰ লোক-সাহিত্য বর্ণনা কৰক।

প্রশ্ন ২ ঃ বড়ো লোক-সাহিত্য সম্পর্কে টোকা লিখক।

প্রশ্ন ৩ ঃ ৰাভা লোক-সাহিত্য সম্পর্কে চমুটোকা লিখক।

প্রশ্ন ৪ ঃ কার্বি লোক-সাহিত্যৰ বিভিন্ন ভাগবোৰ আলোচনা কৰক।

প্রশ্ন ৫ ঃ ৰৰাক উপত্যকাৰ লোকগীত সম্পর্কে আলোচনা কৰক।

❖ ❖ ❖

অধ্যায়- ৫ অসমৰ বস্তুগত সংস্কৃতি

অধ্যায় গাঠনি

৫.১ উদ্দেশ্য
৫.২ পৰিচয়
৫.৩ বস্তুগত সংস্কৃতিৰ ধাৰণা
৫.৪ অসমৰ ঘৰৰ প্রকাৰ আৰু গৃহসজ্জা
৫.৫ অসমৰ সাজপাৰ আৰু আ-অলংকাৰ
৫.৫.১ সাজপাৰ
৫.৫.২ আ-অলংকাৰ
৫.৬ কাঁহ-শিল্প
৫.৭ অসমৰ বাদ্যযন্ত্র
৫.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৫.৯ অগ্রগতিৰ খতিয়ান
৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই গোটটো অধ্যয়ন কৰাৰ পিছত আপুনি নিম্নোক্ত বিষয়ত সক্ষম হ'ব—

- বস্তুগত সংস্কৃতি সম্পর্কে এক ধাৰণা
- অসমৰ বিভিন্ন প্রকাৰৰ ঘৰৰ ব্যাখ্যা
- অসমৰ বিভিন্ন জাতি-জনজাতিৰ সাজ-পাৰ আৰু আ-অলংকাৰৰ বিষয়ে জানিব
- অসমৰ কাঁহ-শিল্পৰ বিষয়ে আলোচনা
- অমসৰ বিভিন্ন বাদ্যযন্ত্রৰ বিষয়ে জানিব পাৰিব

৫.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়ত আমি সংস্কৃতিৰ অর্থ আৰু অসমৰ সংস্কৃতিৰ বিভিন্ন ভাগবোৰৰ বিষয়ে অধ্যয়ন কৰিছিলোঁ। সাধাৰণভাৱে মানুহৰ ব্যৱহাৰত নীতি-নিয়ম, বিশ্বাস, পৰম্পৰা, মূল্য আদিকে সংস্কৃতিৰ অন্তর্গত সামৰি লোৱা হয়। লোক-সংস্কৃতি হৈছে এডোখৰ বিশেষ ঠাইৰ সংস্কৃতি। সংস্কৃতিক দুভাগত ভগাব পাৰি— অবস্তুগত আৰু বস্তুগত সংস্কৃতি। লোক-সংস্কৃতি কোনো এটা বিশেষ নৃগোষ্ঠীয় গোটৰ চিনাকি নহয় বৰং ই সমাজখন চহকী কৰে আৰু ইবোৰক এটা প্রজন্মৰ পৰা আন এটা প্রজন্মলৈ লৈ যোৱা হয়। বিভিন্ন জাতি-জনজাতিৰে সংমিশ্রিত অসমীয়া সংস্কৃতি বৰ চহকী। এই জাতিগত সংমিশ্রণে অসমীয়া সংস্কৃতিক সবল, ৰংচঙীয়া কৰি তুলিছে।

আমি এই গোটত বস্তুগত সংস্কৃতিৰ অর্থৰ লগতে অসমৰ বিভিন্ন প্রকাৰৰ ঘৰৰ বিষয়ে আলোচনা

কৰিম। তাৰ লগতে এই অধ্যায়ত আমি অসমৰ বিভিন্ন সাজপাৰ, আ-অলংকাৰ, বাদ্য যন্ত্ৰৰ বিষয়েও অধ্যয়ন কৰিম। উপৰঞ্চি হিচাপে আমি অসমৰ কাঁহ-শিল্পৰ বিষয়েও অধ্যয়ন কৰিম।

৫.৩ বস্তুগত সংস্কৃতিৰ ধাৰণা

বস্তুগত সংস্কৃতিয়ে কোনো এটা জাতিৰ লোক-জীৱনৰ দৃশ্যমান দিশবোৰৰ বিষয়ে উল্লেখ কৰে। বস্তুগত সংস্কৃতিয়ে মানুহে তৈয়াৰ কৰা বা আবয়বিক পদাৰ্থ, সম্পদ আদি সামৰি লয়। পৰম্পৰাগত সমাজবোৰত মানুহে কেনেকৈ ঘৰ সাজে, কাপোৰ বয়, আ-অলংকাৰ, খাদ্য, সা-সঁজুলি, আচবাব, চিত্ৰ তৈয়াৰ কৰে সেইবোৰো এখন বিশেষ জাতিৰ বস্তুগত সংস্কৃতিত অন্তৰ্ভুক্ত হয়। বস্তুগত সংস্কৃতি হৈছে এখন সমাজৰ মূল চিনাকি আৰু ই অনন্যতা বজাই ৰাখে। বিভিন্ন জনজাতি আৰু অজনজাতি লোকৰ সংমিশ্ৰণত গঢ়ি উঠা অসমৰ বস্তুগত সংস্কৃতিত চিত্ৰকলা, স্থপতি, সাজপাৰ, অলংকাৰ আদি অনন্য।

৫.৪ অসমৰ ঘৰৰ প্ৰকাৰ আৰু গৃহসজ্জা

অসমতখন ভূমিকম্প প্ৰৱণ ঠাই হোৱা বাবে ইয়াত ভূমিকম্প প্ৰতিৰোধী এক বিশেষ ধৰণৰ ঘৰ সজা হয়। এই ঘৰবোৰ জনপ্ৰিয় ভাৱে 'অসম আৰ্হিৰ ঘৰ' বুলি জনা যায়। এই ঘৰবোৰ সাধাৰণতে এমহলীয়া হয় যদিও কেতিয়াবা দুই বা তিনি মহলীয়াকৈও সজা দেখা যায়। অতীজতে স্থানীয়ভাৱে উপলব্ধ বাঁহ, কাঠ, খেৰ, গোবৰ, ইকৰা, বেত আদিৰে এনে ঘৰবোৰ সজা হৈছিল। কিন্তু বৰ্তমান এনে উপাদানবোৰৰ অভাৱ হোৱাৰ বাবে অসমৰ ঘৰবোৰ সাজিবৰ বাবে লোহ, চিমেণ্ট, ইটা, শিল আদি ব্যৱহাৰ কৰা হ'ল। কিন্তু গাঁও অঞ্চলত এতিয়াও পৰম্পৰাগতভাৱে বাঁহ, বোকা আদি ব্যৱহাৰ কৰি নিজা কিছু ধাৰণাৰে সজা ঘৰ দেখা যায়। পৰম্পৰাগত অসম আৰ্হিৰ ঘৰৰ বেৰ আৰু চাল সাজিবৰ বাবে ইকৰাৰ বহুল ব্যৱহাৰ কৰা হয়। বেৰবোৰ মজবুত আৰু নিৰাপদ কৰিবৰ বাবে তাত মাটিৰ লেও দিয়া হয়। কেতিয়াবা বাঁহৰ চলিৰেও ঘৰৰ বেৰ সজা হয়। বাঁহৰ দৰে কাঠেৰেও ঘৰৰ দুৱা-খিৰিকীবোৰ তৈয়াৰ কৰা হয়। মজিয়াৰ বাবে কাঠৰ তক্তা ব্যৱহাৰ কৰা দেখা যায়। গ্ৰামাঞ্চলত অৱশ্যে বোকাৰে লিপা মজিয়াহে দেখা যায়। বাঁহ বা কাঠৰ প্ৰেম সাজি এঢলীয়া আকাৰৰ ঘৰৰ চালবোৰ স্থানীয় ঘাঁহ আৰু খেৰেৰে তৈয়াৰ কৰা। এটা অসম আৰ্হিৰ ঘৰত পাকাঘৰ, চ'ৰা ঘৰ, শোৱনি কোঠা আদি বিভিন্ন ধৰণৰ কোঠা থাকে। এই অসম আৰ্হিৰ ঘৰবোৰৰ বাহিৰে জনজাতিসমূহৰ মাজত তেওঁলোকৰ নিজস্বতা থকা বিভিন্ন ধৰণৰ ঘৰ দেখা যায়।

- বড়োসকলৰ মূল ঘৰটোক 'নমানো' বোলা হয়। এই ঘৰবোৰত তিনিটা কোঠা যেনে, ইছিং (পাকঘৰ), ওখং (খোৱা ঘৰ) আৰু খোপ্ৰা (শোৱনি কোঠা) থাকে। এই ঘৰবোৰ সাজিবৰ বাবে মূলতঃ বাঁহ আৰু কাঠ ব্যৱহাৰ কৰা হয়।
- দেউৰীসকলৰ পৰম্পৰাগত ঘৰবোৰ দীঘলীয়া। ইয়াৰ এফালে কোঠাবোৰ থাকে আৰু ঘৰটোৰ সন্মুখৰভাগৰ তিনি ফাল মুকলিকৈ ৰখা হয়। চেপেটা বাঁহেৰে মজিয়াখন তৈয়াৰ কৰা এনে ঘৰবোৰ কাঠৰ খুঁটাৰে মাটিৰ পৰা দাঙি থোৱা হয়।

● ডিমাচা জাতিৰ পৰম্পৰাগত ঘৰবোৰক 'নহ-দিমা' বোলা হয় আৰু এইবোৰ মুখামুখিকৈ দুশাৰীত সজা হয়। ঘৰবোৰৰ মূল ভাগটো কাঠেৰে সজা। বেৰবোৰ বাঁহেৰে সাজি মাটি লিপি দিয়া আৰু চালখন খেৰৰ। গোটেই ঘৰটো বিভিন্ন কামৰ বাবে বিভিন্ন কোঠাত ভাগ কৰা।

● কার্বিসকলৰ পৰম্পৰাগতভাৱে কাঠ, বাঁহ আৰু খেৰেৰে সজা ঘৰবোৰক 'চাং ঘৰ' বোলা হয়। বাঁহৰ বা কাঠৰ মজিয়াখন মাটিৰ পৰা কেই ফুটমান ওপৰত তুলি থবৰ বাবে 'নাওজক' নামৰ কাঠৰ খুঁটা ব্যৱহাৰ কৰা হয়। ঘৰটোত উঠিবৰ বাবে কাঠ বা বাঁহেৰে নির্মিত 'দন্দন' নামৰ জখলাডাল ব্যৱহাৰ কৰা হয়। 'নকচেক আৰপং' নামৰ পার্টিছন ব্যৱহাৰ কৰি মূল ঘৰটো দুভাগ ভাগ কৰা হয়। এভাগ হ'ল 'কম' (শোৱনি কোঠা) আৰু আনটো ভাগ হ'ল 'কুট' (ঘৰুৱা প্ৰয়োজনীয় আৰু মূল্যৱান বস্তু থোৱা কোঠা)। ঘৰটোৰ আৰু কিছুমান উল্লেখযোগ্য ভাগ হ'ল— পাং, হং-কাপ, পাং-হংকাপ, হং-প্লাং, হং-ফাল্যা, ভয়-ৰয় আদি।

● মিচিংসকলে খুঁটাৰ ওপৰত ওখকৈ সজা পৰম্পৰাগত ঘৰটো জনপ্ৰিয়ভাৱে 'চাংঘৰ' বুলি জনা যায়। ঘৰটোলৈ যাবলৈ 'ক-বাং' নামৰ জখলা ব্যৱহাৰ কৰা হয়। ঘৰটোৰ মজিয়াখন বাঁহৰ মিহি চলিৰে সজা হয়। সাধাৰণতে ঘৰটো নির্মাণৰ বাবে কাঠ, বাঁহ আৰু খেৰ ব্যৱহাৰ কৰা হয়। সাধাৰণতে দুটা কোঠাত ঘৰটো ভাগ কৰা হয় আৰু ঘৰটোৰ সোঁ-মাজত থকা 'মেৰাম' বা জুহাল হৈছে মিচিংসকলৰ পৰম্পৰাগত চাংঘৰৰ বিশেষত্ব।

● ৰাভাসকলৰ পৰম্পৰাগত ঘৰটো দীঘলীয়া। সাধাৰণতে এটা ঘৰৰ দীঘলে পঞ্চাছ ফুটমান হয়। পৰম্পৰাগত ৰাভা ঘৰ এটা নির্মাণৰ বাবে কাঠ, বাঁহ, খেৰ আৰু গোবৰ ব্যৱহাৰ কৰা হয়। ৰাভাসকলৰ পৰম্পৰাগত ঘৰ এটাত নক-চুং-কাই (শোৱনি কোঠা), ননশ্ৰা (চ'ৰা ঘৰ), মঝাৰা (আলহী কোঠা), নক-চাৰা (পাকঘৰ) আদি থাকে।

● সোণোৱাল কছাৰীসকলৰ পৰম্পৰাগত ঘৰবোৰ খেৰ, বাঁহ, বোকা, বেত আদিৰ দৰে পাতল সামগ্ৰীৰে নির্মাণ কৰা। সাধাৰণতে ঘৰটোৰ মূল দুৱাৰখন পূব দিশত থাকে। সোণোৱাল কছাৰীসকলৰ একোটা ঘৰত জুহালৰ সৈতে তিনিটা বা চাৰিটা কোঠা থাকে।

৫.৫ অসমৰ সাজপাৰ আৰু আ-অলংকাৰ

বিভিন্ন জাতিৰ সাজপাৰ আৰু আ-অলংকাৰে সেই জাতিটোৰ পৰিচয় দাঙি ধৰে আৰু সেইবোৰৰ প্ৰত্যেকৰে নিজস্বতা আছে। বিভিন্ন জাতি-জনজাতিৰে গঠিত অসমৰ এই বাৰ-ৰহণীয়া জন-গাঁঠনিৰ সুকীয়া সাজপাৰ আৰু আ-অলংকাৰে অসমৰ সংস্কৃতি চহকী কৰি তুলিছে। আমি এই অধ্যায়ত বিভিন্ন জাতি-জনজাতিৰ অনন্য সাজপাৰ আৰু আ-অলংকাৰৰ বিষয়ে আলোচনা কৰিম।

৫.৫.১ সাজ-পাৰ

অতীজৰে পৰা অসমৰ ঘৰে ঘৰে তাঁতশালৰ প্ৰচলন আছে। অসমৰ জনজাতি আৰু অজনজাতি লোকৰ বয়ন শিল্পলৈ চকু ফুৰালে দেখা যায়, ভৈয়ামৰ অজনজাতি লোকসকলৰ বয়নত অধিক ৰঙৰ সমাবেশ নাই। কিন্তু সেইবোৰৰ সুন্দৰ বয়ন, অনন্য নক্সা আৰু ৰঙৰ সামঞ্জস্য চকুত পৰা। অসমৰ ভৈয়ামৰ অজনজাতি লোক কিছুমানৰ পৰম্পৰাগত পোছাকত

মেখেলা, ৰিহা, চাদৰ বা উপৰেনী, আনাকাটা কাপোৰ, ধুতি, চোলা, চেলেং, কাপোৰ, গামোচা আদি থকা দেখা যায়।

- বড়োসকল বোৰা-কটাত পাৰ্গত। সাধাৰণতে বড়োসকলৰ পৰম্পৰাগত সাজ-পাৰত দখনা (বড়ো মহিলাৰ মূল পৰম্পৰাগত পোচাক), জমগ্রা (বড়ো মহিলাই শৰীৰৰ ওপৰ অংশ ঢাকিবৰ বাবে ব্যৱহাৰ কৰে), গাংশ্রাই বা গামচা (বড়ো পুৰুষৰ মূল পৰম্পৰাগত পোচাক), আৰনাই (পুৰুষে ডিঙিত মেৰিয়াই লোৱা এখন সৰু কাপোৰ) আদি থাকে।
- ভৈয়ামৰ আন আন অজনজাতি লোকৰ তুলনাত দেউৰীসকলে বোৰা কাপোৰবোৰ কম ৰংচঙীয়া আৰু সৰল। কিন্তু সেইবোৰ অনন্য আৰু সুন্দৰ। দেউৰী জনজাতিৰ কিছুমান পৰম্পৰাগত পোচাক হৈছে, ইগু (মহিলাৰ শৰীৰৰ তলৰ অংশৰ পোছাক), জাকাচ্ছিবা (মহিলাৰ বুকুৰ পোছাক), খনিয়া বা চেলেং (বয়স্ক মহিলাই গাত মেৰিয়াই লোৱা, পুৰুষে পাগুৰী হিচাপে ব্যৱহাৰ কৰা, বয়স্ক পুৰুষে কান্ধত ওলোমাই লোৱা কাপোৰ), বৰকাপোৰ আৰু খনিয়া বৰকাপোৰ (শীতকালত গাত লোৱা চাদৰ), ইকু (পুৰুষৰ ধুতি), বচ্চে, গাতিগী, পাউগা/বাইগা (মহিলা মূৰ, বুকু আদি ঢাকি লোৱা গামোচাৰ দৰে কাপোৰ)।
- ডিমাচা মহিলাসকল কাপোৰ বোৱাত পাকৈত। এওঁলোকে বোৰা কাপোৰবোৰ শৈল্পিক আৰ্হিৰ বাবে অনন্য। ডিমাচা জাতিৰ কিছুমান পৰম্পৰাগত পোচাক হ'ল— ৰিজাফাইন (ডিমাচা মহিলাই বুকুৰ পৰা আঁঠুলৈকে পিন্ধা বগা কাপোৰ), ৰিজাফাইন বেৰেন (মহিলাই বুকুত মৰা টঙালি), ৰিগু (মহিলাৰ মেৰেণি), ৰিখাউচা (পুৰুষ, মহিলা উভয়েই ডিঙিত মৰা গলাবান্ধ), বাথৰমাই (মহিলাৰ পোচাক), সাওহা (পুৰুষৰ পাগুৰী), ৰিগদা (পুৰুষে ডিঙিত মৰা সৰু গলাবান্ধ), ৰিথাপ (পুৰুষে ব্যৱহাৰ কৰা চাদৰ) আদি।
- কাৰ্বি সমাজত বোৰা-কটাৰ পৰম্পৰা সাতামপুৰুষীয়া আৰু প্রায় প্রতি গৰাকী কাৰ্বি মহিলা বোৰা-কটাত পাৰ্গত। কাপোৰ বোৱৰ বাবে তেওঁলোকে তেওঁলোকৰ নিজস্ব বিশেষ সিংহ-শালত কাপোৰ বয়। কাৰ্বিসকলৰ কিছুমান পৰম্পৰাগত পোচাক হ'ল— পিনি (মহিলাৰ মেৰণি), পেকক (মহিলাৰ বুকুৰ পোচাক), পে-চেলেং (মহিলাৰ মেৰণি আৰু পুৰুষৰ কাপোৰ), ৰামকক (মহিলাৰ কঁকালি), পিবা (কেঁচুৰা বান্ধি নিয়া কাপোৰ), ৰিকং (পুৰুষৰ কাপোৰ), ছয় (পুৰুষৰ হাতকটা জেকেট), প'হ' (পুৰুষৰ পাগুৰীৰ কাপোৰ) আদি।
- মিচিংসকলৰ অতি চহকী আৰু বৈচিত্র্যপূর্ণ বয়ন পৰম্পৰা আছে। মিচিংসকলৰ কেইবিধমান পৰম্পৰাগত পোছাক হ'ল— এগে (মহিলাৰ শৰীৰৰ তলৰ অংশৰ পোছাক), এগে গাচেং (অবিবাহিতা ছোৱালীয়ে শৰীৰৰ তলৰ অংশত পিন্ধা পোছাক), গেৰো (মহিলাই গা ঢাকিবলৈ ব্যৱহাৰ কৰা কাপোৰ), ৰিহা (বক্ষবন্ধনী), গেলুক বা মিবু গেলুক (হাতকটা জেকেট), য়াম্বু (মেৰণি), জিনৰেক বা টঙালী (কঁকালি) আদি।
- ৰাভা জনজাতিৰ সকলোৱে তাঁতবোৱাক পৰম্পৰাগত শিল্প বুলি ভাৱে। ৰাভা সাজপাৰবোৰ ইবিলাকৰ অনন্য গঠন, ৰং আৰু আৰ্হিৰ বাবে বিখ্যাত। ৰাভাসকলৰ কেইবিধমান পৰম্পৰাগত পোচাক হ'ল— লেমফাটা বা ৰূফান (মহিলাই বুকুৰ পৰা গেৰোৱালৈকে গাত মেৰিয়াই লোৱা কাপোৰ), ৰূফান চ্ছাক্কেই (বিবাহিতা ৰাভা মহিলাৰ মূল সাজ), কাম্বু (বিবাহিতা ৰাভা মহিলাই লোৱা কাপোৰ), খদাবাং বা খচনে (মহিলাৰ শিৰ-বস্ত্র), আংচা (পুৰুষৰ পাগুৰীৰ কাপোৰ), পাজাল (পুৰুষৰ ধুতি), আলন বা আনয় আৰু পাসাৰ আদি।

- সোণোৱাল কছাৰীসকল ভাল বোৱনী। তেওঁলোকৰ সাজ-পোছাকবোৰ সমসাময়িক অসমীয়া লোকৰ পোছাকৰ সৈতে মিল থকা। সোণোৱাল কছাৰীসকলৰ কেইবিধমান পৰম্পৰাগত পোছাক হ'ল— মেখেলা, একাথিয়া (ব্লাউজৰ ওপৰত আৰু বুকুৰ পৰা আঁঠুলৈকে মেৰিয়াই লোৱা কাপোৰ), তাকায়া (মূলত পিন্ধা পৰম্পৰাগত গামোচা), কামিজ আদি।

৫.৫.২ আ-অলংকাৰ

অমসৰ পৰম্পৰাগত আ-অংলকাৰ আৰ্হিবোৰ ইয়াৰ প্ৰকৃতিৰ মাজৰ পৰাই আৰু প্ৰদেশখনৰ কিছুমান বাদ্যযন্ত্ৰৰ পৰা আহৰণ কৰা। অসমৰ পৰম্পৰাগত অলংকাৰবোৰ হাতেৰে গঢ়া আৰু সেইবিলাক অতি কুশলী কাৰীকৰে তৈয়াৰ কৰা। ইয়াৰ বেছিভাগ অলংকাৰেই মহিলাই পিন্ধে আৰু সেইবোৰ সোণ বা ৰূপেৰে তৈয়াৰী। অসমৰ কিছুমান পৰম্পৰাগত অলংকাৰ হ'ল— এযোৰ পাৰৰ আৰ্হিৰে তৈয়াৰ কৰা লোকাপাৰ, কাঁচি জোনৰ আৰ্হিৰে মহিলাই ডিঙিত লকেট হিচাপে পিন্ধা জোনবিৰি, ঢোলৰ আকৃতিৰ ঢোলবিৰি, বিভিন্ন ফুলৰ আকৃতিৰ ডিঙিত চেপা খাই থকা গলপতা, পৰম্পৰাগত জাপিৰ আকৃতিৰ অলংকাৰ, পৰম্পৰাগত বাদ্যযন্ত্ৰ পেঁপাৰ আৰ্হিৰ অলংকাৰ, ভিতৰটো ফোপোলা কাঁচি জোনৰ আৰ্হিৰে দুই মূৰ লগলগোৱা কেৰুমণি, হৃদয়ৰ আকৃতিৰ মহিলাই ডিঙিত পিন্ধা এবিধ অলংকাৰ—ডুগডুগী। হাতত পিন্ধা বহল গামখাৰু ডালত বিবিধ ফুল-পাতৰ নক্সা খোদিত কৰা থাকে। বিহু নাচৰ সময়ত নাচনীয়ে গামখাৰু পিন্ধিবই লাগে। হাতৰ মুঠিটোৰ দৰে দেখাত বহল খাৰুপাতক মুঠিখাৰু বোলা হয়। সাধাৰণতে বয়সীলায় অসমীয়া মহিলাই কাণত থুৰীয়া পিন্ধে। এইবিধ অলংকাৰৰ সমুখৰৰ ভাগ ফুল এপাহৰ দৰে, মাজ অংশ চিঁয়া। এই অংশ কাণৰ ফুটাটোত সোমাই থাকে। শেষ অংশ অলপ বহল, যাতে অলংকাৰবিধ কাণৰ ফুটাৰ পৰা ওলাই আহিব নোৱাৰে।

অসমৰ পৰম্পৰাগত এই অলংকাৰবোৰ আজিকালি কাণফুলি, নেকলেচ, আঙুঠি আদিৰে সৈতে একেলগেও পোৱা যায়। উল্লেখিত এই অংলকাৰবোৰৰ উপৰি অসমৰ বিভিন্ন জাতি-জনজাতিৰ নিজস্ব পৰম্পৰাগত অলংকাৰ আছে।

- বড়ো মহিলাই ডিঙিত চন্দ্ৰহাৰ, বিচাহাৰ, থংকাচিৰি, জিবও জিনিজৰি আদি বিভিন্ন ধৰণৰ অলংকাৰ পিন্ধে। তেওঁলোকে ফুলখুলি, জাপখ্ৰিং, দুল, বৌলা আৰু ফুলি আদি বিশেষ ধৰণৰ কাণফুলি পিন্ধে। নাকত তেওঁলোকে নাখাফুল, নলত আৰু বুলুকি পিন্ধে। বড়ো মহিলাই হাতত পিন্ধা অলংকাৰ কেইপদ হ'ল— আসান শংখা আৰু আসান চুড়ি।
- দেউৰী মহিলাই পিন্ধা অলংকাৰ কেইপদ হ'ল— ইগাৰা (ডিঙিত পিন্ধা), উচ্চুন (খাৰু), গেমা (আঙুঠি) আইদ। তাৰ উপৰি তেওঁলোকে বিহু নাচ নচাৰ সময়ত লী, কটু, মাদলী, জোনবিৰি, ডুগডুগী আদি পিন্ধে।
- ডিমাচাসকলৰ অলংকাৰবোৰ মূল্যৱান ৰত্ন প্ৰবালৰ উপৰি সোণ আৰু ৰূপেৰে গঢ়া। ডিমাচা মহিলাই ডিঙিত ৰাংমাইলিক (ৰং-বিৰঙৰ সৰু সৰু মণি), জংচামা, ফোৱাল (ৰূপৰ টকা

আৰু মণিৰে গঁঠা), চন্দ্ৰৰাল (ফুলৰ আকাৰৰ ৰূপৰ টকাৰে এক, দুই বা তিনি শাৰীকৈ গঁঠা) আদি, কাণত খাওমথাই (বন্দুকৰ গুলীৰ দৰে আকাৰৰ ৰূপেৰে গঢ়া)ৰ দৰে অলংকাৰ পিন্ধে। এইবোৰৰ উপৰিও ডিমাচা মহিলাই মূৰত চুখেপ নামৰ এবিধ ৰংচঙীয়া শিৰাস্ত্ৰাণ পৰিধান কৰে।

- কাৰ্বি মহিলাই ডিঙিত লেক চাবাই, চেৰ আলেক পুঞ্জং, লেকদন, লেক পংটিন, লেক ৰুভ, লেক পাইকম, লেক বংনাই, লেক চাংটি, লেক চিকি আদি অলংকাৰ পিন্ধে। তেওঁলোকে কাণত নথেংপি, নথেংপি অকৰন, নথেংপি চাৰান, নালেংপং, নথেংপি প্লিৰপ্লাৰ আদি অলংকাৰ পিন্ধে। কাৰ্বি মহিলাই আঙুলীত পিন্ধা আঙঠিবোৰ হ'ল, অমন কে এত, অমন কেলল, চেৰ বান্দা, ৰূপ বান্দা আদি। এইবোৰৰ উপৰিও কাৰ্বি মহিলাই হাতত ৰৈ তহু, ৰৈ চেটুং, ৰৈ পেংখাৰা আদি অলংকাৰ পিন্ধে।
- মিচিং মহিলাই হাতত পিন্ধা খাৰুবোৰ হ'ল— কংগে, ঐন কংগে, গাঃ মকুৰু, আঞ্চনমৰা আদি ডিঙিত পিন্ধে — টদং, দগনে, তক্তি, ঐন এঃ বি, মুকং এঃ বি, চন্দ্ৰংহাৰ, বলতগ দকচৰি (ৰূপৰ টকাৰে গোঠা মালা), লিংকৰ আদি। কাণত পিন্ধে— পিচিৰিং, কেণ্টু, টুৰী, টকপোৰ আদি। এইবোৰৰ উপৰি মিচিং মহিলাই নাচিবৰ সময়ত লাকপুন নামৰ এবিধ কঁকালি পিন্ধে।
- ৰাভা মহিলাই পিন্ধা পৰম্পৰাগত অলংকাৰ কেইপদ হ'ল— ডিঙিত চন্দ্ৰহাৰ, সিকি-সুকি, হন্স বা হস আদি; কাণত নাৱ্ৰি, বালা-নিম্ৰি আদি, হাতত চন, হাৰ গুলাই, মাল-খাৰু, ময়ৰ-চিং চাপ, বন্তি, হাত-বাজু বা কন্ত-বাজু আদি। এই অলংকাৰবোৰৰ উপৰি ৰাভা মহিলাই নাকত নাকাপুতি আৰু নাকবালি; বাঁওহাতৰ অনামিকা আঙুলিত চাসি-টম, কঁকালত হাতীদাঁতেৰে তৈয়াৰী সাততৰপীয়া ৰূবক বা ৰূবুক আৰু মূৰত কুছমাক্ৰাং নামৰ এবিধ বিশেষ অলংকাৰ পিন্ধে।
- সোণোৱাল কছাৰী মহিলাই অসমৰ পৰম্পৰাগত অলংকাৰ যেনে গামখাৰু, কেৰু, থুৰীয়া, ডুগডুগী, জোনবিৰি আদি পিন্ধে।

৫.৬ কাঁহ-শিল্প

কাঁহ-শিল্প হৈছে অসমৰ এক থলুৱা শিল্প আৰু অসমীয়া সমাজত এই উপাদনসমূহৰ এক সুকীয়া স্থান আছে। সাধাৰণ ভাষাত এই উপাদানসমূহক কাঁহ আৰু এই উদ্যোগটোক কাঁহ-উদ্যোগ বোলা হয়। কাঁহ-শিল্পৰ কুশলী কাৰীকৰসকলক কঁহাৰ বোলা হয়। হাতুৰীৰে মৰিয়াই পৰম্পৰাগত উপায়েৰে তেওঁলোকে তৈয়াৰ কৰা কাঁহৰ বাচন-বৰ্তনবোৰে অসমৰ চহকী বস্তুগত সংস্কৃতি প্ৰতিফলিত কৰে। আগতে অসমৰ বিভিন্ন ঠাইত যেনে, সৰ্থেবাৰী, চাপটগ্ৰাম, বিলাসীপাৰা, ৰহা, তিতাবৰ, লক্ষীপুৰ আৰু কাচাৰৰ কিছুমান ঠাইত এই শিল্প বৰ্তি আছিল। কিন্তু সময়ৰ লগে লগে বিভিন্ন কাৰণত এই শিল্প পৰি আহিল আৰু সৰ্থেবাৰীৰ বাহিৰে বাকী ঠাইবোৰত এই শিল্পৰ মৃত্যু ঘটি। বৰ্তমান বৰপেটা জিলাৰ

সৰ্থেবাৰীৰ বাহিৰে বাকী ঠাইবোৰত এই শিল্পৰ মৃত্যু ঘটিল। বৰ্তমান বৰপেটা জিলাৰ সৰ্থেবাৰীয়েই হৈছে এই শিল্প বৰ্তি থকা অসমৰ একমাত্ৰ কেন্দ্ৰ। ইয়াৰ উপৰি সৰ্থেবাৰীৰ দুই-এজন কঁহাৰে ব্যৱসায় বৃদ্ধিৰ বাবে অসমৰ আন আন ঠাইতো এই শিল্প আৰম্ভ কৰিছে।

জানি থোৱা ভাল

কাঁহ হৈছে ব্ৰঞ্জৰ এক ৰূপ। ই তাম আৰু টিনৰ সংমিশ্ৰণ। কাঁহ প্ৰস্তুতকৰণৰ বাবে ৮০:২০ হাৰত অৰ্থাৎ ৮০ শতাংশ তাম আৰু ২০ শতাংশ টিন সংমিশ্ৰণ কৰা হয়। স্থানীয়ভাৱে তাম আৰু টিনৰ অভাৱ হোৱা বাবে আজিকালি কঁহাৰসকলে ভগা-ছিগা বাচনৰে (পুৰণা কাঁহৰ সামগ্ৰী) নতুন সামগ্ৰী উৎপাদন কৰিবলৈ লৈছে। কাঁহৰ সামগ্ৰীবোৰৰ পুনৰ্বিক্ৰী মূল্য যথেষ্ট।

কাঁহৰ সামগ্ৰী নিৰ্মাণৰ গোট, গৰ্সালত সমবায় ভিত্তিত কাঁহৰ সামগ্ৰী তৈয়াৰ কৰা হয়। গৰ্সালৰ মূল ওজা কঁহাৰজনেই হৈছে মূল কাৰিকৰ। তেওঁক সহযোগী কঁহাৰ অৰ্থাৎ পালিসকলে সহায় কৰে। কাঁহৰ সামগ্ৰী তৈয়াৰ কৰাৰ সময়ত ব্যৱহাৰ কৰা সা-সঁজুলিবোৰ স্থানীয়ভাৱে নিৰ্মিত। তেনে কিছুমান সঁজুলি হ'ল— নিয়াঁৰি, হাতুৰী, চৰহ, কাটি, আঁকে, চক ভোৰ, মহি আদি। কাঁহেৰে নিৰ্মিত বিভিন্ন সামগ্ৰীৰ অসমীয়া সমাজত এক সন্মানজনক স্থান আছে আৰু অসমীয়া জনগণৰ দৈনন্দিন জীৱনৰ বিভিন্ন ক্ষেত্ৰত কাঁহৰ সামগ্ৰী ব্যৱহাৰ কৰা হয়। দৈনন্দিন ঘৰুৱা কামকাজৰ উপৰি বিভিন্ন ধৰ্মীয়-সামাজিক আৰু সাংস্কৃতিক কামকাজত কাঁহৰ সামগ্ৰীৰ ব্যৱহাৰ আছে। দৈনন্দিন ঘৰুৱা কামকাজত ব্যৱহাৰ কৰা সামগ্ৰীবোৰ হ'ল— কাঁহি, বাতি, বানবাতি, লোটা, বটা আদি। অসমীয়া সমাজৰ বিভিন্ন ধৰ্মীয়-সামাজিকৰ লগে লগে সাংস্কৃতিক কামকাজত ব্যৱহাৰ কৰা কাঁহৰ সামগ্ৰীবোৰ হ'ল— তাল, বৰকাঁহ, কাঁহ, ডবাকাঁহ, ঘণ্টা, চাকি, বিগ্ৰহ আদি।

৫.৭ অসমৰ বাদ্যযন্ত্ৰ

অসমৰ সংগীত আৰু আন সাংস্কৃতিক অনুষ্ঠানৰ বাবে বিভিন্ন বাদ্যযন্ত্ৰ আছে। এই বাদ্যযন্ত্ৰবোৰে অসমৰ সাংস্কৃতিক ঐতিহ্য চহকী কৰি ৰাখিছে। একে সময়তে কিছুমান বাদ্যযন্ত্ৰই অসমৰ অনন্য সাংস্কৃতিক পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। এনে কিছুমান বাদ্যযন্ত্ৰ হৈছে— খোল, মৃদং, ঢোল, ডবা, মাদল, ডম্বৰু, পেঁপা আদি।

অসমৰ সত্ৰীয়া সংস্কৃতিৰ সৈতে জড়িত খোল সাধাৰণতে ভাওনা আৰু বৰগীত পৰিবেশন কৰাৰ সময়ত সংগত কৰা হয়। পিপাৰ আকৃতিৰ খোলটো বোকাৰে সজা হয় আৰু তাক আঙুলীৰে বজায়। অসমৰ একোটা খোলৰ দীঘ সাধাৰণতে ৭৫ ছেণ্টিমিটাৰ। খোলৰ দুয়োটা মূ�ৰৰ জোখ বেলেগ বেলেগ আৰু মূৰকেইটা গৰুৰ ছালেৰে ঢাকি দিয়া। সোঁ-মূৰটো সাধাৰণতে তিনিৰ পৰা পাঁচ ইঞ্চি ব্যাসৰ আৰু ইয়াৰ পৰা ধাতৰীয় শব্দ হয়। আনহাতে বাঁও মূৰটো **ছয়ৰ পৰা আঠ ইঞ্চি ব্যাসৰ আৰু ইয়াৰ পৰা নিম্ন গুৰু গম্ভীৰ** শব্দ হয়। খোলৰ এই দুয়োটা মূৰ সমান দূৰত্বত থকা বত্ৰিছ ডোখৰ চামৰাৰে সংযোগ কৰা হয়।

মৃদংগ হৈছে এক প্ৰকাৰ খোল, যাৰ আকাৰ চুটি। সাধাৰণতে ইয়াক কাঠেৰে নিৰ্মাণ কৰা হয়। অসমত মৃদংগৰ মাজ ডোখৰৰ ব্যাস খোলতকৈ সমান্য বেছি। অসমত মৃদংগৰ ইতিহাস বিচাৰিলে ইয়াক প্ৰাক-শংকৰী যুগৰ বাদ্যযন্ত্ৰ বুলি জানিব পৰা গৈছে। ভাৰতত ই অতি পুৰণি বাদ্যযন্ত্ৰ।

অসমৰ বিভিন্ন নৃত্য-গীতত সংগত কৰা ঢোল হৈছে কাঠৰ চুঙাৰ এক বাদ্যযন্ত্ৰ। ইয়াৰ এটা মুৰ মাৰি এডালেৰে আৰু আনটো মুৰ হাতেৰে বজোৱা হয়। চুঙাৰ আকৃতিৰ একোটা ঢোল সাধাৰণতে প্ৰায় তিনি ফুট দীঘল। ফোপোৱা কাঠৰ টুকুৰাৰে সজা ঢোল একোটাৰ দুই মুৰ জন্তুৰ, বিশেষকৈ গৰু বা ছাগলীৰ ছালেৰে ঢাকি দিয়া হয়। ঢোলৰ সোঁ-ফাল বাঁহৰ সৰু মাৰি এডালেৰে আৰু আনটো মুৰ হাতেৰে বজোৱা হয়। চামৰাৰে ৰছী এডালেৰে ঢোলটো বজোৱাজনৰ ডিঙিত ওলোমাই লোৱা হয়। অসমত বজোৱাৰ উপলক্ষ অনুসৰি বিভিন্ন প্ৰকাৰৰ ঢোৱা পোৱা যায়, সেইবোৰ হৈছে বিহু ঢোল, ওজা ঢোল, জয় ঢোল, বৰ ঢোল, ঢেপা ঢোল আদি। অসমৰ সাংস্কৃতিক জীৱনত ঢোল এক অভিন্ন অংশ।

উপাদান

ডবা বাতি আকৃতিৰ ছালেৰে ঢকা এক বাদ্যযন্ত্ৰ। ইয়াক সাধাৰণতে নামঘৰত ৰখা হয়। সাধাৰণতে এডা ডবা প্ৰায় এক মিটাৰ ওখ আৰু ইয়াৰ মুখখনৰ ব্যাস প্ৰায় ১ মিটাৰ ২০ ছেণ্টিমিটাৰ। ঢাকি থোৱা অংশত দুডাল মাৰিৰে কোবাই ডবাৰ পৰা এক গুৰু-গম্ভীৰ শব্দ পোৱা যায়। বজাবৰ সুবিধাৰ বাবে ডবাটো সামান্য হেলনীয়াকৈ থোৱা হয়। অসমীয়া সমাজ তথা সংস্কৃতিত এইবিধ বাদ্যযন্ত্ৰই এক সন্মানজনক স্থান অধিকাৰ কৰি আছে।

মাদল হৈছে মৃদংগৰ দৰে পিপা আকৃতিৰ বাদ্যযন্ত্ৰ। সাধাৰণতে লোক-সংগীতত এইবিধ বাদ্যযন্ত্ৰ পৰিবেশন কৰা হয়। অতীজত এইবিধ বাদ্যযন্ত্ৰ পোৱা মাটিৰে তৈয়াৰ কৰা হয় যদিও আজিকালি ইয়াক কাঠেৰে সজা হয়। চুঙাৰ আকৃতিৰ একোটা মাদলৰ দুই মুৰ খোলা। ইয়াৰে এটা মুৰ আনটো মুৰতকৈ সৰু আৰু দুয়োটা মুৰ জন্তুৰ ছালেৰে ঢকা। চামৰাৰ ৰছীৰে দুয়োটা মুৰ সংযোগ কৰা হয়। অসমৰ লোক-সংগীতৰ ক্ষেত্ৰত মাদলৰ এক উল্লেখযোগ্য স্থান আছে।

ডম্বৰু হৈছে কাঠৰ এক বাদ্যযন্ত্ৰ। ডম্বৰু একোটাৰ দীঘ ১৫ৰ পৰা ২৫ ছেণ্টিমিটাৰ পৰ্যন্ত হ'ব পাৰে। বাদ্যযন্ত্ৰটোৰ মাজ অংশ সৰু, চিঁয়া আৰু দুয়োটা মুৰত গাঁঠি মৰা দুডাল ৰছী থাকে। চিঁয়া অংশত হাতেৰে ধৰি তাল অনুসাৰে লৰাই লৰাই সেই গাঁঠি মৰা ৰছী দুডালেৰে শব্দৰ সৃষ্টি কৰা হয়। নটৰাজৰ ভূমিকাত থকা শিৱৰ সৈতে এই ডম্বৰু জড়িত হৈ আছে। কথিত আছে যে শিৱই তাণ্ডৱ নৃত্যৰ সময়ত ডম্বৰু বজাইছিল। সমাজত এইবিধ বাদ্যযন্ত্ৰই অতি পৱিত্ৰ স্থান দখল কৰি আছে।

জন্তুৰ শিঙেৰে নিৰ্মিত পেঁপা মূলতঃ অসমৰ বিহু সংস্কৃতিৰ সৈতে জড়িত। ইয়াক মহৰ শিঙেৰে নিৰ্মাণ কৰি মুৰত সৰু বাঁহৰ নলী এডাল সংযোগ কৰি দিয়া হয়। এই প্ৰকাৰৰ পেঁপা আছে, এটীয়া আৰু দুটীয়া (যুৰীয়া পেঁপা)। এটীয়া পেঁপাৰ পাঁচ বা ছটা ফুটা থকাৰ বিপৰীতে যুৰীয়া পেঁপাত চাৰিটা ফুটা থাকে। পেঁপাটোৰ শিঙৰ খোলা অংশত ধাতুৰ আঙঠি এটা লগাই দিয়া হয়। সাধাৰণতে পেঁপা একোটা দুফুটৰ কম দীঘল হয় যদিও এই জোখৰ বিভিন্নতা আছে। অসমৰ সংস্কৃতিত পেঁপাই এক সন্মানজনক স্থান দখল কৰিছে।

এই বাদ্যযন্ত্রসমূহৰ উপৰি অসমীয়া সমাজ আৰু সংস্কৃতিত তাল, খঞ্জুৰী, গগণা, সুতুলী আদি অভিন্ন অংগ হৈ পৰিছে। এইবোৰৰ লগে লগে প্ৰদেশখনৰ বিভিন্ন জনজাতিসমূহৰ নিজস্ব পৰম্পৰাগত বাদ্যযন্ত্ৰ আছে। এইদৰে অসমৰ বহু বিভিন্ন বস্তুগত সংস্কৃতিৰ সমাহাৰে অসমৰ সংস্কৃতি চহকী কৰি তুলিছে।

৫.৭ অগ্ৰগতিৰ খতিয়ান

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

১। অতি চমু প্ৰশ্ন—

প্ৰশ্ন ১ ঃ নমানো কাক বোলা হয়?

.....

প্ৰশ্ন ২ ঃ ইকৰাৰ কি?

.....

প্ৰশ্ন ৩ ঃ কো-বেং কাক বোলা হয়?

.....

প্ৰশ্ন ৪ ঃ ছুখেপ কাক বোলা হয়?

.....

প্ৰশ্ন ৫ ঃ ইণ্ড কি?

.....

প্ৰশ্ন ৬ ঃ গৰ্ছাল কি?

.....

৫.৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে যে—

- পৰম্পৰাগত সমাজবোৰত মানুহে কেনেকৈ ঘৰ সাজে, কাপোৰ বয়, আ-অলংকাৰ, খাদ্য, সা-সঁজুলি, আচবাব, চিত্ৰ আদি তৈয়াৰ কৰে সেইবোৰো এখন বিশেষ জাতিৰ বস্তুগত সংস্কৃতিত অন্তৰ্ভুক্ত হয়।
- বিভিন্ন জনজাতি আৰু অজনজাতি লোকৰ সংমিশ্ৰণত গঢ়ি উঠা অসমৰ বস্তুগত সংস্কৃতিত চিত্ৰকলা, স্থপতি, সাজপাৰ, আ-অলংকাৰ আদি অনন্য।
- বিভিন্ন জাতি-জনজাতিৰ মিলনভূমি অসমত থকা নানান জাতি-জনজাতিৰ বিভিন্ন লোক-কলা, লোক-চিত্ৰ, লোক-পৰিচ্ছদ আৰু অলংকাৰে অসমৰ সংস্কৃতি চহকী কৰি তুলিছে।
- অসমখন ভূমিকম্প প্ৰৱণ ঠাই হোৱা বাবে ইয়াত ভূমিকম্প প্ৰতিৰোধী এক বিশেষ ধৰণৰ ঘৰ, জনপ্ৰিয় ভাৱে কোৱা 'অসম আৰ্হিৰ ঘৰ' সজা হয়। এই ঘৰবোৰ বাঁহ, কাঠ, খেৰ, গোবৰ, ইকৰা, বেত আদি পাতল সামগ্ৰীৰে সজা হয়।
- কাঁহ-শিল্প হৈছে অসমৰ এক থলুৱা শিল্প আৰু অসমীয়া সমাজত এই উপাদানসমূহৰ এক সুকীয়া স্থান আছে। দৈনন্দিন ঘৰুৱা কামকাজৰ উপৰি বিভিন্ন ধৰ্মীয়-সামাজিক আৰু সাংস্কৃতিক কামকাজত কাঁহৰ সামগ্ৰীৰ ব্যৱহাৰ কৰা হয়।

- অসমৰ সাংস্কৃতিক ঐতিহ্য চহকী কৰিব পৰাকৈ অসমত ভালেমান বাদ্যযন্ত্ৰ ব্যৱহাৰ কৰা হয়।

✓ ১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ বড়ো জাতিৰ মূল ঘৰটোক নমানো বোলা হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত অসম আৰ্হিৰ ঘৰৰ বেৰৰ দৰে ছাল তৈয়াৰ কৰিবৰ বাবে বনৰীয়া এবিধ ঘাঁহজাতীয় গছ ইকৰা ব্যৱহাৰ কৰা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত মিচিং ঘৰত উঠিবৰ বাবে কো-বেং নামৰ জখলা ব্যৱহাৰ কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ডিমাচা মহিলাই মূৰত ছুখেপ নামৰ এবিধ ৰংচঙীয়া শিৰস্ত্ৰাণ ব্যৱহাৰ কৰে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দেউৰী মহিলাই শৰীৰৰ তলৰ অংশ ঢাকিবৰ বাবে ইণ্ড নামৰ পৰম্পৰাগত পোচাক পিন্ধে।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গৰ্ছাল হৈছে কাঁহৰ সামগ্ৰী নিৰ্মাণৰ গোট।

? ১.১০ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১ ঃ ক্লং কাক বোলা হয়?

প্ৰশ্ন ২ ঃ বড়ো জাতিৰ যিকোনো দুবিধ পৰম্পৰাগত পোছাকৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ মিচিং জাতিৰ যিকোনো দুবিধ পৰম্পৰাগত পোছাকৰ নাম লিখক।

প্ৰশ্ন ৪ ঃ ৰিহা বুলিলে কি বুজে?

প্ৰশ্ন ৫ ঃ কাঁহৰ সামগ্ৰী নিৰ্মাণত ব্যৱহাৰ কৰা দুবিধ সঁজুলিৰ নাম লিখক।

(খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১ ঃ কাৰ্বি জাতিৰ যিকোনো দুবিধ পৰম্পৰাগত অলংকাৰৰ নাম লিখক।

প্ৰশ্ন ২ ঃ ৰাভা জাৰি যিকোনো দুবিধ পৰম্পৰাগত অলংকাৰৰ নাম লিখক।

প্ৰশ্ন ৩ ঃ নকচেক-অৰপং কি?

প্ৰশ্ন ৪ ঃ কাঁহেৰে নিৰ্মিত বিভিন্ন তালৰ নাম লিখক।

প্ৰশ্ন ৫ ঃ কাঁহ কেনেকৈ তৈয়াৰ কৰা হয়?

(গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১ ঃ বস্তুগত সংস্কৃতি বুলিলে কি বুজা যায়? বস্তুগত সংস্কৃতি অন্তৰ্গত কি কি বস্তু অন্তৰ্ভুক্ত কৰা হয়?

প্ৰশ্ন ২ ঃ 'অসম আৰ্হিৰ ঘৰ' সম্পৰ্কে এটা চমুটোকা লিখক।

প্ৰশ্ন ৩ ঃ অসমীয়া মহিলাৰ বিভিন্ন পৰম্পৰাগত অলংকাৰৰ নাম লিখক।

প্ৰশ্ন ৪ ঃ অসমৰ কাঁহ-শিল্পৰ এটা চমুটোকা লিখক।

প্ৰশ্ন ৫ ঃ অসমৰ যিকোনো দুবিধ বাদ্যযন্ত্ৰৰ নাম লিখক। সেই বাদ্যযন্ত্ৰ দুবিধ কেনেকৈ তৈয়াৰ কৰা হয়?

** *** **

অধ্যায় ৬ ঃ অসমৰ ধৰ্মীয় পৰম্পৰাসমূহ

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য
৬.২ পৰিচয়
৬.৩ অসমৰ ধৰ্মীয় পৰম্পৰাসমূহ
৬.৪ অসমত শৈৱ ধৰ্ম
- অসমত শৈৱ কেন্দ্রসমূহ
- অসমৰ শৈৱ সাহিত্য

৬.৫ অসমত শাক্তধৰ্ম
- অসমত শক্তি উপাসনাৰ কেন্দ্রসমূহ
- অসমৰ শাক্ত সাহিত্য

৬.৬ অসমত বৌদ্ধ ধৰ্ম
- অসমত বৌদ্ধ কেন্দ্রসমূহ
- অসমৰ বৌদ্ধ সাহিত্য

৬.৭ অসমত বৈষ্ণৱ ধৰ্ম
- অসমৰ বৈষ্ণৱ কেন্দ্রসমূহ
- অসমৰ বৈষ্ণৱ সাহিত্য

৬.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৬.৯ অধিক জানিবলৈ
৬.১০ অগ্রগতিৰ খতিয়ান
৬.১১ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- অসমৰ ধৰ্মীয় পৰম্পৰাসমূহ আৰু ইয়াৰ ইতিহাসৰ বিষয়ে জানিব পাৰিব
- শৈৱ ধৰ্ম আৰু অসমত ইয়াৰ প্রভাৱৰ বিষয়ে আলোচনা কৰিবলৈ সক্ষম হ'ব।
- ধৰ্ম-বিশ্বাস ৰূপে অসমত শাক্ত ধৰ্মৰ চর্চাৰ বিষয়ে আলোচনা কৰিব পাৰিব।
- জনসাধাৰণৰ জীৱনত বৌদ্ধধৰ্মৰ প্রভাৱ আৰু ইয়াৰ প্রসাৰৰ বিষয়ে বর্ণনা কৰিব পাৰিব
- অসমত বৈষ্ণৱধৰ্মৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৬.২ পৰিচয়

মানৱ জীৱন আৰু জীৱন যাপনৰ ৰীতিৰ সৈতে ধৰ্মৰ এক নিকট সম্বন্ধ আছে। মানৱ ইতিহাসৰ প্রাৰম্ভিক সময়ৰ পৰাই প্রাকৃতিক পৰিঘটনাসমূহে সদায় মানুহৰ মাজত ভয়, জিজ্ঞাসা, প্রশ্ন আৰু এক অনুসন্ধিৎসুৰ ভাব জগাই আহিছে। ইয়াৰ আগৰ অধ্যায়ত আমি অসমৰ চহকী লোক সংস্কৃতি আৰু এই অঞ্চলক সমৃদ্ধ কৰা ইয়াৰ

বিভিন্ন দিশৰ বিষয়ে গভীৰভাৱে আলোচনা কৰি আহিছো। আমি ইয়াৰ সমাজত প্ৰচলিত মৌখিক পৰম্পৰাসমূহ, সাহিত্য আৰু ৰীতি নীতিৰ বিষয়ে আলোচনা কৰিলো।

এতিয়া এই অধ্যায়টিত আমি অসমৰ ধৰ্মীয় পৰম্পৰাসমূহৰ বিষয়ে আলোচনা কৰিম। অসমতো বিভিন্ন সময়ত কিছুমান লোক বিশ্বাস ভিত্তি কৰি বহু ধৰ্মীয় বিশ্বাসৰ উদ্ভৱ হৈছিল। আনহাতে কিছু ধৰ্মীয় বিশ্বাসক এই অঞ্চললৈ বিভিন্ন ধৰ্মীয় সম্প্ৰদায়ৰ অনুগামীসকলে কঢ়িয়াই আনিছিল।

এই অধ্যায়টিত আলোচনা কৰা অসমৰ পাচটা প্ৰধান ধৰ্মীয় পৰম্পৰা হ'ল- শৈৱ ধৰ্ম, শাক্ত ধৰ্ম, বৌদ্ধ ধৰ্ম, বৈষ্ণৱধৰ্ম, আৰু নৱ বৈষ্ণৱধৰ্ম।

৬.৩ অসমৰ ধৰ্মীয় পৰম্পৰাসমূহ

প্ৰাচীন অসমে এক বিশাল অঞ্চলক সূচিত কৰিছিল, যি আকাৰত বৰ্তমানৰ ভাৰতবৰ্ষৰ এখন ৰাজ্য হিচাপে অসমতকৈ যথেষ্ট ডাঙৰ আছিল। ই আছিল animism (এনিমিজি) অনুসৰণ কৰা কিছু সংখ্যক জনজাতিৰ বাসস্থান। এই সকলে জনজাতি উৰ্বৰতা পন্থাৰ উপাসনা (fertility cult), শিৰ চিকাৰ, পূৰ্বপুৰুষ উপাসনা, যাদু-মন্ত্ৰ আদিত বিশ্বাস কৰিছিল আৰু দৈবীয় মণ্ডলী বা বস্তু ৰূপে সূৰ্য্য, চন্দ্ৰ, বৰষুণ আৰু বজ্ৰপাতক উপাসনা কৰিছিল।

জানি থোৱা ভাল

জীৱ জন্তু উপাসনা (animism) এনে এক বিশ্বাস য'ত কোৱা হয় যে মানুহৰ বাহিৰেও আন সত্তাসমূহ যেনে চৰাই, জন্তু আৰু নিষ্প্ৰাণ সামগ্ৰীসমূহৰো এক আধ্যাত্মিক অস্তিত্ব থাকে। এনিমিজিমত অ- মানৱীয় সত্তা যেনে চৰাই আৰু জন্তু আৰু নিষ্প্ৰাণ বস্তু যেনে শিলক উপাসনা কৰা হয়।

আৰ্যসকলে খ্ৰীষ্টাব্দ আৰম্ভ হোৱাৰ (অৰ্থাৎ যীশু খ্ৰীষ্টৰ জন্মৰ আগেয়ে) কিছু শতিকা আগতে অসমত প্ৰৱেশ কৰিছিল। আৰ্যসকলৰ আগমনৰ সৈতে অসমত ব্ৰাহ্মণ্য ধৰ্মৰ আচাৰ আৰু ঔপচাৰিকতাৰো প্ৰবেশ ঘটে। তাৰ পিছৰে পৰা অসমত পুৰাতন অনাৰ্য বিশ্বাস আৰু প্ৰথাৰ সৈতে ব্ৰাহ্মণ্য ধৰ্মৰ আচাৰ আৰু ঔপচাৰিকতাৰো সহাৱস্থান ঘটে। এইবাবেই অসমত এই পৰ্যন্ত অনাৰ্য আৰু আৰ্য ধৰ্মীয় বিশ্বাসৰ এক সংমিশ্ৰণ দেখিবলৈ পোৱা যায়।

অন্য কিছু ধৰ্মৰ অসমত পিছলৈ প্ৰৱেশ কৰে। বিভিন্ন ধৰ্মীয় কেন্দ্ৰ যেনে মন্দিৰ, সত্ৰ, নামঘৰ, মছজিদ আৰু গীৰ্জা আৰু অন্যান্য সমূহৰ যথেষ্ট হাৰত অৱস্থিতিয়ে প্ৰমাণিত কৰে যে অসম বিভিন্ন ধৰ্মীয় বিশ্বাসৰ এক মিলন স্থলী। বিভিন্ন ধৰ্মীয় পন্থাৰ কোনো সংঘাতৰ আশ্ৰয় নোলোৱাকৈ হোৱা সহাৱস্থান এই অঞ্চলৰ এক একক বা অদ্বিতীয় পৰিঘটনা। প্ৰত্যেক ধৰ্মীয় বিশ্বাসৰে ধৰ্মৰ সৈতে সম্পৰ্কীয় নিজা সাহিত্য আছে। আমি এতিয়া অসমৰ পাচটা প্ৰধান ধৰ্মীয় পৰম্পৰাৰ বিষয়ে এটা এটাকৈ আলোচনা কৰিম।

৬.৪ অসমত শৈৱ ধৰ্ম

ভগৱান শিৱক সৰ্বোচ্চ আৰাধ্য দেৱতা ৰূপে উপাসনা কৰা ধৰ্মীয় পন্থাকে শৈৱপন্থা বুলি জনা যায়। পণ্ডিতসকলৰ মতে শিৱ মূলতে এজন অনাৰ্য জনজাতীয় দেৱতা আছিল। তেওঁক পিছলৈ বৰ্তমান হিন্দু ধৰ্ম বুলি জনাজাত হোৱা ধৰ্মমতত অন্তৰ্ভুক্ত কৰা হয়।

শৈৱ ধৰ্ম ইয়াৰ প্ৰাৰম্ভিক ৰূপত সিন্ধু উপত্যকা সভ্যতা বা হৰপ্পা সভ্যতাৰ (২৫০০ খ্ৰীষ্টপূৰ্ব-১৫০০ খ্ৰীষ্টপূৰ্ব) পৰাই বৰ্তি আছিল বুলি গণ্য কৰা হয়। এই সভ্যতাৰ অৱশেষসমূহৰ উৰ্বৰ তাৰ পৰা প্ৰজনন আৰু লিংগ উপাসনাৰ প্ৰচলনৰ প্ৰমাণ পোৱা গৈছে। পুৰুষ জননেন্দ্ৰিয় বা লিংগক পিছত শিৱৰ ৰূপত ব্যক্তিত্ব প্ৰদান কৰা হয়। এই সভ্যতাত অন্য ৰূপতো শিৱৰ প্ৰকাশ ঘটিছে। এই সভ্যতাৰ ধ্বংসাৱশেষত প্ৰাপ্ত পশুপতি শিৱৰ (পশুৰ অধিপতি) প্ৰতিচ্ছবিয়ে ইয়াৰ প্ৰমাণ দিয়ে।

বৈদিক সভ্যতাত ৰূদ্ৰ নামৰ এজন দেৱতা আছিল। যজুৰ্বেদ আৰু অথৰ্ববেদত ভগৱান ৰূদ্ৰৰ উল্লেখ আছে। এই আৰ্য দেৱতাজনক ধ্বংসৰ দেৱতা বুলি গণ্য কৰা হৈছে। তেওঁ বনত বাস কৰা অধিবাসীসকলৰ অধিপতি আছিল।

ইয়াৰ বিপৰীতে, অনাৰ্য দেৱতা শিৱক দয়ালু বুলি বিশ্বাস কৰা হৈছে আৰু সৃষ্টিৰ প্ৰতীক বুলি গ্ৰহণ কৰা হৈছিল।

বৈদিক দেৱতা ৰূদ্ৰ আৰু অনাৰ্যদেৱতা শিৱক পিছলৈ একৰূপে একত্ৰিত কৰা হয়। কিন্তু এই একত্ৰিত ৰূপ নিহিত থকা বাবে শৈৱ ধৰ্মত দুই পৃথক প্ৰকাৰৰ মতৰ বিকাশ ঘটে। ইয়াৰে এটা পন্থাই শিৱক এজন বিনাশকৰ চাৰিত্ৰীক বৈশিষ্ট্যৰ ৰূপত বিশ্বাস কৰে, অন্যহাতে আনটো পন্থাই শিৱক এগৰাকী দয়ালু ভগবানৰ ৰূপত বিশ্বাস কৰে। ৰামায়ণ আৰু মহাভাৰতত শিৱক বৰ্তমান হিন্দুধৰ্ম ৰূপে জনাজাত ধৰ্মৰ এজন দেৱতা ৰূপে গণ্য কৰা হৈছে। হিন্দুধৰ্মৰ ১৮ খন পু�ৰাণ আছে। এই পুৰাণসমূহৰ ভিতৰত শিৱ পুৰাণ অন্যতম, যিখনে ষষ্ঠতম পুৰাণ ৰূপে স্থান লাভ কৰিছে।

পাৰ্বতী শিৱৰ পত্নী ৰূপে সৰ্বজন বিদিত। বাধা বিঘিনি আতৰ কৰা দেৱতা গণেশ আৰু যুদ্ধৰ দেৱতা কাৰ্তিক তেওঁলোকৰ পুত্ৰ। হিমালয়ৰ উচ্চ অঞ্চলৰ কৈলাশত তেওঁলোকৰ বাসস্থান আছিল বুলি বিশ্বাস কৰা হয়।

জানি থোৱা ভাল

পশুপতি শিৱ মহেঞ্জোদাৰোত প্ৰাপ্ত এটা মোহৰত (seal) খোদিত থকা এক আসনত বহি থকা ৰূপত এক অৱয়ব। এই অৱয়বক শিৱৰ এক আদি ৰূপ বুলি গণ্য কৰা হয়। ইয়াক জন্তুৱে বা পশুৱে আৱৰি আছে। সেইবাবে, ইয়াক পশুপতি শিৱ বা পশুৰ অধিপতি বুলি কোৱা হয়।

- **অসমত শৈৱ ধৰ্ম**

শৈৱধৰ্ম হৈছে অসমৰ প্ৰাৰম্ভিক সময়ৰে পৰা চৰ্চা হৈ থকা অন্যতম ধৰ্ম। এজন জনজাতীয় দেৱতা ৰূপে শিৱক কিৰাত নামেৰে জনাজাত অসমৰ অনাৰ্য অষ্ট্ৰীকমূলীয় আদিবাসীসকলে ব্যাপকভাৱে উপাসনা কৰিছিল। পৰৱৰ্তী সময়ত শৈৱধৰ্ম তান্ত্ৰিকবাদৰ লগত জড়িত হৈ পৰিল য'ত শক্তি আহৱণৰ বাবে যাদু মন্ত্ৰ ব্যৱহৃত হয়। সেইবাবেই, শক্তি উপাসনা, যাক মৌলিক শক্তি আৰু নাৰীৰূপে চিহ্নিত কৰা হৈছে, শিৱৰ উপাসনাৰ সৈতে ওতঃপ্ৰোত ভাৱে জড়িত হৈ পৰে। প্ৰচীন অসমৰ শৈৱধৰ্মৰ দৰেই, প্ৰচীন অসমৰ শক্তি ধৰ্মও অষ্ট্ৰীক মূলৰ।

শৈৱ ধৰ্ম আৰু শক্তি ধৰ্ম উৰ্বৰতা শক্তিৰ উপাসনাৰ সৈতে জড়িত, যি মানৱ দেহৰ যৌনাংগৰ দ্বাৰা প্ৰতীকী ৰূপত সূচোৱা হয়। শৈৱধৰ্মত পুৰুষ জননেন্দ্ৰিয় অৰ্থাৎ লিংগক উপাসনা কৰা হয়। শাক্তপন্থাত নাৰী জননেন্দ্ৰিয় অৰ্থাৎ যোনীক উপাসনা কৰা হয়।

কিছু সংখ্যক উপাখ্যানে প্ৰাচীন অসমৰ শৈৱ উপাসনাক ৰজা জল্লেশ্বৰৰ সৈতে জড়িত কৰে। বিশ্বাস কৰা

হয় যে এইজন ৰজাৰ ৰাজধানী পশ্চিমবংগৰ উত্তৰৰ বৰ্তমানৰ জলপাইগুড়ি চহৰত আছিল।

অন্য কিছু উপাখ্যানে শৈৱধৰ্মক নৰকৰ সৈতে জড়িত কৰে। বিশ্বাস কৰা হয় যে ভগৱান বিষ্ণুৰ পুত্ৰই মিথিলাৰ পৰা (বৰ্তমানৰ বিহাৰ) অসমলৈ আৰ্য সভ্যতাৰ কঢ়িয়াই আনিছিল। বিশ্বাস কৰা হয় যে নৰকৰ আগমনৰ আগলৈকে অসম শৈৱ ধৰ্মৰ এক শক্তিশালী কেন্দ্ৰস্থল আছিল। ইয়াৰ উদাহৰণস্বৰূপে সমসাময়িক শোণিতপুৰৰ অনাৰ্য ৰজা বাণৰ তীব্ৰ আৰু গভীৰ শিৱ ভক্তিক কথা ক'ব পাৰি। বাণক যুদ্ধত ভগৱান বিষ্ণুৰ অৱতাৰ ভগৱান শ্ৰীকৃষ্ণই পৰাজিত কৰে। এই পৰাজয়ে এই পৰ্যায়ত হোৱা অবনতিক সূচিত কৰে। লগতে শ্ৰীকৃষ্ণৰ দ্বাৰা এই অঞ্চলত হোৱাৰ আৰ্য ধৰ্মৰ প্ৰসাৰ সূচিত কৰে।

ইতিহাসে প্ৰাচীন অসমত শৈৱপন্থা বৰ্তি থকাৰ প্ৰমাণ দিয়ে। প্ৰাচীন অসমৰ কিছু সংখ্যক ভূ-দান লিপিত ভগৱান শিৱৰ গুণানুকীৰ্তন পোৱা যায়। বনমালাবৰ্মনৰ তেজপুৰ দানলিপি, হৰ্জৰবৰ্মনৰ হায়ুংথাল তাম্ৰ পত্ৰ, বলবৰ্মনৰ নগাঁও দানলিপি আৰু ইন্দ্ৰপালৰ গুৱাহাটী তাম্ৰপত্ৰ আদি ভগৱান শিৱৰ প্ৰতি উৎসৰ্গীকৃত হৈছে। ইয়ে এই ৰজাসমূহৰ শৈৱ ধৰ্মৰ প্ৰতি থকা আনুগত্যক প্ৰমাণিত কৰে।

- **অসমত শৈৱ কেন্দ্ৰসমূহ**

প্ৰাচীন সময়ৰে পৰা অসম শৈৱ কেন্দ্ৰসমূহৰ বাবে প্ৰখ্যাত। প্ৰাচীন অসমৰ শাসক সকলে অসম জুৰি কিছু সংখ্যক শিৱ মন্দিৰ নিৰ্মাণ কৰিছিল। মধ্যযুগৰ সময়চোৱাতো আহোম শাসকসকলে শিৱ মন্দিৰ নিৰ্মাণ কৰিছিল।

শোণিতপুৰ জিলাৰ তেজপুৰত অৱস্থিত মহাভৈৰৱ মন্দিৰ অসমৰ অন্যতম প্ৰাচীন শিৱ মন্দিৰ। ৰজা বাণৰ জীয়াৰী উষাই ইয়াত শিৱক উপাসনা কৰিছিল বুলি বিশ্বাস কৰা হয়।

তেজপুৰৰ দ-পৰ্বতীয়াৰ ভাস্কৰ্যৰ অৱশেষে তাত এটা শিৱ মন্দিৰৰ অৱস্থিতিৰ পিনে আঙুলিয়াই দিয়ে। এই মন্দিৰৰ ভাস্কৰ্যৰ সৈতে গুপ্ত সময়ৰ ভাস্কাৰ্য্যৰ মিল আছে। সেই বাবে অনুমান কৰিব পাৰি যে এই মন্দিৰৰ ধ্বংসাৱশেষ ভাৰতবৰ্ষৰ মূল ভূ-খণ্ডত গুপ্তসকলে শাসন কৰা সময়ৰে। ইয়াৰ অৰ্থ যে এই মন্দিৰ প্ৰায় ডেৰ হাজাৰ বছৰ প্ৰাচীন হ'ব পাৰে।

প্ৰাচীন অসমৰ ৰজা ভাস্কৰবৰ্মন (৭শ খ্ৰীষ্টাব্দ) শৈৱ ধৰ্মৰ অনুগামী আছিল। ভাস্কৰ বৰ্মনৰ শাসনকালত অসমলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে তেওঁৰ ভ্ৰমন বৃত্তান্ত 'চিং-য়ু-কিং' ত উল্লেখ কৰি গৈছে যে সেই সময়ত অসম দেৱ মন্দিৰৰ বাবে বিখ্যাত আছিল। সম্ভৱতঃ দেৱ মন্দিৰ বুলি শিৱৰ মন্দিৰসমূহকে সূচোৱা হৈছে।

জানি থোৱা ভাল

জুৱানজাং (Xuaneang), যাক সাধাৰণতে হিউৱেন চাং (৬০২ শক - ৬৬৪) বুলি জনা যায়, তেওঁ খ্ৰীষ্টাব্দ ৭ ম শতিকাৰ প্ৰথম ভাগত ভাৰত ভ্ৰমণলৈ আহিছিল। তেওঁৰ স্থলপথেৰে ভাৰতবৰ্ষলৈ কৰা ভ্ৰমণ ১৭ বছৰ জুৰি ব্যাপ্ত আছিল। তেওঁ প্ৰাচীন অসমলৈ আহিছিল আৰু তেওঁৰ ভ্ৰমণ বিৱৰণ 'চি -য়ু-কি'ত প্ৰাচীন অসমৰ ৰাজনৈতিক, সামাজিক আৰু ধৰ্মীয় জীৱনৰ বিষয়ে মূল্যবান তথ্য পোৱা যায়।

মধ্যযুগৰ অসমৰ শাসকসকলেও শৈৱধৰ্ম অনুসৰণ আৰু পৃষ্ঠপোষকতা কৰিছিল। কোচ সাম্ৰাজ্যৰ প্ৰতিষ্ঠাতা বিশ্ব সিংহই নিজকে শিৱৰ উত্তৰসুৰী বুলি দাবী কৰিছিল। শৈৱ ধৰ্মক তেওঁৰ ৰাজ্যৰ আনুষ্ঠানিক ধৰ্ম ৰূপে ঘোষণা কৰিছিল আৰু শিৱৰ নাম খোদিত থকা মুদ্ৰা জাৰী কৰিছিল। কিছু সংখ্যক আহোম ৰজায়ো শৈৱ ধৰ্ম অনুসৰণ কৰিছিল আৰু শিৱ মন্দিৰ নিমাৰ্ণ কৰি ইয়াৰ প্ৰসাৰ ঘটাইছিল। আহোম ৰজা গদাধৰ সিংহই কামৰূপ জিলাৰ

গুৱাহাটীৰ উমানন্দ মন্দিৰ সপ্তদশ শতিকাত নির্মাণ কৰিছিল। প্রমত্ত সিংহই ১৭৪৪ চনত গুৱাহাটীত শুক্রেশ্বৰ মন্দিৰ নিমার্ণ কৰিছিল। গুৱাহাটীৰ বশিষ্ঠাশ্রমত অৱস্থিত শিৱ মন্দিৰ অষ্টাদশ শতিকাত ৰাজেশ্বৰ সিংহই নির্মাণ কৰিছিল।

অসমৰ অন্য কিছু সংখ্যক গুৰুত্বপূর্ণ শিৱ মন্দিৰ হৈছে কামৰূপ জিলাৰ কামাখ্য আৰু মদন-কামদেৱৰ শিৱ মন্দিৰ, গোৱালপাৰা জিলাৰ সূর্য পাহাৰ অঞ্চলৰ শম্ভেশ্বৰ মন্দিৰ, শোণিতপুৰ জিলাৰ নাগশংকৰৰ নাগশংকৰ মন্দিৰ আৰু বিশ্বনাথঘাটৰ বিশ্বনাথ মন্দিৰ, শিৱসাগৰ জিলাৰ শিৱসাগৰত অৱস্থিত শিৱদ'ল, নলবাৰী জিলাৰ বেলশৰৰ বিল্বেশ্বৰ মন্দিৰ আৰু দিংদিঙিৰ জয়পাল মন্দিৰ। ইয়াৰে কিছু সংখ্যক মন্দিৰ যেনে কামাখ্যা, মদন কামদেৱ আৰু নেঘেৰিটিঙৰ মন্দিৰ আহোমসকলৰ পূর্বৱর্তী সময়ত অর্থাৎ প্রাচীন সময়চোৱাত নির্মাণ কৰা হৈছিল। অন্যসমূহ, যেনে শিৱসাগৰৰ শিৱদৌল, বিশ্বেশ্বৰ আৰু জয়পাল মন্দিৰ মধ্যকালীন সময়চোৱাত বিভিন্ন আহোম ৰজাৰ দ্বাৰা নির্মাণ কৰা হৈছিল।

শিৱক অসমত সম্পূর্ণ ৰূপত আৰু লিংগ বা পুৰুষ জননেন্দ্রিয়, উভয় ৰূপতে উপাসনা কৰা হৈছিল। কামাখ্যা মন্দিৰত এক বৃহৎ শিৱ লিংগ আছে। এই লিংগটিক জ্যোতির্লিংগ (পোহৰৰ লিংগ) বুলি জনা যায়। অসমত লিংগৰ এনে উপাসনাই শৈৱধর্মৰ সৈতে শাক্ত ধর্মৰ নিকট সম্পর্ককে সূচিত কৰে।

অসমৰ নৃগোষ্ঠীয় অধিবাসীসকলৰ মাজত পু�ৰাতন জনজাতীয় ৰূপতো শিৱৰ উপাসনাৰ প্রথাৰ প্রচলন আছিল। বড়োসকলে উপাসনা কৰা জনজাতীয় দেৱতা বাথৌৰ শিৱৰ সৈতে সাদৃশ্য আছে।

অসমত শৈৱৰ উপাসনাৰ সৈতে ফুল, তুলসী বেলপাত, গাখীৰ আদি জড়িত হৈ আছে। শিৱৰাত্রি হৈছে শিৱ উপাসনাৰ উৎসৱ। এই উৎসৱ সমগ্র অসমজুৰি বিশেষকৈ কামাখ্যাত পালন কৰা হয়।

● অসমৰ শৈৱ সাহিত্য

অসমৰ শৈৱ সাহিত্য দুই প্রকাৰৰ ঃ মৌলিক আৰু লিখিত। অসমৰ মৌখিক শৈৱ সাহিত্যসমূহ লোক কবিতা, লোক সংগীত, নাম আদি ৰূপত উপলব্ধ। এই সমূহৰ লগত জড়িত কিছু সংখ্যক মৌখিক সাহিত্য হৈছে ওজাপালি, টোকাৰী গীত, বিয়ানাম, সদাশিৱৰ নাম আৰু অন্যান্য। এই মৌখিক সাহিত্যসমূহে শিৱৰ বৈদিক ৰূপৰ পৰিৱর্তে এক লোকবিশ্বাসত বা পৰম্পৰাগত ৰূপক প্রতিফলিত কৰে। অসমৰ লোক কবিতা, গীত আৰু নামত শিৱক জটীয়া গোঁসাই (কেকোঁৰা চুলিৰ দেৱতা), বুঢ়া দৰা (বয়সীয়া দৰা) ভাঙুৰা (ভাঙৰ দ্বাৰা নিচাসক্ত) আদি ৰূপত কল্পনা কৰা হয়। অসমৰ চহা জনসাধাৰণক গভীৰভাৱে প্রভাৱিত কৰা কৃষিগত জীৱন-ধাৰণ প্রণালীয়ে শিৱক আনকি এজন কৃষক আৰু মগণীয়াৰ ৰূপতো কল্পনা কৰিবলৈ অৰিহণা যোগাইছে। শিৱৰ এই পৰম্পৰাগত চিত্রায়ণত শিৱৰ পৰোপকাৰী প্রকৃতি আৰু তেওঁৰ আমোদজনক জীৱন প্রণালীত গুৰুত্ব আৰোপ কৰা হৈছে।

অসমৰ লিখিত শৈৱ সাহিত্যসমূহৰ ভিতৰত কালিকা পুৰাণ আৰু যোগিনী তন্ত্র উল্লেখযোগ্য। খ্রীষ্টিয় দশম শতিকাত সংস্কৃতত ৰচিত "কালিকা পুৰাণ"ত শৈৱধর্মক দুটা উপ সম্প্রদায়ত - কপালিক আৰু পশুপতিৰ বিষয়ে উল্লেখ আছে। ইয়াত উল্লেখ থকা মতে কপালিকসকল পশুপতিসকলতকৈ অধিক ভয়ংকৰ আছিল। কালিকা পুৰাণত শাক্ত ধর্মৰ বিষয়েও উল্লেখ আছে।

জানি থোৱা ভাল

পৰম্পৰাগতভাৱে ব্যাসৰ দ্বাৰা ৰচিত বুলি ধৰা হয় যদিও, পুৰাণসমূহ প্ৰকৃতাৰ্থত এক সুদীৰ্ঘ সময় কালৰ ভিতৰত সংস্কৃতত কৰা বিভিন্ন কবিৰ সৃষ্টি। এই সময়ত বিভিন্ন হিন্দু দেৱ-দেৱীৰ গুণানুকীৰ্তন কৰা হৈছে, কিন্তু লগতে প্ৰাচীন দৰ্শনবো ভঁড়াল স্বৰূপ। পুৰাণসমূহ খ্ৰীষ্টপূৰ্ব ১৫০০ ৰ পৰা ১০০০ খ্ৰীষ্টাব্দৰ ভিতৰত ৰচিত হৈছিল।

খ্ৰীষ্টাব্দ ষষ্ঠদশ শতিকাত সংস্কৃতত ৰচনা কৰা যোগিনী তন্ত্ৰ শাক্তপন্থাৰ বিষয়ে উল্লেখ আছে। এই পুথিত শৈৱ ধৰ্মৰ অন্য দুটা উপশাখাৰ বিষয়ে উল্লেখ আছে- কৌল আৰু অৱধূত। কোৱা হয় যে এই দয়োটা উপ শাখাত শিৱ আৰু শক্তি উভয়কে উপাসনা কৰা হৈছিল। যোগিনী তন্ত্ৰত শিৱক গোপনে উপাসনা কৰাৰ বিষয়ে বিধান দিয়া আছে। এনে ঔপচাৰিকতাৰ ভিতৰত "পঞ্চ মক্কাৰ" অন্যতম, যাক চূড়ান্ত বাওঁপন্থাৰ ঔপচাৰিকতা বুলি কোৱা হয়।

খ্ৰীষ্টিয় ত্ৰয়োদশ শতিকাত সংস্কৃত ভাষাত ৰচিত হৰ-গৌৰী সংবাদতত শিৱ আৰু শক্তিৰ সম্পৰ্কৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰক ঃ

১. ..... প্ৰাচীন অসমৰ আদি শিৱ উপাসক আছিল।

২. ..... ভূমি দানলিপি শৈৱধৰ্মৰ বিষয়ে উল্লেখ আছে।

৩. ..... য়ে শৈৱধৰ্মক আনুষ্ঠানিক ধৰ্ম কৰিছিল।

৪. ..... ত শিৱ আৰু শক্তিৰ সম্পৰ্কৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে।

৬.৫ শাক্তধৰ্ম

শক্তি হৈছে নাৰী ৰূপে চিহ্নিত কৰা আদি শক্তি। শক্তিৰ উপাসনা হৈছে ভাৰতবৰ্ষৰ অন্যতম প্ৰাচীন ধৰ্মীয় বিশ্বাস। নাৰীৰ শক্তিৰ বিষয়ে লোক বিশ্বাস, মন্ত্ৰ আৰু যাদুৰ ব্যৱহাৰ আদি শক্তিধৰ্মৰ বিকাশৰ মূল । এই সভ্যতাৰ আবিষ্কৃত কিছুমান প্ৰতিমৰ্তিৰ দ্বাৰা এই কথা প্ৰমাণিত হৈছে। বৈদিক সাহিত্যতো নাৰী উপাসনাৰ প্ৰথাৰ বিষয়ে প্ৰমাণ পোৱা যায়। বৈদিক সাহিত্যত দুৰ্গা, কালী আৰু উমা আদি কিছু সংখ্যক দেৱীৰ উল্লেখ পোৱা যায়। ৰামায়ণ, মহাভাৰত আৰু পুৰাণসমূহ বিশেষকৈ মাৰ্কেণ্ডয় পুৰাণত শক্তি উপাসনাৰ বিষয়ে উল্লেখ আছে।

শক্তিক প্ৰায়ে মাতৃ দেৱতা ৰূপত উপাসনা কৰা হয় । মাতৃ দেৱীৰ বিভিন্ন ৰূপ যেনে, পাৰ্বতী, দুৰ্গা, কালী, চামুণ্ডা, পদ্মা ইত্যাদি। তেওঁ মাতৃৰ দৰে যদিও সময়ত ভয়ংকৰ ৰূপ ধাৰণ কৰে। মাতৃ দেৱীক প্ৰায়ে শিৱৰ পত্নীৰ ৰূপত উপাসনা কৰা হয়। শিৱৰ পত্নীক বিভিন্ন নাম, যেনে, সতী, পাৰ্বতী, দুৰ্গা, কালী আদি নামেৰে জনা যায়। কেতিয়াবা তেওঁক শিৱক জীয়াৰী বুলিও বৰ্ণনা কৰা হৈছে। পদ্মাক শিৱৰ জীয়াৰী বুলি বিশ্বাস কৰা হয়। সপ্ত-মাতৃকা (সাতগৰাকী দৈৱীৰ মাতৃ) পন্থা শক্তিপন্থাৰ এক গুৰুত্বপূৰ্ণ অংশ।

জীৱ-জন্তু উৎসৰ্গা এই ধৰ্মীয় পন্থাৰ এক উল্লেখযোগ্য দিশ।

● অসমত শক্তিধৰ্ম

কালিকা পুৰাণ , দেৱী পুৰাণ আৰু যোগিনী তন্ত্রই প্রমাণ দিয়ে যে প্রাচীন অসম শক্তিপন্থাৰ এক কেন্দ্রস্থল আছিল। অসমত বহু সংখ্যক শক্তিপীঠ আছিল আৰু বর্তমানেও আছে। অসমত শক্তি ধৰ্ম গুৱাহাটীত অৱস্থিত কামাখ্যা মন্দিৰক কেন্দ্র কৰি আৱর্তিত হৈছে। কামাখ্যা মন্দিৰ ভাৰতৰ অন্যতম অতিশয় গুৰুত্বপূর্ণ শক্তিপীঠ।

অসমৰ বিভিন্ন স্থানত আৱিষ্কৃত বিভিন্ন প্রতিমূর্তি আৰু পুৰাতত্ত্বৰ ধ্বংসাৱশেষে প্রাচীন অসমত শক্তি ধৰ্মৰ অৱস্থিতিৰ বিষয়ে প্রমাণ দিয়ে। কামাখ্য মন্দিৰ আৰু বিভিন্ন অন্য শক্তি পীঠ সমূহে এনে অৱস্থিতিৰ বিষয়ে কিছু প্রমাণ আগবঢ়ায়।

বনমাল বর্মন আৰু ইন্দ্রপালৰ ভূমিদাননলিপিতো প্রাচীন অসমৰ শক্তি উপাসনাৰ বিষয়ে জানিবলৈ পোৱা যায়।

মধ্যযুগীয় অসমৰো বহু শাসকে শক্তিত বিশ্বাস কৰিছিল আৰু এই অঞ্চলত শক্তি ধৰ্মৰ বিস্তাৰত সহায় কৰিছিল। কোচ ৰাজবংশৰ ৰজা নৰনাৰায়ণ আৰু আহোম ৰাজবংশৰ ৰজা ৰুদ্র সিংহ, শিৱ সিংহ, ৰাণী ফুলেশ্বৰী, প্রমত্ত সিংহ আৰু ৰাজেশ্বৰ সিংহ এনে কেইজনমান শাসক আছিল।

অসমত শক্তিধৰ্মৰ তান্ত্রিক ধৰ্মৰ সৈতে নিকট সম্পর্ক আছিল। শক্তিৰ ৰূপত উপাসনা কৰা কামাখ্যা আৰু অন্যান্য বহু দেৱীক তান্ত্রিক প্রথা যেনে যাদু আৰু ডাইনীবিদ্যা আৰু জীৱ-জন্তু উৎসর্গা যেনে ছাগলী আৰু ম'হ আদিৰে উপাসনা কৰা হৈছিল। যোগিনী তন্ত্রত প্রমাণ পোৱা যায় যে তান্ত্রিক মাধ্যমেৰে শক্তি উপাসনা এক পুৰাতন প্রথা।

শক্তিক অসমত বিভিন্ন পৰম্পৰাগত ৰূপত যেনে মনসা, শীতলা, সুবাসিনী আদি ৰূপতো উপাসনা কৰা হয়।

● অসমৰ শক্তি উপাসনাৰ কেন্দ্রসমূহ

সমগ্র ভাৰত জুৰি প্রসিদ্ধ, গুৱাহাটীত অৱস্থিত কামাখ্যা পীঠত এটা কামাখ্যা মন্দিৰ আছে আৰু সেই মন্দিৰৰ চৌপাশে অন্য কিছুমান শক্তি মন্দিৰ, যেনে, দশমহাবিদ্যাৰ মন্দিৰ অৱস্থিত (যি সমূহ মাতৃ দেৱীৰ তান্ত্রিক ৰূপ, সংখ্যাগতভাৱে দহটা) যিসমূহক ভূৱনেশ্বৰী, কালী, তাৰা, বগলা, ধুমাৱতী, চিন্নমস্তা আৰু ভৈৰৱী আদি নামেৰে জনা যায়।

বিশ্বাস কৰা হয় যে সতীৰ শৱদেহৰ পৰা জননেন্দ্রিয় নীলাচল পাহাৰত পৰিবৰ পৰা কামাখ্যাপীঠৰ উদ্ভৱ হয়। নৰকে তেওঁৰ পিতৃ ভগবান বিষ্ণুৰ উপদেশ অনুসৰি কামাখ্যাক উপাসনা কৰিবলৈ আৰম্ভ কৰে আৰু এইদৰেই শক্তি ধৰ্মৰ অনুগামীসকলৰ মাজত এই পীঠে গুৰুত্ব লাভ কৰে।

অন্যহাতে বাণীকান্ত কাকতিৰ মতে কামাখ্যাপীঠ আর্যসকলৰ দ্বাৰা এক প্রাচীন অষ্ট্রীয় দেৱী কা-মেই-খাৰ পীঠৰ ভেটিত নির্মাণ কৰা হৈছে। সম্ভৱতঃ নৰকে এই গৰাকী স্থানীয় দেৱীক আর্য সংস্কৃতিৰ অন্তর্ভুক্ত কৰিছিল। নির্মলপ্রভা বৰদলৈয়ো বিশ্বাস কৰিছিল যে কামাখ্যা পীঠৰ উৎপত্তি অসমৰ অষ্ট্রিক আৰু মংগোলয়দ জনগোষ্ঠীৰ মাজৰ পৰা হৈছিল।

অসমৰ অন্য কিছু সংখ্যক গুৰুত্বপূর্ণ শক্তি উপাসনাৰ কেন্দ্র হ'ল গুৱাহাটীৰ উগ্রতাৰা মন্দিৰ, উত্তৰ গুৱাহাটীৰ দীর্ঘেশ্বৰী মন্দিৰ, শদিয়া অঞ্চলৰ তাম্রেশ্বৰী মন্দিৰ, তেজপুৰৰ ভৈৰৱী মন্দিৰ আৰু নলবাৰী

জিলাত অৱস্থিত বালিলেচা মন্দিৰ। এই সমূহৰ বাহিৰেও অসমৰ চৌদিশে অসংখ্য ক্ষুদ্ৰ শক্তিপীঠ সিচৰতি হৈ আছে।

- **অসমৰ শক্তি সাহিত্য**

অসমত শক্তিপন্থাৰ বিষয়ে মৌলিক আৰু লিখিত সাহিত্য পোৱা যায়। শক্তিধৰ্মৰ লগত সম্পৰ্কিত লিখিত আৰু মৌখিক উভয় সাহিত্যয়েই আমাৰ উপলব্ধ।

ওজাপালি, বিভিন্ন গীত, নাম আৰু শীতলাপদৰ দৰে কবিতা আদি সমূহ শক্তি ধৰ্মৰ সৈতে জড়িত অসমৰ লোক সাহিত্য। এই লোক সাহিত্যসমূহৰ জৰিয়তে প্ৰতিফলিত হোৱা লোক বিশ্বাস সৰ্বসাধাৰণৰ কল্পনাত শক্তিক মুখ্যতঃ চিত্ৰিত নাৰী ৰূপত চিত্ৰাকিত কৰা হৈছে যিয়ে সময় সাপেক্ষে ভয়ংকৰ ৰূপ ধাৰণ কৰে।

কালিকা পুৰাণ, যোগিনী তন্ত্ৰ আৰু হৰ গৌৰী সংবাদ আৰু পদ্মা পুৰাণত প্ৰাচীন অসমত শক্তিধৰ্মৰ অনুশীলনৰ প্ৰমাণ পোৱা যায়। এই সমূহত শক্তি ধৰ্মক শৈৱধৰ্মৰ সৈতে জড়িত কৰা হৈছে। নাৰায়ণদেৱৰ দ্বাৰা ৰচিত মনসা কাব্যৰ দৰে পাচাঁলীসমূহ (পাঁচালী হৈছে মধ্যযুগত ৰচিত মনসা বিষয়ক বৰ্ণনামূলক কবিতা) হৈছে মধ্যযুগত ৰচিত অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শাক্ত সাহিত্য।

অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখকঃ

প্ৰশ্ন নং ৫. অসমত শক্তি উপাসনাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ পীঠৰ নাম লিখক।

.....

প্ৰশ্ন নং ৬. মনসা কোন?

.....

প্ৰশ্ন নং ৭. শক্তিপন্থাৰ পৃষ্ঠপোষকতা কৰা আহোম ৰাণীগৰাকীৰ নাম লিখক।

.....

প্ৰশ্ন নং ৮. "দশমহাবিদ্যা" বুলিলে আপুনি কি বুজে?

.....

৬.৬. বৌদ্ধ ধৰ্ম

খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাত গৌতম বুদ্ধই বৌদ্ধ ধৰ্ম প্ৰতিষ্ঠা কৰিছিল। ব্ৰাহ্মণ্য ধৰ্মৰ ঔপচাৰিকতাৰ পৰিহাৰ কৰাৰ উদ্দেশ্যৰে এই ধৰ্ম ব্ৰাহ্মণ্য ধৰ্মৰ পৰা ফালৰি কাটি আহে। জীৱনৰ দুখ দুৰ্দশা আতৰোৱাৰ উদ্দেশ্য এই ধৰ্মই বিকল্প পন্থা বিচাৰিছিল।

বৌদ্ধ ধৰ্মৰ প্ৰাৰম্ভিক ৰূপ, হীনযান পন্থা, খ্ৰীষ্টাব্দৰ আৰম্ভণি পৰ্যন্ত স্থিৰ বা দৃঢ় ভাৱে বৰ্তি আছিল। ই ঘাইকৈ মূৰ্তি উপাসনা পৰিহাৰ কৰিছিল। বৌদ্ধ ধৰ্মৰ দ্বিতীয়টো ৰূপ, মহাযান পন্থাই, খ্ৰীষ্টাব্দ প্ৰথম শতিকাৰ পৰা পঞ্চম শতিকালৈকে পৰৱৰ্তী এই পাঁচ শতিকাজুৰি নিজৰ অধিপত্য বজাই ৰাখিছিল। মহাযান পন্থাই মূৰ্তি উপাসনাত

বিশ্বাস কৰিছিল। খ্ৰীষ্টাব্দ ষষ্ঠৰ পৰা দশম শতিকাৰ সময়চোৱাত, বৌদ্ধ ধৰ্মৰ তৃতীয় আৰু অন্তিম ৰূপ তান্ত্ৰিক বৌদ্ধ ধৰ্মই গভীৰভাৱে প্ৰভাৱ বিস্তাৰ কৰিছিল। তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ তান্ত্ৰিক পন্থাৰ সৈতে জড়িত আছিল আৰু সেয়েহে ইয়াত যাদু, ডাইনীবিদ্যা আৰু মন্ত্ৰ ব্যৱহৃত হৈছিল। খ্ৰীষ্টাব্দ দশম শতিকাৰ পিছত বৌদ্ধ ধৰ্মৰ অৱনতিৰ পিনে ঢাল খায়। ত্ৰিপিটক ক্ৰমে সুউপিটক, বিনয় পিটক আৰু অভিধৰ্ম্ম পিটক হৈছে বৌদ্ধ চিন্তা আৰু দৰ্শনৰ সবাতোকৈ গুৰুত্বপূৰ্ণ গ্ৰন্থ।

- **অসমত বৌদ্ধ ধৰ্ম**

অসমত বৌদ্ধ ধৰ্মৰ প্ৰৱেশ প্ৰাচীন সময়চোৱাতে ঘটিছিল। সেই সময়ৰ বংগ, বিহাৰ আৰু উৰিষ্যাত এই ধৰ্মৰ এক শক্তিশালী ভিত্তি আছিল। বংগৰ এখন প্ৰতিবেশী ৰাজ্য হিচাপে অসমো বৌদ্ধ ধৰ্মৰ দ্বাৰা প্ৰভাৱিত হৈছিল।

বহু সংখ্যক পণ্ডিতৰ মতে ৰজা ভাস্কৰবৰ্মনৰ সময়ৰ আগলৈকে অসমত বৌদ্ধ ধৰ্মৰ অৱস্থিতি নাছিল। কিন্তু বিভিন্ন সাহিত্যিক কৰ্মৰাজি আৰু পুৰাতাত্ত্বিক আৰু স্থাপত্যৰ অৱশেষে ভাস্কৰবৰ্মনৰ সময়ৰ বহু শতিকা আগৰে পৰা অসমত বৌদ্ধ ধৰ্মৰ অৱস্থিতিৰ কথা সূচিত কৰে।

প্ৰাচীন অসমত হীনযান, মহাযান আৰু তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ উপস্থিতিৰ প্ৰমাণ পোৱা যায়। গোৱালপাৰা জিলাৰ শ্ৰীসূৰ্য পাহাৰত প্ৰাপ্ত পুৰাতাত্ত্বিক অৱশেষে এই কথাৰ প্ৰমাণ বহন কৰে। গুৱাহাটীৰ নীলাচল পাহাৰত প্ৰাপ্ত পুৰাতাত্ত্বিক অৱশেষ আৰু কামৰূপ জিলাৰ হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ, ৰজা ইন্দ্ৰপালৰ তাম্ৰ দান লিপি আৰু গুৱাহাটী দানলিপি আৰু কামৰূৰ জিলাৰ নৰকাসুৰত প্ৰাপ্ত প্ৰতিমূৰ্তিৰ অৱশেষে প্ৰাচীন অসমত বৌদ্ধধৰ্মৰ উপস্থিতিৰ কথা সূচিত কৰে। বিশ্বাস কৰা হয় যে তান্ত্ৰিক বৌদ্ধধৰ্মৰ বিশেষকৈ ইয়াৰ জনপ্ৰিয় ৰূপ বজ্ৰযানৰ বিকাশ প্ৰাচীন অসমত ঘটিছিল।

শক্তিধৰ্ম আৰু তান্ত্ৰিক ধৰ্মই বৌদ্ধ ধৰ্মৰ ওপৰত এক গভীৰ প্ৰভাৱ পেলাইছিল যাৰ ফলত অসমত বৌদ্ধধৰ্মৰ বজ্ৰযান পন্থাৰ উদ্ভৱ হৈছিল। সেইবাবে বহুতো ব্ৰাহ্মণ্য দেৱ-দেৱী আৰু বৌদ্ধ ধৰ্মীয় দেৱ দেৱীৰ মাজত আৰু আচাৰ-অনুষ্ঠানৰ মাজত সুস্পষ্ট প্ৰভেদ নাই।

ত্ৰয়োদশ শতিকাত অসমলৈ আগমন হোৱা টাই-আহোমসকল তান্ত্ৰিক বৌদ্ধধৰ্মৰ সহজযান পন্থাৰ দ্বাৰা প্ৰভাৱিত হৈছিল বুলি অনুমান কৰিব পাৰি। মধ্যযুগৰ অসমৰ বৈষ্ণৱ সন্ত শংকৰদেৱৰ (১৪৪৯-১৫৬৮) লেখনিত বৌদ্ধধৰ্মৰ উল্লেখ পোৱা যায়।

অন্য কিছু সংখ্যক জনগোষ্ঠী যেনে টাই-খামতি, টাই-তুৰুং, টাই খাময়াং, টাই-ফাকে আৰু টাই-আইটন আদিয়ে ওঠৰশ শতিকাত অসমত প্ৰৱেশ কৰিছিল। তেওঁলোকে তেওঁলোকৰ সৈতে ব্ৰহ্মদেশৰ বৌদ্ধধৰ্মীয় বিশ্বাস আৰু আচাৰ কঢ়িয়াই আনিছিল।

প্ৰাচীন কালৰ প্ৰথমবাৰ প্ৰৱেশৰ পিছত এয়া বৌদ্ধধৰ্মৰ অসম আগমনৰ ২য় টো ঢল আছিল।

বৌদ্ধধৰ্মৰ বিশ্বাস আৰু আচাৰ-অনুশীলনে অসমীয়া লোকৰ বিভিন্ন সামাজিক আৰু সাংস্কৃতিক দিশক প্ৰভাৱান্বিত কৰিছিল। অসমৰ বিভিন্ন সম্প্ৰদায়ৰ লোকে বিভিন্ন ধৰণে পালন কৰা "ৰাতি খোৱা" প্ৰথাই বৌদ্ধধৰ্মৰ প্ৰভাৱৰ কথা বহন কৰে।

- **অসম বৌদ্ধ ধৰ্মৰ কেন্দ্ৰসমূহ**

অসমৰ বৌদ্ধধৰ্মৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কেন্দ্ৰটো হৈছে গোৱালপাৰা জিলাত অৱস্থিত শ্ৰীসূৰ্য পাহাৰ। ইয়াত প্ৰাচীন কালৰ যথেষ্ট সংখ্যক বৌদ্ধধৰ্মীয় স্তুপ আৰু মাটিৰে নিৰ্মিত নক্সাযুক্ত ফলক পোৱা গৈছে।

প্ৰাচীন অসমৰ অন্যান্য গুৰুত্বপূৰ্ণ বৌদ্ধধৰ্মীয় কেন্দ্ৰসমূহৰ ভিতৰত গোৱালপাৰা জিলাৰ যোগীঘোপা, পাগলাটেক আৰু বৰভিটা, গুৱাহাটীৰ কামাখ্যাপীঠ আৰু নৰকাসুৰ পাহাৰ, হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ আৰু বৰ্তমানৰ মেঘালয়ত অৱস্থিত ভাইতাবাৰী আদি প্ৰধান।

অসমৰ টাই বৌদ্ধধৰ্মী লোকসকলযোৰহাট, গোলাঘাট, শিৱসাগৰ, নাৰায়ণপুৰ, লিডু, নাহৰকটিয়া আৰু মাৰ্ঘেৰিটা আদি স্থানত বসবাস কৰিছিল। বৰ্তমান সময়তো এই স্থানসমূহ বৌদ্ধধৰ্ম উপাসনাৰ কেন্দ্ৰ ৰূপে পৰিচিত।।

- **অসমৰ বৌদ্ধ সাহিত্য**

বৌদ্ধধৰ্মই অসমৰ সাহিত্যৰ ওপৰত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। সাৰহ, নাগাৰ্জুন, লুইপা আৰু অন্যান্যৰ দৰে বৌদ্ধধৰ্মীয় সিদ্ধসকলৰ ৰচনাসমূহক অসমীয়া সাহিত্যৰ প্ৰাচীনতম উদাহৰণ বুলি গণ্য কৰা হয়। এই চৰ্যাপদসমূহৰ বা দোহাসমূহৰ ভাষাক অসমীয়া ভাষাৰ প্ৰাৰম্ভিক বা আদি ৰূপ বুলি গণ্য কৰিব পাৰি।

চৰ্যাপদসমূহে শংকৰদেৱৰ অগ্ৰগামী আৰু নৱ-বৈষ্ণৱবাদী লেখকসকলক প্ৰভাৱান্বিত কৰিছিল। শংকৰদেৱৰ এজন আগ্ৰগামী কবি মাধৱ কন্দলী আৰু শংকৰদেৱৰ সময়ৰ নৱ-বৈষ্ণ কবি অনন্ত কন্দলীৰ লেখাত বৌদ্ধধৰ্মৰ উল্লেখ পোৱা যায়।

অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক

প্ৰশ্ন নং ৯. বৌদ্ধ ধৰ্মৰ ..... পন্থাই মূৰ্তি উপাসনা পৰিহাৰ কৰিছিল।

প্ৰশ্ন নং ১০. ..... সমূহ বৌদ্ধ ধৰ্মীৰ সিদ্ধসকলৰ ৰচনা।

প্ৰশ্ন নং ১১. ..... হৈছে তান্ত্ৰিক বৌদ্ধ ধৰ্মৰ এটা ৰূপ।

প্ৰশ্ন নং ১২. মেঘালয়ত অৱস্থিত ..... বৌদ্ধধৰ্মৰ এটা গুৰুত্বপূৰ্ণ কেন্দ্ৰ।

৬.৭ বৈষ্ণৱ ধৰ্ম

বৈষ্ণৱ ধৰ্ম হৈছে হিন্দুধৰ্মৰ এটা উপসম্প্ৰদায় য'ত ভগবান বিষ্ণু বা কৃষ্ণ বা ভগবান বিষ্ণুৰ দশাৱতাৰ ক্ৰমে মৎস্য, কুৰ্ম, ৰাহ, নৰসিংহ, বামন, পৰশুৰাম, হলিৰাম, ৰাম, বুদ্ধ আৰু কল্কিক উপাসনা কৰা হয়। বৈষ্ণৱ ধৰ্মক সনাতন ধৰ্ম বুলিও জনা যায়।

বেদসমূহত বিষ্ণুৰ উল্লেখ পোৱা যায় যদিও তেওঁক এজন প্ৰধান দেৱতা বুলি গণ্য কৰা হোৱা নাছিল। হিন্দুধৰ্মৰ সৰ্বোচ্চ দেৱতা ৰূপে বিষ্ণুৰ বিকাশ হোৱাতো আছিল বৈদিক সময়ৰ পিছৰ পৰিঘটনা। মহাকাব্যিক সময় চোৱাত বিষ্ণুক সৰ্বোচ্চ দেৱতা আছিল। ভগবান বিষ্ণুক সাধাৰণতে চতুৰ্ভুজ ৰূপত আৰু শংখ, চক্ৰ, গদা, পদ্ম লৈ থকা ৰূপত কল্পনা কৰা হয়।

বিষ্ণুৰ উপাসকসকলক বৈষ্ণৱ বুলি জনা যায়। বৈষ্ণৱ আনুগামীসকলে ঘাইকৈ ভগবান বিষ্ণু আৰু ভগবান কৃষ্ণক উপাসনা কৰে।

বৈষ্ণৱ ধৰ্মত ভক্তি যোগ আৰু ভক্তি মাৰ্গৰ ধাৰণা আছে। এই ধাৰণাৰ বিকাশ উপনিষদৰ সৈতে ঘটিছিল। ভাগৱত গীতা, পদ্ম-পুৰাণ, বিষ্ণু-পুৰাণ আৰু ভাগৱত পুৰাণ আদি অন্য উল্লেখযোগ্য বৈষ্ণৱ গ্ৰন্থ।

অসমত বৈষ্ণৱ ধৰ্ম

আখ্যান মতে প্ৰাচীন কালৰে পৰা অসমৰ বৈষ্ণৱ ধৰ্মৰ সৈতে সম্পৰ্ক আছিল। ভগবান কৃষ্ণই ভগৱান বিষ্ণুৰ পুত্ৰ নৰক আৰু বাণ ৰজাক পৰাজিত কৰিছিল, আখ্যানে এই কথাৰ প্ৰমাণ দিয়ে। ৰজা ভূতিবৰ্মনৰ বৰগংগা শিলালিপিত বিষ্ণু উপাসনাৰ প্ৰথম লিপিগত উল্লেখ পোৱা যায়। এই শিলালিপিত ৰজা ভূমিবৰ্মনক পঞ্চম শতিকাৰ আৰম্ভণিৰ সময়ৰ বৈষ্ণৱ প্ৰকাশভংগীত বৰ্ণোৱা হৈছিল।

প্ৰাচীন সময়চোৱাৰে অন্তৰ্গত ৰজা সুৰেন্দ্ৰবৰ্মনৰ উমাচল শিলালিপি, ৰত্নপালৰ বৰগাঁও শিলালিপি, ভাস্কৰবৰ্মনৰ ডুবি আৰু নিধনপুৰ ফলক লিপি, হৰ্জৰবৰ্মনৰ হায়ুংথাল ফলকত বিষ্ণু, বলৰাম নাইবা বিষ্ণুৰ পত্নী লক্ষ্মীৰ উল্লেখ পোৱা যায়।

ভগবান কৃষ্ণৰ জন্ম বাৰ্ষিকী, জন্মাষ্টমী উৎসৱ আৰু ৰঙৰ উৎসৱ দৌল যাত্ৰা (হোলী) হৈছে উৎসাহেৰে আৰু উলহ মালহেৰে পালন কৰা দুটা বৈষ্ণৱ ধৰ্মৰ উৎসৱ।

অসমীয়া সমাজত বিষ্ণুক এজন পৰোপকাৰী আৰু দয়ালু দেৱতা সত্য নাৰায়ণৰ ৰূপতো উপাসনা কৰা হয়। বিষ্ণুক এক বিশেষ ধৰণৰ শিল শালগ্ৰামৰ ৰূপতো উপাসনা কৰা হয়।

● অসমত বৈষ্ণৱ কেন্দ্ৰসমূহ

অসমত যথেষ্ট সংখ্যক বিষ্ণু মন্দিৰ পোৱা নাযায়। হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ আৰু উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত মন্দিৰ অসমৰ দুটা গুৰুত্বপূৰ্ণ বিষ্ণু মন্দিৰ। কামাখ্যা মন্দিৰৰ চৌহদতো এটা বিষ্ণু মন্দিৰ আছে। ইয়াৰ উপাস্য দেৱতাক কামবালাখ্যা বুলি জনা যায়। এই মন্দিৰত বিষ্ণু আৰু শিৱক একেলগে উপাসনা কৰা হয়। অসমত কিছু সংখ্যক আধুনিক বিষ্ণু মন্দিৰ আছে। নলবাৰীৰ হৰিমন্দিৰ এনে এটা মন্দিৰ। বিংশ শতিকাৰ আৰম্ভণিতে এই মন্দিৰ নিৰ্মাণ কৰা হৈছিল।

● অসমৰ বৈষ্ণৱ সাহিত্য

অসমৰ বৈষ্ণৱ সাহিত্যৰ ভঁৰাল বৃহৎ নহয়। সত্যনাৰায়ণৰ উপাসনাত গোৱা মৌখিক গীতসমূহে অসমৰ বৈষ্ণৱধৰ্মীসকলৰ মুখ্য মৌখিক সাহিত্য।

শংকৰদেৱৰ পূৰ্ব ৱৰ্তী বহুতো কবিয়ে ৰামায়ণ আৰু মহাভাৰতৰ অধ্যায়সমূহ ব্যৱহাৰ কৰি বৰ্ণনামূলক কাব্য ৰচনা কৰিছিল। চতুৰ্দশ শতিকাৰ কবি মাধৱ কন্দলীয়ে ৰামায়ণ অসমীয়ালৈ অনুবাদ কৰিছিল। এই কবিসমূহ বৈষ্ণৱ ধৰ্মৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল নে নাই জানিব পৰা নাযায়। কিন্তু তেওঁলোকৰ কৰ্মৰাজিক বৈষ্ণৱ সাহিত্য ৰূপে গ্ৰহণ কৰিব পাৰি, যিহেতু বিষ্ণু বা বিষ্ণুৰ ৰূপ যেনে ৰাম আৰু কৃষ্ণ এইসমূহৰ মুখ্য চৰিত্ৰ।

অগ্ৰগতি নিৰীক্ষণ

খালী ঠাই পূৰণ কৰি তলৰ প্ৰশ্নসমূহৰ উত্তৰ দিয়ক ঃ

প্ৰশ্ন নং ১৩ বৈষ্ণৱ ধৰ্মক ..... ধৰ্ম বুলিও জনা যায়।

প্ৰশ্ন নং ১৪ ভূতিবৰ্মনৰ ..... শিলালিপিত বিষ্ণু উপাসনাৰ সৰ্বপ্ৰথম উল্লেখ পোৱা যায়।

প্ৰশ্ন নং ১৫ হাজোৰ ..... মন্দিৰ এটা গুৰুত্বপূৰ্ণ বিষ্ণু মন্দিৰ।

প্ৰশ্ন নং ১৬. ..... ত তেওঁক (বিষ্ণুক এজন প্ৰধান উপাস্য দেৱতা ৰূপে গণ্য কৰা হোৱা নাছিল।

৬. ৮ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিৰ অধ্যয়ন শেষত আমি

- অসমৰ ধৰ্মীয় ঐতিহ্যৰ লগতে অসমৰ পাঁচটা মুখ্য ধৰ্মৰ ধাৰাৰ বিষয়ে জানিব পাৰিলো।
- বিভিন্ন ধৰ্মৰ পুৰাতাত্ত্বিক অৱশেষসমূহৰ বিষয়ে জানিব পাৰিলো যিয়ে এই ধৰ্মসমূহৰ উপস্থিতিৰ সাক্ষ্য দিয়ে।
- শৈৱধৰ্ম, শাক্তধৰ্ম, বৌদ্ধধৰ্ম, বৈষ্ণৱ ধৰ্ম আৰু নৱ-বৈষ্ণৱ ধৰ্মৰ ধৰ্মীয় গ্ৰন্থ আৰু সাহিত্যিক কৰ্মৰাজিৰ পৰিচয় লাভ কৰিলো।
- ধৰ্মীয় বিশ্বাসসমূহৰ অসমৰ সংস্কৃতি, সমাজ আৰু সাহিত্যৰ প্ৰতি আগবঢ়োৱাঅমূল্য অৱদানৰ বিষয়ে জানিব পাৰিলো।

৬.১০ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

- Haviland, W., Prins, H., MacBride, B and Walrath, D. (2013). *Cultural anthropology: The Human Challenge* (14th edition). Belmont, USA: Wadsworth.
- Krishnan, R Gopal. (2000). *Assam Land and People*. New Delhi, India: Omsons Publications.
- Mahanta, P.J. (2007). *The Sankardeva Movement: Its Cultural Horizons*. Guwahati, Assam: Purbanchal Prakash.

অসমীয়া গ্ৰন্থ

- শৰ্মা, নবীন চন্দ্ৰ ;(২০১৩); *লোক সংস্কৃতি;* গুৱাহাটী: চন্দ্ৰ প্ৰকাশন
- শৰ্মা, নবীন চন্দ্ৰ; (২০১৪); *অসমৰ লোক সাহিত্য*; গুৱাহাটী জ্যোতি প্ৰকাশন
- শৰ্মা, শশী; (২০১১); *অসমৰ লোক সাহিত্য*; গুৱাহাটী; ষ্টুডেণ্টচ্' ষ্টোৰ্চ

১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ কিৰাতসকল।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বনমালা বৰ্মনৰ তেজপুৰ দানলিপি

৩ নং প্ৰশ্নৰ উত্তৰ ঃ বিশ্ব সিংহ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ হৰগৌৰী সংবাদ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ কামাখ্যা

৬ নং প্ৰশ্নৰ উত্তৰ ঃ শক্তিৰ এটা লোকবিশ্বাসগত ৰূপ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাণী ফুলেশ্বৰী

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ই হৈছে মাতৃ দেৱীৰ তান্ত্ৰিক ৰূপ বা প্ৰকৃতি, যি সংখ্যাগত ভাৱে দহটা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ হীনযান

১০ নং প্ৰশ্নৰ উত্তৰ ঃ সাবহ, নাগার্জুন আৰু লুইপা

১১ নং প্ৰশ্নৰ উত্তৰ ঃ বজ্ৰযান, সহজযান

১২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাইতবাৰী

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ সনাতন ধৰ্ম

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ বৰগংগা শিলালিপি

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ হয়গ্ৰীৱ মাধৱ

১৬ নং প্ৰশ্নৰ উত্তৰ ঃ বেদ

৬.১২. আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰত্যেক প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰাচীন অসমৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৌদ্ধৰ কেন্দ্ৰটোৰ নাম লিখক?

প্ৰশ্ন ২ ঃ 'ৰাতি খোৱা' প্ৰথা কোনটো ধৰ্মৰ সৈতে জড়িত?

প্ৰশ্ন ৩ ঃ শৈৱধৰ্মৰ দুটা উপ-পন্থাৰ নাম লিখক য'ত শিৱ আৰু শক্তি উভয়কে উপাসনা কৰা হয়।

প্ৰশ্ন ৪ ঃ গুৱাহাটীত শুক্ৰেশ্বৰ মন্দিৰ নিৰ্মাণ কৰা আহোম শাসকজনৰনাম লিখক।

প্ৰশ্ন ৫ ঃ অসমৰ প্ৰাচীন শিৱ মন্দিৰটিৰ নাম লিখক।

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ ১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

চমুটোকা লিখা

(ক) কাপালিকা

(খ) পঞ্চমকাৰ

(গ) লোক দেৱতা ৰূপে শিৱ

(গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত তলৰ প্ৰশ্ন সমূহৰ উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ অসমত শৈৱধৰ্মৰ বিকাশৰ ৰূপৰেখা বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ অসমত শাক্তধৰ্মৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন ৩ ঃ অসমত তান্ত্ৰিক পন্থাৰ প্ৰসাৰৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ প্ৰাচীন অসমত বৌদ্ধধৰ্মৰ উৎপত্তি আৰু বিকাশৰ বৰ্ণনা লিখক।

** *** **

অধ্যায় ৭ ঃ অসমৰ নৱ-বৈষ্ণৱ আন্দোলন

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ আৰম্ভণি আৰু বিকাশ
৭.৪ শংকৰদেৱ আৰু নৱ-বৈষ্ণৱ আন্দোলন
৭.৫ অসমত শংকৰদেৱৰ পিছত নৱ-বৈষ্ণৱ আন্দোলন
৭.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.৭ অধিক জানিবলৈ
৭.৮ অগ্রগতিৰ খতিয়ান
৭.৯ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নৱ-বৈষ্ণৱ আন্দোলনৰ আৰম্ভণি আৰু বিকাশ বর্ণনা কৰিব পাৰিব
- নৱ-বৈষ্ণৱ আন্দোলনৰ প্রতি শংকৰদেৱৰ অৱদান বর্ণনা কৰিব পাৰিব
- শংকৰদেৱৰ পিছত নৱ-বৈষ্ণৱ আন্দোলনৰ বিকাশ বর্ণনা কৰিব পাৰিব।

৭.২ পৰিচয়

ভক্তি আন্দোলন (৮০০-১৭০০) খ্রীষ্টাব্দ ষষ্ঠ আৰু সপ্তম শতিকাত দক্ষিণ ভাৰতত আৰম্ভ হৈছিল। ইয়াৰ পিছত আন্দোলন পৰৱর্তী সময়ত সমগ্র ভাৰততে ক্রমানুসাৰে বিয়পি পৰিছিল।

ভক্তি আন্দোলনে বিভিন্ন ঠাইত বিভিন্ন আকৃতি লৈছিল। তথাপিও মূল চৰিত্র আৰু লক্ষ্য একে হৈ ৰৈছিল। আন্দোলনে ব্রাহ্মণ্যবাদৰ আধিপত্য, ধর্মীয় গোড়ামি, আচাৰ-সর্বস্বতা আৰু সাম্প্রদায়বাদৰ বিৰোধিতা কৰিছিল। ইয়ে প্রেম আৰু ভক্তিৰ জৰিয়তে ভগৱানক পাবৰ বাবে সমর্থন কৰিছিল।

ভক্তি আন্দোলনৰ সন্তসকলে তেওঁলোকৰ ভক্তিমূলক গীত আৰু নৃত্যৰ জৰিয়তে মানুহৰ সৈতে সংযুক্ত হৈছিল। মহাৰাষ্ট্রত টুকাৰাম, ৰাজস্থানত মীৰাবাঈ, পঞ্জাৱত চুফীসকল, উত্তৰ প্রদেশত কবীৰ, অসমত শংকৰদেৱ আৰু মাধৱদেৱ, ভক্তি আন্দোলনৰ কেইজনমান সন্ত আছিল। তেওঁলোকৰ বিশ্বাস মতে, ভগৱান এজন আৰু তেওঁক প্রেম আৰু ভক্তিৰ জৰিয়তে পাব পাৰি।

৭.৩ অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ আৰম্ভণি আৰু বিকাশ

শ্রীমন্ত শংকৰদেৱে (১৪৪৯-১৫৬৮) খ্রীষ্টাব্দ পঞ্চদশ শতিকাৰ শেষভাগত অসম ভক্তি আন্দোলনৰ প্রতিটো কৰিছিল। তেওঁক সহায় কৰা শিষ্যসকলৰ ভিতৰত প্রধান আছিল শ্রীশ্রী মাধৱদেৱ (১৪৮৯-১৫৯৬)।

শংকৰদেৱৰ দ্বাৰা শিকোৱা ধর্ম আছিল নৱ-বৈষ্ণৱবাদ। ই ভাগৱত পূৰাণৰ ওপৰত নির্ভৰশীল আছিল, চমুকৈ ভাগৱত হিচাপে, জনা যায়। তদুপৰি তেওঁৰ ধর্মক নৱ-বৈষ্ণৱবাদ আৰু ভাগৱতী ধর্ম দুয়ো হিচাপে জনা যায়। ধর্মই এজন ভগৱানত শৰণাপন্ন হ'বলৈ শিকায়। সেইজনেই হ'ল ভগৱান কৃষ্ণ, ভগৱান বিষ্ণুৰ এক ৰূপ। যিহেতু ইয়ে এজন ভগৱানত বিশ্বাস কৰিছিল, সেই হেতুকে ইয়াক একশৰণ ধর্ম হিচাপে জনা যায়। ইয়ে নামৰ (ভগৱানৰ নাম-কীর্তন কৰা) জৰিয়তে ভগৱানৰ প্রতি ভক্তিভাৱ প্রদর্শনৰ পন্থা হিচাপে গ্রহণ কৰিছিল। যাৰ বাবে ইয়াক নাম ধর্ম হিচাপেও জনা যায়। ধর্মক একশৰণ নামধর্ম হিচাপেও জনা যায়। এই ধর্মৰ অন্য এক নাম হৈছে— মহাপুৰুষীয়া ধর্ম- কাৰণ শংকৰদেৱক মহাপুৰুষ (মহান ব্যক্তি) হিচাপে স্বীকাৰ কৰা হৈছিল।

ইয়াৰ উপৰিও ধর্মীয় আৰু আত্মিক বিস্তাৰৰ জৰিয়তে, শংকৰদেৱৰ ধর্ম সংস্কাৰ কৰিছিল আৰু সামাজিক বৈষম্য যেনে— শ্রেণী আৰু ধর্মৰ বিৰোধিতাৰ দ্বাৰা সমসাময়িক অসমীয়া সমাজক এক কৰিছিল। তেওঁ সত্র (এক ধর্মীয় অনুষ্ঠান) আৰু নামঘৰ (এক ধৰণৰ প্রার্থনা গৃহ) প্রতিষ্ঠাৰ দ্বাৰা, ভাওনা (নাটক) নিচিনা আবিস্কৃত অনুষ্ঠানৰ জৰিয়তে অসমীয়া সংস্কৃতিক ৰূপ দিছিল।

১৫৬৮ চনত শংকৰদেৱৰ মৃত্যুৰ পিছত ভক্তি আন্দোলনৰ যুগ প্রায় দুই শতিকাৰ বাবে বর্তি আছিল। এই সময়ত বিভিন্ন বৈষ্ণৱ নেতা যেনে— দামোদৰদেৱ আৰু হৰিদেৱে ইয়াক তত্ত্বাৱধান কৰিছিল। অৱশ্যে নৱ-বৈষ্ণৱবাদে ভক্তি আন্দোলনৰ পৰিসমাপ্তিৰ পিছতো বর্তি নাথাকৈয়ে থকা নাছিল।

৭.৫ শংকৰদেৱ আৰু নৱ-বৈষ্ণৱ আন্দোলন

অতীত কালৰে পৰা ব্রহ্মপুত্র উপত্যকাত বিষ্ণু পূজা বর্তি আছিল। শংকৰদেৱৰ নৱ-বৈষ্ণৱবাদৰ আগত অসমত তৃতীয় ধর্মীয় উপ-সম্প্রদায় আছিল বৈষ্ণৱবাদ। বৈষ্ণৱবাদৰ এই ধৰণৰ লগত শংকৰদেৱৰ দ্বাৰা সূচনা কৰাৰ লগত পৃথক আছিল। বৈষ্ণৱবাদৰ এই দুই ধাৰাৰ মাজত থকা প্রধান পার্থক্য আছিল যে আৰম্ভণিৰ ধাৰাত বিষ্ণুক বিগ্রহ ৰূপত প্রার্থনা কৰা হৈছিল, কিন্তু শংকৰদেৱৰ নৱ-বৈষ্ণৱবাদ সেয়াৰ পৰা পৃথক আছিল, য'ত বিষ্ণুৰ ৰূপ কৃষ্ণৰ প্রার্থনা অতি সহজ পন্থা-ভক্তিৰ জৰিয়তে প্রার্থনা কৰাক জনপ্রিয় কৰিছিল। দুশ বছৰৰ ভিতৰত আন্দোলনে বৈষ্ণুৱ বিশ্বাসক ব্রহ্মপুত্র উপত্যকাৰ প্রধান ধর্মীয় পন্থা হিচাপে প্রতিষ্ঠা কৰিছিল।

সেই সময়ত ব্রহ্মপুত্র উপত্যকাৰ সামাজিক, ৰাজনৈতিক অৱস্থাই সামাজিক ধর্মীয় বীজ ৰোপন কৰাৰ বাবে সাৱৰা পথাৰ হিচাপে গঢ় দিছিল। ৰাজ্যখন বিভিন্ন জনজাতি লোকসকলৰ মাজত নিজৰ ৰাজনৈতিক আৰু ধর্মীয় বিশ্বাস লৈ সিঁচৰিত আছিল। সমাজৰ প্রত্যেকটো ভাগতে একতাৰ অভাৱ আছিল। এনে অৱস্থাত সাধাৰণ মানুহে সকলো ক্ষেত্রতে কঠিনতাৰ মুখামুখি হৈছিল। সমাজত ব্রাহ্মণীয় পন্থাৰ সামাজিকভাৱে প্রৱেশৰ লগে লগে, তেওঁলোকক সমানভাৱে ব্যৱহাৰ কৰা হোৱা নাছিল। ৰাজনৈতিকভাৱে তেওঁলোকে সামন্তবাদী কঠোৰতাৰে অভিজ্ঞতাসম্পন্ন হৈছিল আৰু ধর্মীয় ক্ষেত্র তেওঁলোকৰ নিজা পচন্দ আছিল, ব্রাহ্মণীয় উপাদানেই ধর্মীয় ক্ষেত্রত প্রধান উপাদান আছিল। এনে অৱস্থাত ১৪৪৯ খ্রীষ্টাব্দত অসমৰ বর্তমান নগাঁও জিলাৰ বৰদোৱাত, মধ্য অসমৰ বিখ্যাত সামাজিক-ধর্মীয় সংস্কাৰক শংকৰদেৱৰ জন্ম হৈছিল। তেওঁৰ পিতৃ কুসুম্বৰ ভূঞা যথেষ্ট ক্ষমতাশালী আৰু সমৃদ্ধিশালী আছিল। তেওঁ সংস্কৃতত শিক্ষা লৈছিল, যিয়ে আমাৰ শাস্ত্রৰ পৰা জ্ঞান আহৰণত যথেষ্ট সহায় কৰিছিল। তেওঁৰ প্রথমা পত্নীৰ মৃত্যুৰ পিছত বাৰ বছৰৰ বাবে ধর্মীয় পীঠস্থান ভ্রমণৰ বাবে গৈছিল আৰু উত্তৰ ভাৰতৰ প্রায় সকলো ধর্মীয় ঠাই ভ্রমণ কৰিছিল। তেওঁ ধর্মীয় গুৰুত্ব থকা সকলো ঠাইয়ে লক্ষ্য কৰিছিল। নৱ-বৈষ্ণৱ আন্দোলনৰ

বহু সন্ত আৰু শক্তিৰ লগত তেওঁ সংস্পর্শলৈ আহিছিল, যাৰ তেওঁৰ আত্মিক জীৱনৰ ওপৰত গভীৰ প্রভাৱ আছিল। সেয়ে তীর্থ ভ্রমণৰ পৰা উভতি আহি তেওঁ এক সংস্কাৰমূলক মন আনিছিল আৰু ভক্তি যেনে- নৱ-বৈষ্ণৱ আন্দোলনৰ ওপৰত গুৰুত্ব দি এক নতুন ধর্মীয় পন্থা আৰম্ভ কৰিছিল। ভক্তিৰ নটা ধাৰাৰ, শংকৰদেৱে 'শ্রৱণ' আৰু 'কীর্তন'কে শীর্ষ বিন্দুৰ সম্ভৱপৰ অসিক্তিৰ প্রতি মানুহৰ ধর্মীয় প্রচেষ্টা হিচাপে পর্যাপ্ত আছিল। তেওঁলোকে উচ্চআৰু নিম্ন সকলোৱে ইয়াৰ ওচৰ চাপিব পাৰে আৰু কোনো অনমনীয় আইন অনুসৰণ কৰিব নালাগে। শংকৰদেৱৰ নৱ-বৈষ্ণৱ আন্দোলনৰ লক্ষ্য আছিল মানুহক জীৱন নির্বাহৰ সহজ পন্থা শিকাবলৈ, ধর্মৰ পথাৰখনৰ সকলো ধর্মীয় পন্থা আৰু শ্রেণীৰ অসমতাক সমান কৰা, অহিংসাৰ পৰিচর্চা কৰা আৰু ধর্মৰ নামত জীৱৰ হত্যা বাৰণ কৰা। সমাজখন জটিলতা আৰু ৰীতি-নীতিৰ ব্যাপক পদ্ধতিৰ দ্বাৰা চিহ্নিত কৰা হৈছিল আৰু বিভিন্ন দেৱ-দেৱীৰ সন্তুষ্টিৰ সৈতে জড়িত আছিল আৰু ব্যাপক ৰীতি-নীতি আৰু শ্রেণী পদ্ধতিৰ দ্বাৰা সকলো সম্ভাৱনীয় দিশত সাধাৰণ মানুহক শোষণ কৰা হৈছিল। শংকৰদেৱে, প্রার্থনাৰ সমাৱেশৰ আৰু নাম-কীর্তন, বিষ্ণু বা কৃষ্ণৰ ৰূপত এজন প্রধান ভগৱানক ভক্তি কৰাৰ জৰিয়তে বর্তি থকা ৰীতি-নীতিক সহজ কৰিবলৈ চেষ্টা কৰিছিল। নৱ-বৈষ্ণৱ আন্দোলনৰ প্রতি শংকৰদেৱৰ সাংস্কৃতিক অৱদান দশম অধ্যায়ত বর্ণনা কৰা হৈছে।

৭.৫ অসমত শংকৰদেৱৰ পিছত নৱ-বৈষ্ণৱ আন্দোলন

শংকৰৱেৰ মৃত্যুৰ পিছত নৱ-বৈষ্ণৱ আন্দোলনত তাৎক্ষণিক প্রভাৱ দেখা পোৱা গৈছিল যে আন্দোলনে মাধৱদেৱ আৰু দামোদৰদেৱৰ মাজত আদর্শগত পার্থক্যৰ বাবে পৃথক হৈছিল। মাধৱদেৱ আৰু দামোদৰদেৱ উভয়কে শংকৰদেৱৰ শিষ্য হিচাপে জনা গৈছিল। শংকৰদেৱে মাধৱদেৱৰ ওপৰত প্রধান দায়িত্ব দিয়াৰ বাবে পার্থক্য দৃশ্যমান হৈছিল। দামোদৰদেৱ, যিজন শংকৰদেৱৰ ব্রাহ্মণ শিষ্য আছিল, মাধৱদেৱক প্রধান হিচাপে স্বীকাৰ কৰিব পৰা নাছিল আৰু ইয়াৰ পৰা ওলাই আহিছিল আৰু ভক্তি আহি পিতৃ-মাতৃৰ পৰা শিকা ধর্মীয় শিকনি আৰু কার্যৰ উন্নতি সাধন কৰি, ভক্তিৰ পথ আৰু ব্রাহ্মণীয় কার্যৰ মাজত এক মধ্যস্থতা কৰিছিল, যিটো প্রতিষ্ঠিত পন্থাৰ শিকনিৰ বিৰোধী আছিল। এইদৰে দামোদৰ দেৱৰ জৰিয়তে, নৱ-বৈষ্ণৱ আন্দোলনৰ এক নতুন পন্থাৰ জৰিয়তে আন্দোলনৰ ব্রাহ্মণ সদস্যসকলৰ মাজত অধিক জনপ্রিয় হৈ পৰিছিল। পুৰুষোতম ঠাকুৰৰ দ্বাৰা বিকাশ কৰা পুৰুষ সংহতি নামেৰে এটি শাখাৰ বিকাশ হৈছিল, এই পন্থাটোৱেও মাধৱদেৱৰ নেতৃত্বৰ বিৰোধিতা কৰিছিল আৰু শংকৰদেৱক গুৰু হিচাপে দাবী কৰিছিল আৰু ৰীতি-নীতিৰ ওপৰত বেছি গুৰুত্ব দিয়া নাছিল। মাধৱদেৱৰ শিষ্য গোপালদেৱে, গোপাল আতা উপনামেৰে তৃতীয়টো বিভাজন আনিছিল। শংকৰদেৱৰ দ্বাৰা প্রদান কৰা ধর্মৰ সকলোধৱণৰ স্বাধীনতাৰ প্রতিষ্ঠা কৰিছিল, যাক 'কলা সংহতি' নামেৰে জনা গৈছিল। মথুৰা দাস বুঢ়া আতা, মাধৱদেৱৰ অন্য এজন শিষ্যই 'নিকা সংহতি' নামেৰে নৱ-বৈষ্ণৱ আন্দোলনৰ আৰম্ভণিৰ শিকনিক ধৰি ৰাখিবলৈ অন্য এক শাখাৰ প্রতিষ্ঠা কৰিছিল। শংকৰদেৱৰ বৈষ্ণৱবাদৰ উপ-সম্প্রদায়ৰ ঐতিহাসিক বিভাজনৰ প্রক্রিয়া নামনি অসমত হৈছিল আৰু ষোল্ল শতিকাৰ শেষত সমাপ্তি হৈছিল। ব্যক্তিত্ব আৰু বিকাশৰ প্রসংগত লৈ কিছুমান দিশত মত-পার্থক্য থাকিলেও শংকৰদেৱৰ দ্বাৰা প্রতিষ্ঠিত মূল উপাদানক বেছিভাগেই প্রচাৰ কৰে।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শংকৰদেৱৰ প্রধান শিষ্যৰ নাম লিখা।

.....

প্রশ্ন নং ২ ঃ ..... 'নিকা সংহতি' প্রতিষ্ঠা কৰিছিল।

(খালী ঠাই পূৰ কৰা)

প্রশ্ন নং ৩ ঃ দামোদৰদেৱে ..... সংহতিৰ বিকাশ কৰিছিল।

(খালী ঠাই পূৰ কৰা)

প্রশ্ন নং ৪ ঃ শংকৰদেৱৰ পিতৃৰ নাম লিখা।

.....

৭.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি জানিব পাৰিলে

- অসমত পঞ্চদশ শতিকাত নৱ-বৈষ্ণৱ আন্দোলনৰ আতিগুৰি আৰু বিকাশ।
- নৱ-বৈষ্ণৱ আন্দোলনলৈ শংকৰদেৱৰ অৱদান।
- শংকৰদেৱৰ পিছত নৱ-বৈষ্ণৱ আন্দোলনৰ বিকাশ।

৭.৭ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

- Neog, Maheswar. (1965). *Early History of the Vaisnava Faith and Movement in Assam: Sankardeva and His Times.* Guwahati, Assam: Gauhati University.
- Neog, Maheswar. (1984). *Religions of the North-East*: *Studies in the Formal Religions of North Eastern India.* New Delhi, India.
- Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons*. Guwahati, Assam: Purbanchal Prakash.

অসমীয়া গ্রন্থ

- ভৰালী, শৈলেন; (২০১০); *অসমীয়া লোক নাট্য পৰম্পৰা;* গুৱাহাটী: বাণী প্রকাশন।
- বৰদলৈ, নির্মলপ্রভা; (২০০৪); *অসমৰ লোক সংস্কৃতি;* গুৱাহাটী: বীণা লাইব্রেৰী।
- ডেকা, ড° নমিতা; (সম্পা.) (২০১০); *অসম দর্পন;* গুৱাহাটী: বাণী মন্দিৰ।
- গগৈ, লীলা; (২০১০); *অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা;* ডিব্রুগড়: বনলতা প্রকাশন।

৭.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মাধৱদেৱ।

২ নং প্রশ্নৰ উত্তৰ ঃ মথুৰা দাস।

৩ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্ম।

৪ নং প্রশ্নৰ উত্তৰ ঃ কুসুম্বৰ ভূঞা।

৭.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ শংকৰদেৱ কোন আছিল?

প্রশ্ন ২ঃ নৱ-বৈষ্ণৱ আন্দোলনৰ চাৰিটা বিভাজনৰ নাম লিখা।

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০-৩০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ নৱ-বৈষ্ণৱ আন্দোলনৰ শিকনি চমুকৈ বর্ণনা কৰা।

প্রশ্ন ২ঃ শংকৰদেৱৰ ওপৰত চমুটোকা লিখা।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অসমত নৱ-বৈষ্ণৱ আন্দোলনৰ আতিগুৰি আৰু বিকাশ বর্ণনা কৰা।

প্রশ্ন ২ঃ নৱ-বৈষ্ণৱ আন্দোলনলৈ শংকৰদেৱৰ অৱদান বর্ণনা কৰা।

*** ***** ***

অধ্যায় ৮ ঃ নৱবৈষ্ণববাদৰ অনুষ্ঠানসমূহ

অধ্যায়টিৰ গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ সত্ৰ অনুষ্ঠান আৰু নামঘৰৰ উৎপত্তি আৰু বিকাশ
৮.৩.১ সত্ৰ
৮.৩.২ নামঘৰ
৮.৪ অসমৰ সামাজিক জীৱনত সত্ৰ আৰু নামঘৰৰ প্ৰভাব
৮.৫ সত্ৰানুষ্ঠান আৰু নামঘৰত সাংস্কৃতিক চৰ্চা
৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৭ অধিক জানিবলৈ
৮.৮ অগ্ৰগতিৰ খতিয়ান
৮.৯ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- সত্ৰানুষ্ঠান আৰু নামঘৰৰ উৎপত্তি আৰু বিকাশৰ বৰ্ণনা কৰিব পাৰিব
- অসমৰ সামাজিক জীৱনত সত্ৰানুষ্ঠান আৰু নামঘৰৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সত্ৰানুষ্ঠান আৰু নামঘৰৰ সাংস্কৃতিক চৰ্চাৰ বিষয়ে জানিব পাৰিব।

৮.২ পৰিচয়

সত্ৰানুষ্ঠানক কেন্দ্ৰ আৰু আৱৰ্ত কৰি আৰু অসমত বিকশিত হোৱা সংস্কৃতিকে সাধাৰণতে সত্ৰীয়া সংস্কৃতি বোলা হয়। পঞ্চদশ শতিকাত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে আৰম্ভ কৰা নৱ-বৈষ্ণৱ আন্দোলনৰ এক অংশ হিচাপে অসমত সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ আগৰ অধ্যায়ত আমি অসমৰ অন্যান্য ধৰ্মীয় পৰম্পৰাসমূহৰ সৈতে নৱ-বৈষ্ণৱ আন্দোলনৰ বিষয়ে আলোচনা কৰিলোঁ।

এই অধ্যায়টিত আমি সত্ৰানুষ্ঠান আৰু নামঘৰৰ উৎপত্তি আৰু বিকাশ, অসমীয়া সামাজিক জীৱনত ইয়াৰ প্ৰভাৱ, সত্ৰ আৰু নামঘৰসমূহত চৰ্চা হোৱা সাংস্কৃতিক কাৰ্যকলাপৰ বিষয়ে আলোচনা কৰিম।

শংকৰদেৱে সত্ৰ আৰু নামঘৰৰ প্ৰতিষ্ঠা কৰিছিল যিয়ে অসমৰ নৱ বৈষ্ণৱবাদৰ সূচনা আৰু প্ৰসাৰ ঘটাইছিল। সত্ৰসমূহক কেন্দ্ৰ কৰি সত্ৰীয়া সংস্কৃতিৰ বিকাশ ঘটিছিল য'ত বিভিন্ন আচাৰ-অনুষ্ঠান, উৎসৱ, ৰীতি - নীতি আৰু পৰম্পৰা, সংগীত, নৃত্য আৰু নাটক ইত্যাদি অন্তৰ্ভুক্ত আছিল।

অসমৰ বিভিন্ন স্থানত সত্ৰসমূহৰ প্ৰতিষ্ঠাৰ ফলত ৰাজ্যজুৰি সত্ৰীয়া সংস্কৃতিৰ প্ৰসাৰ ঘটিছিল। সত্ৰ আৰু নামঘৰসমূহৰ সামাজিক, ধৰ্মীয় আৰু আনকি জনসাধাৰণৰ ৰাজনৈতিক জীৱনতো সময়ে সময়ে পেলোৱা প্ৰভাৱৰ

ফলত সত্ৰীয়া সংস্কৃতিয়ে অসমীয়া সমাজত গভীৰভাৱে প্ৰভাৱ পেলাবলৈ সক্ষম হৈছিল।

৮.৩ সত্ৰানুষ্ঠান আৰু নামঘৰৰ উৎপত্তি আৰু বিকাশ

সত্ৰ আৰু নামঘৰক অসমৰ নৱ বৈষ্ণৱ আন্দোলনৰ উপহাৰ বুলি গণ্য কৰিব পাৰি। শংকৰদেৱে তেওঁৰ নতুন ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠাত এক প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰিছিল। সহজ ভাষাত সত্ৰ হৈছে ধৰ্মীয় আলোচনাৰ কেন্দ্ৰ। নামঘৰ ইয়াৰে এক প্ৰশাখা, প্ৰসাৰিত শাখা বা সত্ৰৰ ক্ষুদ্ৰ সংস্কৰণ ৰূপে বিকশিত হৈছিল। ইয়াক এক সমজুৱা প্ৰাৰ্থনা গৃহ ৰূপে সংজ্ঞাবদ্ধ কৰিব পাৰি যাক বৰ্তমান প্ৰতিখন অসমীয়া সমাজতে পোৱা যায়। এই শাখাত আমি সত্ৰ আৰু নামঘৰৰ বিষয়ে দুটা উপশাখাত অধ্যয়ন কৰিম।

৮.৩.১ সত্ৰ

নৱ- বৈষ্ণৱ আন্দোলনৰ ফলস্বৰূপে অসমত সত্ৰ গঢ় লৈ উঠিছিল। কিন্তু ইয়াৰ অৰ্থ এই বুলি নিৰূপণ কৰাও সঠিক নহ'ব যে সত্ৰসমূহৰ উদ্ভৱ একমাত্ৰ নৱবৈষ্ণৱ আন্দোলনৰ পৰিণতি বুলি। বৈদিক সময়ৰ ৰচনা "সতপথ ব্ৰাহ্মণ" ত আমি সত্ৰৰ উল্লেখ পাওঁ, য'ত ই যজ্ঞৰ সময় সূচীক বা উৎসৰ্গাৰ সময়ক বুজাইছিল। ভাগৱত পু�ৰাণত কেইবাবাৰো সত্ৰ শব্দটিৰ উল্লেখ পোৱা যায়। প্ৰত্যেকবাৰেই ই ভিন্ন অৰ্থক সূচিত কৰিছিল। যেনে সত্ৰ-সঞ্জাকিন-কৰ্ম (উৎসৰ্গা) /বলি সম্পাদন কৰা) সত্ৰ সমাজেযু (পৰিষদ/ সমাবেশ), ব্ৰহ্মসত্ৰ (ব্ৰাহ্মণসকলৰ আলোচনাৰ এক অধিবেশন) বৈঠক)। কিন্তু শংকদেৱৰ নৱ-বৈষ্ণৱ আন্দোলনৰ পৰিপ্ৰেক্ষিতত, আগতে উল্লেখ কৰাৰ দৰে সত্ৰই কেৱল ধৰ্মীয় আলোচনাৰ কেন্দ্ৰৰহে অৰ্থ বহন কৰে আৰু ইয়াৰ সৈতে উৎসৰ্গা /বলি বিধান প্ৰথাৰ সৈতে কোনো ধৰণৰ সম্পৰ্ক নাই।

সত্ৰসমূহক বৈষ্ণৱ বিহাৰ ৰূপে গণ্য কৰিব পাৰি। কিন্তু এটা বৌদ্ধ বিহাৰ বা এটা হিন্দু মন্দিৰতকৈ এখন সত্ৰত আৰু কিছু অধিক দেখিবলৈ পোৱা যায়। সত্ৰসমূহ অসমৰ এক একক / অদ্বিতীয় প্ৰকাৰৰ অনুষ্ঠান যাৰ এক নিৰ্দিষ্ট গঠন পদ্ধতি আছে। ই সাধাৰণতে এক চাৰিও দিশে আৱৰা অঞ্চলত অৱস্থিত থাকে য'ত চাৰিখন কৰাপাট (তোৰণ বা প্ৰৱেশপথ), কীৰ্তনঘৰ বা নামঘৰ (চতুৰ্ভূজ আকাৰৰ প্ৰাৰ্থনা গৃহ), মণিকুট (য'ত আসন বা বেদী প্ৰতিষ্ঠা হয়। সত্ৰাধিকাৰৰ (সত্ৰৰ প্ৰধান) বাসগৃহ, হাটী (ভক্তসকল বাস কৰা ঘৰসমূহৰ পোন শাৰী), ভড়ালঘৰ (গুদাম ঘৰ) আদি অন্তৰ্ভুক্ত হৈ থাকে।

এখন সত্ৰ চাৰিটা প্ৰধান অংশেৰে গঠিত হয়। ক্ৰমে সত্ৰাধিকাৰ (সত্ৰৰ প্ৰধান), ডেকা-অধিকাৰ (সত্ৰৰ উপপ্ৰধান, ভকত (সত্ৰৰ হিচাপ নিকাচ ৰাখোতা), ভক্ত, যি সত্ৰৰ চাৰিবেৰৰ ভিতৰতে বাস কৰে) আৰু শিষ্য (সাধাৰণ ভক্ত বা উপাসক যিয়ে গাৰ্হস্থ্য জীৱন পালন কৰে আৰু সত্ৰৰ চৌহদৰ ভিতৰত আৰু সত্ৰত চৌপাশৰ গাঁওৰ বাহিৰতো বসবাস কৰে) সত্ৰই এক শৰণ নাম ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্য কাম কৰে আৰু চাৰিটা প্ৰধান অংশ ক্ৰমে গুৰু, দেৱ, নাম আৰু ভকতৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

সাধাৰণতে সত্ৰসমূহক উদাসীন, অৰ্দ্ধ-উদাসীন আৰু গৃহস্থী এই কেইটা ভাগত ভগোৱা হয়। যিসমূহ সত্ৰত সত্ৰাধিকাৰ, ডেকা-সত্ৰাধিকাৰ আৰু ভকতসকল সত্ৰৰ চাৰিসীমাৰ ভিতৰত বসবাস কৰে আৰু অবিবাহিত জীৱন যাপন কৰে তেনে সত্ৰসমূহক উদাসীন সত্ৰ বোলা হয়। যিসমূহ সত্ৰৰ অবিবাহিত

সত্রাধিকাৰ, ডেকা-অধিকাৰ, ভকতৰ সৈতে সত্রৰ পৰিসৰৰ ভিতৰত থাকে তেনে সত্রক অৰ্দ্ধ-উদাসীন সত্র বোলা হয়। গৃহস্থী সত্রসমূহত সত্রাধিকাৰ,ডেকা-অধিকাৰ আৰু ভকতসকলে শিষ্যসমূহৰ দৰে গৃহস্থী জীৱন যাপন কৰে আৰু সত্রৰ কার্য্য সমুহ সম্পাদন কৰে। অসমৰ বেছি সংখ্যক সত্রই গৃহস্থী সত্রৰ অন্তর্ভুক্ত।

বর্তমান সমগ্র ৰাজ্যজুৰি সত্রসমূহ বিস্তাৰিত হৈ আছে। সত্রসমূহৰ প্রতিস্থাপন অনুসৰি এইসমূহক আকৌ অসমীয়াত মূল সত্র, আজ্ঞাপৰ সত্র আৰু শলাবন্তি সত্র আদি ভাগত ভগোৱা হৈছে। গুৰুৰ আদেশ অনুসৰি ভকতক বা শিষ্যসকলে প্রতিষ্ঠা কৰা সত্রসমূহক আজ্ঞাপৰ সত্র বোলা হয়। নৱ-বৈষ্ণৱ ধর্ম প্রচাৰক বা গুৰুৱে নিজে প্রত্যক্ষভাৱে প্রতিষ্ঠা কৰা সত্রসমূহক মূল সত্র বোলা হয়। আনহাতে গুৰুৰ অনুগামীসকলে যদি গুৰুৱে প্রতিষ্ঠা কৰা মূল সত্রৰ পৰা পবিত্র সামগ্রী এবিধ যি মূল সত্রৰ নামেৰে বা অন্য নামেৰে এখন নতুন সত্র প্রতিষ্ঠা কৰে, তেন্তে সেই সত্রক শলাবন্তি সত্র বোলা হয়।

যদিও, শংকৰদেৱে অসমত সত্র প্রতিষ্ঠা কৰিছিল, তথাপি মহাপুৰুষজনাই নিজে সত্রানুষ্ঠান প্রতিষ্ঠা কৰিছিল নে নাই এই লৈ মতানৈক্য আছে। সম্ভৱতঃ শংকৰদেৱে তেওঁৰ জীৱন কালত প্রতিষ্ঠা কৰা ধর্মানুষ্ঠান সূচাবলৈ সত্র শব্দটি ব্যৱহৃত হোৱা নাছিল। মহাপুৰুষজনে তেওঁ নিজে প্রতিষ্ঠা কৰা ধর্মানুষ্ঠানসমূহক বুজাবলৈ দেৱগৃহ বা হৰিগৃহ বুলি অভিহিত কৰিছিল। সত্রৰ পৰিবর্তে থান শব্দটিও ব্যৱহাৰ কৰা হৈছিল বুলি আমি গম পাও, যিহেতু শংকৰদেৱৰ নাতি পুৰুষোত্তম ঠাকুৰে তেওঁৰ লেখনীত ৰৱদোৱা সত্রৰ কথা উল্লেখ কৰোতে 'থান' শব্দটি ব্যৱহাৰ কৰিছিল।

শংকৰদেৱে আৰম্ভণিতে তেওঁৰ জন্ম স্থান টেম্বুৰানীত (ৰৱদোৱা) তেওঁৰ প্রত্যুৎপন্নমতি সম্পর্কীয় ভাতৃ ৰামৰায়ৰ সক্রিয় সহযোগিতাত প্রথম দেৱগৃহ বা হৰিগৃহ স্থাপন কৰিছিল। এই দেৱগৃহ বা হৰিগৃহ আছিল ধর্মীয় আলোচনা, প্রার্থনা, ধর্মপুথি পাঠ আদিৰ কেন্দ্র। সময় বাগৰাৰ লগে লগে ই সত্রৰ ৰূপত এক আনুষ্ঠানিক ৰূপ গ্রহণ কৰে। শংকৰদেৱে জীৱন কালত কোনো সত্র প্রতিষ্ঠানিক ৰূপত স্থাপন কৰা নাছিল।

শংকদেৱৰ মৃত্যুৰ পিছত তেওঁৰ মুখ্য শিষ্য মাধৱদেৱ আৰু পিছত দামোদৰদেৱ আৰু হৰিদেৱে আনুষ্ঠানিক ৰূপত সত্রানুষ্ঠান প্রতিষ্ঠা কৰাৰ প্রক্রিয়া আৰম্ভ কৰে। আৰম্ভণিতে দামোদৰদেৱে ৰৱপেটা আৰু সুন্দৰীদিয়াত আৰু হৰিদেৱে বহৰিত সত্র প্রতিষ্ঠা কৰিছিল। পিছলৈ অন্য নৱ-বৈষ্ণৱ ধর্মপ্রচাৰক আৰু গুৰু বংশীগোপালদেৱ, নাৰায়ণদাস আতা, অনিৰুদ্ধদেৱ আদিয়ে তেওঁলোকৰ ধর্মপ্রচাৰৰ উদ্যম আৰু সাংগঠনিক দক্ষতাৰ দ্বাৰা নৱ-বৈষ্ণৱ ধর্মৰ প্রসাৰৰ উদ্দেশ্য অসমৰ বিভিন্ন ঠাইত সত্রসমূহ প্রতিষ্ঠা কৰে।

কিন্তু শংকৰদেৱৰ পৰৱর্তী সময়চোৱাত নৱ বৈষ্ণৱবাদত আদর্শগত মতভেদ আৰম্ভ হয় । ফলত সত্রৰ চাৰিটা শাখা বা চাৰি সংহতিৰ উদ্ভৱ হয় ক্রমে- (i) পুৰুষ (ii) নিকা (iii) কাল (iv) ব্রহ্ম। পুৰুষ সংহতিৰ উৎস শ্রীমন্ত শংকৰদেৱৰ জ্যেষ্ঠ নাতি পুৰুষোত্তম ঠাকুৰৰ পৰা হৈছিল। এই সংহতিৰ অধীনস্থ সত্রসমূহ শ্রীমন্ত শংকৰদেৱৰ বংশধৰ ধর্মপ্রচাৰকসকলৰ দ্বাৰা প্রতিষ্ঠা কৰা হৈছিল। এই সংহতিয়ে নাম বা প্রার্থনাৰ ওপৰত নিকা সংহতিক মথুৰাদাস বুঢ়া আতা আৰু বদলুৱা পদ্ম আতাই স্থাপন কৰিছিল। তেওঁলোকে সত্রসমূহ মাধৱদেৱে প্রদান কৰা নীতি-নিয়ম কঠোৰভাৱে পালন কৰি সেই অনুসাৰে গঠন কৰিছিল আৰু

বাহ্যিক পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ (নিকা)ৰ প্ৰতি বিশেষভাৱে মনোযোগ দিছিল। এই সংহতিত মাধৱদেৱৰ স্থান শ্ৰীমন্ত শংকৰদেৱতকৈ বেছি গুৰুত্বপূৰ্ণ আৰু মাধৱদেৱক তেওঁলোকৰ গুৰুৰ গুৰু (শিক্ষক) ৰূপে সন্মান দিয়া হয়।

গোপালদেৱ আৰু তেওঁৰ উত্তৰাধিকাৰীসকলে প্ৰতিষ্ঠা কৰা সত্ৰসমূহ কাল সংহতিৰ অন্তৰ্গত। কাল সংহতিত গুৰুক সৰ্বোচ্চ স্থান দিয়া হয়। এই সংহতিৰ দৃষ্টিভংগী অন্যান্য সংহতিতকৈ অধিক পৰিমাণে সাম্যবাদী আছিল আৰু বৰ্ণ-সম্প্ৰদায়গত বিষয়তো অধিক উদাৰ আছিল। তাৰোপৰি, এই সত্ৰৰ সত্ৰাধিকাৰসকলে প্ৰধানকৈ জনজাতীয় আৰু এই অঞ্চলৰ পিছপৰা বা অনগ্ৰসৰ লোকসকলৰ মাজত ধৰ্মপ্ৰচাৰ কৰিছিল।

ব্ৰহ্ম সংহতি শ্ৰীমন্ত শংকৰদেৱৰ দুগৰাকী ব্ৰাহ্মণ শিষ্য দামোদৰদেৱ আৰু হৰিদেৱৰ দ্বাৰা গঠিত প্ৰশাসাৰে গঠিত। এই সংহতিৰ অন্তৰ্গত অধিকাংশ সত্ৰনে ব্ৰাহ্মণ গুৰুৰ দ্বাৰা পৰিচালিত হয় বাবে ইয়াক ব্ৰহ্ম সংহতি বোলা হয়। এই সংহতিয়ে নাম কীৰ্ত্তনৰ লগতে বৈদিক ৰীতি আৰু উপাসনা পদ্ধতিৰো অনুমতি দিয়ে আৰু 'দেৱ' বা ভগবানৰ ওপৰত সৰ্বোচ্চ গুৰুত্ব আৰোপ কৰে।

বিভিন্ন সংহতিৰ অন্তৰ্গত সত্ৰানুষ্ঠানসমূহ বিভিন্ন বিষয়া নিয়োগৰ দ্বাৰা ভালকৈ চোৱা-চিতা কৰা হয়। সত্ৰৰ প্ৰকৃতি অনুসাৰে সত্ৰত নিয়োগ কৰা বিষয়াবৰ্গৰো বিভিন্নতা আহি পৰে। তথাপি প্ৰত্যেকখন সত্ৰতে সত্ৰাধিকাৰ আৰু ডেকা-অধিকাৰৰ ওপৰিও কিছু সংখ্যক উমৈহতীয়া তথা গুৰুত্বপূৰ্ণ বিষয়বাৰ থাকে যেনে, ৰাজমেধি, বৰমেধি, পাচনী, নামঘৰীয়া, নামলগোৱা, খাটনিয়াৰ, পাঠক , ভাগৱতী, গায়ন-বায়ন ইত্যাদি। এই বিষয়াসকলে সম্পূৰ্ণ সমন্বয়ৰে সত্ৰৰ সুচাৰু ৰূপে চলিবলৈ নিজ নিজ কৰ্তব্য সম্পাদন কৰে।

৮.৩.২ নামঘৰ

আগতে উল্লেখ কৰাৰ দৰেই নামঘৰ হৈছে সত্ৰানুষ্ঠানৰ এক সম্প্ৰসাৰিত অংশ। কীৰ্ত্তনঘৰ হিচাপেও জনাজাত নামঘৰ হৈছে চতুৰ্ভুজ আকৃতিৰ প্ৰাৰ্থনা-গৃহ। সমগ্ৰ ধৰ্মীয় কাৰ্যকলাপৰ কেন্দ্ৰ হোৱা হেতুকে ইয়াক এখন সত্ৰৰ কেন্দ্ৰানুষ্ঠান বুলিও গণ্য কৰা হয়।

প্ৰত্যেকটো অসমীয়া লোকৰ চুবুৰীতেই নামঘৰে ধৰ্মীয়, বৌদ্ধিক আৰু সাংস্কৃতিক কাৰ্যকলাপৰ কেন্দ্ৰ হিচাপে কাৰ্য কৰে। ইয়াত ধৰ্মগ্ৰন্থসমূহ পাঠ আৰু পুংখানুপুংখভাৱে ব্যাখ্যা কৰা হয়, সমজুৱা প্ৰাৰ্থনা অনুষ্ঠিত হয়, নাটক পৰিবেশিত হয়, সংগীত আৰু নৃত্য পৰিবেশিত হয়, উৎসৱ উদযাপিত হয়।

নামঘৰত জীৱন সম্পৰ্কীয় সমস্যাসমূহ, দৰ্শন আৰু ধৰ্ম সম্পৰ্কে আলোচনা আৰু বিতৰ্ক হয়। নামঘৰে এটা সময়ত সকলো ধৰণৰ দেৱানী আৰু অপৰাধমূলক গোচৰৰ বিচাৰৰ ক্ষেত্ৰত ন্যায়ালয়ৰ ভূমিকাও পালন কৰিছিল, যদিও বৰ্তমান সময়ত এই প্ৰথাৰ প্ৰচলন নাই।

এক ৰাজহুৱা প্ৰতিষ্ঠান হিচাপে, নামঘৰে সেই নিৰ্দিষ্ট অঞ্চলৰ লোকসকলৰ তেওঁলোকৰ নিজস্ব বিষয়সমূহ পৰিচালনা কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণৰূপে গণতান্ত্ৰিক মঞ্চ ৰূপে কাৰ্যনিৰ্বাহ কৰে। অঞ্চলৰ অধিবাসীসকলে তেওঁলোকৰ যুটীয়া শ্ৰম আৰু সমলেৰে নামঘৰ সাজে তথা ইয়াৰ চোৱাচিতা আৰু

মেৰামতি কৰে। কেতিয়াবা যি সত্ৰৰ সৈতে এটা নামঘৰ যুক্ত হৈ থাকে সেই সত্ৰৰ সত্ৰধিকাৰ গৰাকীয়ে নতুন শিষ্যক শৰণ / দিয়ে আৰু তেওঁলোকৰ মাজত আধ্যাত্মিক শিক্ষাৰ বিস্তাৰৰ হেতু নামঘৰ দৰ্শনৰ বাবে আহে।

নামঘৰ সদায়ে পূবদিশৰ পিনে মুখ কৰি সজা হয়। পূৰ্বতে নামঘৰ বাঁহ, কাঠ, খেৰ আদিৰে সজা হৈছিল। কিন্তু বৰ্তমান সময়ত নামঘৰ ইটা, শিল, লো আদিৰে সজা হয়। নামঘৰৰ ভিতৰ ভাগচোৱাক বিভিন্ন কার্যকলাপ, যেনে প্রার্থনা, ধর্মগ্রন্থ পাঠ, সাংস্কৃতিক পৰিৱেশন আদিৰ বাবে ভাগ কৰা হয়। নামঘৰৰ কার্যকলাপ নিয়াৰিকৈ আৰু প্রণালীবদ্ধ ভাৱে চলাবৰ বাবে সত্রধিকাৰ, ডেকা-সত্রাধিকাৰ, ভকত, শিষ্য আদিৰ সকলোৰে বাবে স্থান নির্ধাৰণ কৰা থাকে।

নামঘৰৰ প্রৱেশৰ পথত, বাটচ'ৰা বা প্রৱেশদ্বাৰ থাকে। নামঘৰৰ ভিতৰত, মণিকূটৰ আসনত কীর্ত্তনঘোষা, নামঘোষা আদি ধর্মগ্রন্থ স্থাপন কৰা হয়, যিহেতু নৱ-বৈষ্ণৱবাদত কোনো ভগবানৰ প্রতিমূর্ত্তিৰ উপাসনা কৰা নহয়। নামঘৰৰে আন এটা নাম কীর্ত্তনঘৰৰ ভিতৰৰ কেন্দ্রীয় অংশত কীর্ত্তন বা প্রার্থনাৰ কার্যক্রম অনুষ্ঠিত হয়। নামঘৰৰ চৌঘৰত নাটকৰ বাবে ব্যৱহৃত সামগ্রী যেনে মুখা, পোছাক, অলংকাৰ আদি ৰখা হয়।

নামঘৰৰ কার্যকলাপসমূহ নিয়াৰিকৈ চলাবৰ বাবে সাতোলা, দেউৰী, নামলগোৱা। পাঠক, পাচনী আদি বিষয়াৰ দল থাকে। নামঘৰত তেওঁলোকৰ ক্রমাংকন অনুযায়ী অৱস্থান থাকে আৰু নামঘৰৰ ৰাজহুৱা অনুষ্ঠান তেঁওলোকৰ ক্রমাংকন অনুযায়ী আসন থাকে। ক্রমাংকন অনুযায়ী, তেঁওলোকে নামঘৰত অনুষ্ঠিত ৰাজহুৱা অনুষ্ঠানত প্রসাদৰ (বুট, মাহ আদিৰে তৈয়াৰ কৰা ভোগ) অতিৰিক্ত অংশ লাভ কৰে।

অগ্রগতি নিৰীক্ষণ

তলত দিয়া প্রশ্নসমূহৰ উত্তৰ দিয়ক-

প্রশ্ন নং ১ শতপথ ব্রাহ্মণৰ অনুসৰি সত্র কি?

.....

প্রশ্ন নং ২ সত্রৰ সংজ্ঞা নিৰূপণ কৰক।

.....

প্রশ্ন নং ৩ কোন দিশত নামঘৰ সজা হয়?

.....

প্রশ্ন নং ৪ নৱ বৈষ্ণৱ পন্থাত, বেদীত কি স্থাপন কৰা হয় , যাক একে সময়ত উপাসনা কৰা হয়?

.....

৮.৪ সত্রানুষ্ঠান আৰু নামঘৰৰ অসমীয়া সামাজিক জীৱনত প্রভাৱ

সত্রানুষ্ঠান আৰু নামঘৰে অসমীয়া সমাজক এক নতুন দৃষ্টিকোণ প্রদান কৰিছিল। অসমীয়া সমাজৰ জীৱনৰ প্রায় প্রতিটো দিশৰ লগতে এই দুটা ধর্মীয় অনুষ্ঠান সংযুক্ত হৈ আছে। যাৰ ফলত এই দুটা ধর্মীয় অনুষ্ঠান বাদ দি

অসমীয়া সামাজিক জীৱনৰ কথা আনকি ভাবিবও নোৱাৰি। সত্রানুষ্ঠান আৰু নামঘৰৰ অসমীয়া সামাজিক জীৱনৰ ওপৰত গভীৰ প্রভাৱ আছে, যিয়ে জীৱনৰ প্রায় প্রত্যেক দিশেই সাঙুৰি লয়। এই প্রভাৱসমূহৰ বিষয়ে আমি এইটো শাখাত অধ্যয়ন কৰিম।

- সামাজিক সমন্বয় আৰু ঐক্য

  সত্রানুষ্ঠান আৰু নামঘৰে নৱ-বৈষ্ণৱবাদৰ ৰূপত জনসাধাৰণক এক সহজ-সৰল আৰু উমৈহতীয়া ধর্মীয় বিশ্বাস প্রদান কৰি সমসাময়িক বিভিন্ন ৰূপ আৰু মাত্রাৰ প্রচলিত ধর্ম বিশ্বাস আৰু পন্থাৰ অৱসান ঘটাইছিল। কোনো বর্ণ-সম্প্রদায় বা পন্থাৰ বাধা নোহোৱাকৈ আনকি বহু ক্ষেত্রত ধর্মৰো ভেদ অতিক্রম কৰি সত্রানুষ্ঠান আৰু নামঘৰে জনসাধাৰণক একেলগ হোৱাৰ বাবে এক মুক্ত আৰু মুকলি মঞ্চ প্রদান কৰিছিল যাৰ দ্বাৰা সামাজিক সমন্বয়ৰ সৃষ্টি আৰু মুকলীমুৰীয়া পৰিবেশত উদগনি যোগাইছিল। ইয়ে যথেষ্ট পৰিমাণে সেই সময়ৰ সমাজত কঠোৰ ৰূপত বর্তি থকা অনমনীয় বর্ণ প্রথাৰ অৱসানৰ বাট মোকলাইছিল।

- সামাজিকভাৱে অনগ্রসৰ শ্রেণীৰ উৎকর্ষ সাধন

  সত্রানুষ্ঠান আৰু নামঘৰত সমাজৰ প্রত্যেক শ্রেণীকে সমান ব্যৱহাৰ কৰা হৈছিল। সামাজিকভাৱে অনগ্রসৰ শ্রেণীসমূহ আৰু বিভিন্ন জনজাতিসমূহ নৱ বৈষ্ণৱ ধর্মীয় পন্থাৰ অন্তর্ভুক্ত হৈছিল। ইয়াৰ দ্বাৰা তেওঁলোকেৰ সামাজিক অৱস্থানৰ উন্নতি ঘটিছিল আৰু উন্নত মানদণ্ডৰ জীৱন ধাৰণৰ সুবিধা প্রদান কৰা হৈছিল।

- নৈতিকতা আৰু সামাজিক চেতনাবোধৰ উদ্ভৱ

  সত্রানুষ্ঠান আৰু নামঘৰে বিশেষভাৱে জনসাধাৰণৰ নৈতিক জীৱনৰ উৎকর্ষ সাধন কৰিছিল। দুয়োটা অনুষ্ঠানে জনসাধাৰণৰ জীৱনক নিয়ন্ত্রণ কৰিবলৈ নৈতিক আৰু নীতি সম্মত নিয়মাৱলী ৰক্ষা কৰি চলিছিল। জনসাধাৰণক সামাজিকভাৱে সচেতন কৰি তোলাত গুৰুত্ব প্রদান কৰা হৈছিল যাতে তেওঁলোকে নৈতিকতা, নিয়মানুবর্তিতা, শৃংখলাবদ্ধতা ৰক্ষা কৰি এক জীৱন নির্বাহ কৰিব পাৰে। সমাজ কর্তব্য ভিত্তিক হোৱা উচিত যাতে ত্যাগ আৰু সহযোগিতাৰ মনোভাৱ গঢ় লৈ উঠে তথা শত্রুতা আৰু সংঘাতৰ অৱসান ঘটে।

- অসমীয়া জাতীয়তাবাদীৰ ধাৰণাৰ বিকাশ

  সমগ্র অসমজুৰি সত্রানুষ্ঠান আৰু নামঘৰ সৃষ্টিৰ লগতে অসমীয়া জনসাধাৰণৰ মাজত ঐক্য আৰু সংঘবদ্ধ ভাৱৰ বিকাশ ঘটিছিল। এই দুয়োটা নৱ বৈষ্ণৱ অনুষ্ঠানে সূচনা কৰা উমৈহতীয়া সংস্কৃতিয়ে অসমীয়া সমাজত এক নতুন সংস্কৃতিৰ সৃষ্টি কৰিছিল, যাক আমি বর্তমান সত্রীয়া সংস্কৃতি বুলি কওঁ। এই একতা আৰু সংঘবদ্ধ ভাবে অসমৰ বিভিন্ন স্থানৰ জনসাধাৰণক কায চপাই আনিছিল আৰু তাৰ ফলত ক্রমান্বয়ে অসমীয়া জাতীয়তাবাদৰ ধাৰণাৰ বিকাশৰ বাবে নতুন পথ মুকলি কৰিছিল।

- ন্যায়দানৰ কেন্দ্রঃ

  আগৰ সময়ত, সত্রানুষ্ঠান, বিশেষকৈ নামঘৰে সাধাৰণ ৰাইজক দেৱানী আৰু অপৰাধমূলক গোচৰ উভয়তে জনসাধাৰণক ন্যায় প্রদান কৰিছিল। এক সামাজিক অনুষ্ঠান হিচাপে, ই "লোক আদালত" (ৰাইজৰ ন্যায়ালয়) হিচাপে কার্য্য কৰিছিল আৰু পাৰস্পৰিক বুজাপৰাৰ মাধ্যমেৰে ব্যক্তিগত সংঘাত আৰু মতভেদৰ

সমাধান কৰিছিল। গুৰুতৰ অপৰাধৰ ক্ষেত্ৰত নামঘৰৰ পৰা বহিষ্কাৰ, সামাজিক ভাৱে বৰ্জন, সম্পতিৰ অধিকাৰৰ পৰা বঞ্চিতকৰণ আদি ৰূপত শাস্তি প্ৰদান কৰা হৈছিল। আনকি এতিয়াও, বহুতো গাঁৱত নামঘৰে সৰু সুৰা প্ৰকৃতিৰ বিতৰ্কসমূহ শান্তিপূৰ্ণ উপায়ে মীমাংসাৰ ব্যৱস্থা গ্ৰহণ কৰে।

- অৰ্থনৈতিক বিকাশৰ পৃষ্ঠপোষকতা

  সত্ৰানুষ্ঠান আৰু নামঘৰে অসমীয়া সমাজত অৰ্থনৈতিক বৃদ্ধিৰো পৃষ্ঠপোষকতা কৰিছিল। কৃষিৰ ক্ষেত্ৰত ফলমূল মাহজাতীয় শস্য আদি যিসমূহ ধৰ্মীয় নৈবেদ্য ৰূপে আগবঢ়োৱাত প্ৰয়োজন হৈছিল সেইবোৰৰ খেতিৰ বাবে সুবিধা প্ৰদান কৰা হৈছিল। বয়ন শিল্পই উদগনি লাভ কৰিছিল, যিহেতু নৱ-বৈষ্ণৱ অনুষ্ঠানসমূহত অনুষ্ঠিত হোৱা নাটকীয় পৰিবেশনত বিভিন্ন প্ৰকাৰৰ পোচাকৰ প্ৰয়োজন হৈছিল। কাঁহ আৰু পিতল শিল্পৰো যথেষ্ট বিকাশ আৰু প্ৰসাৰ ঘটিছিল যিহেতু ইয়াৰ উৎপাদিত সামগ্ৰী বাচন বৰ্তনৰ ৰূপত সত্ৰানুষ্ঠান আৰু নামঘৰত ব্যৱহৃত হৈছিল। থলুৱাভাৱে প্ৰাপ্ত সামগ্ৰী যেনে বাঁহ, কাঠ, খেৰ ইত্যাদি নিৰ্মাণ কাৰ্যত ব্যৱহাৰৰ দ্বাৰা তাৰ উপযুক্ত প্ৰয়োগ হৈছিল।

- শিক্ষা প্ৰসাৰৰ কেন্দ্ৰ

  সত্ৰানুষ্ঠানসমূহ অসমীয়া সাহিত্যৰ জন্ম স্থল বুলি ক'ব পাৰি। দৰাচলতে অসমৰ ধৰ্মীয় সাহিত্য নৱ-বৈষ্ণৱ আন্দোলনৰে এটা অংশ। শংকৰদেৱ আৰু তেওঁৰ প্ৰধান শিষ্য মাধৱদেৱে ভালে সংখ্যক গীত (বৰগীত) , নাটক, গদ্য আৰু অন্যান্য প্ৰকাৰৰ কৰ্মৰাজিৰ ৰচনা কৰিছিল, য'ত নৱবৈষ্ণৱবাদৰ প্ৰচাৰ হৈছিল। সবাতোকৈ উল্লেখনীয়, শংকৰদেৱে আৰু মাধৱদেৱে নৱ-বৈষ্ণৱ পন্থাৰ দুখন পৱিত্ৰ গ্ৰন্থ ক্ৰমে কীৰ্তনঘোষা আৰু নামঘোষা ৰচনা কৰিছিল। শংকৰদেৱে অসমীয়া আৰু মৈথিলী ভাষাৰ সংমিশ্ৰণত গঢ়ি উঠা এক নতুন ভাষা ব্ৰজাৱলীত নিজৰ সৃষ্টিসমূহ ৰচনা কৰিছিল।

  শংকৰদেৱ আৰু মাধৱদেৱে শুভাৰম্ভ কৰা সাহিত্যিক কৰ্মৰ ৰচনা কাৰ্যৰ প্ৰথা অন্য নৱ-বৈষ্ণৱ ধৰ্মপ্ৰচাৰকসকলে লিখনী সৃষ্টিৰ দ্বাৰা অব্যাহত ৰাখে । শংকৰদেৱে আনকি সংস্কৃত ধৰ্মগ্ৰন্থসমূহ অসমীয়ালৈ অনুবাদ কৰে আৰু এই অব্যহত থকাৰ ফলত ভাগৱত পুৰাণ, মহাভাৰত, ৰামায়ণ বিভিন্ন কাব্য ইত্যাদিৰ অসমীয়া ভাষালৈ অনূদিত হৈছিল। 'চৰিতপুথি' নামেৰে নৱ বৈষ্ণৱ সন্তসকলৰ জীৱনী লিখা প্ৰথাৰো সূত্ৰপাত ঘটিছিল। নামঘৰে সত্ৰানুষ্ঠানত ৰচিত বিভিন্ন প্ৰকাৰৰ সাহিত্যৰাজিক আবৃত্তি, আলোচনা, বিতৰ্ক, সাংস্কৃতিক পৰিৱেশন আদিৰ মাধ্যমেৰে জনসাধাৰণক উপলব্ধ কৰোৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় মঞ্চ প্ৰদান কৰিছিল।

- সাংস্কৃতিক কাৰ্য্যকলাপৰ কেন্দ্ৰ

  সংগীত, নৃত্য, নাটক ইত্যাদি সাংস্কৃতিক কাৰ্যকলাপ পৰিবেশন কৰাৰ ক্ষেত্ৰত সত্ৰানুষ্ঠান, বিশেষকৈ নামঘৰে এক বহল মঞ্চ প্ৰদান কৰিছিল। ভক্তিমূলক গীতসমূহ বৰগীতৰ ৰূপত, সাংগীতিক বাদ্য যেনে খোল, তাল, আদিৰে সৃষ্টি সুৰৰ সৈতে সংগতি ৰাখি গোৱা হৈছিল। নাটকসমূহ ভাওনা নামেৰে নৃত্য নাটিকাৰ ৰূপত পৰিবেশন কৰা হৈছিল। সৰহ সংখ্যক নাটকেই অংকীয়া নাট (এটা অংকৰ নাটক)। সত্ৰানুষ্ঠানসমূহত এক পাৰম্পৰিক নৃত্য শৈলীৰ বিকাশ ঘটিছিল, যাক সত্ৰীয়া নৃত্য বুলিও জনা যায়। কিছুমান অন্য প্ৰকাৰৰ নৃত্যও আছিল যেনে ওজা পালি, সূত্ৰধাৰী নৃত্য, নটুৱা নৃত্য, ৰাস নৃত্য, কৃষ্ণ নাচ ইত্যাদি।

৮.৫ সত্রানুষ্ঠান আৰু নামঘৰৰ সাংস্কৃতিক চর্চা

সত্রানুষ্ঠান আৰু নামঘৰৰ সাংস্কৃতিক চর্চাই অসমীয়া সংস্কৃতিক বাৰুকৈয়ে সমৃদ্ধ কৰি তুলিছে। এই সাংস্কৃতিক চর্চাসমূহ হ'ল সত্রীয়া নৃত্য, ৰৱগীত, অংকীয়া নাট, ভাওনা ইত্যাদি। এই সাংস্কৃতিক অনুশীলনসমূহৰ দ্বাৰা অসমৰ পৰিবেশ্য কলা গঠিত হৈছে যাৰ বিষয়ে আমি পৰৱর্তী অধ্যায়ত খৰচি মাৰি অধ্যয়ন কৰিম। এই শাখাত আমি মাত্র এই সাংস্কৃতিক অনুশীলনৰ বিষয়ে এক চমু বিৱৰণ আগবঢ়াম।

- সত্রীয়া নৃত্য হৈছে ভাৰতীয় নৃত্য পৰম্পৰাৰ আঠোটা মুখ্য ধ্রুপদী পৰম্পৰাৰ অন্যতম। সত্রানুষ্ঠানৰ ভিতৰত অংকীয়া নাটৰ লগত সংগতি ৰাখি এই নৃত্য শৈলীৰ বিকাশ ঘটিছিল আৰু সেয়েহে ইয়াক সত্রীয়া নৃত্য বোলা হয়। পৰম্পৰাগতভাৱে সত্রীয়া নৃত্যৰ মূল বিষয়বস্তু ধর্মীয় আখ্যানসমূহ আছিল আৰু ইয়াক সত্রৰ পুৰুষ ভকতসকলে তেওঁলোকৰ দৈনিক ঔপচাৰিকতা বা বিশেষ উৎসৱ উপলক্ষে পৰিবেশন কৰিছিল। কিন্তু বর্তমান সত্রীয়া নৃত্য ধর্মমূলক আখ্যান আৰু অন্য বিষয়ৰ আধাৰত আনকি মঞ্চতো পৰিবেশন কৰা হয় আৰু ইয়াক কোনো সত্রৰ সৈতে জড়িত নথকা পুৰুষ আৰু মহিলা উভয়ে পৰিবেশন কৰে।
- ৰৱগীতসমূহ গীতি কবিতাৰ সংগ্রহ। এইসমূহ শংকৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা সত্র আৰু নামঘৰসমূহত প্রার্থনা পর্বৰ আৰম্ভণিতে পোৱাৰ বাবে ৰচনা কৰিছিল। ৰৱগীতসমূহ গদ্যৰ 'পদ' ৰূপত লিখা হৈছে। ৰৱগীতসমূহৰ নির্দিষ্ট ৰূপ আৰু তাল আছে। ই নৱ-বৈষ্ণৱ ধর্মপ্রচাৰকসকলৰ ধর্মীয় আবেগক প্রকাশ কৰে। কিন্তু অন্যান্য সকলে ৰচনা কৰা একে প্রকাৰৰ সংগীতক ৰৱগীত বোলা নহয়।
- অংকীয়া নাটসমূহ অসমত পৰিবেশিত হোৱা এটা অংকৰ নাটক। শ্রীমন্ত শংকৰদেৱে অংকীয়া নাটৰ ৰচনা আৰু পৰিৱেশনৰ সূত্রপাত কৰিছিল। অংকীয়া নাটসমূহ ব্রজাৱলী ভাষাত ৰচনা কৰা হৈছিল। ইয়াৰ মূল বিষয়বস্তু ঘাইকৈ ভগৱান কৃষ্ণ কেন্দ্রীক। অংকীয়া নাটসমূহত চলত বাদ্যযন্ত্র আৰু গায়ক, নৃত্য আৰু প্রয়োজনাত বিভিন্ন পোচাক-পৰিচ্ছদ আদিৰ সমাহাৰ ঘটিছিল।
- ভাওনা হৈছে শংকৰদেৱৰ দ্বাৰা সৃষ্টি এক প্রকাৰৰ ৰূপ শৈলী। ই আছিল ধর্মীয় বাণী প্রচাৰৰ এক প্রকাৰৰ আহিলাযুক্ত পাৰম্পৰিক মনোৰঞ্জনৰ এটা ৰূপ। ভাওনাসমূহ সাধাৰণতে সত্র আৰু নামঘৰত অনুষ্ঠিত হৈছিল। ভাওনাৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে , যেনে নাটক, বচন, সাজ-সজ্জা, অলংকাৰ, চৰিত্রসমূহৰ প্রৱেশ আৰু চলন আদি, যিসমূহে ইয়াক অন্য নাটকতকৈ ভিন্ন ৰূপ প্রদান কৰে।

অগ্রগতি নিৰীক্ষণ

তলত প্রশ্নসমূহৰ উত্তৰ লিখকঃ

প্রশ্ন নং ৫ 'ৰৱগীত বুলিলে কি বুজে?

.....

প্রশ্ন নং ৬ অংকীয়া নাটৰ বিষয়বস্তু কি?

.....

প্রশ্ন নং ৭ অন্য নাটসমূহৰ পৰা ভাওনাক কিহে পৃথক কৰে?

.....

৮.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰাৰ পাছত আমি -

- শংকৰদেৱে সূচনা কৰা নৱ-বৈষ্ণৱ আন্দোলনৰ এক মুখ্য অংশ হিচাপে সত্রসমূহৰ বিকাশৰ বিষয়ে জানিব পাৰিলো।
- ধর্মীয় আৰু বৌদ্ধিক আলোচনাৰ কেন্দ্ৰৰূপে নামঘৰৰ গুৰুত্ব কি তাৰ বিস্তৃত আলোচনা পঢ়িবলৈ পালো।
- সামাজিক সমন্বয় আৰু সামাজিকভাৱে অনগ্রসৰ শ্রেণীসমূহৰ উৎকর্ষ সাধনত সত্রানুষ্ঠান আৰু নামঘৰৰ প্রভাৱৰ বিষয়ে জ্ঞাত হ'লো, যাৰ দ্বাৰা নৈতিক আৰু সামাজিক চেতনাবোধৰ উদয় হয়।
- সত্রানুষ্ঠান আৰু নামঘৰত বর্তি থকা সাংস্কৃতিক অনুশীলন চর্চাসমূহৰ বিষয়ে জানিব পাৰিলো।

৮.৬ অধিক জানিবলৈ

ইংৰাজী গ্রন্থ

- Neog, Maheswar. (1965). *Early History of the Vaisnava Faith and Movement in Assam: Sankardeva and His Times.* Guwahati, Assam: Gauhati University.
- Neog, Maheswar. (1984). *Religions of the North-East*: *Studies in the Formal Religions of North Eastern India.* New Delhi, India.
- Mahanta, P. J. (2007). *The Sankardeva Movement: Its Cultural Horizons*. Guwahati, Assam: Purbanchal Prakash.

অসমীয়া গ্রন্থ

- ভৰালী, শৈলেন; (২০১০); *অসমীয়া লোক নাট্য পৰম্পৰা;* গুৱাহাটী: বাণী প্রকাশন।
- বৰদলৈ, নির্মলপ্রভা; (২০০৪); *অসমৰ লোক সংস্কৃতি;* গুৱাহাটী: বীণা লাইব্রেৰী।
- ডেকা, ড° নমিতা; (সম্পা.) (২০১০); *অসম দর্পন;* গুৱাহাটী: বাণী মন্দিৰ।
- গগৈ, লীলা; (২০১০); *অসমীয়া লোক সাহিত্যৰ ৰূপৰেখা;* ডিব্রুগড়: বনলতা প্রকাশন

৮.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ উৎসর্গাৰ সময়সূচী

২ নং প্রশ্নৰ উত্তৰ ঃ গুৰুৰ আদেশ অনুসৰি ভকত বা শিষ্যসকলে প্রতিষ্ঠা কৰা সত্রসমূহ

৩ নং প্রশ্নৰ উত্তৰ ঃ পূবদিশৰ পিনে

৪ নং প্রশ্নৰ উত্তৰ ঃ কীর্ত্তন ঘোষা আৰু নামঘোষা

৫ নং প্রশ্নৰ উত্তৰ ঃ শংকৰদেৱ আৰু মাধৱদেৱে ৰচনা কৰা ছন্দোময় গীতৰ সংগ্রহ

৬ নং প্রশ্নৰ উত্তৰ ঃ অংকীয়া নাটৰ ৰচনাৰ বিষয়বস্তুৰ মুখ্য কেন্দ্র ভগবান শ্রীকৃষ্ণ।

৭ নং প্রশ্নৰ উত্তৰ ঃ ভাওনাৰ কিছু বিশেষ বৈশিষ্ট্য আছে যেনে নাট, বচন, সাজ সজ্জা, অলংকাৰ, চৰিত্রসমূহৰ প্রৱেশ আৰু চলন ইত্যাদি যি ভাওনাক অন্য নাটকতকৈ পৃথক কৰে।

১.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ ৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'মণিকূট কি?

প্রশ্ন ২ ঃ সত্রাধিকাৰ কাক কোৱা হয় ?

প্রশ্ন ৩ ঃ পুৰুষ সংহতিৰ প্রতিষ্ঠা কোনে কৰিছিল?

প্রশ্ন ৪ ঃ নিকা সংহতিৰ প্রতিষ্ঠাপক কোন আছিল?

(খ) চমু প্রশ্ন (প্রত্যেকটো প্রশ্নৰ ১৫০-৩০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ তলত দিয়া সমূহৰ ভূমিকাৰ বিষয়ে চমুটোকা লিখকঃ

(ক) ৰাজহুৱা অনুষ্ঠান ৰূপে নামঘৰ

(খ) শিক্ষাৰ কেন্দ্র হিচাপে সত্র আৰু নামঘৰ

প্রশ্ন ২ ঃ শংকৰদেৱৰ পৰৱর্তী সময়চোৱাত সত্রসমূহৰ মর্যাদা বা অৱস্থান কি আছিল?

(গ) ৰচনাধর্মী প্রশ্ন (প্রত্যেকটো প্রশ্নৰ ৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ অসমীয়া সমাজৰ বিকাশত সত্র আৰু নামঘৰৰ ভূমিকাৰ বিষয়ে বর্ণনা কৰক।

প্রশ্ন ২ ঃ নৱ-বৈষ্ণৱ আন্দোলনৰ সময়ত অসমীয়া সাহিত্যৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ ঃ অসমৰ সত্র আৰু নামঘৰসমূহত বর্তি থকা সাংস্কৃতিক অনুশীলনসমূহৰ বর্ণনা কৰক।

** *** **

অধ্যায়-৯ অসমত কলাৰ প্ৰদৰ্শন

অধ্যায় গাঠনি

৯.১ উদ্দেশ্য
৯.২ আৰম্ভণি
৯.৩ কলা প্ৰদৰ্শনৰ ইতিহাস
৯.৪ পুৰণি অসমৰ দেৱালয় নৃত্য
৯.৪.১ দেৱদাসী
৯.৪.২ ওজাপালি
৯.৪.৩ মাটি-আখৰা
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলো
৯.৬ অধিক জানিবলৈ
৯.৭ অগ্ৰগতিৰ খতিয়ান
৯.৮ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই গোটটো অধ্যয়ন কৰাৰ পিছত আপুনি নিম্নোক্ত বিষয়ত সক্ষম হ'ব—

- নৃত্য-কলাৰ বিভিন্ন ভংগীৰ মূল আৰু পুৰণি অসমত এই কলা প্ৰদৰ্শনৰ ইতিহাস।
- পুৰণি অসমৰ দৌল-দেৱালয়ৰ বিভিন্ন নৃত্যৰ বিষয়ে আলোচনা।
- সত্ৰত সত্ৰীয়া নৃত্যৰ জন্ম আৰু বিকাশ আৰু ইয়াৰ গুৰুত্ব।
- এই নৃত্যসমূহৰ বৰ্তমান পৰিস্থিতিৰ ব্যাখ্যা।

৯.২ আৰম্ভণি

আমাৰ সংস্কৃতি আৰু সমাজত নানা আনুষ্ঠানিক আৰু অনানুষ্ঠানিক মাধ্যমত বৰ্তী থকা কলাসমূহৰ প্ৰদৰ্শন জীৱনদায়িনী আৰু প্ৰয়োজনীয় অংশ। কলাৰ প্ৰদৰ্শন বুলি ক'লে, অভিনয়, গীত, নৃত্য, চিত্ৰ আদি এইধৰণৰ কলাসমূহক বুজোৱা হয়। গতিকে, কলাৰ প্ৰদৰ্শন হৈছে এনে এক কলা য'ত শিল্পীয়ে এক বাৰ্তা বা শৈল্পিক প্ৰকাশৰ বাবে তেওঁলোকৰ কণ্ঠ আৰু শৰীৰ ব্যৱহাৰ কৰে। ই হৈছে বিভিন্ন প্ৰকাৰৰ দৃশ্য-কলা, য'ত শিল্পীয়ে এক চিত্ৰ প্ৰদৰ্শনৰ বাবে ৰং, তুলিকা আৰু বিভিন্ন সামগ্ৰী ব্যৱহাৰ কৰে।

৯.৩ কলা প্ৰদৰ্শনৰ ইতিহাস

গ্ৰীচত খ্ৰীষ্টপূৰ্ব ৬ষ্ঠ শতিকাতে চফ'ক্লিছৰ দৰে ট্ৰেজিক কবিৰ দ্বাৰা কলা প্ৰদৰ্শনৰ যুগ আৰম্ভ হৈছিল। এনে কবিসকলে এনে কিছুমান নাটক ৰচনা কৰিছিল যিবোৰ নৃত্যৰ সৈতে জড়িত হৈ আছিল।

হেলেনিষ্টিক যুগৰ আৰম্ভণিতে হাস্যৰসৰ সঘন ব্যৱহাৰ হৈছিল। তথাপিও অন্ধকাৰ যুগৰ আৰম্ভৰ লগে লগে ৬ষ্ঠ শতিকাত পশ্চিমীয়া কলাৰ প্ৰদৰ্শন লাহে লাহে কমি আহিল। ৯মৰ পৰা ১৪শ শতিকাৰ ভিতৰত পশ্চিমীয়া কলাৰ প্ৰদৰ্শন ধৰ্মীয় বুৰঞ্জীমূলক অধিনিয়ম আৰু নৈতিকতাৰ মাজত সীমিত আছিল আৰু তাৰ ভিত্তিত ৰচিত নাট পৱিত্ৰ দিনত গীৰ্জাত আৰু আন উল্লেখযোগ্য অনুষ্ঠানত প্ৰদৰ্শন কৰা হৈছিল। কিন্তু ১৫শ শতিকাত ৰেঁনেছা যুগৰ আৰম্ভণিৰ লগে লগে কলাৰ প্ৰদৰ্শন, বিশেষকৈ চিত্ৰকলাৰ, ইটালী আৰু সমগ্ৰ ইউৰোপত বিয়পি পৰে।

ভাৰত সংস্কৃতি আৰু ঐতিহ্যত চহকী দেশ। আমাৰ সভ্যতাৰ আৰম্ভণিৰে পৰা সংগীত, নৃত্য আৰু নাটক আমাৰ সংস্কৃতিৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে। প্ৰথম অৱস্থাত ধৰ্মীয় আৰু সামাজিক সংস্কাৰৰ বাবে চিত্ৰকলাক এক মাধ্যম হিচাপে লোৱা হৈছিল যদিও, ক্ৰমান্বয়ে সংগীত আৰু নৃত্য অভিন্ন হৈ জনপ্ৰিয়তা অৰ্জন ক�ৰিবলৈ ধৰিলে। বৈদিক যুগৰ পৰা মধ্য যুগলৈকে, সমূহীয়া শিক্ষাদানৰ বাবে কলাৰ প্ৰদৰ্শন এক উল্লেখযোগ্য উৎস হৈ আছিল। বৈদিক মন্ত্ৰ জপৰ বাবে বেদসমূহে অমূল্য নিয়ম দি গৈছে। আনকি বিভিন্ন মন্ত্ৰ উচ্চাৰণৰ স্বৰ আৰু সুৰো তাত উল্লেখ কৰা হৈছে। শিক্ষা আৰু সামাজিক সংস্কাৰৰ ক্ষেত্ৰত ইবিলাকৰ যথেষ্ট মূল্য আছে। বৰ্তমান, এই কলাসমূহ সমগ্ৰ পৃথিৱীৰ লোকৰে উপভোগৰ আহিলা হৈ পৰিছে। ভাৰতৰ উত্তৰ-পূবত থকা অসমক নৃত্যৰ দেশ হিচাপে বৰ্ণনা কৰা হৈছে। অসমত কলা প্ৰদৰ্শনৰ ইতিহাস অতি পুৰণি। খ্ৰীষ্টীয় ৭ম শতিকাত কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মাৰ দিনত অসমলৈ অহা চীন পৰিব্ৰাজক হিউৱেন চাঙৰ টোকাৰ পৰা পুৰণি অসমৰ নৃত্য আৰু সংগীতৰ বিষয়ে ভালেখিনি কথা জনা যায়। এই পৰিব্ৰাজকজনৰ সন্মানার্থে ৰজা ভাস্কৰ বৰ্মাই তেওঁৰ ৰাজসভাত নৃত্য আৰু সংগীতৰ এক আদৰণী অনুষ্ঠানৰ আয়োজন কৰিছিল। এমাহজোৰা এই অনুষ্ঠানৰ প্ৰতিদিনেই নৃত্য-গীত চলিছিল। ৰজা বল বৰ্মনৰ দিনৰ (১১শ শতিকাৰ) এখন তামৰ ফলিত পোৱা যায় যে হেট্টুকচুলিনৰ এটা শিৱ মন্দিৰত নৃত্য-গীতেৰে শিৱক আৰাধনা কৰা হৈছিল। অসমত নিগাজীকৈ থকা বিভিন্ন জনজাতিবোৰৰ ভিতৰত হ'ল পাহাৰৰ ডিমাছা-কছাৰী, কাৰ্বি, জেমি নগা আৰু ভৈয়ামৰ বড়ো-কছাৰী, মিচিং, দেউৰী, ৰাভা, তিৰা। এই সকলো জনাজাতিয়ে তেওঁলোকৰ নিজ নিজ পৰম্পৰাগত উৎসৱ তেওঁলোকৰ নিজ নিজ পঞ্জিকামতে পালন কৰে। মহাকাব্যৰ মতে, অসমৰ জনসাধাৰণৰ বাবে সংগীত হৈছে এক স্বৰ্গীয় দান। অসমীয়া সংগীত-নৃত্য খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰে পৰা পৰিৱেশন কৰা হৈছিল। তেতিয়াই হোৱা এই যাত্ৰাৰ আৰম্ভণি হিচাপে, শোণিতপুৰৰ ৰজা বাণৰ জীয়াৰী ঊষা আৰু তেওঁৰ বান্ধৱী চিত্ৰলেখাই অগ্নিগড়ত (তেজপুৰ, অসম) একেলগে গীত গাইছিল আৰু নৃত্য পৰিৱেশন কৰিছিল। চিত্ৰলেখাক মৰ্ত্যৰ প্ৰথমগৰাকী শিল্পী বোলা হয়। সেয়ে, অসমীয়া মানুহৰ বাবে সংগীতৰ উৎস ইমানেই অগ্ৰগণী আৰু মহান আছিল যে, বুৰঞ্জীয়ে ইয়াক সতকাই ঠাৱৰ কৰিবই নোৱাৰে। বৈদিক যুগৰ আৰম্ভণিতে আৰু শেষৰ ফাললৈ অসমত ভাৰতীয় সংগীতৰ 'ৰাগ' আৰু 'ধ্ৰুপদ শৈলী'ৰ আৰম্ভ হৈছিল। বিশেষজ্ঞসকলে অসমৰ সংগীতক বৰগীত আৰু ওজাপালি— এই দুটা ভাগত বিভক্ত কৰে। বৰগীতৰ স্ৰষ্টা শ্ৰীমন্ত শংকৰদেৱ আৰু তেওঁৰ শিষ্য মাধৱদেৱে অসমীয়া সংগীতক এক নতুন মাত্ৰা দিলে। তথাপি, এনেকৈয়ো ক'ব পাৰি যে, ব্ৰহ্মপুত্ৰ নদীৰ জন্মৰে পৰা অসমখন সংগীতেৰে মুখৰ হৈ আছিল।

৯.৪ অসমৰ দেৱালয়ৰ নৃত্য

নাট্যশালা আৰু অভিনয়ৰ অতি প্ৰাচীন শাস্ত্ৰ 'নাট্যশাস্ত্ৰ'ই প্ৰতিষ্ঠিত কৰি গৈছে যে, প্ৰাচীন ভাৰতীয় নাট্যশালাত নৃত্য আৰু সংগীত অভিন্ন অংগ। দৌল-দেৱালয়সমূহত নৃত্য-নাটিকা পৰিৱেশন কৰা হৈছিল। দেৱালয় নিৰ্মাণৰ শিল আদিত নৃত্যৰ বিভিন্ন ভংগিমা খোদিত কৰি ৰখা হৈছিল। ষষ্ঠ শতিকাৰ ভক্তি আন্দোলনত, নৃত্য আৰু সংগীত উপাসনাৰ অন্যতম শক্তিশালী মাধ্যম আছিল। মন্দিৰৰ বিগ্ৰহজনাক এজন অতি প্ৰিয় ৰজা হেন জ্ঞান কৰি, নৃত্য আৰ সংগীতেৰে তেওঁৰ প্ৰশংসা আৰু ৰাজকীয় আমোদ প্ৰদান কৰাটো পূজাৰ পৰিত্ৰ আহ্নিকৰ অন্তৰ্গত আছিল। নৃত্য আৰু সংগীতেৰে প্ৰতিভাসম্পন্ন, উচ্চ শিক্ষিত দেৱালয়ৰ নৃত্য-শিল্পী বা দেৱদাসীসকলক দেৱালয় কৰ্তৃপক্ষই ভৰণ-পোষণ দি ৰাখিছিল। নৃত্যৰ লগতে নৃত্য শিল্পী, নৃত্য গুৰু, সংগীত শিল্পী, কবি, ৰচক, স্থপতিবিদ, ভাস্কৰ্য শিল্পী আৰু চিত্ৰ শিল্পীসকলকো দেৱালয় কৰ্তৃপক্ষই পৃষ্ঠপোষকতা প্ৰদান কৰি সকলো কলাৰ প্ৰতি এক পৰিত্ৰ ভাব প্ৰদান কৰিছিল।

অতি পুৰণি কালৰে পৰা অসমৰ মন্দিৰ-দেৱালয় প্ৰাংগণত পৰিৱেশন কৰা নৃত্য আৰু সংগীতৰ ভিতৰত দেৱদাসী নৃত্যই আছিল আটাইতকৈ প্ৰাচীন। পিছৰ সময়ত (১৫শ শতিকাৰ পৰা), বৰ্তমানলৈকে বৈষ্ণৱ শিক্ষাৰ উল্লেখযোগ্য কেন্দ্ৰ, সত্ৰসমূহত সত্ৰীয়া নৃত্য পৰিৱেশন কৰা হৈছিল। মন্দিৰ-দেৱালয় প্ৰাংগণত পৰিৱেশন কৰা নৃত্যসমূহ তলত উল্লেখ কৰা হৈছে—

৯.৪.১ দেৱদাসী

অসমত ১,৩০০ বছৰ পুৰণি পৰম্পৰাৰ দেৱদাসী নৃত্য, তৃতীয় শতিকাত দেৱদাসী-প্ৰথা প্ৰবল ৰূপত চলি থকা সময়ৰে। বনমালা বৰ্মাদেৱৰ এখন তামৰ ফলিত 'দেৱদাসী' শব্দটোৰ উল্লেখ পোৱা যায়। এই নৃত্য ১১শ শতিকাৰ পৰা ৰত্নপালৰ ৰাজত্বৰ দিনলৈকে প্ৰচলিত হৈ আছিল। শৈৱ, শাক্ত আৰু বৈষ্ণৱ মন্দিৰ-দেৱালয়ৰ দৈনিক পূজা-অৰ্চনাৰ অংগস্বৰূপে ছোৱালীবোৰক নৃত্যৰ বাবে আগবঢ়োৱা হৈছিল। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰৰ দৰে প্ৰাচীন গ্ৰন্থসমূহত এই নৃত্য পৰম্পৰাৰ কথা পোৱা যায়।

'দেৱদাসী' শব্দটো আছিল সংস্কৃতৰ দুটা শব্দৰ পৰা— 'দেৱ' অৰ্থাৎ দেৱতা আৰু 'দাসী' অৰ্থাৎ দাস বা ভৃত্য। ইয়াৰ পৰা জনা যায় 'দেৱদাসী' মানে যি ঈশ্বৰৰ সেৱাৰ নামত নিজৰ জীৱন উৎসৰ্গা কৰে। কালিকা পুৰাণ আৰু যোগিনীতন্ত্ৰৰ মতে, প্ৰাচীন কামৰূপ আছিল তন্ত্ৰৰ স্থান আৰু অসমৰ দেৱদাসীসকল হৈছে তান্ত্ৰিক প্ৰভাৱৰ ফল। অসমত দেৱদাসীৰ আৰম্ভণি হিচাপে বৰ্মন বংশৰ (খ্ৰীষ্টপূৰ্ব সপ্তম শতিকা) ৰজা ভাস্কৰ বৰ্মাৰ ৰাজত্বৰ দিনৰ কথাই জনা যায়। ডুবিৰ তামৰ ফলিত চীনা পৰিব্ৰাজক হিউৱেন চাঙে কামৰূপী কলা আৰু নৃত্যক প্ৰশংসা কৰাৰ কথা পোৱা যায়। দেৱগাঁৱৰ নেঘেৰিটিঙৰ শিৱ মন্দিৰ, গুৱাহাটীৰ কামাখ্যা মন্দিৰ, শিৱসাগৰৰ শিৱদৌল, হাজোৰ হয়গ্ৰীৱ মাধৱ আৰু কেদাৰ আৰু ডুবি, পাঠশালাৰ পৰিহৰেশ্বৰ মন্দিৰ দেৱদাসী পৰম্পৰাৰ কেন্দ্ৰ আছিল।

মন্দিৰ প্ৰাংগণত পুৱাৰ উপাসনা আৰু সন্ধিয়া 'আৰতি'ৰ সময়ত দেৱদাসী নৃত্য পৰিৱেশন কৰা হৈছিল। সংগীত আৰু খোল-তাল আদি সংগত কৰি নৃত্য উপস্থাপন কৰা হৈছিল। গায়কসকলে সংগীত ৰচনা কৰিছিল আৰু সেইবোৰ আছিল শিৱ, পাৰ্বতী, দুৰ্গা, বিষ্ণু আদিৰ প্ৰশস্তিমূলক গীত। প্ৰথম অৱস্থাত এই নৃত্য মন্দিৰ-দেৱালয় প্ৰাংগণতে আবদ্ধ আছিল যদিও আহোম স্বৰ্গদেউ শিৱসিংহৰ দিনত ইয়াক মন্দিৰ-দেৱালয়ৰ বাহিৰতো পৰিৱেশন কৰা হৈছিল; তেতিয়া ইয়াক 'নটী' বোলা হৈছিল। আহোম স্বৰ্গদেউ শিৱসিংহই নিজেই এনে এগৰাকী দেৱদাসীক বিয়া কৰাইছিল, যাক ফুলেশ্বৰী নামেৰে জনা গৈছিল। আন ৰাজ্যৰ তুলনাত অসমৰ দেৱদাসী নৃত্যক যথেষ্ট পৱিত্ৰ জ্ঞান কৰি ৰখা হৈছিল। কিন্তু দুৰ্ভাগ্যবশতঃ ১৭শ শতিকাত ঘনে ঘনে হৈ থকা বিদেশী আক্ৰমণ আৰু ঔপনিবেশীয় শিক্ষা ব্যৱস্থাৰ ফলত দেৱদাসী নৃত্যৰ পূৰ্বৰ গৰিমাত আঘাত লাগে। ঔপনিবেশীয় শিক্ষা ব্যৱস্থাই ইয়াত মানৱীয়তাৰ বিপক্ষৰ বুলি গণ্য কৰে। সেয়ে, ইয়াক নিষিদ্ধ কৰা হয় আৰু ভাৰতীয় সামাজিক সংস্কাৰকসকলে এসময়ত ইয়াক একেবাৰে নাইকিয়া কৰি পেলায়। তথাপিও, 'কোনো কোনো ঠাইত নিষিদ্ধৰূপেও ভক্তসকলে এই নৃত্যৰ চৰ্চা চলাই আছিল। (ডঃ কপিল বাৎসায়ন— 'ভাৰতীয় ধ্ৰুপদী নৃত্য')

৯.৪.২ ওজাপালি

ওজাপালি শব্দটো 'ওজা' আৰু 'পালি' এই সুকীয়া শব্দ দুটাৰ পৰা ওলাইছে। ওজা শব্দটো সংস্কৃতৰ 'উপাধ্যায়' শব্দৰ পৰা আৰু 'পালি' শব্দটো 'পালিতা' শব্দৰ পৰা ওলাইছে। সংগীত, নৃত্য আৰু নাটক— এই তিনি ধৰণৰ কলাৰ পৰা উদ্ভূত, ই দৰঙৰ এক অন্যন্য কলা। ৪ বা ৫জন লোকেৰে গঠিত এটা দলে ইয়াক পৰিৱেশন কৰে। এই দলৰ দলপতিজনক ওজা বোলা হয়। তেওঁৰ লগত থাকে ৩ৰ পৰা ৫জন পালি; সেয়ে এই অনুষ্ঠানটোক ওজাপালি বোলা হয়। ওজাপালিত মাত্ৰ খুটিতালহে সংগত কৰা হয়। পৰিৱেশন কৰাসকলে দীঘল হাতৰ বগা চোলা, ৰূপৰ অলংকাৰ আৰু নুপূৰ পিন্ধে।

ওজাজনেই হৈছে মুখ্য গায়ক। তেওঁ সংগীত, মুদ্ৰা আৰু নৃত্যৰে কোনো পৌৰাণিক আখ্যানৰ মূলভাগ আবৃত্তি কৰি যায়। পালিসকলে গীতৰ প্ৰতি পদৰ পিছত গীতৰ শাৰী গাই বা তাল বজাই পুনঃ পুনঃ তাৰ সুৰ ধৰি থাকে। দুই প্ৰকাৰৰ পালি আছে (১) দাইনাপালি— এনে নামৰ কাৰণ এই পালিজন ওজাৰ সোঁহাত স্বৰূপ। (২) সাধাৰণ বা সহায়কাৰী পালি। ওজাই মহাকাব্যিক কবিতা বা কোনো পৌৰাণিক আখ্যানৰ মূলভাগ তাল, ৰাগ, মুদ্ৰাৰ সংগতি ৰাখি আবৃত্তি কৰি যায় আৰু দাইনাপালিৰ সৈতে মাজে মাজে পৰিৱেশিত পদবোৰ স্থানীয় ভাষাৰ কথোপকনৰ আৰ্হিৰে উপস্থাপন কৰে। দাইনাপালিয়ে তাৰ অৰ্থ দৰ্শকক বুজাই যায়। সাধাৰণতে দাইনাপালিয়ে দৰ্শকক নিভাঁজ হাস্যৰসৰো সোৱাদ দিয়ে।

সাজ-সজ্জা ঃ ওজাপালিৰ এটা দলত এজন ওজা আৰু ৪ৰ পৰা ৬জন পালি থাকে। এওঁলোকৰ পোছাক আৰু আ-অলংকাৰ অৰ্থপূৰ্ণ। বিয়াহ-গোৱা ওজাই কামিজ আৰু পায়জামা একেলগে থকাৰ দৰে চাপকন নামৰ এবিধ পোছাক পিন্ধে। তেওঁ কঁকালত কঁকালীৰ দৰে এডাল পেটি

আৰু কান্ধৰ দুইকাষে মুগাৰ পচাৰা নামৰ এবিধ কাপোৰ ওলোমাই লয়। ওজাই এবিধ বিশেষ ধৰণৰ পাগুৰী মাৰে। তেওঁ নুপূৰ, গামখাৰু, গলপাতা আৰু আঙুলিত আঙুঠি পিন্ধে আৰু কপালত চন্দনৰ ফোঁট লয়। পালিয়েও বাঘৰ ছালৰ আৰ্হিৰ কাপোৰ আৰু চাপকন পিন্ধে। তেওঁলোকেও মূৰত দেখনিয়াৰ বগা পাগুৰী মাৰে।

ওজাপালিৰ প্রকাৰ ঃ গীতৰ কথাংশ আৰু পৰিৱেশন কৰা ৰীতিৰ ওপৰত ভিত্তি কৰি ওজাপালিক দুভাগত ভগাব পাৰি— (ক) মহাকাব্যিকভিত্তিক ওজাপালি (খ) অ-মহাকাব্যিকভিত্তিক ওজাপালি।

মহাকাব্যিকভিত্তিক ওজাপালিয়ে মুখ্যতঃ ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ দৰে মহাকাব্যৰ ওপৰত ভিত্তি কৰে। এওঁলোকে শ্রীবিষ্ণু আৰু কৃষ্ণৰ বেলাডো গায়। এনে ধৰণৰ ওজাপালিক বৈষ্ণৱ ওজাপালি বোলা হয়। কাৰণ তেওঁলোকে বৈষ্ণৱ ৰীতি-নীতি উপস্থাপন কৰে। মহাকাব্যিকভিত্তিক ওজাপালিক সাতটা উপশাখাত ভগাব পাৰি— (১) বিয়াহৰ ওজাপালি বা বিয়া-গোৱা ওজাপালি বা ব্যাসৰ ওজাপালি বা সভা-গোৱা ওজাপালি (২) ৰামায়ণ ওজাপালি (৩) ভাউৰা বা ভাউৰীয়া বা ভাইৰা ওজাপালি (৪) দুর্গাভাৰী ওজাপালি (৫) সত্রীয়া ওজাপালি (৬) পাঁচালী ওজাপালি (৭) দুলুৰী ওজাপালি। এইবোৰৰ ভিতৰত বিয়াহৰ ওজাপালিয়েই আটাইতকৈ পুৰণি। বিয়াহৰ ওজাপালিৰ মূল ব্যাস সংগীত য'ত ৰামায়ণ, মহাভাৰত আৰু পুৰাণৰ আবৃত্তি কৰা হয়।

বিষয়, গঠন আৰু পৰিৱেশৰ ওপৰত ভিত্তি কৰি অ-মহাকাব্যিকভিত্তিক ওজাপালিৰ প্রকাৰ ভেদ হয় যদিও এনে ওজাপালি সর্প-দেৱী মনসা বা বিষহৰি, পদ্মা, ব্রাহ্মণী বা বাৰমণিৰ মূল কথাৰ ওপৰত ৰচিত। সর্প-দেৱী মনসাক আৱাহন কৰিবলৈ গোৱা ৰীতিমূলক গীতবোৰক মনসা সংগীত বোলা হয়। এই উপভাগটোকো বিষয়ৰ ভিত্তিত পাঁচোটা ভাগত ভাগ কৰিব পাৰি— (১) সুকন্নানী ওজাপালি ব ৰং-গোৱা ওজাপালি (২) বিষহৰি গান (৩) মাৰে পূজাৰ গান বা মাৰে গান (৪) পদ্ম পুৰাণৰ গান (৫) টুকুৰীয়া ওজাপালি।

সুকন্নানী ওজাপালিয়ে সুকবি নাৰায়ণদেৱে (১৭শ শতিকা) ৰচনা কৰা পদ্ম পুৰাণৰ মনসা দেৱীৰ গীতবোৰ আবৃত্তি কৰে। সুকন্নানী বা সুকনানী শব্দটো 'সুকবি নাৰায়ণদেৱনিগদতি' এই বাক্যশাৰীৰ প্রতিটো শব্দৰ আদ্যাক্ষৰ লৈ গঠিত হৈছে। মনসা পূজাক বোধকৰো ৰং পূজাৰ দৰে পৰিৱেশন কৰা হয় আৰু সেয়ে ই ৰং-গোৱা ওজাপালি নাম পালে। দৰঙত প্রচলিত সুকন্নানী ওজাপালি সংগীতৰ ক্ষেত্রত বিয়াহ গোৱাৰ সৈতে মিলে আৰু ই মার্গীয় সংগীত ধাৰাৰ ওচৰ চপা, অথচ কামৰূপত প্রচলিত ওজাপালি লোক-সংগীতৰ আৰ্হিৰ। বিষহৰি গান বা মাৰে পূজা গান বিষয়, গঠন আৰু সংগীতৰ আৰ্হিত সুকন্নানীতকৈ পৃথক। বিষহৰি গান বা মাৰে পূজাৰ গান পদ্ম পুৰাণৰ ওপৰত ভিত্তি কৰা নহয়; ইয়াৰ গানবোৰ মনকৰ আৰু দুর্গাবৰে ৰচনা কৰা। ইয়াৰ আন এক প্রকাৰ হৈছে পদ্মাদেৱীৰ কাহিনীৰে পদ্ম পুৰাণৰ গান। উত্তৰ আৰু পশ্চিম গোৱালপাৰাত এই গান পোৱা যায়। ইয়াৰ দলটোত এজন মুখ্য গায়ক বা গিদাল, পালি আৰু বাইল (যি খোল আৰু তাল বজায়) থাকে। কেতিয়াবা ল'ৰা কিছুমানে ছোৱালীৰ পোছাক

পিন্ধি মূল পৰিৱেশত ভাগ লয়।

টুকুৰীয়া ওজাপ ালিত পৰম্পৰাগতভাৱে লাভ কৰা কোনো মহাকাব্য বা পুৰাণৰ কথা আবৃত্তি কৰা হয়। টুকুৰীয়া ওজাপালিত চাৰিজন পালি একে শাৰীতে বহে, ওজাজন বহে মাজত। এটা গীত আবৃত্তি কৰাৰ পিছত ওজাই পালিৰ সহযোগত সেয়া সৰল ভাষাৰে বুজাই যায়।

৯.৪.৩ মাটি আখৰা

অসমীয়াত মাটি আখৰা মানে মাটিত কৰা ব্যায়াম। ই শৰীৰ আৰু হাতৰ গঠনত সহায় কৰে। সত্ৰীয়া নৃত্য এই মাটি আখৰাৰ প্ৰশিক্ষণেৰে আৰম্ভ হয়। ইয়াক সত্ৰীয়া নৃত্যৰ ব্যাকৰণ বুলিব পাৰি। মাটি আখৰাৰ সকলোখিনি শিকাৰ পিছত নৃত্য-শিল্পীগৰাকীক সত্ৰীয়া নৃত্য শিকোৱা হয়। মাৰ্গীয় নৃত্যৰ এজন শিকাৰুৰ বাবে প্ৰয়োজনীয় শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক স্থিতিৰ সকলোখিনিৰ বাবে মাটি আখৰা হৈছে আধাৰ স্বৰূপ। মাটি আখৰাৰ কিছুমান ভংগী যোগ-সাধনাৰ আসনৰ দৰে, যিবোৰ শাৰীৰিক আৰু মানসিক দিশৰ পৰা বৰ প্ৰয়োজনীয়। এনে মাটি আখৰাবোৰত থকা যৌগিক গুণে শিকাৰু এজনৰ শৰীৰটোক সকলো দিশৰ পৰা এক সুন্দৰ আকাৰ দিয়ে। উল্লেখযোগ্য যে, সত্ৰীয়া নৃত্যৰ স্থপতিস্বৰূপ মহাপুৰুষ শংকৰদেৱ যোগ-সাধনাত পাৰ্গত আছিল আৰু তেওঁ যোগ-শাস্ত্ৰ বহুলভাৱে অধ্যয়ন কৰিছিল।

প্ৰতিটো মাটি আখৰাই এক বৰ্ণমালাৰ একো একোটা আখৰৰ দৰে আৰু আমি যদি মাটি আখৰাৰ কিছুমান ভংগী সন্নিবিষ্ট কৰোঁ, তেন্তে এক সুন্দৰ নৃত্য-শৃংখলা পাম। মাটি আখৰাক দুভাগত ভগাব পাৰি— (ক) নিভাঁজ ব্যায়াম আৰু (খ) আধাৰ নৃত্য। নিভাঁজ ব্যায়ামৰ আধাৰ কিছুমান বায়ৰীয় ভংগী। যেনে— থিয়লন, আঁঠুলন, টমালমোচোৰা, ম'ৰাই পানী খোৱা আদি। এই ব্যায়ামবোৰ সাধাৰণতে নৃত্যত ব্যৱহাৰ কৰা নহয় যদিও ইয়াৰ কিছুমান ব্যতিক্ৰমো আছে। উদাহৰণস্বৰূপে, আউনিআটি সত্ৰত প্ৰচলিত নটুৱা নাচত এই ব্যায়ামবোৰ যথেষ্ট পৰিমাণে ব্যৱহাৰ কৰা দেখা যায়। আনহাতে, বেছিভাগ মাটি আখৰাই নৃত্যৰ মূল আধাৰৰ শাৰীত পৰে।

এইটো ইতিমধ্যেই উল্লেখ কৰা হৈছে যে, মাটি আখৰা হৈছে সত্ৰীয়া নৃত্যৰ বৈয়াকৰণিক ৰূপ আৰু লগে লগে ই হৈছে এই নৃত্য ভংগিমাৰ প্ৰস্তুতিৰ আধাৰ। সেইবাবে শৰীৰৰ প্ৰায় সকলো অংগকে মাটি আখৰাই সামৰি লয়। সেইবোৰ হৈছে— (ক) উঠা; (খ) বহা; (গ) থিয়; (ঘ) চালনা; (ঙ) পাক; (চ) জাঁপ; (ছ) উলাহ; (জ) চিটিকা; (ঝ) বুৰা বা ডুবা আদি। আনহাতে, মাটি আখৰাক বহলভাৱে আঠোটা ভাগত ভাগ কৰিব পাৰি। যেনে— (১) অৰা, (২) ছোটা, (৩) জলক, (৪) জাঁপ, (৫) মুৰুকা, (৬) খৰ, (৭) পাক আৰু (৮) লন। বিভিন্ন চৰিত্ৰ আৰু প্ৰায়োগিক আৰ্হিৰ ভিত্তিত এই ভাগবোৰ কৰা হৈছে। এই বহল ভাগবোৰৰ ভিতৰত আৰু কিছুমান শাখা আছে। যেনে অৰা চাৰি প্ৰকাৰৰ আছে— পুৰুষ অৰা, প্ৰকৃতি বা স্ত্ৰী অৰা, ফুল অৰা আৰু লাহি অৰা। সেইদৰে প্ৰায় ছয় প্ৰকাৰৰ ছোটা আছে— অৰাছোটা, কাটিছোটা, উধাছোটা আদি।

মাটি আখৰাই সত্ৰীয়া নৃত্যৰ সকলো উপাদান সামৰি লৈছে। এইবিলাকেই হৈছে শৰীৰৰ মূল অৱস্থান বা ভংগিমা, অংগ সঞ্চালন, পদ-ভংগিমা বা পদ সঞ্চালন, বিভিন্ন উৎপ্লাৱন বা জাঁপ, ভ্ৰমৰী বা পাক, গতি, বিভিন্ন হস্ত, শিৰভেদ বা শিৰ সঞ্চালন, গ্ৰীব-ভেদ বা ডিঙি সঞ্চালন, দৃষ্টি-ভেদ বা চকু সঞ্চালন আদি।

৯.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে

- কলা প্ৰদৰ্শনৰ ইতিহাস। ভাৰতৰ সৈতে অসমৰো সংগীত আৰু নৃত্য অতি পুৰণি। কালিকা পুৰাণ, যোগিনীতন্ত্ৰ, হিউৱেন চাঙৰ টোকা, অসমৰ বিভিন্ন তামৰ ফলি আৰু শিলালিপি আদিয়ে অসমৰ কলা প্ৰদৰ্শনৰ ইতিহাসৰ বিষয়ে জানিবলৈ দিয়ে।
- ভাস্কৰ বৰ্মাৰ পৰা ৰাল বৰ্মনলৈকে আৰু পিছত শিৱসিংহই (আহোম ৰজা) এই নৃত্যসমূহৰ প্ৰচাৰ চলাইছিল আৰু ৰাজকীয় পৃষ্ঠপোষকতা দিছিল। ১৫শ শতিকাৰ পিছৰে পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অসমীয়া সংস্কৃতিত সত্ৰীয়া নৃত্যৰ দৰে এক নতুন নৃত্যৰ ধাৰা সন্নিৱিষ্ট কৰিছিল, যি সত্ৰসমূহৰ আয়ুসৰেখাৰ দৰে হৈ পৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখক ঃ

প্ৰশ্ন ১: দাসী মানে ..... (খালী ঠাই পূৰণ কৰক)

প্ৰশ্ন ২: ওজাপালিৰ দুটা ভাগ উল্লেখ কৰক।

প্ৰশ্ন ৩: মাটি আখৰা মানে কি?

৯. ৬ অধিক জানিবলৈ

1. Eckart Kohne, Cornelia Ewigleben and Ralph Jackson. (2000). *Gladiators and Caesars: The Power of Spectacle in Ancient Rome*. University of California Press, LA
2. Alison Futrell. (2006). *The Roman Games: Historical Sources in Translation.* Blackwell Publishing House, UK
3. Matz, David. (2016). *Dangerous Sports in Ancient Rome: Gladiator Games, chariot racing and other death defying competitions.* ABC-CLIO
4. Kyle, Donald G. (2015). *Sports and Spectacle in the Ancient World*. (2nd Edition). Wiley Blackwell, UK

৯.৭ অগ্ৰগতিৰ খতিয়ান

উত্তৰ নং ১: দাস

উত্তৰ নং ২: মহাকাব্যিক ভিত্তিক ওজাপালি আৰু অ-মহাকাব্যিক ভিত্তিক ওজাপালি

উত্তৰ নং ৩: মাটিৰ ওপৰত কৰা আখৰা

৯.৮ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১: ওজা কোন?

প্ৰশ্ন ২: মহাকাব্যিক ভিত্তিক ওজাপালিৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ৩: মাটি আখৰাই ..... নৃত্যৰ সকলোখিনি বৈশিষ্ট্যই পূৰণ কৰে। (খালী ঠাই পূৰ কৰক)

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত দিব)

চমু টোকা লিখকঃ

প্ৰশ্ন ১: মাটি আখৰা

প্ৰশ্ন ১: ওজাপালিৰ সাজপাৰ আৰু আ-অলংকাৰ

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১: অসমৰ দেবদাসী নৃত্যৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২: বিভিন্ন প্ৰকাৰৰ ওজাপালিৰ বিষয়ে আলোচনা নিজৰ ভাষাত আলোচনা কৰক।

** *** **

অধ্যায় ১০ ঃ অসমৰ কলা আৰু স্থাপত্য শিল্প

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ ভাস্কর্য কলা
১০.৪ স্থাপত্য কলা
১০.৫ চিত্রকলা
১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- অসমত কলা আৰু স্থাপত্য শিল্পৰ বিকাশ আলোচনা আৰু বিশ্লেষণ কৰিব পাৰিব
- অসমৰ ভাস্কর্য আৰু চিত্রকলাৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- অসমত এটা মিশ্রিত সংস্কৃতিৰ বিকাশত বিভিন্ন খ্যাত-অখ্যাত ৰজা আৰু স্থপতিবিদৰ অৱদান বিশ্লেষণ কৰিব পাৰিব।

১০.২ পৰিচয়

আপুনি নিশ্চয় গুৱাহাটীৰ কামাখ্যা মন্দিৰ নাইবা শিৱসাগৰৰ ৰংঘৰ আৰু তলাতলঘৰ দর্শন কৰিছে। এই স্থাপত্যবোৰ হ'ল অসমৰ সাংস্কৃতিক ঐতিহ্যৰ চিন আৰু আমাৰ গৌৰৱ। আপোনাৰ মনত হয়তো মন্দিৰ, মছজিদ, বর্মযান (tank) আৰু অন্য ভৱন আদি অধ্যয়নৰ প্রয়োজনীয়তা সম্পর্কে নানা প্রশ্নৰ উদ্রেক হৈছে। কিন্তু আমাৰ থলুৱা সংস্কৃতি আৰু সভ্যতাৰ বিষয়ে ভালদৰে বুজি পাবলৈ পূর্বপুৰুষে এৰি থৈ যোৱা সাংস্কৃতিক ঐতিহ্যৰ অৱশেষবোৰৰ বিষয়ে অধ্যয়ন কৰিবই লাগিব। অতীতৰ কথা সোঁৱৰাই দিয়া স্থাপত্যকলা, চিত্রকলা আৰু ভাস্কর্যবোৰে আমাক কোনো এক নির্দিষ্ট সম্প্রদায় অথবা সমাজৰ বৈশিষ্ট্য বুজাত সহায় কৰে।

ইয়াৰ আগৰ অধ্যায়ত অসমৰ বাসিন্দাৰ জীৱনৰ আৰু বিভিন্ন স্থানৰ অবিচ্ছেদ্য অংগ আৰু অনন্য বৈশিষ্ট্য সমৃদ্ধ সত্রীয়া সংস্কৃতিৰ বিষয়ে আলোচনা কৰা হৈছে। এই সংস্কৃতিৰ অধীনত গঢ় লোৱা অনুষ্ঠানবোৰে অসমীয়াক পৰম্পৰৰ কায চপাই অনাৰ পথ সুগম কৰি তুলিছিল। বর্তমান সর্বত্র জনপ্রিয় হোৱা আৰু সকলোৰে মনোযোগ আকর্ষণকাৰী বিভিন্ন সৃজনাত্মক কলাৰ বিকাশতো সত্রীয়া সংস্কৃতিয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। এই অধ্যায়ত আমি অসমৰ অন্তর্নিহিত সংস্কৃতিত গভীৰ সাঁচ বহুৱাবলৈ সক্ষম হোৱা, অসমতে বিকাশ ঘটা কলা আৰু স্থাপত্য শিল্পৰ বিষয়ে বহলাই আলোচনা কৰিম। অধ্যায়টিত চিত্রকলাৰ শৈলী আৰু নক্সাৰ ওপৰত আলোকপাত

কৰাৰ উপৰি আমাৰ সংস্কৃতিময় অতীতক বুজিবলৈ বিভিন্ন খ্যাত-অখ্যাত বংশৰ শাসকে হাতত লোৱা নিৰ্মাণ কাৰ্যকলাপৰ বিষয়েও আলোচনা কৰা হ'ব।

১০.৩ ভাস্কৰ্য কলা

অসমত যথেষ্ট সংখ্যক প্ৰাক্-আহোম কালৰ শিলত কটা ভাস্কৰ্য উদ্ধাৰ হৈছে। অসমত শিলত কটা ভাস্কৰ্যৰ উপৰিও ধাতৰ ভাস্কৰ্য, টেৰাকোটাৰ ভাস্কৰ্য আৰু হাতী দাঁতত খোদিত ভাস্কৰ্য উদ্ধাৰ হৈছে। অসমৰ প্ৰাচীন ভাস্কৰ্য বিদ্যাত ধ্ৰুপদী গুপ্ত যুগৰ প্ৰভাৱ বিদ্যমান। তেজপুৰৰ দ-পৰ্বতীয়াত থকা গুপ্ত যুগৰ মন্দিৰ এটাৰ দুৱাৰৰ চৌকাঠৰ কলাত ভূমাৰা, দেওগড় আৰু নাছ্না কুথাৰাত পোৱা গুপ্ত শৈলীৰ কলাৰ সৈতে মিল আছে। এই কাৰ্যই শিলত সৃজনশীল নক্সা কটাৰ চৰ্চাৰ আভাস দিয়ে। গুপ্ত যুগৰ সৃজনশীলতাৰ আন এক নিদৰ্শন পোৱা যায় নগাঁও জিলাৰ মিকিৰ আটিত। খ্ৰীষ্টিয় সপ্তম শতিকাৰ পৰা ধ্ৰুপদী গুপ্ত কলাই ইয়াৰ গৰিমা হেৰুৱাবলৈ ধৰিলে. এই সময়ছোৱাত কোনো নতুন ভাস্কৰ্য সৃষ্টিৰ প্ৰমাণ পোৱা নাযায়। কিন্তু পূব ভাৰতত এই ধ্ৰুপদী কলাৰ প্ৰয়োগ অব্যাহত আছিল। তাৰ প্ৰমাণ হ'ল বুদ্ধৰ এটা ধাতৰ মূৰ্তি, বিহাৰৰ আফচাদত উদ্ধাৰ হোৱা চক্ৰপুৰুষৰ এটা শিলৰ মূৰ্তি আৰু বাংলাদেশৰ চৌদ্দগ্ৰামত উদ্ধাৰ হোৱা সৰ্বানীৰ এটা ধাতৰ মূৰ্তি। অষ্টম শতিকাৰ দ্বিতীয়াৰ্দ্ধত আঞ্চলিক কলা চৰ্চা কৰা বিদ্যালয়, আঞ্চলিক ভাষা আৰু সাহিত্য চৰ্চা কৰাৰ প্ৰৱণতাৰ বিকাশ ঘটিল। প্ৰাচ্য কলা বিদ্যালয় হিচাপে বিকাশ ঘটা এনে এখন বিদ্যালয় হ'ল পাল শাসকসকলৰ উত্থানৰ লগে লগে জন্ম লাভ কৰা পাল কলা বিদ্যালয়। ভাস্কৰ্য কলাৰ ক্ষেত্ৰত অসম, বংগ আৰু বিহাৰত দুটা ধাৰাৰ বিকাশ ঘটিল। ইয়াৰে এটা ধাৰা আছিল ধ্ৰুপদী গুপ্ত সংৰচনা আৰু খিলঞ্জীয়া শৈলীৰ মিশ্ৰণ আৰু আনটো ধাৰা আছিল সম্পূৰ্ণ খিলঞ্জীয়া। নৱম শতিকাৰ প্ৰথমাৰ্দ্ধত প্ৰাচ্য কলা বিদ্যালয়ে এক সচেতন আৰু সুনিৰ্দিষ্ট পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হৈছিল। দুধনৈত উদ্ধাৰ হোৱা বিষ্ণু মূৰ্তিটো এই সময়ছোৱাৰ বুলি ক'ব পাৰি। সূৰ্য পাহাৰত থকা শিলত কটা বিষ্ণু আৰু শিৱৰ মূৰ্তি আৰু সূৰ্য পাহাৰৰে এটা গুহাত উদ্ধাৰ হোৱা তীৰ্থংকৰসকলৰ দুটা শিলত কটা মূৰ্তি নৱম শতিকাৰ অত্যাধুনিক সংৰচনাৰ নিদৰ্শন পোৱা যায়। এই ভাস্কৰ্যবোৰক বংগ আৰু বিহাৰৰ নৱম শতিকাৰ প্ৰাচ্য কলা বিদ্যালয়ৰ ভাস্কৰ্যৰ সৈতে সহজে ৰিজাব পৰা যায়। অৱশ্যে বিভিন্ন নৃগোষ্ঠীয় প্ৰভাৱৰ বাবে অসমৰ সৃজনশীল কলাত এক প্ৰকাৰৰ অনন্য বৈশিষ্ট্য প্ৰকট হৈছিল। দ্বাদশ শতিকাৰ শেষভাগত চৰ্চা দুৰ্বল হৈ নপৰালৈকে অসমীয়া সৃজনশীল কলাৰ সৃষ্টি অব্যাহত আছিল। অসমীয়া ভাস্কৰ্য বিদ্যাই দুটা ধাৰা অনুসৰণ কৰিছিল- জনপ্ৰিয় আৰু অত্যাধুনিক। ইটা আৰু পোৱা মাটিৰে (টেৰাকোটা) ঘৰ নিৰ্মাণ কৰাৰ প্ৰমাণ কুকুৰমূতা, ভৈতবাৰী আৰু ভীষ্মক নগৰত পোৱা পোৱা মাটিৰ টুকুৰাৰ পৰা পোৱা যায়।

- পাল ভাস্কৰ্য শৈলী

  অসমত পোৱা প্ৰাচীন ভাস্কৰ্যবোৰত থলুৱা আৰু গুপ্ত যুগৰ সৃজনশীলতাৰ মিশ্ৰণত সৃষ্টি হোৱা এক নতুন সৃজনাত্মক শৈলীৰ নিদৰ্শন দেখা যায়। এই শৈলীক 'কামৰূপ' নাম দিয়া হৈছিল। খ্ৰীষ্ট্ৰিয় নৱমৰ পৰা দ্বাদশ শতিকাৰ মাজত উদ্ধাৰ হোৱা ভাস্কৰ্যবোৰে পাল ভাস্কৰ্য শৈলী অনুসৰণ কৰিছিল। ইয়াৰে বহুতো ভাস্কৰ্য হয়তো বংগ আৰু বিহাৰৰ পৰা (পাল আৰু সেন বংশৰ শাসনকেন্দ্ৰ) আমদানি কৰা হৈছিল। কিন্তু ভাস্কৰ্যবোৰ খোদিত কৰোঁতে স্থানীয় শিল ব্যৱহাৰ কৰালৈ চাই ইয়াকো কোৱা হয় যে এই ভাস্কৰ্যবোৰ পাল শৈলীত প্ৰশিক্ষণ লাভ কৰা স্থানীয় শিল্পীয়ে কামৰূপতেই সৃষ্টি কৰিছিল। ত্ৰয়োদশ শতিকা আৰম্ভ হোৱা আগতে কামৰূপ পাল-সেন শৈলীৰ ভাস্কৰ্য বিদ্যাৰ সৈতে পৰিচিত আছিল। সেয়েহে সেই কলাৰ

কামৰূপৰ ভাস্কৰ্যত স্থানীয় প্ৰভাৱৰ লগতে পাল-সেন শৈলীৰ প্ৰভাৱ বিদ্যামান।

সপ্তদশ শতিকা মানত অসমত ব্ৰাহ্মণ্যবাদী সংস্কৃতিৰ উত্থান ঘটিছিল। এই সময়ছোৱাত ব্ৰাহ্মণ্যবাদী বিষয়বস্তুৰ আধাৰত ভাস্কৰ্য সৃষ্টিৰ এক অনুকূল পৰিৱেশে গা কৰি উঠিছিল। মধ্যযুগৰ ভাস্কৰ্যবোৰ শিল, ধাতু, পোৱামাটি আৰু কাঠত খোদিত কৰা হৈছিল। সেই সময়ছোৱাত ভাস্কৰ্য খোদিত কৰা বিভিন্ন প্ৰকাৰৰ শিল অঞ্চলটোত পোৱা যায়। আমবাৰীত আৱিষ্কৃত ভাস্কৰ্যবোৰ গ্ৰেনাইট আৰু নাইচ (Granite and Gneiss) শিলত কটা। আমবাৰীত উদ্ধাৰ হোৱা ভাস্কৰ্যবোৰৰ পৰা এই কথাই প্ৰমাণিত হয় যে অঞ্চলটোত সপ্তমৰ পৰা দ্বাদশ শতিকাৰ পাছতো ভাস্কৰ্য বিদ্যাৰ চৰ্চা অব্যাহত আছিল। আমবাৰীত উদ্ধাৰ হোৱা বিষ্ণু মূৰ্তিটোৰ পৰা এই কথাৰ ইংগিত পোৱা যায় যে দ্বাদশ শতিকাৰ পাছত অসমত এক কলা শৈলীৰ সৰ্বাচীন বিকাশ ঘটিছিল। বিষ্ণুমূৰ্তিটো সমস্পদস্থানক মুদ্ৰাত থিয় হৈ আছিল, মূৰ্তিটোৰ তলফালে থকা হাত দুখনত দুটা পদুম ফুল আছিল, ওপৰৰ হাত এখনত চক্ৰ আৰু আনখনত এডাল গদা আছিল। ঈশ্বৰৰ মূৰ্তিটোত ছন্দ (rhythm) নাছিল। পুৰুষ মূৰ্তিটোৰ দুয়োকাষে থকা ক্ষুদ্ৰাকৃতিৰ নাৰীমূৰ্তি দুটায়ে ত্ৰিভংগ মুদ্ৰাত থিয় হৈ আছিল। আটাইকেইটা মূৰ্তি এখন সমান বেদীত থিয় হৈ আছিল। বেদীৰ সোঁমাজত সমুখৰ ফালে এটা গৰুড়ৰ মূৰ্তি খোদিত কৰা আছিল। বেদীৰ পিছফালে এটা উদিত তৰা (stela) দেখা যায়। গৰুড়কে ধৰি আটাইকেইটা অৱয়বকে এটা কৌণিক আভঁজা (Angular) আৰু তভঙ্গিল (rigid) ধৰণে খোদিত কৰা হৈছিল।

ভাস্কৰ্যটো পাল-সেন কলা শৈলীৰে আছিল যদিও মৌলিক পাল শৈলীৰ পৰা ইয়াৰ বিচ্যুতি ঘটিছিল। মূৰ্তিৰ আভূষণবোৰ খোদিত কৰাত সূক্ষ্ম সৃজনশীলতাৰ অভাৱ আৰু তাৰকাটোত কোনো শোভাবৰ্ধনকাৰী ভাস্কৰ্য নথকাটোৱেই ইয়াৰ প্ৰমাণ। প্ৰাচীন কালৰ পৰা মধ্যযুগলৈকে পাল সৃজনাত্মক শৈলীত এনে বিচ্যুতি ঘটিয়েই আছিল। মৰিয়নি আৰু চিংগাৰীত উদ্ধাৰ হোৱা দুটা নাৰীমূৰ্তি আৰু তেজপুৰ তথা শিলবাৰীত পোৱা খোদিত চিত্ৰফলক দুখন এনে বিচ্যুতি ঘটা কলা শৈলীৰ কেইটামান উদাহৰণ। মালিনীথানত (চিয়াং জিলা, অৰুণাচল প্ৰদেশ) উদ্ধাৰ হোৱা ইন্দ্ৰ আৰু কাৰ্তিকৰ মূৰ্তি দুটা খ্ৰীষ্টিয় ত্ৰয়োদশ-চতুৰ্দশ শতিকাৰ বুলি গম পোৱা গৈছে। ইয়াৰ পৰা এই কথা প্ৰমাণিত হয় যে এই বিচ্যুত সৃজনশীল কলা অসমৰ সীমাৰ বাহিৰলৈও ব্যাপ্ত হৈছিল।

- কামৰূপীয়া ভাস্কৰ্য শৈলী

গুপ্ত আৰু 'বিচ্যুত পাল' সৃজনশীলতাৰ মিশ্ৰণত কামৰূপীয়া ভাস্কৰ্য শৈলীৰ বিকাশ ঘটিছিল। কামৰূপীয়া শৈলী গুপ্ত শৈলীৰ দ্বাৰা প্ৰভাৱিত হৈছিল। আনহাতে পাল শৈলীত বিচ্যুত ধাৰা এটাৰ সৃষ্টি হৈছিল। নুমলীগড়ৰ স্থাপত্য বিভাগত থকা বনদেৱী অপেশ্বৰীৰ (nymph) মূৰ্তিটোত দুয়োটা শৈলীৰ চানেকী দেখা পোৱা গৈছে। মূৰ্তিটোৰ মুখমণ্ডল ডিম্বাকৃতিৰ, চকু মেলা আৰু ওঁঠ ডাঠ। তল ওঁঠত এটা অলৌকিক হাঁহিৰ ৰেশ আছে। মূৰ্তিটোৰ ডিম্বাকৃতিৰ মুখমণ্ডলে প্ৰাচীন কামৰূপীয়া শৈলীৰ নিদৰ্শন দাঙি ধৰিছে। কিন্তু মূৰ্তিটোৰ হাতত থকা ঠাৰিৰে সৈতে পদুম ফুলটোত 'বিচ্যুত' পাল শৈলীৰ প্ৰভাৱ স্পষ্ট। এই দুয়োটা কলা শৈলীৰ (গুপ্ত আৰু পাল) মিলনৰ ফলত উদ্ভৱ হোৱা নতুন ভাস্কৰ্য কলাৰ ধাৰাটোক প্ৰাৰম্ভিক কালৰ কামৰূপীয় শৈলী বোলা হয়।

কমাৰগাঁওৰ ওচৰত নুমলীগড়ত আৱিষ্কৃত হোৱা খোদিত লিপি, ভাস্কৰ্য আৰু খোদিত চৌকাঠবোৰত

থকা বর্ণ আৰু চিত্রবোৰৰ বৈশিষ্ট্য হ'ল ইয়াৰ অভিব্যক্তি। কামাখ্যা মন্দিৰ, খামটিঘাটৰ পিংগলেশ্বৰ মন্দিৰ আৰু শুক্রেশ্বৰ মন্দিৰৰ ভাস্কর্যবোৰতো একেই বৈশিষ্ট্য পৰিলক্ষিত হয়। মূর্তিবোৰ কান্ধ আৰু ভৰিবোৰ গছৰ মূঢ়াৰ দৰে বহল। কিন্তু কামাখ্যা মন্দিৰৰ নাৰীমূর্তিবোৰত আচৰিতভাৱে সূক্ষ্ম নৈপুণ্যৰ প্রমাণ পোৱা যায়।

আহোমসকল স্থাপত্য আৰু ভাস্কর্য কলাৰ মহান পৃষ্ঠপোষক আছিল। সেয়েহে আহোম শাসনকালত ভাস্কর্য শিল্পলৈও যথেষ্ট পৰিৱর্তন আহিছিল। এই যুগৰ প্রথমটো শিলামূর্তি উদ্ধাৰ কৰা হৈছিল দিহিং নৈৰ কাষত।

উদ্ধাৰ হোৱা মানৱ শিলামূর্তিটোৰ কান্ধ বহল আৰু মুখমণ্ডল বর্গাকৃতিৰ আছিল। চকু আছিল অর্ধ নিমিলিত। মূর্তিটোৰ নাক চেপেটা, ওঁঠ ডাঠ আৰু পোচাক-পৰিচ্ছদ প্রায় আঞ্চলিক প্রভাৱ দেখা গৈছে। কিন্তু ফুলবাৰীত উদ্ধাৰ হোৱা মূর্তিটোৰ অৱয়ব আৰু পোচাকত মোগল প্রভাৱ স্পষ্ট। মূর্তিটোৰ মুখাৱয়বত কেতিয়াবা স্থানীয় আৰু কেতিয়াবা বহিৰাগত লোকৰ বৈশিষ্ট্য থকা যেন লাগে।

বিভিন্ন অঞ্চল আৰু বিষয়ৰ (ধর্মমুক্ত অথবা ধর্মীয়) মূর্তিবোৰত যথেষ্ট তাৰতম্য থকা দেখা যায়। কেতিয়াবা এনে যুগৰ, একে স্থানতে আৱিষ্কৃত ভাস্কর্যতো এনে ভিন্নতা পৰিলক্ষিত হয়।

যদি আমি দুটা ভাস্কর্য খোদিত চৌকাঠৰ তুলনা কৰোঁ তেন্তে দেখিম যে এটা চৌকাঠত পার্বতী শিৱৰ বাহন নন্দীৰ ওপৰত বহি আছে। আন এটা চৌকাঠত বহি থকা বিষ্ণু মূর্তি দেখা পোৱা যায়। দুয়োটা চৌকাঠ পৰীক্ষা কৰিলেই পার্থক্যবোৰ ওলাই পৰিব। পার্বতীৰ মূর্তিত কৌণিকতা পৰিহাৰ কৰা হৈছে। দেৱীগৰাকী গৈ থকা নন্দীৰ পিঠিত বহি আছে, দেৱীৰ মূৰৰ ওপৰত ৰঙৰ প্রলেপ দিয়া তোৰণ এখন আছে। অৱয়বটোত ধ্রুপদী ভাৰতীয় কলাৰ গুণবোৰ দেখা পোৱা যায়। মূর্তিটোক প্রায় বিসর্পিল ৰেখাৰে (almost gliding lines) ঘেৰি ৰখা হৈছে।

আনহাতে পদ্মাসন মুদ্রাত বহি থকা বিষ্ণু মূর্তিটোত কৌণিকতাৰ ওপৰত জোৰ দিয়া হৈছে। শিৱসাগৰৰ মহিষমর্দিনীৰ মূর্তি আৰু গৌৰীসাগৰৰ কালী মূর্তিতো কৌণিক শৈলী প্রয়োগ কৰা হৈছে।

বিভিন্ন মঠ-মন্দিৰ আৰু স্থানত পোৱা ভাস্কর্যবোৰৰ শৈল্পিক মানতো পার্থক্য পৰিলক্ষিত হয়। দক্ষ শিল্পীৰ নাটনি হোৱা বাবে নতুন শিল্পীক মতাই অনা হৈছিল। এনে শিল্পীৰ দ্বাৰা তৈয়াৰী মূর্তিবোৰৰ মান নিম্ন পর্যায়ৰ হৈছিল। কিন্তু সেই সময়ছোৱাত যথেষ্ট সংখ্যক উৎকৃষ্টমানৰ ভাস্কর্যও সৃষ্টি হৈছিল। সেয়েহে সকলো ভাস্কর্যকে অদক্ষ শিল্পীয়ে তৈয়াৰ কৰা ভাস্কর্যৰ সৈতে ৰিজালে ভুল কৰা হ'ব। দুটামান উৎকৃষ্ট মানৰ ভাস্কর্যৰ উদাহৰণ হ'ল জয়দৌলৰ ৰাম, সীতা আৰু লক্ষ্মণৰ মূর্তি, তেজপুৰৰ পৰশুৰামৰ মূর্তি আৰু গৌৰীসাগৰত উদ্ধাৰ হোৱা দেৱীমূর্তি ইত্যাদি।

জীৱ-জন্তুৰ মূর্তিবোৰেও বিভিন্ন শৈল্পিক দক্ষতাৰ পৰিচয় বহন কৰে। ঘৰচীয়া জন্তুৰ মূর্তিবোৰ প্রাকৃতিক মানৰ হৈছিল যদিও ভাস্কর্য শিল্পীৰ বাস্তৱ জ্ঞানৰ অভাৱত সিংহৰ দৰে বনৰীয়া জন্তুবোৰক অতিকায় আৰু ভয়াবহ ৰূপত খোদিত কৰা হৈছিল। আনহাতে ঘোঁৰাৰ ভাস্কর্যবোৰ আছিল অধিক গতিশীল আৰু স্বাভাৱিক। আহোম ৰজা ৰুদ্র সিংহক জয়দৌলত এগৰাকী অশ্বাৰোহীৰ ৰূপত উপস্থাপন কৰা হৈছে। ফুলবাৰীত থকা ভাস্কর্য খোদিত চৌকাঠৰ ৰাজহাঁহৰ জাকটো সঁচা যেন দেখি। পৌৰাণিক অৱয়ববোৰক একোটা অস্বাভাৱিক ৰূপ দিয়া হৈছিল। উদাহৰণ স্বৰূপে ৰংপুৰত উদ্ধাৰ হোৱা মকৰৰ মূর্তি যিটোৱে বৰুণৰ মূর্তিটো হাতীৰ মূৰ

লগোৱা আৰু পাখি থকা সিংহ নাইবা চীনা ড্রেগনৰ দৰে দেখি। ভৱনৰ খঁটা আৰু প্রাচীৰত আঁকা (ধর্মমুক্ত আৰু ধর্মীয়) ফুল আৰু জ্যামিতিক নক্সাবোৰত ফুটি উঠা নিপুণতা দৃষ্টিনন্দন।

শিলামূর্তিৰ উপৰি প্রাচীন কামৰূপত ব্রঞ্জৰ মূর্তি নির্মাণৰ সবল পৰম্পৰা প্রচলিত আছিল। তবাকত-ই-নাচিৰি গ্রন্থত ইয়াৰ উল্লেখ আছে। ইয়াত কোৱা হৈছে যে কামৰুদৰ (কামৰূপ) এটা মন্দিৰত সোণ আৰু ৰূপৰ মূর্তি প্রতিষ্ঠা কৰা আছিল।

ৰাজ্যখনত পোৱা বহুতো ব্রঞ্জৰ মূর্তিৰ নির্মাণ মধ্যযুগৰ কামৰূপতে হৈছিল। এনে এটি ব্রঞ্জৰ মূর্তিৰ উদাহৰণ হ'ল কামৰূপ জিলাৰ হঁহৰাত পোৱা মহিষমর্দিনীৰ মূর্তি। মূর্তিটো অলিড় ভংগীত থিয় হৈ আছে। মূর্তিটোৰ এখন ভৰি আছে প্রাণহীন ম'হৰ ওপৰত আৰু আনখন আছে সিংহৰ পিঠিত (অথবা বেদীত)। কিন্তু মধ্যযুগীয় কলাৰ বৈশিষ্ট্যৰ বিপৰীতে সিংহটো দেখাত অপৰম্পৰাগত প্রকৃতিৰ। দশভূজা আৰু ত্রিনেত্রধাৰী দেৱীৰ হাতত আছে পৰম্পৰাগত অস্ত্র-শস্ত্র। দেৱীয়ে এপাট ত্রিশূলেৰে মহিষক হানি আছে। দেৱীৰ দুকাষে আছে মুষিকত(এন্দুৰত) বহি থকা গণেশ আৰু ময়ুৰত বহি থকা কার্তিকেয়। দেৱীৰ পোচাক দীঘল, দেহত আভূষণ আছে আৰু মূৰত আছে শীর্ষত কাঁচিজোন থকা এটা মিনাৰ সদৃশ মুকুট (turreted crown topped by a crescent) । দেৱীৰ দেহত কৌণিক ভাঁজ আছে। বহল কান্ধ, লাহি কঁকাল, ডাঠ ওঁঠ আৰু খোলা চকু এই মূর্তিৰ বৈশিষ্ট্য । এই বৈশিষ্ট্যবোৰৰ পৰা মূর্তিটো মধ্যযুগৰ প্রাৰম্ভিক সময়ছোৱাৰ কামৰূপীয় ভাস্কর্য শৈলীৰ বুলি ঠাৱৰ কৰা হৈছে। কিছুমান শিলামূর্তিত লোক কলাৰ উপাদান বিদ্যামান আৰু আন কিছুমান ৰুক্ষ তথা কৌণিক পদ্ধতিৰে নির্মাণ কৰা হৈছিল। ইয়াৰ উৎকৃষ্ট উদাহৰণ হ'ল হঁহৰাত উদ্ধাৰ হোৱা গজলক্ষ্মী আৰু সূর্য মূর্তি। ইয়াৰে ভিতৰত সূর্যৰ ব্রঞ্জৰ মূর্তিটোৰ কেইটামান উল্লেখনীয় বৈশিষ্ট্য আছে। ইয়াত সূর্যৰ দুয়ো হাতে ঠাৰিৰে সৈতে দুপাহ পদুম ফুল আছে, এপাহ দীঘল ঠাৰিৰ পদুমৰ ওপৰত সূর্যদেৱতা বহি আছে। ফুলপাহৰ ঠাৰিডাল সাতটা ঘোঁৰাৰ শাৰী এটাৰ সোঁমাজত থিয় হৈ থকা ঘোঁৰাটোৰ পিছফালৰ পৰা ওলাইছে। এই সাতটা ঘোঁৰাক অর্জুনে টনা সূর্য দেৱতাৰ ৰথৰ ঘোঁৰাকেইটা বুলি ধৰা হয়। সূর্য দেৱতা আৰু দেৱতাৰ দুয়োকাষে থকা প্রহৰী দুজনৰ পিছফালে এটা অর্দ্ধ বৃত্তাকাৰ পৰিধি আছে। পৰিধিৰ ওপৰ অংশত এটা কলচী আছে।

মধ্যযুগৰ শেষৰফালে বহুতো ধাতৱ মূর্তি নির্মিত হৈছিল। এই কালছোৱাৰ কেইটামান উল্লেখযোগ্য পিতলৰ মূর্তি হ'ল মদনমোহন মূর্তি (গোৱালপাৰা আৰু কামৰূপ জিলা), বাসুদেৱ মূর্তি (তেজপুৰ) আৰু বিশ্বনাথ মূর্তি (তেজপুৰ)। ইয়াৰ কেইটামান মূর্তি ৰজাৰ নির্দেশ মর্মে প্রতিষ্ঠা কৰা হৈছিল। এইখিনিতে উল্লেখ কৰিব পাৰি যে ৰুদ্র সিংহই ৰংপুৰত নিজ মাতৃৰ সোণৰ মূর্তি আৰু গুৱাহাটীৰ উমানন্দ মন্দিৰত উমানন্দৰ ৰূপৰ মূর্তি প্রতিষ্ঠা কৰিছিল।

মধ্যযুগৰ শেষৰ কালছোৱাৰ বুলি ঠাৱৰ কৰা দুটা উল্লেখযোগ্য ধাতৱ মূর্তি হ'ল তিনিচুকীয়াৰ মহিষমর্দিনী আৰু ডিব্রুগড়ৰ বিষ্ণু মূর্তি। সপ্তদশ-অষ্টদশ শতিকাৰ বুলি ধৰি লোৱা মহিষমর্দিনী দেৱীৰ দশ ভূজা মূর্তিটো পিতলেৰে তৈয়াৰী আছিল। মূর্তিটোৰ গাত আভূষণ হিচাপে আছিল এটা মিনাৰ সদৃশ মুকুট আৰু স্বচ্ছ বস্ত্র (diaphanous drapery)। দেৱী প্রত্যালিধা (Pratyalidha) ভংগীত থিয় হৈ আছিল। দেৱীৰ এখন ভৰি অসুৰৰ গাত আৰু আনখন সিংহৰ গাত আছিল। আটাইকেইটা অৱয়ব একেখন বেদীতে খোদিত কৰা হৈছিল। অসুৰৰ মুখমণ্ডলত ভয় আৰু যন্ত্রণা সুন্দৰকৈ ফুটাই তোলা হৈছিল। সিংহৰ

অৱয়বটোও অতি পৰম্পৰাগত প্ৰকৃতিৰ আছিল। অসুৰৰ মস্তকাভৰণ (cap) আৰু বস্ত্ৰৰ মোগল প্ৰভাৱৰ অধীন অঞ্চলৰ পোচাক-পৰিচ্ছদৰ সৈতে মিল আছিল।

চতুৰ্ভূজধাৰী বিষ্ণুৰ ব্ৰঞ্জৰ মূৰ্তিটোও মহিষমৰ্দিনী দেৱীৰ মূৰ্তিটোৰ সমসাময়িক। এখন গতানুগতিক বা পটিযুক্ত (tired) বেদীত বিষ্ণুৰ মূৰ্তিটো পোনকৈ সজা হৈছিল। বিষ্ণুৰ দুকাষে আছিল লক্ষ্মী আৰু সৰস্বতী। বিষ্ণুৰ মূৰ্তিটোৰ মূৰত মিনাৰসদৃশ মুকুট আৰু দেহত অন্য আভূষণ আছে।

আহোম শাসনৰ সোণালী যুগত নিৰ্মিত ভাস্কৰ্যবোৰৰ মান একে নহয়। ইয়াৰে কিছুমান ভাস্কৰ্য অতি উত্তম আৰু আন কিছুমান সাধাৰণ মানৰ। কিছুমান ভাস্কৰ্যৰ গাত নৈপুণ্যৰ অভাৱ দেখা যায়। অদক্ষ শিল্পী নিয়োগ কৰা আৰু তেওঁলোকৰ দ্বাৰা ভাস্কৰ্য নিৰ্মাণত বিসংগতিপূৰ্ণ কৌশল ব্যৱহাৰ কৰাটোৱেই ইয়াৰ কাৰণ হ'ব পাৰে।

কলাত্মক অভিব্যক্তি প্ৰকাশৰ আন এটা মাধ্যম হ'ল বোকা মাটি (clay)। মাটিৰ বাচন-বৰ্তন, ইটা আৰু পোৱামাটিৰ ফলক আদি সজাৰ কামত বোকামাটি ব্যৱহাৰ কৰা হৈছিল। পোৱামাটিৰ ফলকবোৰ মন্দিৰ, বৌদ্ধমঠ আৰু প্ৰাসাদ আদিৰ শোভাবৰ্দ্ধন কৰিবলৈ সজা হৈছিল। ইয়াৰ দুটা উদাহৰণ হ'ল জয়সাগৰৰ ঘনশ্যাম দেউল আৰু গুৱাহাটীৰ কামাখ্যা মন্দিৰৰ ওচৰৰ ন-মঠ। মধ্যযুগৰ অসমত কাঠত কটা চৌকাঠ আৰু স্তম্ভৰ সলনি পোৱামাটিৰ ফলক ব্যৱহাৰ কৰা হৈছিল। এনে ফলকত মূৰ্তিৰ উপৰি জীৱন তথা প্ৰকৃতিৰ বিভিন্ন দৃশ্য খোদিত কৰা হৈছিল। বাঘপাৰাত উদ্ধাৰ হোৱা পোৱামাটিৰ ফলকত ৰাজহাঁহৰ লানি আৰু নাচনীৰ দল খোদিত কৰা আছিল।

মূৰ্তিবোৰ চাপৰকৈ খোদাই কৰা হৈছিল। মূৰ্তিবোৰৰ বুকু প্ৰশস্ত, ফুলা চকু আৰু মুখমণ্ডল সৌন্দৰ্যহীন আছিল। আনকি মূৰ্তিবোৰৰ ভংগী আৰু কাৰ্যতো প্ৰাণৱন্ততাৰ অভাৱ দেখা গৈছিল। মূৰ্তিবোৰত অসমীয়া লোক কলাৰ উপাদান বিৰাজমান বুলিও ক'ব পাৰি নাইবা কোনো পূৰাতন অনুশীলনৰ ফল বুলিও ধৰিব পাৰি। মাটিৰ মূৰ্তি তৈয়াৰ কৰিবলৈ শিল্পীসকলে ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিছিল। দাতাৰ পৰামৰ্শ অনুসৰি এনে মূৰ্তি তৈয়াৰ কৰা হৈছিল। স্বৰ্গদেউ প্ৰতাপ সিংহই মৃন্ময় মূৰ্তি নিৰ্মাণৰ কলা কৌশল শিকিবলৈ মানুহ এজনক কোচবিহাৰলৈ প্ৰেৰণ কৰিছিল বুলি প্ৰবাদ আছে। মাটিৰে সজা মানব মুৰ্তি নানা উৎসৱ-পাৰ্বনত, নাট আদিত ব্যৱহৃত হৈছিল আৰু সৰু ল'ৰা-ছোৱালীৰ বাবে পুতলা তৈয়াৰ কৰা হৈছিল। অৰ্থাৎ, এনে মূৰ্তিয়ে সমাজৰ সকলো শ্ৰেণীৰ লোকৰে প্ৰয়োজন পূৰণ কৰিছিল।

অসমত পোৱা আস্কৰ্যবোৰৰ ভিতৰত পোৱামাটিৰ ভাস্কৰ্যবোৰ উল্লেখনীয়। সবাতোকৈ প্ৰাচীন পোৱামাটিৰ ভাস্কৰ্য উদ্ধাৰ হৈছে দ-পৰ্বতীয়াত। পোৱামাটিৰে তৈয়াৰী দেৱ-দেৱীৰ মূৰ্তি গোৱালপাৰাতো উদ্ধাৰ হৈছে আৰু এই মূৰ্তিবোৰ প্ৰাক্-আহোম যুগৰ বুলি ঠাৱৰ কৰা হৈছে। শিৱসাগৰ আৰু আন বহুতো স্থানৰ মধ্যযুগীয় মন্দিৰ তথা ভৱনৰ প্ৰাচীৰত পোৰমাটিৰ ফলক উদ্ধাৰ হৈছে। গুৱাহাটীৰ আমবাৰীত উদ্ধাৰ হোৱা আমবাৰী উৰ্বশী নাৰী মূৰ্তিটো পোৱামাটিৰ ভাস্কৰ্যৰ উত্তম নিদৰ্শন। কাঠ আৰু বাঁহ হ'ল কলাৰ দুটা জনপ্ৰিয় আৰু সহজলভ্য মাধ্যম। বিভিন্ন স্থাপত্য নিৰ্মাণত (দুৱাৰ আৰু স্তম্ভ) কাঠ-বাঁহ প্ৰয়োগ কৰা হৈছিল। নানা ঘৰুৱা ব্যৱহাৰ্য সামগ্ৰীও (বাচন-বৰ্তন, আচবাব-পত্ৰ আদি) কাঠ-বাঁহেৰে তৈয়াৰ কৰা হৈছিল।

প্ৰাচীন আৰু মধ্যযুগৰ অসমত স্থাপত্য কলাৰ বাবে কাঠৰ বহুল ব্যৱহাৰ কৰা হৈছিল। কামৰূপৰ ৰজা ভাস্কৰবৰ্মনে (সপ্তম শতিকাৰ প্ৰথমাৰ্দ্ধত) হৰ্ষবৰ্দ্ধনলৈ প্ৰেৰণ কৰা বিভিন্ন উপহাৰৰ ভিতৰত 'চৌকাঠ থকা

কুন্দত কটা' বাকচ থকাটো হ'ল ইয়াৰ উদাহৰণ। তেজপুৰৰ বনমালা ফলকত লিখা নির্দেশাৱলীত "বিভিন্ন কাৰুকার্যখচিত" নাৱৰ উল্লেখ আছে। ইয়াৰ দ্বাৰা হয়তো বিভিন্ন নক্সা আদি খোদিত কৰা কাঠৰ বাহনৰ কথাকে কোৱা হৈছিল। কাঠত বিভিন্ন মূর্তিও খোদিত কৰা হৈছিল। দেওপানীত উদ্ধাৰ হোৱা নৱম শতিকাৰ হৰিহৰ মূর্তিটো ইয়াৰ প্রমাণ।

মধ্যযুগৰ অসমত ৰাজকীয় পৃষ্ঠপোষকতাত কাঠত খোদিত কৰা ভাস্কর্য কলাৰ পূর্ণ বিকাশ ঘটিছিল। আহোম ৰজা জয়ধ্বজ সিংহৰ প্রাসাদৰ ভিতৰ চ'ৰাৰ বিস্তৃত বর্ণনাত শ্বিহাবুদ্দিন তালিশ্বে কাঠৰ ব্যৱহাৰৰ কথা উল্লেখ কৰিছে। কাঠৰ চাহিদা বৃদ্ধি পোৱা বাবে এসময়ত কাঠ-বৰুৱা নামৰ বিষয়াৰ অধীনত কাঠ-যোগানৰ পৃথক বিভাগ খুলিব লগীয়া হৈছিল। পৰৱর্তী সময়ত ভৱন নির্মাণৰ কামত ইটাৰ প্রয়োগ আৰম্ভ হোৱত কাঠৰ ব্যৱহাৰ কমি গ'ল যদিও গৃহসজ্জা আৰু ধর্মীয় উদ্দেশ্যত নির্মিত সা-সামগ্রীত কাঠৰ ব্যৱহাৰ চলিয়েই থাকিল।

মধ্যযুগৰ অসমৰ কাঠৰ ভাস্কর্যবোৰ জহি-খহি গৈছে যদিও আহোম যুগৰ ভাস্কর্যৰ নিদর্শন এতিয়াও ৰৈ গৈছে। অসমৰ সত্রবোৰত এনে ভাস্কর্যৰ নিদর্শন পোৱা যায়। সত্রবোৰৰ গাঁথনি শৈলীত কাঠত নক্সা খোদিত কৰা পৰম্পৰা অটুট আছে। সত্রৰ মণিকূট আৰু কীর্তনঘৰৰ দুৱাৰ, খুঁটা, খিৰিকী, বাটাম, বেৰ আদিৰ কাঠত সুন্দৰ নক্সা খোদিত কৰা আছে। এনে দুখনমান সত্রৰ উদাহৰণ হ'ল ৰৰপেটা, সুন্দৰীদিয়া, জনিয়া, কমলাবাৰী ইত্যাদি। কাঠত কটা মানুহৰ মূর্তিবোৰ শক্তিমন্ত আৰু জীৱন্ত দেৱ-দেৱীৰ মূর্তিবোৰ স্থিৰ আৰু সন্মুখ অংশটোহে খোদিত কৰা হৈছিল। ইয়াৰ এটা উদাহৰণ হ'ল কমলাবাৰী সত্রৰ গণেশৰ মূর্তি।

একেদৰে সত্রৰ কাঠৰ ভাস্কর্যৰ আন এটা উদাহৰণ হ'ল মণিকূটত ভাগৱত পুৰাণৰ দশম স্বন্ধ ৰাখিবলৈ ব্যৱহাৰ কৰা আসনবোৰ। আয়তাকৃতিৰ এই সিংহাসনবোৰৰ পৃষ্ঠভাগ ক্রমন্বয়ে সমৰূপত সৰু হৈ যোৱা খলপত ভাগ কৰি তৈয়াৰ কৰা হৈছিল। প্রতিটো খলপৰ চাৰিওটা কোণত জন্তুৰ নক্সা কটা হৈছিল। জন্তুৰ নক্সা অনুসৰি সেই খলপটোৰ নাম দিয়া হৈছিল। যদি কোণবোৰত সিংহৰ মুর্তি খোদিত কৰা হৈছিল তেতিয়া সেইখনক সিংহাসন বোলা হৈছিল। একেটা কাৰণতে আসনবোৰৰ নাম ময়ুৰাসন, হংসাসন, গজাসন আদি বোলা হৈছিল। সত্রৰ আসনবোৰৰ লগতে ৰাজপ্রাসাদৰ আসনবোৰতো সূক্ষ্ম নক্সা খোদিত কৰা হৈছিল। আহোম ৰাজপৰিয়াল আৰু অভিজাত পৰিয়ালৰ সদস্যসকলক কঢ়িয়াই নিয়াদোলাবোৰ কাঠেৰে সজা আৰু নক্সা খোদিত আছিল। ধাতুকো ভাস্কর্য শিল্পৰ মাধ্যম কৰি লোৱা হৈছিল। হাতী দাঁতৰ ওপৰতো সূক্ষ্ম কাৰুকার্য খচিত নক্সা আঁকি বিশেষ সামগ্রী তৈয়াৰ কৰা হৈছিল।

মধ্যযুগৰ দেৱদেৱীৰ মূর্তিবোৰত ব্রাহ্মণ্য কলাৰ আধিপত্য আছিল। প্রাচীন কালত বাহ্মণ্য কলাৰ প্রভাৱ স্থাপত্য-ভাস্কর্যত পৰিছিল যদিও মধ্যযুগত এই কলা নতুন ৰূপত বিকশিত হৈছিল। উদাহৰণ স্বৰূপে বিষ্ণুৰ মৎস্য অৱতাৰক লৈ তৈয়াৰ কৰা মূর্তিবোৰৰ আধা অংশ এটা মাছে গিলি থকা ধৰণে খোদিত কৰা হৈছিল। বিভিন্ন উপস্থাপনত বিষ্ণুৰ বৰাহ অৱতাৰত 'ধৰিত্রী'ৰ ধাৰণাটোক গোলাকাৰ ৰূপত দেখুওৱা হৈছিল। নিপুণ দক্ষতাৰ পৰিচয় দিবলৈ নির্মাণ কাৰ ভাস্কর্যবোৰত উদ্ভাৱনীমূলক ধাৰণা আৰু পটুতাৰ সমাহাৰ দেখা যায়। কমলাবাৰী সত্রৰ সূর্যৰ পৰম্পৰাগত উপস্থাপন কৰা ভাস্কর্যটো ইয়াৰ উদাহৰণ।

অনা-বাহ্মণ্যকলাৰ মূর্তিৰ সংখ্যা নিচেই তাকৰ আছিল আৰু সেইবোৰে সিমান উল্লেখযোগ্য প্রভাৱ বিস্তাৰ কৰিব নোৱাৰিলে। মধ্যযুগৰ অনা-ব্রাহ্মণ্যকলাৰ মূর্তিবোৰৰ ভিতৰত উল্লেখযোগ্য মূর্তি এটা হ'ল

ত্রয়োদশ শতিকাৰ বহি থকা বুদ্ধমূর্তি, দুটামান স্তূপা (বৌদ্ধমঠ) আৰু পোৰামাটিৰ বুদ্ধ মূর্তি। ব্রঞ্জ, পিতল, কাঁহ, তাম, সোণ আৰু ৰূপ আদি ধাতুত খোদিত মূর্তি আৰু অন্যান্য খোদিত বস্তু বিপুল পৰিমাণে উদ্ধাৰ হোৱালৈ চাই অসমত ধাতৰ ভাস্কর্যৰ বিকাশ ঘটিছিল বুলি ক'ব পাৰি। ভাস্কর্যবোৰৰ ভিতৰত মানুহৰ লগতে দেৱ-দেৱীৰ মূর্তি আৰু ৰথ, আসন তথা অন্য সা-সামগ্রী আছিল। ভাস্কর্যবোৰ অত্যাধুনিক আৰু লোককলা ভিত্তিক আছিল। পিতল উদ্যোগ এতিয়াও বর্তি আছে যদিও শিল্পী-কাৰিকৰসকলে বেছিভাগ ঘৰুৱা সামগ্রীহে তৈয়াৰ কৰে। অৱশ্যে তেওঁলোকে এতিয়াও আকর্ষণীয় নক্সাৰ শৰাই, বটা আৰু মাটিৰ চাকি থোৱা ডুন (duras) তৈয়াৰ কৰে।

ওপৰৰ আলোচনাৰ পৰা গম পোৱা গ'ল যে প্রাচীন কামৰূপৰ ভাস্কর্য কলাই গুপ্ত যুগৰ সৃজনশীল শৈলীৰ পৰা আৰু পৰৱর্তী সময়ত পালসকলৰ পৰা বহুতো কথা আহৰণ কৰিছিল। মধ্যযুগৰ আৰম্ভণিতে অসমত 'বিকৃত' পাল আৰু প্রাচীন কামৰূপ শৈলীৰ ভাস্কর্য কলাৰ চর্চা অব্যাহত আছিল। মধ্যযুগৰ শেষৰ ফালে কামৰূপীয়া ভাস্কর্য শৈলীত নতুন বৈশিষ্ট্য আৰু শৈলীৰ সংযোজন ঘটিছিল।

অগ্রগতি নিৰীক্ষণ

তলত দিয়া প্রশ্নবোৰৰ উত্তৰ দিয়কঃ

প্রশ্ন নং ১ ঃ জয় দৌলত কোনগৰাকী আহোম ৰজাৰ অশ্বাৰোহী মূর্তি আছে?

.....

প্রশ্ন নং ২ ঃ প্রাচীন কামৰূপত ব্রঞ্জৰ ভাস্কর্য নির্মাণৰ উল্লেখ ক'ত পোৱা যায়?

.....

প্রশ্ন নং ৩ ঃ হৰিহৰৰ গজলক্ষ্মী আৰু সূর্য মূর্তিৰ বৈশিষ্ট্য কি?

.....

প্রশ্ন নং ৪ ঃ অসমৰ ক'ত প্রথমে পোৰামাটিৰ ভাস্কর্য উদ্ধাৰ হৈছিল?

.....

১০.৪ স্থাপত্য বিদ্যা

মধ্যযুগৰ আৰম্ভণিৰ কালছোৱাৰ স্থাপত্য কলাৰ ভগ্নাৱশেষ তেজপুৰ, গুৱাহাটী, হাজো, গোৱালপাৰা, নগাঁও, গোলাঘাট আৰু আন বহুতো স্থানত উদ্ধাৰ হৈছে।

অসমলৈ আহোমসকল অহাৰ আগৰ কালছোৱাৰ স্থাপত্য কার্যৰ উল্লেখ সাহিত্যিক আৰু শিল-ধাতুৰ পাতত খোদিত বিৱৰণত পোৱা যায়। ধর্মনিৰপেক্ষ আৰু ধর্মীয় ভৱন নির্মাণ সন্দর্ভতে এই উল্লেখ কৰা আছে। কালিকা পুৰাণত প্রাচীন অসমৰ বহুতো গুৰুত্বপূর্ণ নগৰৰ নাম উল্লেখ আছে। কালিকা পুৰাণ মতে সবাতোকৈ অগ্রণী নগৰ আছিল প্রাগজ্যোতিষপুৰ। ইয়াক গিৰি-দূর্গ বুলিও কোৱা হৈছিল। ভাগৱত পুৰাণতো এই নগৰখনক প্রকৃতি আৰু মানুহ উভয়ে ৰক্ষণাবেক্ষণ দি থকা এখন অভেদ্য নগৰ বুলি বর্ণনা কৰিছে। বিষ্ণু পুৰাণতো প্রাগজ্যোতিষপুৰৰ দুর্ভেদ্যতাৰ কথা উল্লেখ আছি। কালিকা পুৰাণত উল্লেখ থকা আন দুখনমান নগৰ হ'ল- অলকা, চন্দ্রৱতী, ভোগৱতী, ৰৱসন আৰু শোণিতপুৰ। কালিকা পূৰাণত ছবিধ দূর্গৰ কথা উল্লেখ আছে- জলদূর্গ, ভূমি দূর্গ, বৃক্ষ দূর্গ, (কাঁইটীয়া

গছে ঘেৰি ৰখা দুৰ্গ), অৰণ্য দুৰ্গ (চাৰিওফালে গভীৰ অৰণ্য থকা দুৰ্গ), বলদুৰ্গ (দক্ষ সৈনিকে পহৰা দিয়া দুৰ্গ) আৰু শৈলজ দুৰ্গ অথবা গিৰিদুৰ্গ।

বৰগাঁও ফলকত উল্লেখ থকা অনুসৰি আন এক দুৰ্গেৰে ঘেৰা অভেদ্য প্ৰতিৰক্ষা শক্তিসম্পন্ন নগৰ আৰু দুৰ্জয় অথবা শ্ৰীদুৰ্জয়। বলবৰ্মনৰ নগাঁও দানপত্ৰত উল্লেখ আছে যে ৰজা বনমালে নান্দনিক দৃষ্টিৰে সুশোভন আৰু কাৰ্যদক্ষতাৰে অতুলনীয় ৰাজপ্ৰাসাদ এটা গঢ়িছিল।

সপ্তম শতিকাৰ পৰিব্ৰাজক হিউৱেন চাঙে কামৰূপত প্ৰায় শতাধিক দেৱ মন্দিৰ থকাৰ কথা লিখি থৈ গৈছে। কালিকা পুৰাণতো শিৱ, দেৱী আৰু বিষ্ণুৰ দৰে দেৱ-দেৱীক উপাসনা কৰাৰ পবিত্ৰ স্থানৰ কথা উল্লেখ আছে। কালিকা পুৰাণতে দৰ্পন পাহাৰত এটা কুবেৰৰ মন্দিৰ আৰু অগ্নিমালা নামৰ পাহাৰত এটা বিষ্ণু মন্দিৰ থকা বুলি লিখা আছে। যোগিনী তন্ত্ৰত অপুনৰ্ভাৱৰ পবিত্ৰ তীৰ্থ থকাৰ উল্লেখ আছে। এই তীৰ্থস্থানত বহুকেইটা মন্দিৰ থকাৰ কথাও গম পোৱা যায়। ভগৱান বলভদ্ৰস্বামীৰ নামত থকা শিল কাটি নিৰ্মাণ কৰা মন্দিৰটোৰ বিষয়ে উমাচলৰ শিলালিপিৰ পৰা পোন প্ৰথমবাৰৰ বাবে গম পোৱা গৈছিল। একেদৰে বনমালৰ তেজপুৰ দানপত্ৰৰ পৰা হতকাচুলিন মন্দিৰটো পুনৰনিৰ্মাণ কৰাৰ কথাটো জনা যায়। গোপালৰ গছতল দানপত্ৰত সম্ভৰ চূণসনা মন্দিৰবোৰ ৰজা ইন্দ্ৰপালৰ ৰাজত্বকালত নিৰ্মাণ কৰা হৈছিল বুলি উল্লেখ আছে। ব্ৰাহ্মণ্য মন্দিৰবোৰৰ উপৰি পুৰণি অসমত বৌদ্ধ আৰু জৈন ধৰ্মৰ সৈতে জড়িত ভৱন নিৰ্মাণৰ বিষয়েও উল্লেখ আছে।

কামৰূপৰ বৰ্মন বংশৰ (চতুৰ্থ শতিকাৰ পৰা সপ্তম শতিকালৈ) ৰাজত্বকালক স্থাপত্য কাৰ্যৰ বিকাশ আৰু সফলতাৰ সোণালী যুগ বুলি ক'ব পাৰি। বৰ্মন বংশৰ শাসনকালত হোৱা স্থাপত্য কলাৰ বিকাশক সাম্ৰাজ্যবাদী গুপ্ত বংশৰ সৈতে তুলনা কৰিব পাৰি। দুয়োটা ৰাজবংশই ব্ৰাহ্মণ্য সংস্কৃতিৰ পৃষ্ঠপোষকতা কৰিছিল। সেই সময়ত স্থাপত্য কলাৰ যি বিকাশ ঘটিছিল সেয়া পৰৱৰ্তী কেইটামান শতিকা জুৰি অব্যাহত হৈ থাকিল। এই সময়ছোৱাৰ স্থাপত্য কলাক ব্ৰাহ্মণ্য অথবা ইংগ'- আৰ্যমূলীয় স্থাপত্য বুলি কোৱা হৈছিল। কিন্তু আদৰ্শগত মিল থাকিলেও দুয়োটা ৰাজবংশৰ শাসন কালত নিৰ্মিত ভৱনবোৰৰ নিজস্ব বৈশিষ্ট্য আছিল। স্থাপত্যবিদ্যাৰ সৈতে জড়িত কাম-কাজবোৰ শালস্তম্ভ আৰু পাল বংশৰ শাসনকাল জুৰি অব্যহত থাকিল। দ্বাদশ শতিকাৰ দ্বিতীয়াৰ্দ্ধলৈ অৱশ্যে স্থাপত্য কলা প্ৰতিষ্ঠাহীন হৈ পৰিছিল।

আগতেই উল্লেখ কৰা হৈছে যে কামৰূপত বৰ্মন বংশৰ ৰাজত্বকালত নিৰ্মিত অধিকাংশ স্থাপত্য শিল্পতে গুপ্ত বংশৰ সৃজনশীলতাৰ প্ৰভাৱ পৰিলক্ষিত হয়। দুয়োটা বংশৰ স্থাপত্য কলাৰ মাজত যথেষ্ট সাদৃশ্য আছিল। কামৰূপৰ একেবাৰে পশ্চিম সীমান্ত অঞ্চলৰ স্থাপত্য কলাত এই প্ৰভাৱ বিশেষভাৱে স্পষ্ট। গুৱাহাটী আৰু তেজপুৰত গুপ্ত শৈলীত খোদিত কাৰুকাৰ্যৰ ভৱনৰ অৱশেষ উদ্ধাৰ হৈছে। তেজপুৰৰ দ-পৰ্বতীয়াৰ ইটাৰে সজা মন্দিৰটোৰ ভগ্নাৱশেষৰ পৰা অসমত গুপ্ত স্থাপত্য শৈলীৰ প্ৰভাৱ আৰু বিস্তাৰৰ বিষয়ে অনুমান কৰিব পাৰি।

উত্তৰ ভাৰতৰ স্থাপত্য কলাৰ বিকাশে অসমৰ স্থাপত্য কলাৰ ধাৰাটোক প্ৰভাৱিত কৰিছিল। শালস্তম্ভ বংশৰ ৰজাসকলে গুপ্ত যুগৰ পাছৰ শৈলীটো নিৰ্মাণ কাৰ্য চলোৱাৰ সময়ত অনুসৰণ কৰিছিল। অধিক ৰথ (rathas) সংযোজন কৰাৰ ফলত ভৱনবোৰৰ উচ্চতা বাঢ়ি গৈছিল, ঘৰবোৰৰ বাহিৰত অধিক নক্সাখচিত কাৰুকাৰ্য দেখা গৈছিল আৰু শোভাবৰ্দ্ধনকাৰী ভাস্কৰ্যৰ সংখ্যাও অধিক হৈছিল। এই আটাইবোৰ আছিল উত্তৰ ভাৰতীয় শৈলীৰ অনুসৰণ। কিন্তু এইখিনিতে এটা কথা জানি থোৱা ভাল হ'ব যে এনে ধৰণৰ নিৰ্মাণ বেছিভাগ ক্ষেত্ৰতে কেন্দ্ৰীয় আৰু নামনি অসমতে সীমাবদ্ধ আছিল। এই নিৰ্মাণ কাৰ্যৰ একমাত্ৰ আঞ্চলিক বৈশিষ্ট্যটো আছিল ভৱনবোৰত গধুৰ শিলৰ ব্যৱহাৰ।

পাল বংশৰ শাসনকালত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাতে ভৱন নিৰ্মাণ কাৰ্য-কলাপ বিয়পি পৰিছিল। মধ্যযুগৰ আৰম্ভণিৰ কালছোৱাৰ ভৱন নিৰ্মাণ পৰম্পৰাটো মধ্যযুগৰ পৰৱৰ্তী সময়ছোৱাত স্থাপত্য কলাৰ শেহতীয়া বিকাশক অনুপ্ৰাণিত কৰাত মূল উৎস আছিল।

ত্ৰয়োদশ শতিকাত নিৰ্মাণ কাৰ্য পুনৰ উজ্জীৱিত হ'ল আৰু পূৰ্বৰ অৱস্থালৈ ঘূৰি অহাৰ প্ৰয়াস চলালে। কিন্তু এই কালৰ নিৰ্মাণ কাৰ্যত প্ৰাণৱন্ততা তথা গভীৰতা নাছিল। স্থাপত্য কলাই পুৰণি গৰিমামণ্ডিত ৰূপ হেৰুৱাই পেলাইছিল। আগৰ কালছোৱাত শিল্পীসুলভ অভিব্যক্তিৰ পৰিচয় বহন কৰা দুৱাৰৰ চৌকাঠবোৰে ইয়াৰ উপযোগিতা হেৰুৱাইছিল। ভাস্কৰ্য তথা কা�ৰুকাৰ্যক চৌকাঠৰ তলৰ অংশত দুৱাৰৰ কাষৰ খুঁটা আৰু লততাবিম্বত স্থান দিয়া হৈছিল।

এই সময়ছোৱাৰ মন্দিৰ আদিৰ ভগ্নাৱশেষৰ পৰা গম পোৱা যায় যে নিৰ্মাণ কাৰ্যত শিলৰ উপৰি পোৱা ইটাৰ বহুল ব্যৱহাৰ হৈছিল। এই যুগৰ স্থাপত্য কলাৰ নিদৰ্শন গুৱাহাটী, শুৱালকুছি, তেজপুৰ, ভৈতবাৰী আৰু গোৱালপাৰা জিলাৰ বাঘাপাৰাত পোৱা গৈছে।

আমবাৰীৰ খননত আৱিষ্কাৰ হোৱা স্থাপত্যৰ নমুনাবোৰৰ কোনো বিশেষ বৈশিষ্ট্য নাই আৰু ভাস্কৰ্যবোৰক লৈও কোনো যুক্তিসংগত সিদ্ধান্তত উপনীত হ'ব পৰা নাই। স্থাপত্য কলাৰ দিশৰ পৰা আমবাৰীৰ স্থাপত্য শিল্পৰ ভগ্নাৱশেষে সেই সময়ৰ নিৰ্মাণ কাৰ্য আৰু প্ৰচলিত ধাৰাৰ সংকেত দিয়ে। একে স্থানতে উদ্ধাৰ হোৱা সূৰ্য, মহিষমৰ্দিনী আৰু বিষ্ণুৰ মূৰ্তি কেইটা নিখুঁট নহয়। ইয়াৰ পৰাই অনুমান কৰিব পাৰি যে মূৰ্তিকেইটা তৈয়াৰ কৰাৰ কাল একে। আমবাৰীৰ খননকাৰ্যত উদ্ধাৰ হোৱা ভাস্কৰ্যবোৰক মূৰ্তি সম্বন্ধীয় বিভিন্ন শিতানত ভগাব পাৰি। আমবাৰীৰ প্ৰস্তাৱিত মন্দিৰটোৰ দেৱালৰ শোভাবৰ্দ্ধনৰ কামত মূৰ্তিকেইটা ব্যৱহাৰ কৰাৰ কথা ভবা হৈছিল বুলি ধৰি ল'ব পৰা যায়।

ভক্তই শিৱলিংগ উচৰ্গা কৰি পূজা আগবঢ়াবলৈ লোৱাৰ ফলত খনন কাৰ্যৰ সময়ত বহুতো সৰু সৰু শিৱলিংগ উদ্ধাৰ হ'বলৈ ধৰিলে। বৌদ্ধধৰ্মীয় তীৰ্থস্থানবোৰত বৌদ্ধ উপাসকসকলে স্তূপ আগবঢ়াই জনোৱা প্ৰাৰ্থনাৰ আধাৰতে শিৱলিংগ উচৰ্গা কৰা প্ৰথাৰ উৎপত্তি হৈছে বুলি কোৱা হয়। সৰু পো�ৱামাটিৰ শিৱলিংগৰ উপৰি ত্ৰিশূল, তাম-ৰূপ-সোণেৰে তৈয়াৰী বেলপাত আদিও শিৱ মন্দিৰলৈ উচৰ্গা হিচাপে আগবঢ়োৱা হৈছিল।

ৰাজ্যিক সংগ্ৰহালয়ত থকা আৰু বৰ্তমান প্ৰদৰ্শনৰ বাবে মুকলি কৰা স্থাপত্য কলাৰ দুটা উদাহৰণৰ পৰা ধৰিব পাৰি যে সেই দুবিধ নিৰ্মাণ অৱশেষ পৰম্পৰাগত অসমীয়া স্থাপত্য কলাৰ পৰা আঁতৰি গৈ নতুন শৈলীৰে নিৰ্মাণ কৰা হৈছিল। অৰ্থাৎ সেই নিৰ্মাণ অৱশেষ দুবিধ উত্তৰ ভাৰতত মন্দিৰ নিৰ্মাণৰ নতুন যুগ আৰম্ভ হোৱা সময়ৰ। উদ্ধাৰ হোৱা সামগ্ৰী এবিধ হ'ল এটা প্ৰকাণ্ড শিলৰ খুঁটা। খুঁটাটো আধাসজা অৱস্থাত আছে, খুঁটাটোৰ আধাৰতল বৰ্গাকৃতিৰ আৰু ই ক্ষুদ্ৰস্তম্ভ (shaft) অংশটোৰ পৰা পৃথক। আনবিধ সামগ্ৰী হ'ল এখন একক শিলাৰ (monolithic) চৌকাঠ। চৌকাঠৰ তিনিটা বাহুৱে এখন একক শিলাৰ দুৱাৰৰ ৰূপ লৈছে, চৌকাঠটোৰ দ্বাৰপিণ্ডী (linted) আৰু দ্বাৰপাৰ্শ্ব (Jambs) পৃথককৈ সজা হৈছে।

আমবাৰীত উদ্ধাৰ হোৱা শিলালিপিখন ১২৩২ খ্ৰীষ্টাব্দৰ সমুদ্ৰপাল ৰজাৰ সময়ৰ। শিলালিপিখনৰ পৰা সেই সময়ত সত্ৰৰ অস্তিত্বৰ কথা গম পোৱা যায়। মন্দিৰ পৰিসৰৰ ভিতৰত থকা ইটাৰ দেৱালৰ শাৰী শাৰী ঘৰবোৰ পুৰোহিত আৰু ভক্তৰ বাসস্থান আছিল বুলি গম পোৱা যায়। আমবাৰীৰ ভগ্নাৱশেষৰ পৰা অনুমান কৰিব পাৰি যে সেই স্থানত এটা শিৱ (নট'ৰাজ) মন্দিৰ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছিল। খননকাৰ্যত উদ্ধাৰ হোৱা সবাতোকৈ

ডাঙৰ মূৰ্তিটো হ'ল এটা দশভূজৰ মূৰ্তি।

এই সময়ছোৱাৰ স্থাপত্য কলাত দুই ধৰণৰ কেঁচামাল ব্যৱহৃত হোৱালৈ চাই বিভিন্ন ধৰণৰ সৃজনশীল কার্য-কলাপ চলিছিল বুলি অনুমান কৰিব পাৰি। এই ক্ষেত্রত গোৱালপাৰা জিলাৰ ভৈতবাৰী অঞ্চলত আৰু অৰুণাচল প্রদেশৰ পাদদেশৰ মালিনী থানত উদ্ধাৰ হোৱা স্থাপত্য সমলবোৰৰ কথা উনুকিয়াব পাৰি। ভৈতবাৰী অঞ্চলত বহুল পৰিমাণে পোৱামাটিৰ কাম আৰু মালিনী থানত শিলৰ কাম চলিছিল। গুৱাহাটী, তেজপুৰ আৰু জমুনা-কপিলি উপত্যকাৰ কোনো কোনো অঞ্চলত উদ্ধাৰ হোৱা শিল আৰু ইটাৰ ভগ্নাৱশেষবোৰ খ্রীষ্টিয় ত্রয়োদশ শতিকাৰ বুলি অনুমান কৰা হৈছে।

আহোম বুৰঞ্জী আৰু চন্দ্রভাৰতী খোদিত লিপিৰ বাহিৰে আন ক'তোৱেই চতুর্দশ আৰু পঞ্চদশ শতিকাৰ ভৱন নির্মাণ কার্য-কলাপৰ বিষয়ে উল্লেখ নাই। মধ্যযুগৰ শেষৰফালে অসমত চলা স্থাপত্য কার্যৰ একমাত্র উদাহৰণটো হ'ল কামাখ্যা মন্দিৰৰ মেৰামতি। এই মেৰামতি কার্যৰ পৰা সেই সময়ছোৱাৰ ভৱন নির্মাণ বৈশিষ্ট্যবোৰৰ বিষয়ে গম পোৱা যায়। নামনি অসমৰ অধিকাংশ মঠ-মন্দিৰেই কোনো প্রাচীন ভৱনৰ ভেটিত নতুনকৈ নির্মাণ কৰা যেন লাগে। শেহতীয়া অধ্যায়নৰ পৰা গম পোৱা গৈছে যে প্রাচীন কালৰ ভৱনৰ ভগ্নাৱশেষৰ পৰাই নকল কৰি নতুন ভৱন নির্মাণ কৰা হৈছিল। এনেদৰে পুৰণি ভৱন একে নক্সাৰে নতুনকৈ নির্মাণ কৰা এটা উদাহৰণ হ'ল শিঙৰীৰ (শোণিতপুৰ) গুপ্তেশ্বৰ মন্দিৰ। প্রাচীন মন্দিৰটোৰ শিখৰটো ধ্বংস হোৱা নাছিল যদিও পৰৱর্তী কালত ইয়াক ঢাকি পেলোৱা হৈছিল। এনেদৰে ৰৈ যোৱা ভৱন অংশবোৰে স্থাপত্যবিদসকলৰ বাবে আৰ্হি আৰু অনুপ্রেৰণাৰ কাম কৰিছিল।

মধ্যযুগৰ শেষফালে নির্মিত ভৱনবোৰ দেখাত নির্জীৱ আৰু পৰম্পৰাগত ৰূপৰ আছিল। ভৱনবোৰৰ একোটা ধৰা-বন্ধা সহজে অনুমান কৰিব পৰাবিধৰ আকৃতি আছিল। এই সময়ছোৱাৰ স্থাপত্য কলাত বহুকেইটা শৈলীৰ মিলন দেখা যায় যদিও এইবোৰে মিলিত হৈ কোনো এক সুনির্দিষ্ট ধাৰা ৰূপে বিকশিত হ'ব নোৱাৰিলে। নির্মাণ কার্যত সেই সময়ত সুলভ সকলো ধৰণৰ প্রযুক্তি ব্যৱহাৰ কৰা হৈছিল।

অসমৰ স্থাপত্য কলাৰ স্বৰূপ আছিল ধর্মীয়। মধ্যযুগৰ শেষৰ ফালৰ স্থাপত্য শিল্পৰ অনুপ্রেৰণাৰ উৎস আছিল মুছলমানসকলৰ শাসনকালৰ স্থাপত্য কলা। দুয়োবিধ শৈলীয়েই মিলিত হৈ নিজ নিজ বিশেষত্বৰে বিকশিত হৈছিল। অসমত এই সময়ছোৱাত থলুৱা স্থাপত্য কলাৰো বিকাশ ঘটিছিল। শিঙৰী ঘৰ আৰু বিজয় মণ্ডপ নির্মাণ কার্যত এই কথাৰ প্রমাণ পোৱা যায়। এই সময়ৰ আন অস্থায়ী নির্মাণ কার্যবোৰৰ ভিতৰত পথ নির্মাণ, পুখুৰী খন্দা, দুর্গ, প্রাচীৰ নির্মাণ, স্মৃতিসৌধ নির্মাণ আদিৰ কথা উল্লেখ কৰিব পাৰি। সময়ৰ সোঁতত এই নির্মাণবোৰ নিঃচিহ্ন হৈ গৈছে।

অসমত মধ্যযুগৰ শেষৰ ফালে আহোম ৰজাসকলে ধর্মনিৰপেক্ষ স্থাপত্য শিল্পৰ বিকাশত যথেষ্ট অৰিহণা আগবঢ়াই থৈ গৈছে। ১৬৬২-১৬৬৩ চনত মিৰজুমলাৰ লগত অসমলৈ অহা শিহাবুদ্দিন তালিশ্বৰ লেখনিত আহোম স্থাপত্য কলাৰ বিৱৰণ পোৱা যায়। তেওঁ গড়গাঁৱৰ তোৰণবোৰ, দর্শক বহা হোলোংঘৰ আৰু ৰাজপ্রাসাদবোৰৰ বিস্তৃত বিৱৰণ লিপিবদ্ধ কৰি থৈ গৈছে। তেওঁ ইয়াকো লিখি থৈ গৈছে যে বেছিভাগ অ-ধর্মীয় ভৱনেই কাঠেৰে সজা আছিল আৰু ভৱনবোৰৰ নির্মাণ নৈপুণ্যই এই কথাকে প্রমাণ কৰে যে এনে নির্মাণ শৈলীৰ চর্চা বহুদিন আগৰে পৰাই প্রচলিত আছিল। তালিশ্বে লিখি থৈ গৈছে যে ধনী-দুখীয়া সকলোৰে ঘৰ কাঠ- বাঁহ আৰু খেৰেৰে সজা আছিল। ইটাৰ ব্যৱহাৰ দেখিবলৈ পোৱা গৈছিল যদিও কাঠ-বাঁহক সম্পূর্ণৰূপে বিসর্জন দিয়া হোৱা নাছিল। কোৱা হয় যে ৰুদ্র সিংহই ইটাৰে ঘৰ সজাৰ প্রতি আগ্রহী আছিল। তাৰ বাবে তেওঁ কোচবিহাৰৰ পৰা ঘনশ্যাম নামৰ শিল্পী

এগৰাকীক মতাই আনিছিল। ঘনশ্যামৰ তদাৰকতে জয়সাগৰ পুখুৰী, বিষ্ণু আৰু শিৱ মন্দিৰ তথা ৰাজপ্রাসাদৰ নির্মাণ সমাপ্ত হৈছিল। তেওঁ ৰাজপ্রাসাদ থকা অঞ্চলটোৰ নাম ৰংপুৰ দিছিল। ৰংপুৰতেই তেওঁ হেৰালি ঘৰ (প্রমোদ ভৱন)। সাতসৰী বুৰঞ্জীত উল্লেখ আছে যে টেঙাবাৰী অঞ্চলত তলাতল ঘৰ (কেইবা মহলীয়া ভৱন) নির্মাণ কৰা হৈছিল। সাতসৰী বুৰঞ্জীতে এই কথাও উল্লেখ আছে যে ৰাজেশ্বৰ সিংহই ৰংপুৰ আৰু গড়গাঁৱত ভৱন নির্মাণৰ বাবে ইটাৰ ব্যৱহাৰ কৰিছিল।

ৰুদ্রসিংহই বিভিন্ন আকাৰ-আকৃতিৰ ভৱন নির্মাণ কৰিছিল বুলি কোৱা হয়। ইয়াৰ আধাৰতে পৰৱর্তী কালৰ অসামৰিক স্থাপত্য কলাৰ বিকাশ ঘটিছিল। ভৱন নির্মাণৰ সবাতোকৈ জনপ্রিয় ৰূপটো আছিল দোচাল দুচাল (Do Chala) অথবা পঁজা ঘৰ আকৃতিৰ। অধর্মীয় ভৱন নির্মাণৰ সময়ত এই নির্মাণ শৈলী ব্যৱহাৰ কৰা হৈছিল। অৱশ্যে প্রথমে এই শৈলীটো মন্দিৰৰ বিমানৰ (Vimana) সৈতে সংলগ্ন মণ্ডপ সজিবলৈহে ব্যৱহাৰ কৰা হৈছিল।

দোচাল বা দুচাল শৈলীৰ ঘৰৰ উৎকৃষ্ট উদাহৰণ হ'ল ৰংপুৰৰ গোলা ঘৰ (খাৰ-বাৰুদ ৰখা ঘৰ)। ভৱনটোত এটা মুখমণ্ডপ আছে। ইয়াৰ চৌপাশে খেতিপথাৰ আছে। গড়গাঁৱত মুখমণ্ডপ নথকা আন এটা বৃহৎ ভৱন আছে। জয়সাগৰতো এনে শৈলীৰ এটা ভৱন আছে। বৈদ্যানাথ শিৱ মন্দিৰ পৰিসৰৰ ভিতৰত থকা এই ভৱনটোক স্থানীয় ৰাইজ (ভাগঘৰ (ৰান্ধনিশাল) বোলে। জয় দৌলৰ ওপৰতো একে ধৰণৰ আন এটা ভৱন আছে।

ৰংপুৰৰ ৰংঘৰ অ-ধর্মীয় স্থাপত্য কলাৰ এক অপূর্ব নিদর্শন। আহোম ৰজা প্রমত্ত সিংহৰ দিনত এই ভৱনটো সজা হৈছিল। ভৱনটোৰ নির্মাণ শৈলীত ইছলামীয় স্থাপত্য কলাৰ প্রভাৱ পৰিলক্ষিত হয়। স্তম্ভ আৰু খুঁটাৰে ভৰা অর্ধবৃত্তাকাৰ ভাঁজত নির্মিত ভৱনটোৰ কাৰু কার্যৰ অৱশেষে ৰংঘৰৰ প্রাচীন ভব্য শোভাৰ কথাকে প্রমাণিত কৰে। ৰংঘৰক ৰাজ পৰিয়াল বহা মণ্ডপ হিচাপে ব্যৱহাৰ কৰা হৈছিল। তাতে বহি ৰাজ পৰিয়ালৰ লোকে মল্লযুদ্ধ, ম'হযুঁজ, শেন চৰাইৰ ধেমালি আদি উপভোগ কৰিছিল। ৰংঘৰৰ চাদখনে ভৱনটোৰ অধিবৃত্তাকাৰ ৰূপটো তুলি ধৰিছিল।

গড়গাঁৱৰ ৰাজপ্রাসাদটো কাৰেংঘৰ নামেৰে জনাজাত। ই অধর্মীয় স্থাপত্য কলাৰ আন এক নিদর্শন। ৰাজেশ্বৰ সিংহৰ দিনত এই ভৱনটো ইটাৰে সজা হৈছিল। স্তম্ভ সদৃশ্য স্থাপত্যৰে নির্মিত ভৱনটোৰ চাৰিটা মহলা আছে। মহলাবোৰ দুৱাৰসংলগ্ন চিৰিৰে লগ লগোৱা আৰু ভৱনটোত অর্ধবৃত্তাকাৰ ভাঁজ আছে।

আহোমসকলৰ অধীনত বিকাশৰ সর্বোচ্চ শিখৰত উপনীত হোৱা স্থাপত্য কলাৰ আন এক অতুলনীয় নিদর্শন হ'ল তলাতল ঘৰ। এক উত্তৰ-দক্ষিণ অক্ষত সজাই লোৱা ভৱনটোৰ একেবাৰে তলৰ মহলাত দুশাৰী স্তম্ভ আছে। মহলাটোত অর্ধ-বৃত্তাকাৰ ভাঁজো আছে। ভৱনটোৰ কিছু অংশ বন্ধ আৰু আন কিছু অংশক সৰু সৰু কোঠালিত ভগোৱা হৈছে। মুকলি অংশবোৰক আস্তাবল আৰু বন্ধ অংশবোৰক শস্য ভঁৰাল হিচাপে ব্যৱহাৰ কৰা হৈছিল। তলাতল ঘৰৰ বৈশিষ্ট্য হ'ল ইয়াৰ সবাতোকৈ ওপৰৰ মহলাটো এখন মুক্ত চাদৰ দৰে। অৱশ্যে বর্তমান আমি দেখাৰ দৰে ই এটা সময়ত হয়তো সম্পূর্ণ মুকলি নাছিল। কাৰণ চাদৰ মজিয়াত বৃত্তাকাৰ গাঁতৰ শাৰী দেখা গৈছে। হয়তো সেই গাঁতবোৰত কাঠৰ স্তম্ভ বা খুঁটা বহুওৱা হৈছিল। তলাতল ঘৰক চৰকাৰী কাম-কাজৰ বাবে ব্যৱহাৰ কৰা হৈছিল। ইয়াতে ৰজাই দূত তথা প্রতিনিধিবর্গক সাক্ষাৎ কৰিছিল, ৰায়দান কৰিছিল, গুৰুত্বপূর্ণ বিষয়বোৰ সন্দর্ভত বিধান পৰিষদৰ সভা আহ্বান কৰিছিল।

ৰংপুৰত থকা আন এক অধর্মীয় পদ্ধতিৰ ভৱন হ'ল ঘনশ্যামৰ ঘৰ। স্থানীয় ৰাইজে ইয়াক ঘনশ্যামৰ মন্দিৰ বুলি গণ্য কৰে। ঘনশ্যাম আছিল স্বর্গদেউ ৰুদ্র সিংহই কোচবিহাৰৰ পৰা মতাই অনা ঘৰ সজা শিল্পী। ভৱনটো ধর্মীয় প্রভাৱৰ পৰা মুক্ত। কেৱল ভৱনৰ বেৰত পোৱামাটিৰ দেৱ-দেৱীৰ মূর্তি আৰু মিহৰাব্ (Mihrab) দেখা যায়।

কছাৰী বংশৰ ৰাজত্বকালৰ স্থাপত্য কলাৰ নিদৰ্শন তিনিটা অঞ্চলত দেখিবলৈ পোৱা যায়- কাছমাৰী, উত্তৰ-কাছাৰ পার্বত্য জিলাৰ মাইবং আৰু খাচপুৰ। অৱশ্যে ভৱনবোৰ বর্তমান জহি-খহি গৈছে। খাচপুৰত দুটা অ-ধর্মীয় উদ্দেশ্যেৰে সজা ভৱন এতিয়াও দেখা পোৱা যায় যদিও কছাৰী ৰাজবংশৰ দিনত প্রচলিত স্থাপত্য কলাৰ নিদর্শন দাঙি ধৰা কোনো বিশেষ বৈশিষ্ট্য এই ভৱন দুটাৰ গাত নাই।

শৈলীৰ ফালৰ পৰা কছাৰী স্থাপত্য কলাৰ অধীনত নির্মিত ধর্মীয় উদ্দেশ্যেৰে ব্যৱহৃত ভৱনবোৰৰ বৰাক উপত্যাকাৰ স্থাপত্য শৈলীৰ লগত সাদৃশ্য আছে। সাধাৰণ কছাৰী শৈলী বুলিলে চাল শৈলীৰ (chal style) কথাই ক'ব লাগিব। খাচপুৰত থকা ভৱন দুটাত বংগৰ দোচাল /দুচাল শৈলীৰ প্রভাৱ দেখা যায়। খাচপুৰৰ পূব সীমান্তৰ তোৰণ গৃহটোৰ (Gate house) বিন্যাস আয়তাকাৰ, ভেটি চাপৰ, মজবুত দেৱাল আৰু চাল ধেনু সিৰীয়া দোচাল দুচাল শৈলীৰ। দুৱাৰত জোঙা কাঁড় সজোৱা আছে। কাঁড়বোৰ বহল প্রস্থৰ। খাচপুৰৰ আনটো ভৱন হ'ল বাৰদুৱাৰী অর্থাৎ বাৰখন দুৱাৰ থকা ঘৰ। এই দুমহলীয়া ঘৰটোৰ দুয়োটা মহলাতে বাৰখনকৈ দুৱাৰ আছে। কিন্তু এই দুৱাৰ কেইখন ইটাৰে বন্ধ কৰি দিয়া হৈছে। বাহিৰৰ বেৰবোৰৰ পৰা গম পোৱা যায় যে ঘৰৰ ভাঁজবোৰত বিভিন্ন নক্সা কাটি শোভাবর্দ্ধন কৰা হৈছিল। এই ভৱনটোতো ধেনুসিৰিয়া শৈলীৰ চাল দেখা যায়।

অন্য অ-ধর্মমূলক নির্মাণৰ উল্লেখনীয় উদাহৰণ হ'ল আহোমসকলৰ দিনত খন্দা পুখুৰীবোৰ। প্রায়ভাগ পুখুৰীয়েই কোনো ৰজাৰ সৈতে জড়িত । পুখুৰী খন্দা কার্যক ঈশ্বৰভক্তিৰ সর্বোত্তম নিদর্শন বুলি ভবা হৈছিল। পুখুৰীবোৰ সাগৰ নামেৰে জনাজাত হৈছিল। পুখুৰীৰ নামেৰে চহৰবোৰৰ নামকৰণ কৰা হৈছিল। এই পুখুৰীবোৰে সর্বসাধাৰণক গভীৰভাৱে প্রভাৱিত কৰিছিল। শিৱসাগৰ এনে এটা পুখুৰীৰ অতুলনীয় উদাহৰণ। পুখুৰীটোৰ নামেৰে ঠাইডোখৰৰ নামো শিৱসাগৰ হৈ পৰিছিল। মন কৰিবলগীয়া কথাটো হ'ল আহোমসকলে খন্দা পুখু ৰীবোৰৰ জলস্তৰ আজিও পুখুৰীৰ আশে-পাশে থকা স্থানৰ বন্ধুৰতাতকৈ যথেষ্ট বেছি।

পুখুৰীৰ উপৰি আন অ-ধর্মীয় নির্মাণবোৰ আছিল গড়, কোঠ, জলবান্ধেৰে সৈতে নির্মাণ কৰা পথ ইত্যাদি। গড়ৰ ভেটিৰ ওপৰত গাঁথনি দৃঢ় কৰিবলৈ ইটাৰ প্রাচীৰ নির্মাণ কৰা হৈছিল। গড়বোৰ ইটা আৰু সমান জোখৰ শিলেৰে সজা হৈছিল। প্রাচীন কছাৰী ৰাজ্যৰ ৰাজধানী মাইবঙত এনে এটা প্রকাণ্ড গড়ৰ অৱশেষ দেখা পোৱা যায়। ৰাজপৰিয়ালে আৰু অন্য আবাসিক পৰিয়ালৰ সুৰক্ষাৰ বাবে নির্মিত গড় ৰংপুৰ তথা গড়গাঁও (শিৱসাগৰ), প্রতাপগড় (শোণিতপুৰ), চাহে ৰজাৰ গড় (দৰং), ভৈতবাৰী (গোৱালপাৰা), প্রতীমনগৰ (ডিব্রুগড়) আৰু মাইবঙত (উত্তৰ কাছাৰ পার্বত্য জিলা) দেখিবলৈ পোৱা যায়। শ্বিহাবুদ্দিন তালিশ্বে গড়গাঁও নগৰৰ চৌপাশে বাঁহৰ গড় থকাৰ কথা লিখি থৈ গৈছে।

অসমৰ অ-ধর্মমূলক স্থাপত্য কলাৰ ক্ষেত্রখনত পথ, ৰাজপথ আৰু বিভিন্ন সাঁকোৰ যথেষ্ট অৱদান আছে। অসমৰ সবাতোকৈ প্রাচীন তথা গুৰুত্বপূর্ণ ঘাইপথটো চৰাইদেও আহোম ৰাজ্যৰ প্রথম ৰাজধানী আৰু আহোম ৰাজ্যৰ অন্তর্গত উত্তৰ দিশৰ ভৈয়াম অঞ্চলক সংলগ্ন কৰিবলৈ সজা হৈছিল। পথবোৰ সাধাৰণতে স্মৃতিচিহ্ন হিচাপে সজা হৈছিল। ধাই আলি, ধোদৰ আলি আদি পথ বিশেষ গুৰুত্বপূর্ণ ঘটনাৰ স্মৃতিত নির্মিত। পথ নির্মাণৰ আঁৰৰ কাৰক আছিল প্রতিৰক্ষা, যোগাযোগ আৰু কৌশলগত কাৰণ। সাঁকোৰ ক্ষেত্রত প্রথমে নাম ল'ব পাৰি নামডাং, দিজৈখনা আৰু দৰিকা নৈৰ ওপৰত থকা শিলৰ সাঁকোকেইখন । এই সময়ছোৱাত বহুতো পুল নির্মাণ কৰা হৈছিল আৰু প্রায়েই পুলবোৰৰ নামেৰে অঞ্চলটো জনাজাত হৈছিল। উত্তৰ গুৱাহাটীৰ শিলসাঁকো হ'ল মধ্যযুগৰ শেষৰ

ফালে নির্মিত এটা পুল (culvert)। ৰাজহুৱা ব্যৱহাৰৰ বাবে নির্মিত বিভিন্ন সা- সুবিধাৰ বিষয়ে ছাং ৰুং ফুকনৰ বুৰঞ্জীত প্রণালীবদ্ধভাৱে বর্ণনা কৰা আছে।

আহোম যুগৰ স্থাপত্য কলাৰ আন এক বিস্ময়কৰ অৱদান হ'ল মৈদামবোৰ। মৈদাম হ'ল সমাধি ক্ষেত্র। বাহিৰৰ পৰা মৈদামবোৰ দেখাত অর্ধগোলাকৃতিৰ। ইয়াৰ আকাৰ ভিন্ ভিন্ দেখা যায়। মৈদামবোৰ সাধাৰণ মাটিৰ টিপৰ পৰা ২০ মিটাৰ ওখ টিলা আকৃতিৰো হ'ব পাৰে। মৃত ব্যক্তিৰ ক্ষমতা, সামাজিক প্রতিষ্ঠা আৰু সম্পদৰ ওপৰত নির্ভৰ কৰি মৈদামবোৰ সজা হৈছিল। মৈদামৰ ভিতৰৰ কুঠৰীত শৱদেহ ৰখা হৈছিল। কিছুমান বুৰঞ্জীত আহল-বহল কুঠৰীৰ বর্ণনা পোৱা যায়। ইয়াৰ পৰা অনুমান কৰা হৈছে যে কিছুমান শৱদেহৰ সৈতে যথেষ্ট পৰিমাণৰ মূল্যবান সামগ্রী আৰু লগুৱা-লিগিৰীক সমাধিস্থ কৰা হৈছিল। শিহাবুদ্দিন তালিশ্বৰ লেখনিৰ পৰা গম পোৱা যায় যে এই কুঠৰীবোৰ মজবুত কাঠৰ খুঁটা আৰু বাতামেৰে সজা হৈছিল।

ছাং ৰুং ফুকনৰ বুৰঞ্জীত মৈদাম নির্মাণ শৈলীৰ বিষয়ে কিছু কথা উল্লেখ আছে। মৈদাম নির্মাণ বৈশিষ্ট্যবোৰ হ'ল- (i) অর্ধগোলাকাৰ (dome) আকৃতিৰ মূল গম্বুজটোত এখন সৰু প্রৱেশদ্বাৰ (চাও চালি) থাকে। গম্বুজটোৰ তলত শৱদেহ ৰখা কুঠৰীটো সজা হয়। (ii)সমগ্র মৈদামটো ঢাকি জাপি দিয়া মাটিত ইটাৰ গাঁথনি থাকে। চাও চালিৰ মুখখন বন্ধ কৰি দিয়া নহয়। (iii) মাটিৰ টিপটোৰ ভেটিৰ চৌপাশে এখন সীমা প্রাচীৰ নির্মাণ কৰা হয়। প্রাচীৰৰ ধেনুভিৰীয়া তোৰণখন পশ্চিম দিশত থাকে।

বিভিন্ন প্রকাৰৰ কাঠ আৰু কংক্রীট কুঠৰীৰে সজা মৈদামবোৰ হ'ল বৃহৎ আকাৰৰ স্থাপত্য নিদর্শন। কাঠেৰে সজা কুঠৰীৰ ক্ষেত্রত বাতাম আৰু তক্তা হিচাপে উত্তম মানৰ গছ ব্যৱহাৰ কৰা হৈছিল। মাটিৰ তলৰ কুঠৰীবোৰৰ বাবে ডাঙৰ শিলৰ ফলিসদৃশ টুকুৰা ব্যৱহাৰ কৰা হৈছিল। মুল ভেটিটোৰ বাবে ইটা, শিল আৰু ঘৰ সজা সামগ্রী ব্যহাৰ কৰা হৈছিল। মৈদামৰ কুঠৰীবোৰ দৌলাকৃতিৰ, একক, বহুমহলীয়া অথবা ডিম্বাকৃতিৰ আছিল।

এই সময়ছোৱাতে শিলৰ সলনি ইটাৰে ভৱন আদি নির্মাণৰ ধাৰা আৰম্ভ হৈছিল। মধ্যযুগৰ নির্মাণ পৰম্পৰাৰ চর্চা অব্যাহত থকাৰ কাৰণ আছিল ইয়াৰ উপযোগিতা, কম খৰছী আৰু সীমিত কাৰিকৰী কৌশলৰ ব্যৱহাৰ।

মধ্যযুগৰ শেষৰ সময়ছোৱাত অসমৰ ধর্মীয় উদ্দেশ্যেৰে নির্মিত ভৱনবোৰত ইছলামীয় প্রভাৱ দেখা যায়। হিন্দু মন্দিৰবোৰৰ নির্মাণৰ নক্সা ইছলামীয় স্থাপত্য কলাৰ অভিজ্ঞতা থকা ৰাজমিস্ত্রীবোৰে অনুসৰণ কৰা চাৰাচেনিক নীতি (Saracenic principles) ব্যৱহাৰ কৰি তৈয়াৰ কৰা হৈছিল। কিন্তু থলুৱা আৰু বিদেশী দুয়োবিধ উপাদান মিহলাই এক নতুন শৈলীৰ চর্চা আৰম্ভ কৰাৰ উদ্দেশ্যেৰে পৰৱর্তী সময়ত স্থানীয় শিল্পীসকলে এটা গীল্ড গঠন কৰিছিল।

নীলাচল পাহাৰত থকা কামাখ্যা মন্দিৰৰ মেৰামতিৰ কৃতিত্ব কোচ ৰাজবংশই দাবী কৰে। কিন্তু মেৰামতি কৰাৰ সময়ত পৰম্পৰাগত গাঁথনিৰ পৰা আঁতৰি গৈ এটা নতুন শৈলী গ্রহণ কৰা হৈছিল। এই শৈলীয়ে পৰৱর্তী সময়ৰ স্থাপত্য কলাৰ বিকাশত গভীৰ প্রভাৱ পেলাইছিল। হিন্দু পদ্ধতিৰে শিলৰ কাম কৰাত যে ৰাজমিস্ত্রীসকল অপটু আছিল তাৰ প্রমাণ হ'ল মন্দিৰৰ বিমানটো পৰম্পৰাগত শিখৰ শৈলীৰ পৰিৱর্তে বর্তুলাকাৰ ৰূপত সজা হৈছিল। ইয়াৰ উপৰি বিভিন্ন খোদিত শিলাখণ্ডত আগৰ অৱস্থান অনুসৰি মূর্তিবোৰৰ ক্রমবিন্যাসটো ধৰি ৰখা হোৱা নাছিল। ইটাৰে গম্বুজ সজাটো আছিল ইছলামীয় স্থাপত্যৰ প্রভাৱ পৰা হিন্দু স্থাপত্যৰ উদ্ভাৱন। স্থাপত্যৰ এই সংকৰ ৰূপটো পাছলৈ নীলাচল শৈলী ৰূপে জনাজাত হৈ পৰিছিল। কামাখ্যা মন্দিৰৰ ভেটিত এটা অন্তৰাল (Antarala)

আৰু জগমোহন অথবা চলন্ত পঞ্চৰত্ন অথবা ভোগমণ্ডপ আৰু নাটমন্দিৰ নামৰ আন তিনিখন মণ্ডপ আছে। অন্তৰালৰ চালখন দোচাল বা দুচাল শৈলীৰ, চলন্তৰ চালখন পিৰামিড সদৃশ আৰু ভোগমণ্ডপৰ চালত পাঁচটা গম্বুজ অথবা ৰত্ন আছে. চাল নির্মাণ শৈলীত বংগৰ প্রভাৱ সুস্পষ্ট। ভৱনটোৰ প্রাচীৰবোৰ শিলাখণ্ডেৰে সজা। ফাঁট মেলা অংশবোৰ ইটাৰে গাঁঠি দিয়া হৈছে। তাৰ ওপৰত চুর্কী প্লাষ্টাৰ (surki plaster) কৰা হৈছে।

কামাখ্যা মন্দিৰৰ মেৰামতি কার্যই পৰৱর্তী কালৰ স্থাপত্য শৈলীক প্রভাৱিত কৰিছিল। ইছলামীয় প্রভাৱ থকা গম্বুজাকৃতিৰ বিমান আৰু জগমোহন মণ্ডপৰ পিৰামিড সদৃশ চাল অতি জনপ্রিয় হৈছিল।
গুৱাহাটীৰ নৱগ্রহ মন্দিৰৰ নির্মাণ কার্যত 'ৰত্ন' শৈলী প্রয়োগ কৰা হৈছিল। মন্দিৰটোত নটা গম্বুজাকৃতিৰ গাঁথনি আছে। ইয়াৰে এটা হ'ল প্রধান গম্বুজ আৰু বাকী আঠটা অংশ শিখৰ।

১৫৮৩ চনত ৰজা ৰঘূদেৱে হাজোৰ হয়গ্রীৱ মাধৱ মন্দিৰ মেৰামতি কৰাৰ সময়ত পৰম্পৰাগত নির্মাণ নীতিৰ পৰা সম্পূর্ণ ফালৰি কাটি গৈছিল। মন্দিৰৰ বহিঃঅৱয়বৰ জ্যামিতিক নক্সা সলনি হোৱা আৰু খোদিত মূর্তিবোৰৰ মাজত শৃংখলা নথকা কথাটোৱেই ইয়াৰ প্রমাণ। কিন্তু মন্দিৰটোৰ পভাংগৰ কোনো হেৰফেৰ হোৱা নাছিল বুলি কোৱা হয়।

১৫৮৩ চনত ৰজা ৰঘূদেৱে নির্মাণ কৰা পাণ্ডুনাথ মন্দিৰটো বিষ্ণুৰ নামত উৎসর্গিত। ইয়াৰ গম্বুজ ঘুৰণীয়া, বহিঃ পৃষ্ঠৰ পৰা ইয়াক বহুভূজবেষ্টিত কৰি ৰখা হোৱা নাই, ইয়াৰ.অনুভূমিক নহয়, চূড়াৰ ভেটিৰ পৰা উলম্ব সিৰা বহির্মুখে বিস্তাৰিত হৈছে আৰু এডাল বেঁকা চক্রুপৰিধিত গৈ লগ লাগিছে।

কোচ ৰাজত্বকালৰ স্থাপত্য কলাৰে নির্মিত আন এটা সুন্দৰ মন্দিৰ হ'ল দৰঙৰ মহাদেৱ মন্দিৰ। মন্দিৰৰ বাহিৰৰ প্রাচীৰত এতিয়াও সমান্তৰাল অনুভূমিক শাৰীত কটা কাৰুকার্য দেখা পোৱা যায়। নীলাচল শৈলীত নির্মাণ কৰা মন্দিৰটোৱে প্রাচীন সৌন্দর্য আৰু শোভা বহুখিনি হেৰুৱাইছে।

কোচ ৰাজত্বকালত নির্মিত আন গাঁথনিবোৰ সম্পূর্ণ নষ্ট হৈ গৈছে। সেইবোৰৰ কোনো বিৱৰণ পাবলৈ নাই। কিন্তু মধ্যযুগৰ শেষৰ সময়ছোৱাৰ স্থাপত্য কলাৰ বিকাশত কোচসকলৰ অৱদান কোনেও অস্বীকাৰ কৰিব নোৱাৰে।

আহোমসকলে বহুতো ধর্মীয় ভৱন, বিশেষকৈ মন্দিৰ নির্মাণ কৰিছিল। কোচসকলে প্রচলন কৰা স্থাপত্য পৰম্পৰাৰ সংমিশ্রিত ৰূপটোৰ পৰা আহোমসকলে অনুপ্রেৰণা লৈছিল। আহোম স্থাপত্য কলাক তিনিটা পর্যায়ত অধ্যয়ন কৰিব পাৰি- (ক) আৰম্ভণি কাল (খ) প্রধানকাল আৰু (গ) পতনোন্মুখ তথা পতনকাল।

আৰম্ভণি কাল বুলিলে সেই সময়ছোৱাত নির্মিত গাঁথনিবোৰৰ কথা কোৱা হয় যিবোৰ অষ্টাদশ শতিকাৰ আগতে নির্মাণ কৰা হৈছিল আৰু যিবোৰত নির্মাণকাল অথবা প্রখ্যাত নির্মাতাৰ নাম উল্লেখ নাই। এই ক্ষেত্রত ১৪৮০ খ্রীষ্টাব্দত চুচেনফাই (১৪৩৯-১৪৮৮) নির্মাণ কৰা জামুগুৰিৰ (শোণিতপুৰৰ নাগশংকৰ দেৱালয়ৰ কথা উল্লেখ কৰিব পাৰি। একেদৰে বুৰঞ্জীবোৰে স্বর্গদেউ প্রতাপ সিংহ (১৬০৩-১৬৪১) আৰু স্বর্গদেউ জয়ধ্বজ সিংহক (১৬৪৮-১৬৬৩) কেইটামান মন্দিৰ নির্মাণৰ কৃতিত্ব প্রদান কৰিছে। কিন্তু এই মন্দিৰবোৰৰ অৱস্থান বিচাৰি উলিওৱাটো কঠিন কাম। নাজিৰাৰ গৰখীয়া দৌল স্বর্গদেউ প্রতাপ সিংহই (১৬০৩-১৬৪১) নির্মাণ কৰিছিল বুলি কোৱা হয়। ইয়াৰ নির্মাণ শৈলী ইছলামীয় শৈলীৰ লগত মিলে। দৌলৰ শংকু আকৃতিৰ গম্বুজটোৰ উলম্ব সিৰা আছে, ইয়াৰ ব্যাস কম আৰু তলৰ অংশটোত এটা ঢোল আছে। বেৰত থকা প্রতিটো খোলনিত (niche) দুটাকৈ আয়তাকৃতিৰ দেৱকোষ্ঠ আছে। মন্দিৰৰ বাহিৰৰ প্রাচীৰত খোলানি ত্রিভূজাকৃতিৰ শীর্ষ থকা আন এক ধৰণৰ খাঁজ দেখা যায়। এনে শৈলীৰ উদাহৰণ ইছলামীয় গাঁথনি কিছুমানত থকা দেখা যায়।

বিশ্বনাথৰ (শোণিতপুৰ জিলা) শিৱ মন্দিৰত হিন্দু শৈলীৰ নির্মাণকার্যৰ সাঁচ দেখা যায়। এই মন্দিৰটো কোনো মুখমণ্ডপ নথকা সপ্তৰথ গাঁথনি শৈলীৰে নির্মিত। ৰথবোৰ গভীৰতাৰ তুলনাত অধিক বহল। আন কোনো মধ্যযুগীয় স্থাপত্য কলাৰে নির্মিত গাঁথনিত এই বৈশিষ্ট্য ধৰা পৰা নাই। বহিঃ পৃষ্ঠ সমান আৰু নির্মাণ কার্য বিশাল তথা সূক্ষ্ম । এই বৈশিষ্ট্যবোৰৰ পৰা মন্দিৰটোৰ গঠনশৈলী মধ্যযুগৰ শেষৰ কালছোৱাৰ দ্বাৰা প্রভাৱিত বুলি ধৰিব পাৰি। দূর্ভাগ্যজনকভাৱে এই সময়ছোৱাৰ স্থাপত্য ৰীতিৰে নির্মিত এইটোৱেই একমাত্র মন্দিৰ।

অর্থাৎ, আমি ক'ব পাৰোঁ যে প্রাৰম্ভিক কালচোৱাৰ আহোম স্থাপত্য বিক্ষিপ্ত ভৱন নির্মাণ কার্যতে সীমাবদ্ধ আছিল আৰু এই সময়ত কোনো নির্দিষ্ট শৈলীয়ে গা কৰি উঠা নাছিল।

আহোম যুগৰ নির্মাণ কার্য গদাধৰ সিংহই (১৬৮০-১৬৯৬) অব্যাহত ৰাখিছিল। নাগাৰা শৈলীত নির্মিত উমানন্দৰ শিৱ মন্দিৰটো তেওঁ নতুন ধৰণে মেৰামতি কৰিছিল। তেওঁ বাছনি কৰা শৈলীটো মন্দিৰ নির্মাণৰ শেষৰ সময়ছোৱাৰ স্বীকৃত আর্হিত পৰিণত হৈছিল। মধ্যযুগৰ শেষৰফালৰ নাগাৰা শৈলীত জামিতিক অৱয়ব একোটাৰ সৃষ্টি হৈছিল। তেওঁৰ শাসনকালতেই উৎকৃষ্ট স্থাপত্য শৈলীৰে শিৱসাগৰৰ ঠাওৰা দৌলৰ নির্মাণ কার্য শেষ হৈছিল। এই দৌলটো এটা একক কাষ্ঠৰ মন্দিৰ। ইয়াত এটা বর্গাকৃতিৰ বাস্তুপুৰুষমণ্ডল আছে। দৌলটোৰ চাল বক্রৰৈখিক পানীপচা থকা আগজোঙা পিৰামিড সদৃশ। বেৰত জ্যামিতিক আৰু ফুলৰ নক্সা কটা আছে। মন্দিৰৰ বাহিৰৰ কাৰু-কার্যত সমসাময়িক বংগীয় স্থাপত্যৰ অনুকৰণ দেখা পোৱা যায়।

স্বর্গদেউ ৰুদ্র সিংহ (১৬৯৬-১৭১৪) আছিল স্থাপত্য কলাৰ এগৰাকী প্রধান পৃষ্ঠপোষক। তেওঁ বংগৰ পৰা শিল্পী আৰু কৌশল আমদানি কৰিছিল। তেওঁ দোচাল / দুচাল গাঁথনিক স্বতন্ত্র গাঁথনিৰ ৰূপ দিছিল। এই গাঁথনিৰে নির্মিত ভৱনৰ উৎকৃষ্ট উদাহৰণ হ'ল জয়সাগৰ পুখুৰীৰ পশ্চিম পাৰৰ দেৱীঘৰ। ৰুদ্র সিংহই ইটা আৰু কাঠ ব্যৱহাৰ কৰি এটা অর্ধ-স্থায়ী ভৱন নির্মাণ শৈলী বিকশাই তোলাৰো চেষ্টা কৰিছিল। ইয়াৰ উদাহৰণ হ'ল জয়সাগৰ মন্দিৰ। ইয়াৰ ভেটিৰ গাঁথনি আৰু বেৰবোৰত ইটা গঁঠা হৈছিল। বাকী অংশৰ বাবে তক্তা আৰু খেৰ ব্যৱহাৰ কৰা হৈছিল। আহোমৰ গৃহ নির্মাণ কার্যৰ আন এটা উৎকৃষ্ট উদাহৰণ হ'ল জয়সাগৰৰ কেশৱনাৰায়ণ মন্দিৰ (দৌল)। নীলাচল শৈলীৰ এই দৌলটোৰ চাল আছিল পঞ্চৰত্ন আর্হিৰ। ইয়াৰ এটা গম্বুজাকৃতিৰ শিখৰ থকাৰ লগতে বাহিৰ ফালে যথেষ্ট কাৰুকার্য কৰা আছিল।

এতিয়ালৈকে মৌলিকত্ব অক্ষত ৰখা আহোম স্থাপত্য কলাৰ আন এক নিদর্শন হ'ল জয়সাগৰৰ ফাকুৱা দৌল। ইয়াৰ এটা চিৰি কটা ভেটি গাঁথনি আছে। ওপৰত এটা সৰু বিমান আছে। ভেটি গাঁথনিৰ মাটিৰ সমানত আঠটা কোণত আঠটা অংগশিখৰ আছিল। শিখৰকেইটা সময়ৰ সোঁতত নষ্ট হৈ গৈছে।

স্বর্গদেউ শিৱ সিংহৰ দিনত আহোম স্থাপত্য কলাই উন্নতিৰ সর্বোচ্চ শিখৰ পাইছিল। তেওঁ গৌৰীসাগৰ আৰু শিৱসাগৰত সেই সময়ছোৱাৰ সর্ববৃহৎ স্থাপত্য নির্মাণ কৰিছিল। তেওঁ বিশাল জয়সাগৰ পুখুৰী খন্দাইছিল আৰু পুখুৰীৰ দক্ষিণ পাৰত কেন্দ্রীয় সংৰক্ষণত থকা স্বতন্ত্র চাৰিসীমাৰে সৈতে তিনিটা মন্দিৰ নির্মাণ কৰিছিল। মন্দিৰকেইটা হ'ল দেৱী, শিৱ আৰু বিষ্ণু মন্দিৰ। ইয়াৰে সবাতোকৈ ধুনীয়া আৰু ডাঙৰ মন্দিৰটো আছিল দেৱী মন্দিৰ। এই মন্দিৰটোক নাগাৰা শৈলীত ইটাৰে নির্মিত প্রথম মন্দিৰ বুলি কোৱা হয়। আগৰ শাসকসকলে মধ্যযুগৰ শিলেৰে নির্মিত নাগাৰা মন্দিৰবোৰৰ মেৰামতিৰ কামতে নিজা দায়িত্ব সামৰিছিল। দেৱী দৌলত এটা পঞ্চৰত্ন বাস্ত পুৰুষমণ্ডল, এটা অন্তৰাল আৰু অসমীয়া দোচালা দুচালা শৈলীৰ এটা আহল-বহল মণ্ডপ আছিল।

শিৱ আৰু বিষ্ণু মন্দিৰ দুটা আছিল নীলাচল শৈলীৰ। মন্দিৰ দুটাত নীলাচল শৈলীৰ সৌন্দর্য পৰিস্ফুট

হোৱা নাছিল। শিৱসাগৰ মন্দিৰ পৰিসৰ নির্মাণৰ পৰিকল্পনাৰ সময়তো পুখুৰী খন্দা আৰু কেন্দ্রীয় সংৰেখন থকা মন্দিৰ নির্মাণৰ কথা ভবা হৈছিল।

দেৱ-দেৱীৰ মূর্তিবোৰ একেই আছিল যদিও মূর্তি ৰখাৰ ক্রমটো সলনি হৈছিল। শিৱক কেন্দ্রীয় স্থান দিয়া হৈছিল। শিৱ মন্দিৰটো নাগাৰা শৈলীত নির্মাণ কৰা হৈছিল। বিষ্ণু আৰু দেৱী মন্দিৰ দুটা নীলাচল শৈলীত নির্মাণ কৰা হৈছিল। শিৱ মন্দিৰটো আহোম শাসনকালত নির্মিত সবাতোকৈ ওখ মন্দিৰ আছিল। ইয়াৰ উচ্চতা আছিল ৪০ মিটাৰ। আন মন্দিৰ দুটাৰ দৰে এই মন্দিৰৰ বেদীও শিলেৰে নির্মিত আছিল। একেবাৰে বাহিৰৰ তৰপটোৰ নিম্ন ভাগত শিলত বিভিন্ন নক্সা খোদিত কৰা হৈছিল। মন্দিৰৰ মস্তকটোৱে বৌদ্ধ চৈত্যবোৰত থকাৰ দৰে ছত্রাৱলীৰ ৰূপ লৈছিল। শিৱসাগৰৰ মন্দিৰবোৰ প্রাচীন ৰথ শৈলীত নির্মিত মন্দিৰ পৰম্পৰাৰ পৰা পৃথক আছিল। বিকর্ণ বিন্দুবোৰত পৰম্পৰাগত ৰথ শৈলী মতে অযুগ্ম সংখ্যক অভিক্ষিপ্ততা আছিল। কিন্তু শিৱসাগৰৰ স্মৃতিসৌধবোৰত অভিক্ষিপ্ততাৰ সংখ্যা আছিল যুগ্ম। বাহিৰৰ পৰা পাছত সংলগ্ন কৰা মূর্তিবোৰে শিৱসাগৰ মন্দিৰক অধিক জনপ্রিয় কৰি তুলিছিল। পৰৱর্তী কালৰ স্থাপত্যবিদসকলে মন্দিৰ নির্মাণৰ সময়ত এই মন্দিৰকেইটাৰ বাহিৰৰ কাৰুকার্যবোৰ অনুসৰণ কৰিছিল। সেই পৰম্পৰা আজিও চলি আছে।

স্বর্গদেউ প্রমত্ত সিংহই নির্মাণ কার্যলৈ নতুনত্ব আনিছিল যদিও সেয়া গাঁথনিৰ দৃষ্টিৰে অবিজ্ঞানসন্মত বুলি প্রমাণিত হৈছিল। জখলাবন্ধাৰ (নগাঁও) ওচৰত নির্মাণ কৰা হাতীমূৰা দূর্গা মন্দিৰ এই কাৰণতে ধ্বংস হৈছিল বুলি কোৱা হয়। এই সময়ছোৱাতে স্বর্গদেউ ৰুদ্রসিংহৰ স্মৃতিত উত্তৰ গুৱাহাটীত নির্মিত ৰুদ্রেশ্বৰ শিৱ মন্দিৰটো অতি ব্যয়বহুল হোৱা বাবে স্থাপত্যৰ ভৱিষ্যৎ বিকাশত ইয়াক অনুপ্রেৰণা হিচাপে লোৱা নহ'ল।

মধ্যযুগৰ শেষৰ ফালে অসমত নির্মিত একমাত্র পঞ্চৰত্ন মন্দিৰটো হ'ল স্বর্গদেউ ৰাজেশ্বৰ সিংহই (১৭৫১-১৭৬৮) চনত নির্মাণ কৰা নেঘেৰিটিং দৌল। মন্দিৰৰ মূল ভেটিত চাৰিটা ৯০° কোণযুক্ত চাৰিটা অংশ (transept) আছে। প্রতিটোৰে একোটা বিচ্ছিন্ন শিখৰ আছে। এই উপ-গাঁথনিবোৰৰ বেদীমূল আৰু বেৰবোৰ মূল মন্দিৰৰ সম্প্রসাৰিত অংশত নির্মাণ কৰা হৈছিল। এই সময়ছোৱাৰ সবাতোকৈ উল্লেখযোগ্য স্থাপত্য কলাৰ নিদর্শন হ'ল নীলাচল পাহাৰৰ কামাখ্যা মন্দিৰৰ নাট মন্দিৰ। ৰজা ৰাজেশ্বৰ সিংহই নামনি অসমত কামাখ্যা মন্দিৰৰ নাটমন্দিৰটো মেৰামতি কৰাৰ বাহিৰে আন বহুতো মধ্যযুগৰ শিলৰ মন্দিৰ মেৰামতি কৰাৰ লগতে সর্বাধিক সংখ্যক নতুন মন্দিৰ নির্মাণ কৰিছিল।

কছাৰীসকল আছিল জড়োপাসক। সেয়েহে তেওঁলোকে নিজ উপাস্য দেৱ-দেৱীৰ স্থায়ী উপাসনা গৃহ স্থাপনৰ প্রতি সিমান আগ্রহী নাছিল। তথাপিও তাম্রেশ্বৰী মন্দিৰ (ডিব্রুগড়) কছাৰীসকলে নির্মাণ কৰিছিল বুলি ভবা হয়। কছাৰীসকলৰ স্থাপত্য কলাৰ অধিকাংশ নিদর্শন দৈয়াং উপত্যকাৰ (গোলাঘাট জিলা) কাছমাৰীৰ লগতে মাইবং (উত্তৰ কাছাৰ পার্বত্য জিলা) আৰু খাচপুৰত দেখিবলৈ পোৱা যায়। বৰাক উপত্যকা সংযোগী আন কিছুমান অঞ্চলতো কছাৰী স্থাপত্য কলাৰ অৱশেষ বিচাৰি পোৱা গৈছে। কছাৰী স্থাপত্য কলা মূলতঃ মধ্যযুগৰ কামৰূপীয়া ৰজাসকলে প্রচলিত কৰা পৰম্পৰাৰ অনুসৰণ। কাছমাৰীৰ ভগ্নাৱশেষৰ মাজত শিল আৰু ধাতুৰ ফলি, ব্রাহ্মণ্য শৈলীৰ শিলামূর্তি আৰু প্রাচীন ইটাৰ টুকুৰা পোৱা গৈছে।

মাইবঙত অধিকাংশ নির্মাণ কার্যকে অক্ষত অৱস্থাত উদ্ধাৰ কৰিব পৰা নগ'ল। অঞ্চলটোত এটা গোপন সুৰংগ থকা গড় আৰু কিছু শিল তথা পোৰামাটিৰ ভাস্কর্য বিচাৰি পোৱা গৈছে। পোৰামাটিৰ ভাস্কর্যবোৰে হিন্দু মন্দিৰৰ অস্তিত্বৰ কথা প্রমাণিত কৰে। উদ্ধাৰ হোৱা মূর্তিবোৰৰ বৈশিষ্ট্যবোৰ অধ্যয়ন কৰি গম পোৱা গৈছে যে

মূৰ্তিবোৰত পৰম্পৰাগত হিন্দু সৃজনশীলতাৰ লগতে স্থানীয় বৈশিষ্ট্যৰ সংযোগ ঘটিছে। অঞ্চলটোত ৰণচণ্ডী মন্দিৰটোৱেই অক্ষত অৱস্থাত উদ্ধাৰ হোৱা একমাত্ৰ ধৰ্মীয় ভৱন। ই এটা একক শিলাৰ দোচাল শৈলীৰ মন্দিৰ। বক্ৰৰৈখিক পানীপচা আৰু চৌচলীয়া চালসিৰাৰ (hipped ridge) পৰা মন্দিৰটোৰ নিৰ্মাণ কাৰ্যত বংগীয় কলাৰ প্ৰভাৱ পৰাৰ ইংগিত দিয়ে।

খাচপুৰ নগৰত থকা ছটা ভৱনৰ ভিতৰত চাৰিটাই হ'ল মন্দিৰ। তিনিটা মন্দিৰৰ আকাৰ সমান আৰু মন্দিৰকেইটা বংগৰ চাল শৈলীত নিৰ্মাণ কৰা হৈছে. মন্দিৰকেইটা দক্ষ শিল্পীৰ দ্বাৰা তৈয়াৰী। ভেটিৰ বন্ধুৰতা, মন্দিৰৰ আয়তাকাৰ সিংহদ্বাৰ আৰু অন্য বৈশিষ্ট্যবোৰৰ পৰা তেওঁলোকৰ নৈপুণ্যৰ পৰিচয় পোৱা যায়। চতুৰ্থ ভৱনটো হ'ল এটা স্নান মন্দিৰ। এই মন্দিৰটোৰ নিৰ্মাণ শৈলীত ইছলামীয় প্ৰভাৱ সুস্পষ্ট। মন্দিৰটোত এটা জলভাণ্ডাৰৰ চৌপাশ ঘেৰি এটা সৰু মণ্ডপ নিৰ্মাণ কৰা হৈছিল। দেৱ-দেৱীৰ মূৰ্তি ধোৱা-পখলাৰ বাবে এই মন্দিৰ ব্যৱহাৰ কৰা হৈছিল বুলি অনুমান কৰা হয়। ভেটি বেছি ওখ নহয়। মন্দিৰৰ চাৰিওখন বেৰতে চাৰিখন দুৱাৰ কটা আছে। মন্দিৰৰ বাহৰত কাৰ্ণিচ কটা আৰু শীৰ্ষত গম্বুজ আছে।

এই সময়ছোৱাৰ আন দুটা স্থাপত্য হ'ল সোণাইৰ ওচৰৰ চিনটিল্লাত থকা শিৱ মন্দিৰ আৰু নন্দী মন্দিৰ। এইখিনিতে এটা কথা উল্লেখ কৰা ভাল হ'ব যে এই মন্দিৰকেইটা কছাৰীসকলে এটা নতুন স্থাপত্য শৈলী বিকাশৰ বাবে চলোৱা প্ৰচেষ্টাৰ ফল। কাৰণ ইয়াৰ নিৰ্মাণ শৈলী মাইবং আৰু খাচপুৰৰ লগতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ আন কোনো স্থাপত্যৰ লগতে নিমিলে। নন্দী মন্দিৰটোৰ আকাৰ সৰু; দেখাত সাধাৰণ। শিৱ মন্দিৰটো এখন বৰ্গাকাৰ মঞ্চৰ ওপৰত নিৰ্মিত। বেৰবোৰত দীঘলীয়া দেৱকোষ্ঠ আছে। বাহিৰৰ আয়তাকৃতিৰ খাঁজবোৰৰ ভিতৰত অৰ্ধবৃত্তাকাৰ শীৰ্ষ থকা সৰু সৰু দেৱকোষ্ঠ আছে।

দুৰ্ভাগ্যজনকভাৱে কছাৰীসকলে উৎকৃষ্ট মানৰ স্থাপত্য কলাৰে নিৰ্মিত কোনো উল্লেখনীয় ভৱন নিৰ্মাণ কৰি থৈ যাব নোৱাৰিলে। কিন্তু কছাৰী শাসন কালত নিৰ্মিত আৰু পৰৱৰ্তী সময়ত উদ্ধাৰ হোৱা মন্দিৰবোৰে অসমত মধ্যযুগৰ শেষৰ ফালৰ স্থাপত্য কলাৰ নিদৰ্শন দাঙি ধৰা গোটবোৰৰ ভিতৰত দ্বিতীয় স্থানত আছে।

মধ্যযুগৰ শেষৰ ফালৰ কিছুমান ধৰ্মীয় উদ্দেশ্যেৰে ব্যৱহৃত ভৱন নিৰ্মাণৰ কৃতিত্ব অজ্ঞাত ৰাজবংশৰ ৰজা নাইবা কোনো বিশেষ নিৰ্মাণকাৰী নাইবা কোনো ৰাজবংশক দিয়া হয়। বেলশৰৰ বিল্বেশ্বৰ মন্দিৰটো (নলবাৰী) নাগাক্ষ নামৰ ৰজা এগৰাকীয়ে নিৰ্মাণ কৰিছিল বুলি কোৱা হয়। নিৰ্মাণৰ সময়ত শিৱসাগৰৰ স্মৃতি সৌধবোৰৰ আৰ্হিত সংশোধন কৰি লোৱা ৰথ শৈলী প্ৰয়োগ কৰা হৈছিল। মন্দিৰৰ দেৱকোষ্ঠৰ নিৰ্মাণত চুলতানসকলৰ যুগৰ ইছলামীয় স্থাপত্য কলাৰ প্ৰভাৱ পৰিছে। মন্দিৰটোৰ দেৱকোষ্ঠবোৰ অস্বাভাৱিক অনুপাতত নিৰ্মিত আৰু ইয়াত আদিতে ডাঙৰ পোৰামাটিৰ অথবা শিলৰ মূৰ্তি ৰখা হৈছিল। শিখৰতচাৰিখন ৰথৰ ওপৰত চুকনাচাচৰ (Sukanasas) ৰূপত চাৰিটা ডাঙৰ দেৱকোষ্ঠ আছে।

শোণিতপুৰত থকা বাসুদেৱ মন্দিৰটো পঞ্চৰত্ন পদ্ধতিত নিৰ্মাণ কৰা এটা নাগাৰা মন্দিৰ। ইয়াৰ নিৰ্মাণ শৈলীত আহোমসকলৰ প্ৰভাৱ সুস্পষ্ট। ইয়াৰ অংগশিখৰ, ট্ৰয়ংগবড (tryangabada) আৰু মস্তকৰ আকৃতিয়ে স্থাপত্য কলাৰ এটা উন্নতৰ পৰ্যায়ৰ ইংগিত দিয়ে। লখিমপুৰৰ মেঘনোৱা মন্দিৰটো নীলাচল শৈলীৰে নিৰ্মিত যদিও ইয়াৰ বড (bada) আৰু শিখৰ আঠচুকীয়া। গৰখীয়া দৌলৰ সৈতে ইয়াৰ সাদৃশ্য আছে যদিও মেঘনোৱা মন্দিৰ অধিক দক্ষতাৰে নিৰ্মাণ কৰা হৈছিল। ঘাগুৱা দৌল আন এটা আঠচুকীয়া পদ্ধতিৰে নিৰ্মাণ কৰা মন্দিৰ । কিন্তু এই মন্দিৰ নিৰ্মাণত শিল্পীয়ে দক্ষতাৰ পৰিচয় দিব পৰা নাই।

মন্দিৰবোৰৰ উপৰি অসমৰ বিভিন্ন অঞ্চলত শিল থিয় কৰাই সজা স্মৃতিসৌধ আৰু বৃহৎ আকাৰৰ একক শিলেৰে তৈয়াৰী নানা স্থাপত্য উদ্ধাৰ হৈছে। কার্বি আংলঙৰ বৰমাৰিয়ঙত উদ্ধাৰ হোৱা শিলাখণ্ড টুকুৰাৰ আকাৰ যথেষ্ট ডাঙৰ। ইয়াৰ বৈশিষ্ট্যৰ পৰা শিলাখণ্ড স্থাপত্যৰ মসৃণতাৰ দিশে ঘটা পৰিবর্তনৰ আভাস পোৱা যায়।

কাছমাৰীত দুই ধৰণৰ বৃহৎ শিলাখণ্ড উদ্ধাৰ হৈছে। ইয়াৰে এবিধ চেছ্‌মেন (Chessman) প্রকৃতিৰ। ইয়াত এডাল যাঠি আৰু গোটেই শিলাখণ্ডতে লাওখোলা (hemispherical head) খোদাই কৰা আছে। আনবিধ শিলাখণ্ড হ'ল প্রকাণ্ড ফলি আকৃতিৰ। ইয়াত তৰোৱালৰ দৰে আকৃতি খোদাই কৰা আছে। দুয়ো ধৰণৰ শিলাখণ্ডতে শব্দ, লিখিত বার্তা (Scroll) আৰু অন্য জ্যামিতিক নক্সা কটা আছে। প্রাক্‌ঐতিহাসিক যুগৰ শিলাখণ্ডত খোদাই কৰা সৰল সংস্কৃতিটো (megalithic culture) অসমৰ দূর্গম পার্বত্য এলেকাবোৰত এতিয়াও অব্যাহত আছে বুলি গম পোৱা গৈছে।

মধ্যযুগৰ শেষৰ ফালে নির্মিত অধিকাংশ স্থাপত্যতে ইছলামীয় প্রভাৱ দেখা যায়। ইটাৰে গঠা ডিমাপুৰৰ তোৰণখনৰ কথা ইয়াতে উল্লেখ কৰিব পাৰি। তোৰণৰ ভাঁজবোৰ তীব্র, বেষ্টন আঠুকীয়া, চাল ভাঁজ থকা, পানীপচাৰ ওপৰত খাঁজ কটা প্রাচীৰ আছে। এই তোৰণখন হ'ল উত্তৰ-পূব ভাৰতৰ স্থাপত্যত ইছলামীয় প্রভাৱ পৰাৰ আৰম্ভণি সময়ৰ নিদর্শন। একে দৰে কাৰেংঘৰ আৰু তলাতল ঘৰৰ নির্মাণ শৈলীতো ইছলামীয় সংস্কৃতিৰ বৈশিষ্ট্য পৰিলক্ষিত হয়।

হিন্দু মন্দিৰবোৰৰ নির্মাণতো ইছলামীয় শৈলীৰ প্রভাৱ দেখা যায়। ঘনশ্যাম দৌলৰ...ত (cella) মছজিদত প্রায়েই দেখা পোৱা মিহ্‌ৰাব (mihrub) আছে। ৰংপুৰৰ ৰংগনাথ মন্দিৰত দেৱকোষ্ঠৰ অনুপস্থিতিয়ে মন্দিৰটোৰ নির্মাণ কার্যত ইছলামীয় শৈলীৰ প্রভাৱৰ কথাকে বুজায়।

এইখিনিতে ফাকুৱা দৌল আৰু স্নান মন্দিৰৰ কথাও উল্লেখ কৰিব পাৰি। গম্বুজ, দুৱাৰৰ আকৃতি, ফাকুৱা দৌলৰ ভাঁজবোৰ, এঢলীয়া কার্ণিচ, পিয়াজঁৰ আকৃতিৰ শিখৰত এটা ঢোল আদি বৈশিষ্ট্যই ইছলামীয় প্রভাৱৰ কথাকে সূচায়। সম্পূর্ণ ইছলামীয় শৈলীৰে অসমত বহুতো মছজিদ, ঈদগাহ, মাঝাৰ আৰু অন্য অনা-ধর্মীয় ভৱন আদি নির্মাণ কৰা হৈছে। এনে দুটামান সমাধি আৰু সমাধি সংলগ্ন উপাংশ হ'ল আজান ফকীৰ আৰু তেওঁৰ সমসাময়িক চাৰিগৰাকী পীৰৰ সমাধিস্থল, পোৱা মক্কাত (কামৰূপ) থকা গিয়াচুদ্দিন আউলিয়াৰ মাঝাৰ আৰু মানকাচাৰৰ (ধুবুৰী) মিৰ জুমলাৰ মাঝাৰ। প্রাচীন অসমত নির্মিত অক্ষত অৱস্থাত উদ্ধাৰ হোৱা একমাত্র ইছলামীয় স্থাপত্যটো হ'ল ধুবুৰীৰ পানবাৰী মছজিদ। মছজিদটো ইটাৰে নির্মিত। ইয়াৰ ভেটি আয়তাকাৰ। প্রাচীৰবোৰ সমান, ভৱনটোৰ সন্মুখভাগত বেৰৰ অংশস্বৰূপ স্তম্ভ (Pilasters) আৰু আনুভূমিক পটি আছে। বেৰৰ ওপৰ অংশ খাঁজ কটা বার্ণিচেৰে সুন্দৰকৈ সজোৱা হৈছে। দুৱাৰবোৰত তীক্ষাগ্র তোৰণ আছে। চালত তিনিটা অর্ধগোলাকাৰ গম্বুজ আছে আৰু প্রতিটোৰে শীর্ষত একোটা সমানুপাতিক মস্তক আছে। জোখ-মাখ আৰু অনুপাতৰ দিশৰ পৰা পানবাৰী মছাবাৰী মছজিদ স্থাপত্য কলাৰ অপূর্ব নিদর্শন। দীর্ঘদিন ধৰি মছজিদটো অক্ষত হৈ ৰোৱা কথাটোৰ পৰাও ইয়াৰ নির্মাণ যে কোনো সুদক্ষ শিল্পীয়ে কৰিছিল সেয়া গম পোৱা যায়।

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়ক-

প্রশ্ন নং ৫ ঃ অসমত আৰম্ভণিতে কোনটো ৰাজবংশই স্থাপত্য কলাৰ বিকাশৰ পৃষ্ঠপোষকতা কৰিছিল?

.....

প্ৰশ্ন নং ৬ ঃ হেৰালি-ঘৰ কোনগৰাকী আহোম শাসকৰ নিৰ্দেশ মৰ্মে নিৰ্মাণ কৰা হৈছিল?

.....

প্ৰশ্ন নং ৭ ঃ ৰুদ্ৰ সিংহই কোচ বিহাৰৰ পৰা মগাই অনা বুলি ভবা শিল্পীগৰাকীৰ নাম কি?

.....

প্ৰশ্ন নং ৮ ঃ ৰাজহুৱা ব্যৱহাৰৰ বাবে সম্পাদন কৰা কাৰ্যবোৰৰ প্ৰণালীবদ্ধ খতিয়ান দাঙি ধৰা পুথিখনৰ নাম কি?

.....

প্ৰশ্ন নং ৯ ঃ দৌল মানে কি?

.....

প্ৰশ্ন নং ১০ ঃ অসমৰ একমাত্ৰ পঞ্চৰত্ন মন্দিৰটোৰ নাম কি?

.....

১০.৫ চিত্ৰকলা

প্ৰাগজ্যোতিষৰ চিত্ৰকলা সম্পৰ্কে উল্লেখ থকা সবাতোকৈ পুৰণি গ্ৰন্থ দুখন হ'ল হৰিবংশ (Harivamsa) আৰু দ্বাৰিকা-লীলা (Dwarika-lila)। চিত্ৰ, ছবি আৰু প্ৰতিমা নামেৰে চিত্ৰকলাৰ বিষয়ে উল্লেখ কৰা হৈছিল শোণিতপুৰৰ বাণ ৰজাৰ জীয়াৰী ঊষাৰ সখীয়েক চিত্ৰলেখা এগৰাকী শিল্পী আছিল বুলি কোৱা হয়। সপ্তদশ শতিকাৰ মাজ ভাগত প্ৰাচীন সত্ৰীয়া চিত্ৰকলাৰ বিষয়ে গম পোৱা গৈছিল। হৰ্ষচৰিতত কামৰূপৰ ৰজা ভাস্কৰবৰ্মনে বন্ধু হৰ্ষবৰ্দ্ধনলৈ ৰং-তুলিকা আৰু অন্য সা-সামগ্ৰী আদি উপহাৰ দিয়াৰ কথা লিখা আছে আৰু ইয়াৰ পৰা অসমত প্ৰাচীন কালতো চিত্ৰকলা চৰ্চাৰ কথা গম পোৱা যায়। এই উপহাৰবোৰৰ ভিতৰত 'ছবি আঁকিবৰ বাবে নক্সা কটা চৌকাঠ থকা বাকচ, তুলিকা আৰু গোৰ্ডচ (gourds') তথা সোণালী ৰং কৰা সঁজা ' আছিল। ইয়াৰ উপৰি উপহাৰ সামগ্ৰীবোৰৰ ভিতৰত কেইখনমান ৰঙীন হাতেলিখা পুথি আৰু সাঁচি, অগৰু গছৰ বাকলিৰে তৈয়াৰী গুলপীয়া ৰঙৰ উৎকৃষ্ট মানৰ কাগজ এজাপো আছিল।

ভাস্কৰবৰ্মনৰ নিধনপুৰ দানপত্ৰৰ পৰা গম পোৱা যায় যে কৰতলীয়া ৰজাবোৰে নিজ নিজ প্ৰাসাদৰ বেৰত তেওঁৰ ছবি আঁৰি থ'ব লাগিছিল। একেদৰে ৰজাৰ উত্তৰবিল তাম্ৰপত্ৰৰ পৰা গম পোৱা যায় যে ৰজা বলবৰ্মনৰ ৰাজপ্ৰাসাদৰ বেৰত ছবি অঁৰা আছিল। দ- পৰ্বতীয়াৰ ভাস্কৰ্য আৰু বৰ্মন বংশৰ তাম্ৰ দানপত্ৰত অংকিত হাতীৰ ছবিৰ পৰা অতীজৰ অসমৰ চিত্ৰকলাৰ প্ৰকৃতি সম্পৰ্কে আভাস পোৱা যায়। মধ্যযুগৰ অসমত নৱ-বৈষ্ণৱবাদৰ প্ৰসাৰৰ লগে লগে চিত্ৰকলাৰ সোণালী যুগ আৰম্ভ হৈছিল। শ্ৰীশংকৰদেৱে তুলাপাতত (স্থানীয়ভাৱে তৈয়াৰী বিশেষ কাগজ) সাতখন বৈকুণ্ঠৰ (স্বৰ্গ) ছবি অংকন কৰাৰ কথাও গম পোৱা যায়।

এইখিনিতে উল্লেখ কৰি থোৱা ভাল হ'ব যে অসমত 'পটুৱা' নামৰ একশ্ৰেণী বৃত্তিজীৱী চিত্ৰকৰৰ অস্তিত্ব থকাৰ কথা গম পোৱা গৈছে। তেওঁলোকে ছবি আঁকাৰ বিশেষ পদ্ধতি অৱলম্বন কৰিছিল। প্ৰাচীন অসমীয়া সাহিত্যত চিত্ৰকৰ, পট অথবা চিত্ৰপট আৰু চিত্ৰ-পুতলা অথবা চিত্ৰ পুতলিৰ দৰে শব্দৰ ব্যৱহাৰলৈ চাই সাধাৰণ লোকৰ চিত্ৰকলা সম্পৰ্কে যে জ্ঞান আছিল সেয়া গম পোৱা যায়। কামৰূপীয়া দোৱানত বৃত্তিজীৱী গায়ক আৰু নৰ্তক সম্প্ৰদায়ৰ সৈতে চিত্ৰকলাৰ সম্পৰ্কৰ কথা উল্লেখ আছে।

মধ্যযুগত পাণ্ডুলিপি লেখন পৰম্পৰায়ো চিত্রকলাক জনপ্রিয় কৰি তুলিছিল। এনে চিত্রবোৰত ভাৰতৰ অন্য প্রান্তৰ বিভিন্ন চিত্রশৈলীৰ প্রকাশ ঘটাৰ উপৰি বিশেষভাৱে অসমীয়া সংস্কৃতিৰ প্রভাৱ পৰিলক্ষিত হয়। এই চিত্রবোৰত থলুৱা লোকক কলাৰ বৈশিষ্ট্য দেখা পোৱা যায়। হস্তীবিদ্যার্ণৱ পাণ্ডুলিপিত থলুৱা লোক উপাদানৰ সৈতে হিন্দু-মোগল শৈলীৰ চিত্রৰ মিশ্রণ দেখা যায়। পাণ্ডুলিপি চিত্রবোৰত পোৱা মাটি আৰু বৃক্ষমজ্জাৰ (pith) পৰা নির্মিত পুতলাৰ কিছু বৈশিষ্ট্যও প্রয়োগ কৰা হৈছিল বুলি ভবা যায়।

অসমীয়া পাণ্ডুলিপিবোৰ অগৰু গছৰ ছালৰ পৰা তৈয়াৰী সাঁচিপাত, থলুৱাভাৱে তৈয়াৰী তুলাপাত নাইবা তালগছৰ পাতত (কোণ /কোনাপাত) লিখা হৈছিল। বিষয়বস্তু অনুসৰি বিভিন্ন ভাগত বিভিন্ন ধৰণৰ চিত্র অংকিত হৈছিল। অসমীয়া পাণ্ডুলিপিৰ চিত্রাংকন হ'ল অভিজাত ক লা (elite art), বুর্জোৱা কলা (bourgeois art) অথবা ৰাজদৰবাৰ কলাৰ (court art) উদাহৰণ। এই চিত্রবোৰ সূক্ষ্ম নৈপুণ্যৰ বাবে এইবোৰক লোক চিত্রকলা বুলি অভিহিত কৰাতো কঠিন। দুখনমান চিত্র সম্বলিত পাণ্ডুলিপিৰ নাম হ'ল চিত্র ভাগৱত (১৫৩৯ খৃঃ), লৱ-কুশৰ যুদ্ধ, গীত-গোবিন্দ, আনন্দ- লহৰী ইত্যাদি। এই পাণ্ডুলিপিবোৰত সন্নিৱিষ্ট চিত্রবোৰ বৌদ্ধ, পাল, ৰাজস্থানী আৰু মোগল চিত্রশৈলীৰ দ্বাৰা গভীৰভাৱে প্রভাৱিত হৈছিল। তীর্থ-কৌমুদ আৰু অনাদি-পাতনৰ দৰে দুখমান অসমীয়া পাণ্ডুলিপিৰ চিত্রক 'অনা-অভিজাত' অথবা 'লোক কলা'ৰ দ্বাৰা প্রভাৱিত বুলি কোৱা হৈছিল।

ৰজতানন্দ দাসগুপ্তৰ মতে পাণ্ডুলিপি চিত্রাংকনৰ পাঁচটা বিভিন্ন শৈলী আছে। শৈলীকেইটা হ'ল- তাই-আহোম শৈলী, সত্রীয়া শৈলী, দৰঙীয়া শৈলী, গড়গওঁগা শৈলী আৰু গড়গওঁগা শৈলীৰ সৈতে সাদৃশ্য থকা শৈলী।

তাই-আহোম চিত্রকলা বিদ্যালয়ৰ শৈলী আৰু কৌশলৰ দিশেৰে বর্মীয় পৰম্পৰাৰ সৈতে মিল আছে। সেয়েহে অসমীয়া বৈষ্ণৱ শোভাবর্দ্ধনকাৰী ভাস্কর্যবোৰত থকা সিংহ, ময়ুৰ আৰু গুৰু আসনবোৰত বর্মীয় পৰম্পৰাৰ প্রভাৱ সুস্পষ্ট। বৌদ্ধধর্মাৱলম্বী তাই সম্প্রদায়বোৰৰ পৰম্পৰাগত পাণ্ডুলিপিবোৰত বিভিন্ন ধৰণৰ চিত্রযুক্ত ব্যাখ্যা আৰু চিত্র সন্নিৱিষ্ট আছে। এই চিত্রবোৰত আত্মাৰ দশা আৰু জাতকৰ কাহিনীৰ বর্ণনা কৰা হৈছে। বর্মীয় বৌদ্ধ সম্প্রদায়বোৰৰ ধর্মীয় বিশ্বাস আৰু ৰীতি-নীতিৰ প্রভাৱ এই চিত্রবোৰত স্পষ্ট। তাই- আহোম চিত্রকলা শৈলীত অংকিত দুখনমান গুৰুত্বপূর্ণ চিত্র হ'ল- সুকতন্ত ক্যামপোং, ফুং ছিন, ফে-লুং আৰু কাৱিট ৰজা। পাণ্ডুলিপিৰ লেফাফাটোৰ (folio) মার্জিনত (margin) অথবা সোঁমাজত প্রায়েই জ্যামিতিক নাইবা ফুলৰ নক্সা দেখা গৈছিল। এনে নক্সাবোৰৰ সহজে পুনৰাবৃত্তি হোৱা দেখা নগৈছিল। এনে নক্সাবোৰৰ কথা বুজাবলৈ 'লতা-কটা' সংজ্ঞাটো ব্যৱহাৰ কৰা হৈছিল।

থাই সম্প্রদায়ৰ দৰে তাই-আহোম সম্প্রদায়তো যৌতুক হিচাপে চিত্রৰ জনপ্রিয়তা আৰু মর্যাদা আছিল। শ্বান চিত্রশৈলী মূলতঃ হ'ল এক ধর্মীয় কলা। সেয়েহে ইয়াৰ স্বৰূপ আছিল ৰক্ষণশীল। তাই-আহোম শৈলীৰ চিত্রকলাৰ প্রাচীন নির্দশন হ'ল সুকতন্ত ক্যেমপোং পাণ্ডুলিপি আৰু ১৪৩৭ খৃঃত ৰচিত ফুং ছিন পাণ্ডুলিপি। এই পাণ্ডুলিপিবোৰৰ ভাষা আৰু ৰচনাশৈলী সত্রীয়া চিত্রকলা বিদ্যালয়তকৈ পৃথক। ফুংছিন পাণ্ডুলিপিত স্বর্গ আৰু নৰকৰ আহোম ধাৰণা বর্ণনা কৰা হৈছে। ইয়াত যোল্লখন স্বর্গ আৰু যোল্লখন নৰকৰ উল্লেখ আছে। এই পাণ্ডুলিপিত লিপিবদ্ধ আছে যে কোনো নাৰী আত্মাৰ সবোর্চ্চ স্বর্গপ্রাপ্তি নঘটে।

কিন্তু পাণ্ডুলিপিৰ ব্যাখ্যা সম্বলিত চিত্রবোৰক সঠিক অর্থত চিত্র বুলিবনোৱাৰি। কেতিয়াবা ক'লা আৰু কেতিয়াবা অন্য ৰং বোলোৱা এইবোৰ হ'ল দৰাচলতে ৰেখাচিত্রহে। কাচিৎ কেতিয়াবা এনে পাণ্ডুলিপিত সোণালী ৰং (খাম) বোলোৱা হৈছিল। ইয়াৰ দুটা উদাহৰণ হ'ল মহাপৰিনির্বাণৰ লেখনিৰ মাজত আঁকা বুদ্ধৰ হৃদয়ৰ চিত্রত

খাম বোলোৱা হৈছিল আৰু বৌদ্ধ ধর্মৰ পবিত্র বুদ্ধগয়া বুজাবলৈ আঁকা পৰম্পৰাগত মণ্ডলটোত খামৰ বোল দেখা যায়।

মানৱ আৰু অর্দ্ধ-স্বর্গীয় সত্তাবোৰক ছবিত নৰ ৰূপত কল্পনা কৰা হৈছিল। ব্যাখ্যামূলক ছবিৰ বাবে কোনো প্রাকৃতিক পৰিবেশক পটভূমি হিচাপে লোৱা হোৱা নাছিল। আহোম শৈলীৰ চিত্রকলাত প্রাক্-শ্বান অধার্মিক (pagan) শৈলীৰ প্রভাৱো দেখা যায়। শ্বান ৰাজ্য আৰু অসমৰ মাজত হোৱা সাংস্কৃতিক বিনিময় ইয়াৰ কাৰণ হ'ব পাৰে। সেই সময়ত শ্বান সংস্কৃতি অধার্মিক উপাদান আৰু অন্য উন্নত সংস্কৃতিৰ উপাদানৰ দ্বাৰা প্রভাৱিত । বৌদ্ধ ভিক্ষুসকলে এনে সাংস্কৃতিক বিনিময়ত গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল।

সুকতন্ত ক্যেমপোং হ'ল থেৰাবাদী বৌদ্ধধর্মৰ অন্তর্গত লোকধর্মৰ ওপৰত ৰচিত শাস্ত্র। ভাষা আৰু লিপি হ'ল ক্রমে তাই ফাকে আৰু আহোম। খাম্তি বৌদ্ধগুৰু অথবা বাপুসকলে শ্বান শৈলীৰ চিত্রকলাৰ চর্চা অব্যাহত ৰাখিছিল। শ্বান চিত্রকলা বিদ্যালয়ৰ বৈশিষ্ট্য হ'ল প্রায় ছশ বছৰ ধৰি চর্চা অব্যাহত থকা ই হ'ল একমাত্র অসমীয়া চিত্রকলা বিদ্যালয়।

খনিকৰসকল আছিল দক্ষ শিল্পী তথা কলা-কুশলীৰ সম্প্রদায়। তেওঁলোক কাঠত খোদাই কৰাত, মুখা তৈয়াৰ কৰাত, ছবি আঁকাত আৰু মঞ্চনাটৰ অভিনেতাৰ ৰূপসজ্জা আদি কৰাত, মঞ্চসজ্জাত, মূর্তি তৈয়াৰ কৰা আদি কামত পটু আছিল। তেওঁলোকে মূলতঃ নৱ-বৈষ্ণৱ আন্দোলনৰ পৰা অনুপ্রেৰণা লাভ কৰিছিল।

চিত্র সত্র সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। সত্রৰ বেৰ, ঠগী, খেল-নাও, দোলা, কাঠৰ আসন আৰু সিংহাসন তথা আন স্থানত চিত্রৰ প্রাধান্য দেখা যায়। আসন আৰু সিংহাসনৰ ছবিবোৰ অধিক কাৰুকার্য খচিত আৰু সৃষ্টিশীল আছিল। অ-বৈষ্ণৱ মঠ-মন্দিৰৰ বাবে খনিকৰসকলে সাধাৰণ চিত্রও অংকন কৰিছিল। তেওঁলোকৰ সৃষ্টিশীলতা কেৱল বৈষ্ণৱ উপাসনা গৃহৰ চিত্র অংকনতে সীমাবদ্ধ নাছিল। বিভিন্ন বাদ্যযন্ত্র আৰু বোৰা-কটা সঁজুলিৰ দৰে নানা ঘৰুৱা আচ-বাব পত্রতো তেওঁলোকৰ সৃষ্টিশীলতাৰ নিদর্শন দেখা পোৱা যায়। দাসগুপ্তৰ মতে খনিকৰ শৈলীৰ সত্রীয়া চিত্রকলা শৈলীৰ সৈতে মিল আছে। খনিকৰসকলৰ ছবিৰ বাবে ৰং-বর্ণ মিশ্রিত কৰাৰ কৌশল ইয়াৰ দীর্ঘস্থায়িত্ব আৰু দীর্ঘদিন সজীৱ হৈ থকা বৈশিষ্ট্যৰ বাবে জনাজাত আছিল।

বহু সংখ্যক চিত্রৰে বিষয়বস্তু আছিল বৈষ্ণৱ সমাজে মানি লোৱা বিষ্ণুৰ অৱতাৰবোৰ, ভাগৱত পুৰাণৰ বিভিন্ন চৰিত্র আৰু ধর্ম । তাই আহোম শৈলীৰ চিত্রকলাৰ নমুনা এটা অসম ৰাজ্যিক সংগ্রহালয়ত দেখা পোৱা যায়। নমুনাটো হ'ল আনুমানিক ১৭৬২ খৃঃত অংকিত ভাগৱত গ্রন্থৰ তৃতীয় স্কন্ধ। চিত্রখন তাই আহোম চিত্রকলাৰ সকলোবোৰ বৈশিষ্ট্য দেখা পোৱা যায়। ইয়াৰ উপৰি চিত্রকৰে দৰঙীয়া শৈলীৰ কিছুমান বৈশিষ্ট্যও চিত্রখনত সন্নিৱিষ্ট কৰিছে। উজনি অসম আৰু উজনি বার্মাৰ বৌদ্ধ ধর্মাৱলম্বীসকলৰ মাজত থকা ঘনিষ্ঠ সম্পর্কৰ বাবে পাণ্ডুলিপি লিখন আৰু ব্যাখ্যাচিত্র অংকনত বর্মীয় শৈলী নকল কৰা হৈছিল।

পাণ্ডুলিপি লিখিবলৈ অগৰু, সাঁচি গছৰ বাকলিৰে বিশেষ কাগজ তৈয়াৰ কৰি লোৱা হৈছিল। ইয়াক সাঁচিপাত বোলা হৈছিল। লিখা আৰু ছবি আঁকাৰ বাবে ব্যৱহাৰ কৰা আন এবিধ বিশেষ কাগজ আছিল তুলাপাত। কপাহ কৃত্রিম উপায়েৰে ডাঠ কৰি তুলাপাত প্রস্তুত কৰা হৈছিল। তুলাপাত তৈয়াৰ কৰা প্রথাটো অসমৰ লোকে উদ্ভাৱন কৰা থলুৱা প্রথা আছিল। একেদৰে অসমত তাল গছ নথকা সত্বেও তালপাতত পাণ্ডুলিপি লিখা প্রথাটোও প্রচলিত আছিল। পাণ্ডুলিপি আৰু ৰেছমৰ (পাট আৰু মুগা) নুৰা একেলগে সী কাগজৰ জাপ তৈয়াৰ কৰি লোৱা হৈছিল। খাৰগৰীয়া দাবাত থকা বৌদ্ধমঠত মুগা কাপোৰত তৈয়াৰী পাণ্ডুলিপি সংৰক্ষণ কৰি থোৱা আছে। গ্রন্থত

উল্লেখ থকা বিভিন্ন কাহিনী, বৈষ্ণৱ সন্তসকল ইত্যাদি।

পৰৱৰ্তী সময়ত সত্ৰ অনুষ্ঠানৰ চিত্ৰকলালৈ বহুতো পৰিৱৰ্তন আহিল। নতুন চিত্ৰকৰে নতুন শৈলী, কৌশল, ৰং মিশ্ৰণৰ ভিন্নতা আদিৰ প্ৰয়োগ কৰাৰ ফলত সত্ৰীয় ছবিবোৰত ন ৰূপ ফুটি উঠিল।

প্ৰাচীন কালৰে পৰা চৰ্চা অব্যাহত থকা আন এবিধ চিত্ৰকলা কৌশল হ'ল কুঁহিলাৰে (pith) তৈয়াৰী চিত্ৰ। শোলা গছৰ (sola) সজ্জাক এনে চিত্ৰ তৈয়াৰ কৰিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। গছবিধৰ থলুৱা নাম হ'ল শ্বোলা (Sohola), বট্‌লা (batla) অথবা কুঁহিলা (kuhila)। ভেৰিয়াৰ এলৱিনৰ (Verrier Elwin) মতে বৃক্ষসজ্জাৰে ছবি আঁকা প্ৰথাটো উত্তৰ-পূৱ ভা�ৰততে আৰম্ভ হৈছিল। এই অঞ্চলত নল-খাগৰি (reeds) প্ৰচুৰ পৰিমাণে গজিছিল আৰু স্থানীয় মানুহখিনি থলুৱা সম্পদ ব্যৱহাৰত পাকৈত আছিল।

কুঁহিলা কোমল, আঁহযুক্ত আৰু থুনুকা। খাগৰিৰ সম্পূৰ্ণ দৈর্ঘ সামৰি অৱয়বৰ অংশবোৰ কাটি লোৱা হয়, তাৰ পাছত আটাইবোৰ অংশ জোৰা লগাই এটা পূৰ্ণ অৱয়বৰ ৰূপ দিয়া হৈছিল।

কুঁহিলা শিল্পীসকলক মালী, মালেয়া অথবা ফুলমালী বোলা হৈছিল। তেওঁলোকে পুতলা, মুকুট, মূৰ্তি আদিৰ দৰে বিভিন্ন সামগ্ৰী তৈয়াৰ কৰিছিল আৰু সেইবোৰত উজ্বল ৰং বোলাই দেখাত ধুনীয়া কৰি তুলিছিল। তেওঁলোকে বৃক্ষসজ্জাৰ পাতৰ সমান পৃষ্ঠত বিভিন্ন প্ৰতিমূৰ্তি থ কা স্বতন্ত্ৰ ছবিও অংকন কৰিছিল। বিভিন্ন কৌশলেৰে প্ৰস্তুত কৰি উলিওৱা এনে সামগ্ৰীবোৰৰ পৰা মালীসকলৰ সংবেদনশীল সৃষ্টিশীলতাৰ পৰিচয় পোৱা গৈছিল।

কুঁহিলাৰ সামগ্ৰী তৈয়াৰ কৰাৰ পৰম্পৰা অসমৰ দুটা নিৰ্দিষ্ট মণ্ডলতহে প্ৰচলিত আছিল- পূৱ মণ্ডল (ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ পুৰণি গোৱালপাৰা আৰু কামৰূপ জিলাক সামৰি তথা ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ কেইটামান নিৰ্দিষ্ট অঞ্চল) আৰু পশ্চিম মণ্ডল (ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ পুৰণি গোৱালপাৰা জিলা)।

যিবোৰ অঞ্চলত কুঁহিলাৰ সামগ্ৰী তৈয়াৰ হৈছিল সেই অঞ্চলবোৰত প্ৰচলিত লোকবিশ্বাসৰ সৈতে এই সামগ্ৰীবোৰৰ সম্পৰ্ক আছিল। পশ্চিম মণ্ডলত যথেষ্ট সংখ্যক স্থানীয় দেৱ-দেৱীৰ মূৰ্তি পোৱা গৈছে। কিন্তু কুঁহিলা কলাৰ সবাতোকৈ ঘনিষ্ঠ সম্পৰ্ক আছে সৰ্পৰ দেৱী মনসাৰ সৈতে। মনসাক স্থানীয়ভাৱে পদ্মা অথবা পদ্দা, বিষহৰি, বাৰমণি আৰু আন কেইবাটাও নামেৰে জনা যায়। মনসা পূজা নামনি অসমৰ এটা গুৰুত্বপূৰ্ণ লোক উৎসৱ। মনসা পূজাৰ ৰীতি-নীতিবোৰ সম্পন্ন কৰিবলৈ সাজু (মঞ্জুষ, মদিষা আৰু টেপাৰী নামেৰেও জনা যায়) নামৰ উপাসনা থলী (Votive structure) সদৃশ ঘৰ এটা লাগে। এই ঘৰত আঁকা ছবিবোৰ মনসা উপাসক গোষ্ঠীৰ বিশ্বাস আৰু জনপ্ৰিয় কিংবদন্তিৰ আধাৰত আঁকা । পশ্চিম মণ্ডলৰ শিল্পীসকলে 'পট' নামেৰে নিজৰ শিল্পকৰ্ম প্ৰস্তুত কৰিছিল। যেনে- বিষহৰি পটবোৰৰ মনসা উপাসক গোষ্ঠীৰ সৈতে সম্পৰ্ক আছিল। মনসা দেৱীৰ এটা জনপ্ৰিয় নাম হ'ল বিষহৰি। মনসা উপাসক গোষ্ঠীৰ সৈতে সম্পৰ্ক নথকা পট কিছুমানো আঁকা হৈছিল।

কুঁহিলা চিত্ৰশিল্পৰ বৈশিষ্ট্যবোৰ হ'ল-

- বৃক্ষসজ্জাৰে তৈয়াৰী পৃষ্ঠবোৰ তিনিকোণীয়া।
- আঁকা হাতখনৰ পটুতাৰ ওপৰত এনে চিত্ৰৰ সৌন্দৰ্য নিৰ্ভৰশীল। সেয়েহে প্ৰথমে চিত্ৰখনৰ ৰূপৰেখা বা বহিঃ ৰেখা আঁকি লোৱা হয় আৰু কেতিয়াবা ৰং বোলোৱা পৃষ্ঠত দুডালমান ৰেকা অংকন কৰা হয়।
- ৰেখাবোৰ গভীৰ, ডাঠ আৰু স্পষ্ট।
- বেছিভাগ ক্ষেত্ৰতে প্ৰাথমিক ৰংকেইটা ব্যৱহাৰ কৰা হৈছিল। অঞ্চল ভেদে ৰঙৰ উজ্বলতাৰ কিছু কম-বেছি হৈছিল।
- ছবিবোৰত দেৱ-দেৱীৰ দৰে মানুহৰ অবয়বে প্ৰাধান্য পাইছিল।

পৰৱৰ্তী কালত কুঁহিলা চিত্ৰলৈ বিভিন্ন সুস্পষ্ট পৰিৱৰ্তন আহিল। বৃক্ষসজ্জাৰ নাটনি আৰু অ-পৰম্পৰাগত সামগ্ৰী নিৰ্মাণেই ইয়াৰ প্ৰধান কাৰণ।

শ্ৰীশংকৰদেৱে সত্ৰীয় চিত্ৰকলা শৈলী অথবা শংকৰী চিত্ৰকলা বিদ্যালয় স্থাপন কৰিছিল। শংকৰী চিত্ৰকলাৰ আৰম্ভণি সময়ছোৱাত ৰাজপুতানা শৈলীৰ প্ৰভাৱ স্পষ্ট। একেদৰে দক্ষিণ পূব এছিয়াত উখান ঘটা মংগোলীয় কলাৰ প্ৰভাৱো এই চিত্ৰবোৰত দেখা পোৱা গৈছিল।

শ্ৰীশংকৰদেৱে ৰচনা কৰা 'চিহ্নযাত্ৰা' নাটৰ বাবে প্ৰয়োজন হোৱা সাতখন বৈকুণ্ঠৰ ছবি অংকন কৰিছিল বুলি 'চৰিত্ৰ পুথি'ত উল্লেখ আছে। নামঘোষা (শিৱসাগৰ) আৰু আহোম জ্যোতিষত থকা ছবিবোৰ মুগা কাপোৰত আঁকা। সত্ৰীয়া চিত্ৰশিল্পৰ প্ৰধান বৈশিষ্ট্য আছিল সৰলতা। এইখিনিতে এটা আমোদজনক কথা হ'ল খনিকৰসকল কদাচিতহে তেওঁলোকৰ আত্ম-অভিব্যক্তিতকৈ (self-expression) সৃষ্টিশীলতাৰ আবেগৰ বাবে জনা গৈছিল। কিন্তু তথাপিও নিপুণ শিল্পী ৰূপে হস্তীবিদ্যাৰ্ণৱত চিত্ৰ আঁকা দিলবৰ আৰু দুচাই নামৰ শিল্পী দুজনৰ নাম উলেখ আছে। তেওঁলোকে পুথিখনত আহোম চৰিত্ৰ অংকন কৰিছিল। একেদৰে এই সময়ছোৱাৰ বিজয় খনিকৰ নামৰ শিল্পীগৰাকীৰ কথাও জনা যায়। সত্ৰীয়া চিত্ৰকলাই অসমত অনন্য জনপ্ৰিয়তা লাভ কৰিছিল। ৰুদ্ৰ সিংহৰ শাসনকালত এই চিত্ৰলাই জনপ্ৰিয়তাৰ শিখৰ চুইছিল। কিন্তু নামটোৰে বুজোৱাৰ দৰে সত্ৰীয়া চিত্ৰকলাই কেৱল সত্ৰভিত্তিক চিত্ৰাংকনৰ কথাকে বুজোৱা নাছিল। বৰ ৰজা প্ৰমথেশ্বৰী দেৱীৰ নিৰ্দেশত এই শৈলীৰে 'আনন্দ লহিৰী' পুথিত চিত্ৰাংকন কৰা হৈছিল।

আহোম যুগৰ বিশেষ চিত্ৰাংকন শৈলী আছিল গ্ৰন্থত চিত্ৰ আঁকাটো। ৰাজ দৰবাৰৰ আবৰ্তত নাইবা বৈষ্ণৱ মঠবোৰত প্ৰাচীৰ চিত্ৰ অথবা নুৰিয়াই থ'ব পৰা চিত্ৰই সমাদৰ লভা নাছিল। কিন্তু আহোম যুগৰ পাণ্ডুলিপি চিত্ৰবোৰ নষ্ট হৈ গৈছে। লণ্ডনৰ বৃটিছ সংগ্ৰহালয়, জয়পুৰৰ চৰাই মান সিং দ্বিতীয় সংগ্ৰহালয়, অসম ৰাজ্যিক সংগ্ৰহালয়, অসম চৰকাৰৰ ঐতিহাসিক আৰু প্ৰাক্-ঐতিহাসিক অধ্যায়ন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয় পুথিভড়াল আৰু তেজপুৰৰ চিত্ৰকলা সংগ্ৰহালয়ত ইয়াৰ দুটামান নমুনা পোৱা যায়।

সত্ৰীয় চিত্ৰকলা বিদ্যালয়ৰ চিত্ৰ আঁকাৰ নিয়মবোৰৰ উৎস পঞ্চদশ আৰু ষষ্ঠদশ শতিকাৰ বৈষ্ণৱ আন্দোলনৰ বুকুত লুকাই আছে। এই বিদ্যালয়ৰ সবাতোকৈ পুৰণি পাণ্ডুলিপি চিত্ৰখন ১৫৩৯ চনৰ বুলি ঠাৱৰ কৰা হৈছে। নাগাঁৱৰ বালি সত্ৰত থকা এই পাণ্ডুলিপিখন ভাগৱতৰ দশম স্কন্ধৰ প্ৰতিলিপি। সত্ৰীয়া চিত্ৰকলা বিদ্যালয়ৰ ছবিবোৰৰ উত্তৰ ভাৰতৰ কিতাপত অংকিত চিত্ৰকলা বিদ্যালয় (Schools of miniatures) আৰু পাল পৰম্পৰাৰ সৈতে সাদৃশ্য আছে।

সত্ৰীয়া চিত্ৰকলা বিদ্যালয়ক 'অপভ্ৰংশ শৈলী'য়েও প্ৰভাৱিত কৰিছিল। সত্ৰীয়া শৈলীৰ মানৱ প্ৰতিকৃতিবোৰৰ নাক জোঙা, বুকু বহল, লাহি কঁকাল আছিল, পটভূমিত আছিল অত্যাধুনিক কাৰুকাৰ্য অংকিত নৈসৰ্গিক দৃশ্য আৰু গছ, নদী আৰু ডাৱৰ আঁকাৰ বিশেষ পদ্ধতি আছিল যথেষ্ট শোভাবৰ্দ্ধনকাৰী আৰু সাংকেতিক অৰ্থ বহনকাৰী। সত্ৰীয়া কিতাপত ছবি আঁকা কলাৰ উদাহৰণ হ'ল 'জৈন চিত্ৰ অংকিত কিতাপ' (Jaina miniatures)। এন চি মেহতাই ইয়াক বুৰ্জোৱা কলা বুলি অভিহিত কৰিছে। পৰৱৰ্তী সময়ত তুংখুঙীয়াসকলে ইয়াক ৰাজদৰবাৰ কলা হিচাপে গ্ৰহণ কৰিছিল।

এনে কিতাপৰ বকলাবোৰ সাধাৰণতে দীঘলীয়া আকৃতিৰ আৰু দুয়োফালে সমানে বহলাই মেলিবলগীয়া বিধৰ আছিল বাবে এই সময়ছোৱাৰ ছবিবোৰ পথালিকৈ আঁকা হৈছিল। ছবিবোৰৰ দীঘলীয়া আকৃতিটো অসমৰ

নুৰিয়াই থ'ব পৰা চিত্রশৈলীৰ (scroll painting) দ্বাৰা অনুপ্রাণিত হৈছিল। পাণ্ডুলিপিত আখৰ লিখা থাকে আৰু মাজৰ খালি স্থানত (আলেখ্য স্থানত) ক্ষুদ্রাকৃতিৰ ছবি আঁকা থাকে। ছবিবোৰৰ পশ্চাদভূমি পাতল এক বর্ণৰ আৰু মাজৰ উকা অংশবোৰ সমৰূপ সেউজীয়া ৰঙৰ আছিল। সমগ্র চিত্রখন আই লেভেল ভিউ (eye level view) ৰে চাব লাগিছিল। ইয়াৰ দ্বাৰা প্রমাণিত হয় যে এই চিত্রশৈলীত সেই সময়ৰ নেপালৰ জনপ্রিয় চিত্রশৈলীৰ প্রভাৱ পৰিছিল। সত্রীয় শৈলীৰ ধর্মীয় অনুষ্ঠানৰ সৈতে মিলন ঘটাৰ পাছত জনপ্রিয়তা বাঢ়িছিল। 'গীত গোবিন্দ', 'আনন্দ লহৰী', 'ৰামার্যণ' (লংকা কাণ্ড) আদিৰ সত্রীয়া শৈলীত চিত্র সম্বলিত পাণ্ডুলিপি প্রস্তুত কৰিবৰ বাবে ৰজাঘৰৰ পৃষ্ঠপোষকতাত চিত্রকৰক দায়িত্ব অর্পণ কৰা হৈছিল।

জানি থোৱা ভাল

সত্রীয়া শৈলীৰ পাণ্ডুলিপি দুখনমানৰ উদাহৰণ হ'ল-

- ৰমাকান্ত দ্বিজৰ 'বনমালী দেৱৰ চৰিত'
- নিত্যানন্দ কায়স্থৰ 'শ্রীভাগৱত মৎস্য চৰিত'
- কবিৰাজ চক্রৱর্তীৰ 'গীত গোবিন্দৰ অনুবাদ'
- হৰিহৰ বিপ্রৰ 'লৱ কুশৰ যুদ্ধ'
- অনন্ত আচার্য দ্বিজৰ 'আনন্দ লহৰী'

পৰৱর্তী কালত সত্রীয় চিত্রকলা বিদ্যালয়ৰ ছবিবোৰত শোভা আৰু সূক্ষ্ম কাৰুকার্যৰ মাত্রা বাঢ়িল, মিশ্রিত ৰঙৰ সমাহাৰেৰে সৈতে ছবি আঁকা পৃষ্ঠ বহল হ'ল আৰু তুংখুঙীয়া ৰাজদৰবাৰৰ অত্যাধুনিক মনোভাৱৰ দ্বাৰা প্র ভাৱিত হৈ নিখুঁট ৰূপ ল'বলৈ ধৰিলে। মঙলদৈ অঞ্চলত কোচ ৰজাৰ পৃষ্ঠপোষকতাত দৰঙীয়া চিত্রশৈলীৰ উত্থান ঘটিল। এই শৈলীত গড়গঞা চিত্রকলা শৈলীৰ প্রভাৱ পৰিছিল। এই সময়ছোৱাৰ সবাতোকৈ গুৰুত্বপূর্ণ পাণ্ডুলিপি দুখন হ'ল তীর্থ কৌমুদী (১৬৮৬ খ্রীঃ) আৰু অনাদি পাতন। দুয়োখন পাণ্ডুলিপিৰ শৈলী একে। তীর্থ কৌমুদীত অসম আৰু ভাৰতৰ ভিতৰত থকা বিভিন্ন হিন্দু উপাসনা স্থল আৰু তীর্থস্থানৰ উল্লেখ আছে। ভাগৱত পুৰাণ (চতুর্থ স্কন্ধ) আৰু বামণ পুৰাণত উল্লেখ থকাৰ দৰে সৃষ্টিৰ ৰহস্য সম্পর্কীয় ব্যাখ্যা অনাদি পাতনৰ বিষয়বস্তু। মধ্যযুগৰ শেষৰফালে ৰাতি বুলি লিখা থকা এই পাণ্ডুলিপি শ্রীশংকৰদেৱৰ দ্বাৰা ৰচিত আৰু ইয়াত কিছুমান পালি বৈশিষ্ট্য আছে। এই বিদ্যালয়ৰ আন এক কৃতী হ'ল সাহপৰী উপাখ্যান (১৭৯০ খ্রীঃ) । পাণ্ডুলিপিৰ ভিতৰত কোনো ছবি নাই। কিন্তু মার্জিনত কিছুমান মানুহৰ অৱয়বত ৰং কৰা আছে।

পৰম্পৰাগত সত্রীয়া চিত্রশৈলীৰ পৰা ফালৰি কাটি গৈ ধর্মনিৰপেক্ষ কলা বিদ্যালয়ৰ ৰূপত গড় গঞা চিত্রশৈলীয়ে আত্মপ্রকাশ কৰিছিল। এই বিদ্যালয়ৰ কলাক ৰাজদৰবাৰ কলাও বোলা হয়। কাৰণ এই শৈলীৰ ছবিবোৰ কেৱল ৰাজদৰবাৰৰ নির্দেশ অনুসৰিহে প্রদর্শন কৰা হৈছিল। স্বর্গদেউ ৰুদ্রসিংহই গীত গোবিন্দৰ চিত্রসম্বলিত পাণ্ডুলিপি প্রস্তুত কৰাৰ নির্দেশ দিছিল। একেদৰে প্রমথেশ্বৰী দেৱী, অম্বিকা দেৱী আৰু শিৱ সিংহৰ নির্দেশ তথা পৃষ্ঠপোষকতাত বহুতো পাণ্ডুলিপি চিত্র আঁকা হৈছিল। এই বিদ্যালয়ৰ আর্হিত আঁকা দুখনমান বিখ্যাত পাণ্ডুলিপি হ'ল- শংখচূড় বধ, কবিন্দ্র দ্বিজৰ ধর্মপুৰাণ, ভাগৱত চতুর্থ স্কন্ধ, হস্তীবিদ্যার্ণৱ আৰু দৰং ৰাজ বংশাৱলী (১৭৯১ খ্রীঃ)। কিন্তু চিত্রকলাৰ গড়গঞা শৈলী সাধাৰণ ৰাইজৰ মাজত জনপ্রিয় নাছিল।

গড়গাঁও চিত্রকলা বিদ্যালয়ৰ মোগল চিত্রকলা শৈলীৰ লগত মিল আছিল। মুঠ শৈলীটোৰ চাৰিভাগৰ তিনিভাগ বৈশিষ্ট্যই মোগল শৈলীৰ পৰা আহৰণ কৰা। গড়গঞা শৈলীৰ প্রতিকৃতি অংকনত মোগল শৈলীৰ

আটাইবোৰ গুণ দেখা যায়। কেতিয়াবা আনকি ই মোগল শৈলীক চেৰাই গৈছিল। মহিলাৰ চাৰিভাগৰ তিনিভাগ পার্শ্বকৃতি আৰু পুৰুষৰ সম্পূর্ণ পার্শ্বৰূপ (Profile) অংকন কৰা হৈছিল। অৱশ্যে দুয়োখন বিদ্যালয়ৰে প্ৰভেদো আছিল। মোগল চিত্ৰকলা বিদ্যালয়ত পুৰুষ প্ৰতিকৃতিৰ আধিপত্য আছিল। কিন্তু গড়গঞা চিত্ৰশৈলীৰে আঁকা বহুতো ছবি মহিলাৰ আছিল। মোগল চিত্ৰশৈলীত ৰজাৰ প্ৰতিচ্ছবি কেতিয়াও ৰাণী নাইবা সভাসদৰ সৈতে আঁকা হোৱা নাছিল। কিন্তু গড়গঞা শৈলীত আহোম ৰজা শিৱ সিংহ আৰু ৰাণী অম্বিকাৰ যুগ্ম চিত্ৰ আঁকা হৈছিল। একেদৰে গড়গঞা শৈলীত ভাগৱতৰ ষষ্ঠ স্কন্ধৰ বিৱৰণত ৰজাঘৰৰ মহিলাক মুক্ত দোলাত উঠি ৰাইজৰ মাজলৈ যোৱা ছবি আঁকা হৈছিল। কিন্তু মুছলমান সমাজত এনে প্ৰথা নাছিল বাবে মোগল শৈলীৰে এনে ছবি আঁকা হোৱা নাছিল।

গড়গাঁও চিত্ৰকলা বিদ্যালয়ৰ শিল্পীসকলে কেৱল প্ৰতিকৃতি অংকনতে নিজৰ প্ৰতিভা সীমাবদ্ধ কৰি ৰখা নাছিল। তেওঁলোকে নৈসৰ্গিক দৃশ্য আঁকাতো নিজ দক্ষতাৰ পৰিচয় দিছিল। এই শিল্পীসকলে পাহাৰ, সমভূমি, নদী, জীৱ-জন্তু আদিৰ সৌন্দৰ্য তুলিকাৰে ধৰি ৰাখিবলৈ সক্ষম হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

তলৰ প্ৰশ্নবোৰৰ উত্তৰ দিয়কঃ

প্ৰশ্ন নং ১১ ঃ প্ৰাগজ্যোতিষৰ প্ৰাচীন চিত্ৰবোৰৰ বিষয়ে কোনখন গ্ৰন্থত উল্লেখ আছে?

.....

প্ৰশ্ন নং ১২ ঃ পটুৱাসকল কোন আছিল?

.....

প্ৰশ্ন নং ১৩ ঃ 'লতা-কটা' মানে কি?

.....

প্ৰশ্ন নং ১৪ ঃ 'পট' মানে কি?

.....

প্ৰশ্ন নং ১৫ ঃ সত্ৰীয় চিত্ৰকলা শৈলীক কোনো বুৰ্জোৱা কলা আখ্যা দিছিল?

.....

১০.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জানিব পাৰিলে

- অসমত উদ্ধাৰ হোৱা বিভিন্ন প্ৰকাৰৰ ভাস্কৰ্যৰ বিষয়ে গম পালো। এই বিভিন্ন ভাস্কৰ্য শৈলী বিদ্যালয়ৰ অনুসৰণ কৰি বিভিন্ন মাধ্যমত ভাস্কৰ্য সজা হৈছিল।
- অসমৰ স্থাপত্য কলা চুবুৰীয়া অঞ্চলত প্ৰচলিত ধাৰাবোৰৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱিত হৈছিল।

- অসমৰ পৰম্পৰাগত পাণ্ডুলিপি অংকন (manuscript paintings) পদ্ধতিবোৰত বিভিন্ন শৈলীৰ অনুসৰণ কৰা হৈছিল।

১০.৭ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ

- Barpujari, H.K. (2004). *The Comprehensive History of Assam*, Vol. 1 and Vol. 3. Guwahati, Assam: Publication Board Assam..
- Datta, Birendranath. (2012). *Cultural Contours of North East India*. New Delhi, India: Oxford University Press.

অসমীয়া গ্ৰন্থ

- নেওগ, হৰিপ্ৰসাদ আৰু গগৈ, লীলা; (২০০৩); *অসমীয়া সংস্কৃতি;* গুৱাহাটী: বনলতা প্ৰকাশন

১০.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ৰুদ্ৰ সিংহ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ তবাকত-ই-নাচিৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ লোক কলাৰ উপাদান থকা শিলামূৰ্তি।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ দ-পৰ্বতীয়া

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বৰ্মন বংশ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ৰূদ্ৰ সিংহ

৭ নং প্ৰশ্নৰ উত্তৰ ঃ ঘনশ্যাম

৮ নং প্ৰশ্নৰ উত্তৰ ঃ ছুং ৰুং ফুকনৰ বুৰঞ্জী

৯ নং প্ৰশ্নৰ উত্তৰ ঃ এটা এককোষী মন্দিৰ

১০ নং প্ৰশ্নৰ উত্তৰ ঃ নেঘেৰিটিং দেউল

১১ নং প্ৰশ্নৰ উত্তৰ ঃ হৰিবংশ আৰু দ্বাৰিকা-লীলা

১২ নং প্ৰশ্নৰ উত্তৰ ঃ বৃত্তিজীৱী চিত্ৰকৰৰ এটা শ্ৰেণী

১৩ নং প্ৰশ্নৰ উত্তৰ ঃ তাই-আহোম চিত্ৰকলা শৈলীৰ অধীনত অংকিত চানেকী বুজোৱা এটা সংজ্ঞা।

১৪ নং প্ৰশ্নৰ উত্তৰ ঃ পূৰ্বৰ গোৱালপাৰা জিলাৰ উত্তৰ পাৰত কৰা বৃক্ষসজ্জা কলা (pith work)

১৫ নং প্ৰশ্নৰ উত্তৰ ঃ এন.চি. মেহতা

১০.৯ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ 'ফুলমালি' মানে কি?

প্ৰশ্ন ২ ঃ কিয় গড়গাঁও চিত্ৰকলা শৈলী সাধাৰণ মানুহৰ মাজত জনপ্ৰিয় হ'ব নোৱাৰিলে?

প্ৰশ্ন ৩ ঃ ফাকুৱা দৌউল ক'ত অৱস্থিত?

প্ৰশ্ন ৪ ঃ তাই-আহোম চিত্ৰকলা শৈলীৰ সবাতোকৈ পুৰণি পাণ্ডুলিপি অংকনৰ উদাহৰণ কি?

প্ৰশ্ন ৫ ঃ 'মাজু বুলিলে কি বুজে?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

চমু টোকা লিখক ঃ

প্ৰশ্ন ১ ঃ নীলাচল স্থাপত্য

প্ৰশ্ন ২ ঃ কছাৰী স্থাপত্য

প্ৰশ্ন ৩ ঃ মৈদাম

প্ৰশ্ন ৪ ঃ মধ্যযুগৰ শেষৰ ভাগৰ স্থাপত্য

প্ৰশ্ন ৫ ঃ দোশালা স্থাপত্য

প্ৰশ্ন ৬ ঃ অ-ধৰ্মনিৰপেক্ষ শৈলীৰ স্থাপত্য

প্ৰশ্ন ৭ ঃ ধাতৰ ভাস্কৰ্য

প্ৰশ্ন ৮ ঃ প্ৰস্তৰ ভাস্কৰ্য

প্ৰশ্ন ৯ ঃ নাগাৰা শৈলীৰ বা নগৰ শৈলীৰ স্থাপত্য

প্ৰশ্ন ১০ ঃ গড়গাওঁ চিত্ৰকলা শৈলী

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ টা মান শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ বিভিন্ন বিদ্যালয় বিভিন্ন শৈলীৰ অধীনত বিকাশ ঘটা ভাস্কৰ্য বিদ্যালয়ৰ বিষয়ে বহলাই লিখক।

প্ৰশ্ন ২ ঃ অসমৰ স্থাপত্য কলাৰ বিকাশত গুপ্তসকলৰ প্ৰভাৱ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ স্থাপত্য কলাৰ বিকাশৰ উল্লেখেৰে সৈতে এগৰাকী নিৰ্মাতাকাৰী হিচাপে ৰুদ্ৰ সিংহৰ ভূমিকা মূল্যায়ন কৰক।

প্ৰশ্ন ৪ ঃ সত্ৰীয়া চিত্ৰকলা শৈলীৰ বিশেষ উল্লেখেৰে সৈতে পাণ্ডুলিপি অংকনৰ ক্ষেত্ৰত নব-বৈষ্ণৱ আন্দোলনৰ প্ৰভাৱ ব্যাখ্যা কৰক।

** *** **

অধ্যায় ১১ ঃ ইছলামবাদী সংস্কৃতিৰ অৱদান

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ মীমাংসা (আৰম্ভণিৰ) আৰু অসমত মুছলমান সমাজ গঠন
১১.৩.১ মুছলমান আক্রমণ
১১.৩.২ ব্যৱসায়ৰ জৰিয়তে মীমাংসা
১১.৩.৩ যুদ্ধ বন্দীসকলৰ মীমাংসা
১১.৩.৪ মুছলমান কলাসুলভ আৰু বিজ্ঞ লোকৰ আমদানি
১১.৩.৫ প্রচাৰ আৰু ধর্মান্তৰণ
১১.৪ অসমীয়া সংস্কৃতিলৈ অৱদান
১১.৫ ইছলামীক স্থাপত্য
১১.৬ চিত্রকলা
১১.৭ সংগীত আৰু নৃত্য
১১.৮ সামৰণি
১১.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.১০ অধিক জানিবলৈ
১১.১১ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অসমত মুছলমানসকলৰ আৰম্ভণি আৰু মীমাংসা বর্ণনা কৰিব
- অসমত মুছলমানসকলৰ থিতাপি লোৱাত সহায় কৰা বিভিন্ন কাৰকবোৰ বর্ণনা কৰিব
- মুছলমান লোকে কেনেদৰে নতুন উপাদানৰ সৈতে অসমীয়া সমাজ গঠনৰ বাবে সহায় কৰিছিল ব্যাখ্যা কৰিব।
- ইছলামিক কলা আৰু ভাস্কর্যৰ বিকাশ আৰু উন্নতিৰ বাবে উদঘাটন কৰিব
- অসমত ইছলামিক সংগীতৰ বিকাশ কেনেকৈ সম্পর্কিত হৈছিল ব্যাখ্যা কৰিব।

১১.২ পৰিচয়

অসমৰ মুছলমানে প্রাচীন সময়ৰ পৰা বর্তমানলৈকে অসমীয়া সমাজে আৰু ইয়াৰ সংস্কৃতিৰ গঠন আৰু বিকাশক অতি গুৰুত্বপূর্ণ আৰু ইতিবাচক ভূমিকা পালন কৰি আহিছে। বিভিন্ন সামাজিক, অর্থনৈতিক আৰু সাংস্কৃতিক কাৰকৰ দ্বাৰা একত্রিত হৈ, অসমৰ সর্বত্রতে বিশেষকৈ ব্রহ্মপুত্র উপত্যকাত বিয়পি পৰিছিল, যি অসমীয়া

সংস্কৃতিৰ গৃহভূমি আছিল। অসমত মুঠ জনসংখ্যাৰ ৩৪.২২ শতাংশৰে (২০১২ চনৰ লোকপিয়লৰ তথ্য) গঠিত মুছলমানসকল আটাইতকৈ ডাঙৰ সংখ্যালঘু গোট। ভাৰতৰ অন্য মুছলমানৰ নিচিনা অসমৰ মুছলমানো সংস্কৃতি, সম্প্রদায়, শ্রেণী, ভাষা, ব্যৱসায়, ভৌগলিক বিতৰণ আৰু ভাবাদর্শই বিভিন্নতাক প্রতিফলিত কৰে। ভাৰতৰ অন্য মুছলমানৰ নিচিনা সমসাময়িক অসমীয়া সমাজখন মৌলিকভাৱে এখন বহু ধর্মীয়, বহু বর্ণ বিশিষ্ট, বহু গোষ্ঠীকেন্দ্রিক, বহু সম্প্রদায়, বহু শ্রেণী আৰু প্রধানতঃ ভাষাহীন, মিশ্রিত আৰু প্রধানতঃ এখন দর্মনিৰপেক্ষ সমাজ। মুছলমানসকল অসমৰ সকলোতে সিচৰিত হৈ আছে, ধুবুৰী জিলাত মুঠ জনসংখ্যাৰ ৭৫% অসমৰ পশ্চিম অংশ আৰু ২০১১ চনৰ লোক পিয়লৰ তথ্যমতে ধেমাজি জিলাত ১.৯৬ শতাংশৰে আটাইতকৈ কম পৰিমাণৰ আছিল।

১১.৩ মীমাংসা (আৰম্ভণিৰ) আৰু অসমত মুছলমান সমাজ গঠন

অসমত মুছলমানৰ গঠন ১২ শতিকাৰ শেষৰ দশকলৈ আহোমসকলৰ আগলৈ স্পষ্টভাৱে উভতাই নিয়ে। তেতিয়াৰ পৰা এই সম্প্রদায় সময়ৰ প্রবহমানত ক্রমশঃ বিস্তাৰিত হৈছিল। অসমত মুছলমান জনসংখ্যাক প্রাৰম্ভিক প্রতিষ্ঠা আৰু বিকাশ তলত দিয়া ধৰণে আলোচা কৰিব পাৰি।

১১.৩.১ অসমত মুছলমান আক্রমণ (১২০৬-১৬৮২)

১২ শতিকাৰ শেষৰ পিনে, ভাৰতত দাস বংশৰ প্রতিষ্ঠাতা, কুটুবউদ্দিন আইবাকৰ অধীনত সামৰিক বিষয়া, মহম্মদ বিন বখতিয়াৰে, ১২০৬ খ্রীষ্টাব্দত অসমত আক্রমণ কৰিছিল। মিন হাজউদ্দিন চিৰাজৰ তবকাৎ-ই-নাছিৰি মতে, এই সময়তে অসমে প্রথমবাৰৰ বাবে মুছলমানসকলৰ সৈতে সংস্পর্শলৈ আহিছিল। ইয়াৰ পিছত ৪৭৫ বছৰৰ বাবে মুছলমান আক্রমণৰ প্রক্রিয়া আৰম্ভ হৈছিল, যি পৰিশেষত ইটাখুলিৰ যুদ্ধত পৰিসমাপ্তি হৈছিল। যদিও মহম্মদ বিন বখতিয়াৰ খিলজি বেয়াকৈ পৰাজিত হৈছিল আৰু এইটো তথ্যৰ পৰা অনুমান কৰা হৈছিল যে কিছুমান মুছলমানে তেওঁলোকৰ পৰাজিত সেনাপতিৰ লগত উভতি যোৱাৰ পৰিৱর্তে অসমত বর্তি থাকিবলৈ পচন্দ কৰিছিল। তেওঁলোকেই পৰাজিত সেনাপতিৰ লগত উভতি যোৱাৰ পৰিৱর্তে অসমত বর্তি থাকিবলৈ পচন্দ কৰিছিল। তেওঁলোকেই প্রথম অসমত থিতাপি লোৱা মুছলমান, যিসকলে আনকি আহোমসকলে এই ভূমিত অহাৰ আগতেই অসমত থাকিবলৈ সিদ্ধান্ত লৈছিল। মহম্মদ বিন বখতিয়াৰ খিলজিফ, আলি মেচ নামৰ এজন স্থানীয় বিষয়াৰ দ্বাৰা অসমত নির্দেশনা দিছিল। ইয়ে সূচাইছিল যে সেই সময়ৰ পৰা বা তাৰ অমাতেই মুছলমানসকলে অসমৰ লগত সম্পর্ক স্থাপন কৰি বহু অংশই এই অঞ্চলক নিজৰ থকা ঠাই হিচাপে স্বীকাৰ কৰিছিল।

সিনহাজউদ্দিনৰ টোকাত এইটো দেখুৱাই দিয়া হৈছিল যে মালিক উজবেক টুর্গিল খানৰ (১২৫৬-৫৭) আক্রমণ প্রধানত ইছলামীক বিশ্বাস বিস্তাৰিত কৰাৰ বাসনাৰ দ্বাৰা প্রভাবান্বিত হৈছিল। ইতিহাসত ইয়াকো তথ্যভূক্ত কৰা হৈছিল যে মালিক উজবেকে নিজৰ জয়লাভক উদ্‌যাপন কৰাৰ বাবে দেশৰ মাটিত এটা মছজিদ নির্মাণ কৰিছিল। অসম বুৰঞ্জীত এয়া উল্লেখ কৰা হৈছে যে পূর্বৰ গোৱালপাৰা আৰু কামৰূপ জিলাৰ দক্ষিণ অংশ, ১৩২০-২১ চনত ঘিয়াছউদ্দিন বাহাদুৰ চাহৰ ব্রহ্মপুত্র উপত্যকাৰ দক্ষিণ

পশ্চিম অংশত আক্রমণৰ সময়ৰ পৰাই গৌড় চুলতানৰ কর্তৃত্বৰ অধীনত ৰৈছিল সেয়া বর্তি আছিল কমতা ৰজা মৃগাংকই আহোম ৰজা চুডাংফাৰ সহায়ত ১৩৯৭-১৪০৭ চনৰ সময়ৰ ভিতৰত কৰতোৱা নদীৰ পূবলৈ থকা সমগ্র অঞ্চল জয় কৰা পর্যন্ত।

১১.৩.২ ব্যৱসায়ৰ জৰিয়তে মীমাংসা

অসম আৰু বংগৰ মাজত ব্যসায়িক সম্পর্ক পোন্ধৰ শতিকাৰ মধ্যভাগত চলিছিল আৰু কিছমান মুছলমান ব্যৱসায়ী আৰু বংগৰ পৰা অহা ভ্রমণকাৰী প্রৱেশ কৰিছিল আৰু শেষত পৰিচয় অসমত থাকিবলৈ লৈছিল। নিয়মিতভাৱে আৰু পদ্ধতিগতভাৱে নিলধ্বজৰ উত্তৰসূৰী, কমতা ৰজা চক্রধ্বজৰ সময়ৰপৰা অসমত মুছলমানৰ প্রশে বোধহয় আৰম্ভ হৈছিল। হুছেইন শ্বাহৰ লগত নিলাম্বৰৰ যুদ্ধৰ সময়ত মুছলমান প্রৱেশৰ তীব্রতা বেছি বৃদ্ধি হৈছিল। প্রকৃতার্থত কামৰূপ আৰু গোৱালপাৰা অঞ্চলত মুছলমান অধিগ্রহণৰ সময়ত আৰু বিশেষকৈ হুছেইন শ্বাহৰ দ্বাৰা হাজোত আফগান যোদ্ধাসকলৰ উপনিৱেশ সৃষ্টিৰ পাছত মুছলমানৰ এক বৃহৎ সংখ্যা পূর্বৰ গোৱালপাৰা আৰু কামৰূপ জিলাত স্থায়ীভাৱে প্রথমবাৰৰ বাবে থাকিবলৈ সুযোগ লাভ কৰিছিল।

১১.৩.৩ যুদ্ধ বন্দীসকলৰ মীমাংসা

অসমৰ পূৱ অঞ্চলত মুছলমানসকলৰ স্থাপন ১৫৩০ চনৰ পৰা আৰম্ভ হৈছিল, যেতিয়া তুর্বকৰ অধীনত মুছলমান সৈন্যই অসমত আক্রমণ কৰিছিল আৰু আহোম ৰজা চুহুংমুখে মুছলমান আক্রমণকাৰীসলক পৰাজিত কৰিছিল আৰু যিসকলক যুদ্ধবন্দী হিচাপে লোৱা হৈছিল। তেওঁলোকক ৰাজ্যৰ বিভিন্ন প্রান্তত আশ্রয় লৈছিল আৰু তেওঁলোকক পৰৱর্তী সময়ত মৰিয়াচ নামেৰে জনা গৈছিল। এই ক্ষেত্রত এডৱার্ট গেইটে মন্তব্য দিছিল যে চুহুংমুঙে যিসকলৰ যুদ্ধ বন্দীক মুছলমানক যুদ্ধ বন্দী হিচাপে লৈছিল, সেইসকলে ব্রহ্মপুত্রৰ পূর্ব উপত্যকাৰ প্রথম আশ্রয় লোৱা লোক আছিল।

সোতৰ শতিকাত ইছলামৰ বিশ্বাসে বেছি তীব্রভাৱে বৃদ্ধি হৈছিল। যেতিয়া পশ্চিম অসমৰ প্রধান অংশ মুছলমানসকলৰ দ্বাৰা অধিগ্রহণ কৰা হৈছিল আৰু ৰঙামাটি (গৌৰীপুৰৰ ওচৰত) আৰু হাজোৰ কামৰূপত) তেওঁলোকৰ আদালত স্থাপন কৰিছিল। পিছলৈ সেইবোৰ ঠাইত আশ্রয় লোৱা মুছলমানসকল স্থানীয় মানুহৰ লগত একলগ হৈ গৈছিল। আকৌ দ্বিতীয় পর্যায়ৰ মুছলমান প্রবেশ অসমৰ পশ্চিম অংশত কোচ-মোগল চুক্তিৰ জৰিয়তে আৰম্ভ হৈছিল আৰু সেইবোৰ মুছলমান সৈন্য তাত থাকিবলৈ লৈছিল আৰু যেতিয়া কোচ হাজো অঞ্চল মুছলমান শক্তিৰ অধীনলৈ আহিছিল তেতিয়া অসমৰ মুছলমান জনসংখ্যা বৃদ্ধি হৈছিল। বহু মুছলমানে অসমত মোগলৰ যুদ্ধ বাহিনীৰ লগত কাম কৰিছিল আৰু মোগল সাম্রাজ্যৰ বিভিন্ন অংশৰ বিভিন্ন কামত নিয়োজিত লোক যুদ্ধত স্থানীয় মুছলমান কর্তৃত্বক সহায় কৰিবলৈ আৰু ব্যৱসায়-বাণিজ্যৰ উপৰিও অসামৰিক প্রশাসনত নিয়মিত প্রৱাহত এই অঞ্চললৈ ঢাল খাইছিল।

এইটো গুৰুত্বপূর্ণ চর্ত আছিল যে তেওঁলোক স্ত্রীৰ অনুপস্থিতিত অসমৰ পৰা অ-মুছলমানক বিবাহ কৰাব পাৰিছিল। আহোম ৰজা গদাধৰ সিংহৰ সময়ত ১৬৮২ চনত আহোম-মোগল সংঘাতৰ শেষ

যুদ্ধখন হৈছিল য'ত মোগলে ১৬৮২ চনত কামৰূপ পৰিত্যাগ কৰিছিল আৰু আকৌ ৰঙা মাটিলৈ পিছ হোহকিছিল আৰু এইদৰে ১২০৬ খ্ৰীষ্টাব্দত মুছলমানৰ লগত আৰম্ভ হোৱা বিৰক্তিকৰ যুদ্ধই সমাপ্তি হৈছিল। অসমৰ শাসক আৰু মুছলমান শক্তিৰ মাজত হোৱা অবিৰাম যুদ্ধ আৰু সংঘাতৰ ফলফল বহু দিশত অসমৰ ৰাজনৈতিক আৰু সমাজ সাংস্কৃতিক জীৱনৰ বাবে সঁচাকৈয়ে ফলদায়ক আছিল। ইয়ে অসমত মুছলমান জনসংখ্যা সফল কৰাত সহায় কৰিছিল।

১১.৩.৪ মুছলমান কলাসুলভ আৰু বিজ্ঞ লোকৰ আমদানি

অসমত মুছলমান জনসংখ্যা বৃদ্ধিৰ বাবে অন্য এক গুৰুত্বপূৰ্ণ দিশ হৈছে মুছলমান শাসকৰ দ্বাৰা কলাসুলভ, শিক্ষিত আৰু বিজ্ঞ লোকৰ আমদানিকৰণ। যথেষ্ট সংখ্যক মুছলমান কলাসুলভ আৰু শিক্ষিত মানুহ আহোম ৰজাৰ দ্বাৰা অনা হৈছিল আৰু মধ্যযুগৰ সময়ত ৰাষ্ট্ৰৰ বিভিন্ন বিভাগত নিযুক্তি দিয়া হৈছিল। সেইবোৰ মানুহ প্ৰধানত বৃত্তিক জড়িত হৈছিল। যিবোৰ তেওঁলোকে লাভ কৰিছিল। বিশেষভাৱে কৌশলগত যেনে— কাপোৰত ফুল বচা কাৰ্য, খোদাই কৰা কাৰ্য, গছ কটা কাৰ্য, বৰতোপ বনোৱা, তৰোৱাল বনোৱা আৰু একেধৰণৰ কলাসুলভ কাম। মুছলমান কলাকাৰ আৰু খনিকৰ এজন অধ্যক্ষক, যাক খনিকৰ বৰুৱা নামেৰে জনা গৈছিল, অধীনত আছিল। নবাব ডেকা নামৰ আহোম ৰাজসভাত থকা পদবীতো সম্পূৰ্ণভাৱে বিজ্ঞ মুছলমান বিষয়াৰ বাবে আছিল, খাজনা বিহীন মুক্ত অঞ্চল পাইছিল।

বহু উদাহৰণ আছে, য'ত অসমৰ হিন্দু আৰু মুছলমান উভয়ে মুছলমান আক্ৰমণকাৰীক প্ৰতিহত কৰিবলৈ একেলগ হৈছিল। এইবোৰ মুছলমানে অসমীয়া সমাজৰ লগত ইমান গভীৰভাৱে একলগ হৈছিল যে আহোম সৈন্যই বহু মুছলমান সৈন্যক সামৰি লৈছিল আৰু বিষস্যসকল, যিসকলৈ ১৬৭১ চনৰ ঐতিহাসিক শৰাইঘাটৰ যুদ্ধৰ লগতে বহু যুদ্ধত মোগলৰ বিৰুদ্ধে যুঁজিছিল। অসমৰ বুৰঞ্জীয়ে দেশপ্ৰেমৰ আৰু অসমীয়া মুছলমানৰ প্ৰভাৱপূৰ্ণ উচ্চ স্থানৰ যথেষ্ট তথ্যৰ যোগান ধৰে উদাহৰণস্বৰূপে ৰোপাই, গৰিয়া, আহোম ৰাজসভাৰ মুছলমান বিষয়া বাঘ হাজৰিকা, লাচিত বৰফুকনৰ অধীনত মুছলমান পৰিচালক, চৰ্দাৰ জুলফিকাৰ বৰুৱা, স্বাধীনতা আন্দোলনৰ অসমৰ এজন শ্বহীদ, যিটো ১৮৫৮ চনত সমাপ্তি হৈছিল ইত্যাদিয়ে সম্ভৰত আমাৰ উত্থাপন কৰা মুক্তিক সম্পূৰ্ণ সমৰ্থন কৰে।

ইয়াৰ উপৰিও আঠটা মুছলমান পৰিয়াল অসমলৈ অহা বুলি কোৱা হয় আৰু বিভিন্ন ক্ষেত্ৰ যেনে খোদিত কৰা, ছবি আঁকা, চিলাইৰ কাম, সংগীত, কলা আৰু স্থাপত্য ইত্যাদিত নিযুক্তিৰ বাবে নতুন পথৰ সৃষ্টি কৰিছিল। সেই আঠটা পৰিয়ালক জনা গৈছিল— পাৰ্চী পৰ্বিয়া (পাৰ্চীয়ান লিপিৱদ্ধকাৰ), আকবৰ কুলিয়া (ৰাজকীয় খোদাইকাৰ), খনিকৰ (ৰাজমিস্ত্ৰী আৰু কলাকাৰ), শিলাকটীয়া (শিলত খোদাইকাৰী), গুণকটীয়া (নাগাৰা বজোতা) দৰ্জী (চিলাই কৰোতা), জালা (শিপিনী)।

উপৰোক্ত মুছলমান পৰিয়ালৰ উপৰিও কিছুমান অন্য বৃত্তিধাৰী মুছলমান লোকে আছিল, যিসকলে তেওঁলোকৰ সক্ষমতা আৰু দক্ষতাৰ মতে বিভিন্ন বিভাগত জড়িত হৈ পৰিছিল। যেনে— খাৰঘৰীয়া, পেনচোৰা, জালামবাটা, ৰাজমিস্ত্ৰী ইত্যাদি। এইদৰে মুছলমান সম্প্ৰদায়ে বৃহৎ অসমীয়া হিন্দু সমাজৰ লগত একত্ৰিত হ'বলৈ পৰিৱেশ পাইছিল আৰু সামাজিক, সাংস্কৃতিক পৰিপাৰ্শ্বৰ লগত একেলগে মিলি গৈছিল।

১১.৩.৫ প্ৰচাৰ আৰু ধৰ্মান্তৰণ

সিনহাজউদ্দিন, চিৰাজে কয় যে কোচ আৰু মেচসকলে কামৰূপৰ পু�ৰণি ৰাজবংশৰ পশ্চিম অংশৰ বাসিন্দা আছিল। ইয়ে দেখুৱেই যে অসমৰ লগত মুছলমান শক্তিৰ প্ৰথম ৰাজনৈতিক সংযোগ, ইছলামীয় বিশ্বাসে ধৰ্মান্তকৰণ প্ৰক্ৰিয়াৰ জৰিয়তে এই ভূমিত পথ পহিছিল। ইয়াক মানি ল'ব পাৰি যে পূৰ্ববংগ আৰু পশ্চিম কামৰূপৰ মানুহৰ ওপৰত ইছলামৰ প্ৰভাৱ কিছু পৰিমাণে মহম্মদ বিন বখতিয়াৰ খিলজিৰ আক্ৰমণৰ আগতে পৰিছিল। বেছিভাগ ইতিহাসবিদে স্বীকাৰ কৰিছিল যে প্ৰাচীন অসমত কামৰূপৰ জৰিয়তে ভাৰতৰ লগত দক্ষিণ-পূব এছিয়াৰ সংযোগৰ বাবে বহু বাণিজ্যিক পথ আছিল। কিছুমান ইতিহাসবিদে বিশ্বাস কৰিছিল যে এই পথটোৰ ৰাজগড় আলি নামেৰে জনা গৈছিল, যাৰ অংশ বিশেষ অৰুণাচল প্ৰদেশত দেখা যায়। তদুপৰি ইয়ে দেখুৱায় যে চীন আৰু কামৰূপৰ ভূমি আৰু সম্ভৱত ইয়াৰ পথটিৰ বিষয়ে প্ৰাচীন সময়ৰে পৰা বিশ্বৰ মুছলমানে জানিছিল। এজন, তেৰ শতিকাৰ আদিভাগত আলবেৰুণীয়ে ভাৰতলৈ অহাৰ সময়ত ইছলামলৈ ধমান্তকৰণ হৈছিল। সেইবাবে পৰ্যাপ্তভাৱে প্ৰমাণ কৰিছিল যে উত্তৰ বংগ আৰু কামৰূ ৰাজবংশত ইছলামবাদৰ প্ৰভাৱ প্ৰথম মুছলমানৰ আক্ৰমণৰ আগতেই হৈছিল।

চুতীয়া ৰাজবংশৰ ৰজা ৰত্নধ্বজ পালৰ তথ্যই দেখুৱাই আৰু দেউধাই অসম বুৰঞ্জীয়ে সূচায় যে চুতীয়া ৰাজবংশৰএইজন ৰজাই গৌড়ৰ চুলতানৰ লগত বন্ধুত্বপূৰ্ণ সম্পূৰ্ক স্থাপন কৰিছিল। এইটো উল্লেখ কৰা হৈছিল যে আৰিমত্ত উত্তৰাধিকাৰী, সুকৰনকাৰ আসনৰ সময়ত, ঘিয়াচুদ্দিন বাহাদুৰ ছাহে ব্ৰহ্মপুত্ৰ উপত্যকাৰ পশ্চিম অংশৰ লগতে কামৰূপ ৰাজবংশ বিজয় কৰিছিল। বহু মুছলমান সন্তই অসমত প্ৰৱেশ কৰিছিল আৰু ইয়াৰে কিছুমানে বিভিন্ন ঐতিহাসিক সময়ত আক্ৰমণকাৰী সৈনিকৰ লগত আহিছিল। ইয়াৰে কিছুমানে দেশত আশ্ৰয় লৈছিল, অন্যহাতে কিছুমানে কিছুদিন থকাৰ পিছত উভতি গৈছিল। ছাত্ৰ মিলন, যাক আজান ফকীৰ হিচাপে জনা গৈছিল। এজন সন্ত হিচাপে ১৬৩০ চনত অসমলৈ আহিছিল আৰু প্ৰচাৰৰ জৰিয়তে তেওঁ স্থানীয় লোকৰ এক বৃহৎ অংশক ইছলামলৈ ধৰ্মান্তৰিক কৰিছিল। বেছিভাগ আহোম ৰজাই অসমক বিভিন্ন পন্থাৰে পৃষ্ঠপোষকতা আগবঢ়াইছিল।

আকৌ মাদ্ৰাছা বিদ্যালয়, মছজিদ, দৰগাহ, মাজাৰ ইত্যাদিয়ে অসমত মুছলমান জনসংখ্যা বৃদ্ধিত যথেষ্ট সহায় কৰিছিল যে অসমত ইছলামীক বিশ্বাসৰ বৃত্তিধাৰী অধিকাংশ ব্যক্তি হৈছে পূৰ্ব বংগৰ, স্থানীয় সফল তলৰ শ্ৰেণী আৰু আদিবাসীৰ পৰা ধৰ্মান্তৰিত, যিসকলে ধৰ্মান্তৰিত হোৱাৰ পিছত নিজকে শ্বেইখ হিচাপে বৰ্ণনা কৰিছিল। গেইটেও উত্থাপন কৰিছিল যে অসমত মুছলমানৰ এক জল সংখ্যা, বিশেষকৈ পশ্চিম অসমত নিজকে শ্বেইখ হিচাপে কৈছিল আৰু তেওঁলোকৰ বহু উপৰি পুৰুষ, তেওঁলোকৰ শাৰীৰিক অৱয়ৱ, আছৱণ আৰু ৰীতি-নীতি স্পষ্টভাৱে প্ৰকাশ কৰা হিচাপে আৰম্ভণিৰ স্থানীয় ধৰ্মান্তকৰণ হিচাপে অনুমান হয়। দ্য ইম্পেৰিয়েল গেজেটি অৱ ইণ্ডিয়া খণ্ড প্ৰথম অসমৰ ধৰ্মান্তৰিত মুছলমানৰ কথা কৈছিল, যিসকল ইছলামৰ লগতে হিন্দুত্বৰো অগ্য আছিল। তেওঁলোকৰ কিছুমানে মহম্মদৰ কথা শুনা নাছিল, কিছুমানে তেওঁক তেওঁলোকৰ ধৰ্মৰ ৰায় নাইবা লক্ষণৰ নিচিনা একেধৰণৰ ব্যক্তি আছিল বুলি কৈছিল।

যদিও অসমীয়া মুছলমান ইছলামীক আছিল, তেওঁলোকে হিন্দু ৰীতি-নীতি আৰু কাৰ্যৰ প্ৰচাৰ

কৰে, যিবোৰ ইছলামীক ৰীতিৰ বিৰোধী আছিল। যেতিয়া হিন্দুৰ লগত অসবর্ণ বিবাহ বিৰল, বহু অসমীয়া মুছলমানে অন্য অসমীয়াত লগত শক্তিশালীভাৱে স্বীকৃতি দিছিল। তেওঁলোকৰ স্বকীয়তা অসাৰ অসমীয়া ভাষা আৰু অঞ্চলৰ লগত অটলভাৱে সংযোজিত হৈছিল।

১১.৪ অসমীয়া সংস্কৃতিলৈ অৱদান

অসমীয়া কোৱা মুছলমানসকলে ইছলাম আৰু সথানীয় আঞ্চকি সংস্কৃতিৰমাজত নিয়মিত সংযোগৰ জৰিয়তে তেওঁলোকৰ সংস্কৃতিৰ বিকশিত কৰিছিল। তেওঁলোকৰ বহু সাংস্কৃতিক বৈশিষ্ট্য অসমীয়া হিন্দুৰ লগত একে আছিল আৰু ভাৰতৰ অন্যান্য প্রান্তৰ মুছলমানতকৈ কম গোড়া/অসমীয়া মুছলমান খেতিয়কসকলে, সৰু গাঁৱত সমৱেত হৈ বাস কৰিছিল আৰু গাঁওবোৰ তেওঁলোকৰ খেতিপথাৰৰ দ্বাৰা আগুৰি আছিল অসমীয়া হিন্দু আৰু মুছলমানে সাধাৰণতে পৃথক বাস কৰিছিল। কিছুমানে একেলগে বাস কৰে, যদিও তেওঁলোকে পৃথকে স্বীকৃতি ধৰি ৰাখিছিল। কিন্তু, কিছুমান একে অনুষ্ঠান পালন কৰিছিল। আনুমানিকভাৱে ৭৫% অসমীয়া মুছলমান বৃত্তিত কৃষক আছিল। এই অঞ্চলৰ প্রধান শস্য হৈছে, বিভিন্ন ধৰণৰ স্থানীয় বিভিন্নতাৰ ধান (চাউল)। অন্যান্য গুৰুত্বপূর্ণ শস্য হৈছে গোমধান, ঘেঁহু, তেলৰ বীজ যেনে সৰিয়হ, মৰাপাট আৰু কুঁহিয়াৰ আৰু অন্যান্য ঋতুকেন্দ্রিক উদ্ভিদ। বহু কৃষক সৰু ব্যৱসায়, বাণিজ্যকো জড়িত আছিল আৰু মজুৰিপ্রাপ্ত বনুৱা হিচাপে কাম কৰিছিল। মৰিয়াসকল পৰম্পৰাগতভাৱে পিতলৰ কাম কৰোতা। বহু নগৰীয় মুছলমানে বৃত্তিধাৰীক সামৰি বিভিন্ন কর্মলৈ আগবাঢ়ি গৈছিল।

অসমীয়া মুছলমানে বহু ইছলামীক আৰু ৰীতিক সংযোগ কৰে। অসমীয়া মুছলমান পৰিয়ালবোৰ মুখিয়াল প্রধান আছিল আৰুপিতৃপ্রধান। মহিলাক তেওঁৰ দেউতাকৰ সম্পত্তিৰ $^{১}/_{৮}$ অংশ বংশানুক্রমিকভাৱে দিয়া হৈছিল। তেজৰ সম্বন্ধৰ পৰিভাষা হিন্দুৰ লগত একে আছিল। শহুৰ আৰু বোৱাৰীৰ মাজৰ সম্পর্ক আৰু গিৰিয়েকৰ ডাঙৰ ভায়েক আৰু ডেকা ভায়েকৰ ঘৈণীয়েকৰ মাজৰ সম্পর্ক উভয় মুছলমান আৰু হিন্দুৰ মাজত এৰাই চলা হৈছিল। অসমীয়া মুছলমানৰ মাজত বিবাহ দুটা পৃথক পর্যায়ৰে পৰিণতি হয়— আঙুঠি পিন্ধোৱা, মাক সঠিক বিবাহৰ দ্বাৰা অনুসৰণ কৰা হৈছিল। বন্দোবস্ত সঠিক হোৱাৰ পিছত, ভৰিষ্যত হ'বলগীয়া দৰাৰ দেউতাক আৰু সম্বন্ধীয়ই কইনাৰ ঘৰলৈ যায়। উপহাৰ হিচাপে সোণৰ আঙুঠি, পাটৰ আৰু মিঠাই লোকসকলে আনিছিল। যি বাহিৰা কর্ম এজন মুছলমান পুৰোহিতৰ দ্বাৰা কো�ৰাণৰ শ্লোক আবৃত্তি কৰাৰ জৰিয়তে সমাধা কৰা হৈছিল। সম্পর্কীয় বিভাহক উদগনি দিয়া হোৱা নাছিল।

হিন্দু শ্রেণীৰ প্রসাৰ উপাংশ অসমীয়া মুছলমানৰ মাজতো আছিল। তেওঁলোকক তিনিটা শাৰীত ভাগ কৰা হৈছিল— (১) ছয়ীদ, যিসকলে উচ্চ মর্যদা ধৰি ৰাখিছিল আৰু পয়গকৰ মহম্মদৰ বংশধৰ বুলি দাবী কৰিছিল। (২) শ্বেইখ, স্থানীয় মানুহক লৈ গঠিত হৈছিল আৰু যিসকল সামাজিক মর্যদাত দ্বিতীয় আছিল (৩) মৰিয়া যিসকলে তৃতীয় সামাজিক পর্যায়ত আছিল আৰু ১৫৩২ চনত মুছলমান আক্রমণ আৰম্ভ কৰা মুছলমান সৈন্যসকলৰ বংশধৰ আছিল।

অসমৰ বেছিভাগ মুছলমানেই হানাক্ষী ন্যায়িক ৰীতি-নীতিৰ চুন্নী আছিল, তথাপিও তেওঁলোকে বহু স্থানীয় ৰীতি পালন কৰিছিল, যিয়ে তেওঁলোকক ইছলামীক কার্যৰ লগত আচহুৱা কৰিছিল। উদাহৰণস্বৰূপে বহুজন যোল্ল শতিকাৰ দার্শনিক শংকৰদেৱৰ দ্বাৰা অসমত প্রচাৰ কৰা বৈষ্ণৱ আদর্শলৈ আকর্ষিত হৈছিল।

ইয়াক উল্লেখ কৰিব পাৰি যে মুছলমান আশ্রয় গ্রামীসকলে যেতিয়া আৰম্ভণিতে অসমত থাকিব লৈছিল, তেওঁলোকে কেৱল মাত্র এই অঞ্চলৰ জলবায়ুৰ লগত সংলগ্ন কৰাই নহয়, অসমীয়া মানুহৰ লক্ষ গ্রহণ প্রক্রিয়াকে গ্রহণ কৰিছিল। বর্তমান যুগত ব্যৱহাৰ কৰা চিৰা নাইবা শুকান আৰু চেপেটা চাউল, সান্দহ, শুকান চাউলৰ পৰা বনোৱা এক ধৰণৰ গুৰা, লাৰু, চাউলৰ পৰা বনোৱা এক ধৰণৰ গোলাকাৰ মিঠাই আৰু চাউলৰ পৰা বনোৱা পিঠা নাইবা কেক উভয় হিন্দু আৰু মুছলমানৰ প্রধান খাদ্যৰ এক অংশ। অন্যহাতে, মুছলমানে অসমৰ খাদ্য প্রণালী বিভিন্ন খাদ্য সামগ্রী যেনে- পোলাও, খিচাৰী, কাৰাব, হালোৱা সূচনা কৰিছিল। মুছলমানসকলেও ফলৰ আচাৰ আৰু অন্যান্য বিভিন্ন সামগ্রী যেনে খিচৰি পোলাও সৃষ্টি কৰিছিল, এইচ কে বৰুৱাৰ মতে, অসমীয়া সমাজৰ আভিজাত অংশৰ মাজত জনপ্রিয় আছিল। আকৌ পাচীয়ান পুৰছত্তই উল্লেখ কৰিছিল যে মোগলসকল মছলা খাদ্যৰ অনুৰাগী আছিল আৰু বিভিন্ন মচলা যেনে কাঠ-বাদাম ইলাচি, ডালচেনি, লং, জাইফল, খিচমিচ, কুংকুম আৰু অন্যান্য। এই ধৰণৰ খাদ্যৰ প্রস্তুতকৰণ অসমত বর্তমানত যথেষ্ট জনপ্রিয়।

অসমৰ পূৰাতত্ত্বই উত্থাপন কৰিছিল যে ১৭ শতিকাৰ আৰম্ভণিত মোগল ব্যৱসায়ীসকলৰ দ্বাৰা ধপাত অসমলৈ অনাহৈছিল। ইয়ে মোগলৰ দ্বাৰা অসমত ধপাতৰ অভ্যাসৰ সূচনা কৰিছিল। ইয়াকো কোৱা হয় যে আহোম ৰাজকীয় আৰু বিষয়াৰ মাজত ধোৱা যোৱা নলী আৰু হোকাৰ ব্যৱহাৰ মোগলৰ প্রভাৱৰ ফল আছিল। ইয়াৰ উপৰিও মোগলসকলে ফলৰ ৰসৰ পৰা নির্মাণ কৰা সময়ৰ ব্যৱহাৰ জানিছিল। যাক তেওঁলোকে চৰবত নামেৰে কৈছিল। এই অভ্যাস মোগলসকলৰ লগত সংস্পর্শলৈ অহাৰ পিছত কোৰান, অসমীয়াৰ মাজত বর্তি আছিল।

অসমৰ পূৰাতত্ত্বই কৈছিল যে মোগল ব্যৱসায়ীসকলে আৰৱ এক প্রকাৰৰ সুগন্ধি, উপাদান কৰাৰ উদ্দেশ্যে অসমৰ পৰা অগৰু কাঠ আমদানি কৰিছিল। আহোম শাসকসকলে আঁতৰঘৰীয়া নামেৰে মুছলমানৰ এক অংশক ৰাজভৱনত সুগন্ধি নির্মাণ কৰাৰ উদ্দেশ্যে আমদানি কৰা হৈছিল বুলি কোৱা হয়।

তৎস্বত্বেও, ইয়াক সঠিকভাৱেই ক'ব পাৰি যে অসমলৈ ইছলাম আৰু মুছলমানৰ আগমনে এই অঞ্চলৰ সামাজিক পদ্ধতি এক প্রভাৱ সৃষ্টি কৰিছিল। ইছলামৰ উদাৰ প্রকৃতিয়ে অসমৰ সর্বসাধাৰণৰ বিশেষকৈ যিসকল তলৰ শ্রেণীত আছিল, তেওঁলোকৰ আবেগলৈ আপীল কৰিছিল, য'তেওঁলোক ইছলামৰ পিনে উন্মুক্ত হৈ পৰে। ইছলামে উদাৰ প্রকৃতিৰ অসমত স্পষ্টভাৱে প্রভাৱ পেলাইছিল, যাৰ জৰিয়তে মানুহে ৰীতি-নীতিৰ বোজা অনুভৱ কৰিবলৈ লৈছিল। ইয়ে ১৬ আৰু ১৭ শতিকাত অসমত শংকৰদেৱ দ্বাৰা নৱ বৈষ্ণৱ আন্দোলনৰ উত্থানৰ পথ মুকলি কৰিছিল, যিয়ে মধ্যযুগৰ অসমীয়া সমাজত উল্লেখনীয় পৰিৱর্তন আনিছিল।

১১.৫ ইছলামীক স্থাপত্য

মুছলমানৰ স্থাপত্যত দই ধৰণৰ নির্মাণ কার্য লক্ষ্য কৰা যায়— মছজিদ আৰু ৰৌজা নাইবা সমাধি। ধর্মীয় প্রয়োজনীয়তা মতে ভাৰতত মছজিদ বনোৱাৰ বাবে গুৰুত্বপূর্ণ অংশ এখন পশ্চিমীয়া বেৰ গঠিত, য'ত দেৱালত ডাঙৰ খাজ কটা খোলনি আছিল, যাক সিংৰুৰ কোৱা হৈছিল, ইয়াৰ কেন্দ্রই কিতলাৰ পিনে নির্মাণ কৰে নাইবা মৈতুল্লাৰ মক্কাৰ ভগৱানৰ ঘৰ পিনে নির্দেশ কৰে। এক নিমকৰ নাইবা এক সৰু কোঠালিৰ গঠনত চিৰিৰ ৰূপ আৰু পৰিস্কাৰ কৰিবলৈ মুকলি প্রাংগণত এক আধাৰ।

অসমত আৰম্ভণিৰ মছজিদৰ পৰিসীমা ভগ্নাৱশেষৰ ৰূপত মাত্র আছিল। ভগ্নাৱশেষৰএই ধৰণৰ গাঁথনিৰ

ব্ৰহ্মপুত্ৰ উপত্যকাৰ ধুবুৰী (পানবাৰীত) আৰু কামৰূপ (হাজোত) জিলাত পোৱা গৈছিল। কিন্তু বৰাক উপত্যকাৰ কেৱল কৰিমগঞ্জৰ জিলাৰ ধ্বংসৰ বিভিন্ন কেন্দ্ৰই পণ্ডিতসকলৰ দৃষ্টি আকৰ্ষণ কৰিছিল। কৰিমগঞ্জ আৰক্ষী চকীৰ অধীনৰ ঠাইত নিজেই তিনিটা মছজিদৰ ধ্বংসাশেষ আছে। কিন্তু যিহেতু প্ৰত্নতত্ত্বিক খনন এতিয়ালৈ লোৱা হোৱা নাছিল। কালিগঞ্জৰ ওচৰত সুৰা দাসৰ ওচৰৰ গাঁৱত অৱস্থিত এটাক বাদ দি এইবোৰ অট্টালিকাৰ স্থাপত্যৰ বৈশিষ্ট্যৰ বিষয়ে স্পষ্টকৈ একো ক'ব নোৱাৰি। কৰিমগঞ্জ জিলাৰ কালিগঞ্জৰ ওচৰৰ মছজিদতো চিন্নভিন্ন অৱস্থাত আছিল। সন্মুখত এক বুলনি সহিতে চাৰিখন দেৱাল, অষ্টভূজ কোণৰ মিনাৰ দেখা গৈছিল। কলা শিলৰ ওপৰত খোদিত কৰা এখন আৰবীয় শিলালিপিও তাতে পোৱা গৈছিল। শিলালিপি মতে, আলাউদ্দিন হুছেইন শ্বাহৰ শাসনৰ সময়ত ৯০০ (১৫০১ খ্ৰীষ্টাব্দত)ৰ শাওণ মাহত মছজিদ নিৰ্মাণ কৰা হৈছিল।

বিভিন্ন যোগ্যতাৰ বিভাগত মুছলমানৰ নিযুক্তিৰ ফলস্বৰূপে, অসমৰ কলা আৰু স্থাপত্যত উল্লেখনীয় প্ৰভাৱ দেখা পোৱা গৈছিল। ধুনীয়া কলা নাইবা ইটাৰে নিৰ্মাণ কৰা মুছলমান ধৰণৰ নিৰ্মাণশৈলীৰ উল্লেখনীয় বৈশিষ্ট্য, যিয়ে ঘূৰণীয়া স্তম্ভ, খোদাই কৰা দুৱাৰৰ গাঁথনি, খিৰিকী, আখৰৰ নিচিনা আকাৰ-প্ৰকাৰ নাইবা জ্যামিতিগত পদ্ধতিৰ দুৰ্লভ আকৃতিৰ লগতে মনোমোহা লিখনি আৰু পুষ্পসদৃশ প্ৰতিনিধিত্ব, গম্বুজ আৰু ওলোটা কৰা কলহৰ আকৃতিৰ পিন্ধা মিনাৰ মধ্যযুগৰ অসমৰ মন্দিৰ আৰু নিৰ্মাণশৈলীত ভালদৰে দেখা গৈছিল। ইয়াৰে কিছুমান চিত্ৰ কামাখ্যা মন্দিৰত দেখা পোৱা গৈছিল। যিটো ১৬ শতিকাৰ কোচ ৰজাৰ দ্বাৰা পুনৰ নিৰ্মাণ কৰাৰ হৈছিল, য'ত এই মন্দিৰৰ সন্মুখৰগৃহৰ দুৱাৰৰ গাঁথনিৰ ওপৰত গম্বুজ আকৃতিৰ টোপ আছিল। লগতে সৰু বক্ৰৰেখাই একেলগ কৰিছিল। একেধৰণে হাজোৰ হয়গ্ৰীব মাধৱৰ সন্মুখৰ প্ৰৱেশ পথো ওলোটা কলহৰ আকৃতিত সৰু গম্বুজেৰে মনোমোহা কৰা হৈছিল।

১১.৬ চিত্ৰকলা

মুছলমান প্ৰভাৱ অসমৰ চিত্ৰকলাতো দেখা পোৱা গৈছিল। মধ্যযুগৰ সময়ত মোগলৰ আগমনৰ সময়ত, ক্ষুদ্ৰ আকৃতিৰ চিত্ৰকলা ১৮ শতিকাৰ ভাৰতীয় কলাৰ এক গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আছিল। এইবোৰ ক্ষুদ্ৰ চিত্ৰকলা পাৰ্চীয়ান কলাৰ শীৰ্ষবোহন কৰা গাঁথনিৰ পৰা মোগল চিত্ৰকলাৰ ৰাজ্যলৈ গঠিত হৈছিল আৰু পাৰ্চী ব্ৰাউনৰ মতে— এইবোৰ চিত্ৰকলাই সঠিক জীৱন, চিকাৰ, যুদ্ধ, উপাখ্যানমূলক কাহিনী, দৰবাৰৰ দৃশ্য, গছ আৰু জন্তুৰ প্ৰতিনিধিত্বৰ লগতে ধৰ্মীয় ভংগী দৃশ্য প্ৰতিফলিত কৰে।

আহোম ৰজা শিৱ সিংহৰ দিনত যিয়ে মুছলমান প্ৰজাৰৰ অধীনত আহোম ৰাজ দৰবাৰত অসমীয়া চিত্ৰকলাৰ গুৰুত্বপূৰ্ণ বিকাশ ঘটাইছিল। ইয়াৰ ভিতৰত গুৰুত্বপূৰ্ণ আছিল— হদ্বীবিদ্যাসায়া, ধৰ্মপুৰাণ আৰু গীতা গোবিন্দৰ সৰু চিত্ৰ। এইবোৰ চিত্ৰকলাৰ উভয় পদ্ধতি আৰু চৰিত্ৰত মোগল কলাৰ প্ৰভাৱ দেখুৱাইছিল। শিৱ সিংহ ৰজা আৰু তেওঁৰ ঘৈনীয়েক অম্বিকা দেৱীৰ আদেশৰ ভিত্তিত 'হস্তিবিদ্যাৰ্ণৱ' সম্পাদনা কৰা হৈছিল, য'ত মুছলমান চিত্ৰকৰ ক্ৰমানুসাৰে দীলবৰ আৰু দুচাই নামৰ দুজন চিত্ৰকৰ পাণ্ডুলিপিৰ চিত্ৰ অংকন কৰিবলৈ নিয়োগ কৰা হৈছিল। একেধৰণৰ 'লৱ কুশৰ যুদ্ধ' নামৰ পাণ্ডুলিপিয়ে মোগল চিত্ৰকলাৰ বিদ্যালয়ৰ প্ৰভাৱৰ মচিব নোৱাৰা সাচ বহন কৰিছিল।

১১.৭ সংগীত আৰু নৃত্য

অসমীয়া সাহিত্যলৈ অসমীয়া মুছলমানৰ গুৰুত্বপূৰ্ণ অৱদান হৈছে 'জিকিৰ' আৰু 'জাৰি' যিবোৰ আহোম যুগৰ সময়ত ৰচনা কৰা হৈছিল। সেইবোৰ ৰচনা কৰা হৈছিল মুছলমান পীৰসকলৰ দ্বাৰা, সেইবোৰৰ ভিতৰত যিসকলে জিকিৰ সংকলন কৰিছিল, গুৰুত্বপূৰ্ণ আছিল আজানপীৰ, চান্দৰাই, শ্বেখ ফৰিদ ইত্যাদি। এইবোৰ জিকিৰ আৰু জাৰিয়ে ঠায়ে ঠায়ে ইছলামৰ প্ৰচাৰ কৰাৰ লগতে শংকৰদেৱ, মাধৱদেৱ আৰু ভক্তিৰ গৌৰৱ গাইছিল আৰু তেওঁলোকৰ গাঁথনি, পদ্ধতি আৰু আচৰণে অসমীয়া লোকগীত আৰু নৱ বৈষ্ণৱ কহিতাক একেলগ কৰে। জিকিৰ আৰু জাৰিয়ে হিন্দুত্ববাদ আৰু ইছলামৰ মাজত সুললিত মিশ্রন নিশ্চিত কৰাৰ সফল হৈছিল আৰু আধুনিক অসমীয়া সাহিত্যত এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছিল।

বহু মুছলমান পীৰে তেওঁলোকৰ বিশ্বাসক পুনৰগঠনৰ দ্বাৰা অসমীয়া মুছলমান সমাজক পুনৰ গঠনৰ উদ্দেশ্য জিকিৰৰ ৰচনা কৰিছিল। সেয়েহে জিকিৰ আৰু জিৰি, যিয়ে ভক্তিমূলক গঠিত গীতৰ সৃষ্টি কৰিছিল। আজান ফকীৰৰ গীত সেই সময়ত সংগীতৰ বিকাশৰ উল্লেখনীয় উদাহৰণ। ইয়াক উল্লেক কৰা গুৰুত্বপূৰ্ণ যে আজান ফকীৰৰ জিকিৰৰ লগত নামকীৰ্তন নাইবা বৈষ্ণৱ প্ৰাৰ্থনাৰ সমাবেশৰ যথেষ্ট মিল আছিল আৰু সেয়েহে আমি ক'ব পাৰো যে জিকিৰে কেৱল মাত্ৰ ইছলাম আৰু হিন্দুত্বৰ বিশেষকৈ শংকৰদেৱৰ দ্বাৰা প্ৰচাৰ কৰা বৈষ্ণৱবাদৰ মাজত সমানুসৰ সম্পৰ্ক প্ৰক্ষেপ কৰাই নাছিল, ইয়ে মুছলমানৰ ওপৰতো প্ৰচাৰক প্ৰক্ষেপ কৰিছিল। জিকিৰে ধৰ্মীয় শিক্ষাগুৰু নাইবা গুৰুৰ ধৰ্মীয় গৌৰৱ, বৈষ্ণৱবাদত বৰ্তি থকা গুৰুৰ ধাৰণাৰ ভিত্তিত গাইছিল। জিকিৰে ইয়াৰ বিষয়বস্তুত বৰগীত নাইবা বৈষ্ণৱ সন্তৰ ভক্তিমূলক গীত এক কৰে। জিকিৰে ইয়াৰ প্ৰকাশভংগীৰ শাৰীত দেহবিচাৰৰ গীত নাইবা অসমৰ ভক্তিমূলক গীত আৰু অন্যান্য লোকগীত যেনে বৰগীত নাইবা অন্যান্য যথেষ্ট মিল বহন কৰে। জিকিৰে ধৰ্মীয় অনুষ্ঠানৰ গীত নাইবা বৈষ্ণৱ সন্তৰ নাইবা শিশু-গীত, আইনাম নাইবা আই দেৱী নাইবা বসন্ত ৰোগৰ দেৱীক সন্তুষ্ট কৰিবলৈ গোৱা গীত আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে বিহুৰ সময়ত গোৱা বিহুগীত। সকলোবোৰ গীতে ইছলামীক প্ৰভাৱৰ উপস্থিতিক ইংগিত কৰে। এইদৰে মুছলমান সম্পৰ্কই অসমীয়া সংগীতৰ উৎকৰ্ষ সাধন কৰিছিল আৰু অসমীয়া সংগীতৰ সংগিতীয় বাধ্যযন্ত্রৰ ব্যৱহাৰ বৃদ্ধি কৰিছিল।

১১.৮ সামৰণি

ঐতিহাসিক মছজিদ, দৰগাহ, মাজাৰ আসমৰ বিভিন্ন ঠাইত স্থাপনে প্ৰমাণ কৰিছিল যে ব্ৰহ্মপুত্ৰ উপত্যকাত অসমীয়া মুছলমান সমাজ প্ৰতিষ্ঠাত অসম ধনী আৰু সমৃদ্ধিশালী হৈ পৰে। অৱশেষত বহু মুছলমান সৈনিক আৰু বিষয়াই, যিসকলে মোগলৰ বিৰুদেধ ১৬৭১ চনৰ শৰাইঘাটৰ যুদ্ধৰ লগতে বহু যুদ্ধত যুজিছিল আৰু ইয়ো এক তথ্য আছিল যে মোগলসকল মুছলমান সৈন্য যেনে বাঘ হাজৰিকা, চৰ্দাৰ জুলফিকাৰ বৰুৱা আৰু ৰমজান খান ইত্যাদিৰ সক্রিয় অংশগ্রহণৰ কাৰণে পৰাজিত হৈছিল। সেয়েহে ইয়াকে যুক্তিদিব পাৰি যে অসমৰ মুছলমান সমসাময়িক অসমীয়াৰ ৰাজনৈতিক আৰু সামাজিক, সাংস্কৃতিক পৰিবেশৰ অবিচ্ছেদ্য আৰু গুৰুত্বপূৰ্ণ অংশ।

১১.৯ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টো অধ্যয়ন কৰি আপুনি

- অসমত মুছলমান মীমাংসাৰ আতিগুৰি আৰু ইতিহাস জানিব পাৰিব।
- অসমীয়া সমাজ গঠনৰ পিনে তেওঁলোকৰ অৱদানৰ বিষয়ে জানিব পাৰিলে।
- মুছলমানসকলে ১২০৬ খ্ৰীষ্টাব্দত আহোমসকলৰ আগতে অসমত প্ৰৱেশ কৰিছিল। যদিও আৰম্ভণিৰ তেওঁলোকে ৰাজনৈতিক কাৰণত অসমত আক্ৰমণ কৰিছিল। সামৰিক বিষয়া সৈনিকসকলে স্থায়ীভাৱে ইয়াত থাকিবলৈ বিচাৰিছিল। কিছুমানে ইয়াত যুদ্ধবন্দী হিচাপে আছিল।
- আহোম যুগৰ সময়ত, তেওঁলোকে কিছুমান কলাকাৰ আৰু বুদ্ধিদীপ্ত মুছলমান মানুহক ভাৰতৰ পৰা অসমলৈ আমদানি কৰিছিল।
- ১৭ শতিকাৰ মাজভাগত ইছলামীক সন্ত চাহ মিলন নাইবা আজান পীৰৰ প্ৰভাৱত স্থানীয় মানুহ ইছলামলৈ ধৰ্মান্তৰিত হৈছিল। অসমত মুছলমান মীমাংসাৰ এই দীঘলীয়া সময়ত একক পৰিচয়ৰ প্ৰদানৰ দ্বাৰা বৃহৎ অসমীয়া সমাজ গঠনৰ বাবে বিভিন্ন পথেৰে সহায় কৰে।

১১.১০ অধিক জানিবলৈ

১) আহমদ, ইমটিয়াজ (১৯৭৬) ঃ যাৰ এ চোচিত্তলজি অৱ ইণ্ডিয়া, ইন মুছলিম কমিউনিটিজ অব চাউথ এছিয়া, ১৭২-১৭৮, নতুন দিল্লী, বিৰাস পাব্লিসিং হাউচ।

২) চৈয়দ আব্দুল মালিক, জাকিৰ আৰু জাৰি, গুৱাহাটী ১৯৫৮।

৩) আলি, এন এন ইৰচাদ (১৯৭৯) ঃ হিন্দু-মুছলিম ৰিলেচনচ ইন আসাম।

৪) এচ এন দাস গুপ্তা, ক্ষান্তামনেলচ অৱ ইণ্ডিয়ান আৰ্ট, (বোম্বাই, ভাৰত, ভাৰতীয় বিদ্যা ভৱন ১৯৬০)।

৫) আহমেদ, কমলউদ্দিন (১৯৮৫) ঃ আৰ্ট এণ্ড আৰকিটেকচাৰ অৱ আচাম।

১১.১১ আৰ্হি প্ৰশ্ন

(ক) বস্তুধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১: অসমীয়া মুছলমানসকলৰ কেইটামান সমূহীয়া বৃত্তিৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ২: জনপ্ৰিয় সংগীতলৈ অসমীয়া মুছলমানসকলৰ প্ৰধান অবদান কি কি আছিল?

(খ) চমু প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০ শব্দৰ ভিতৰত দিব)

চমু টোকা লিখক ঃ

প্ৰশ্ন ১: চিত্ৰকলাৰ ওপৰত ইছলামৰ প্ৰভাৱ

প্ৰশ্ন ২: ইছলামিক স্থাপত্য কলা

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত দিব)

প্ৰশ্ন ১: অসমীয়া সমাজলৈ ইছলামিক সংস্কৃতিৰ অৱদানৰ বিষয়ে উল্লেখ কৰক।

*** ***** ***

অধ্যায় ১২: অসমীয়া সমাজ আৰু অসমৰ পৰম্পৰাগত ক্রীড়াসমূহ

অধ্যায় গাঁথনি:

১২.১: উদ্দেশ্য

১২.২: পৰিচয়

১২.৩: অসমৰ সমাজ আৰু সংস্কৃতিত ক্রীড়াৰ ভূমিকা

- ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অনুষ্ঠিত ক্রীড়া
- উৎসৱ কেন্দ্রীক ক্রীড়া
- জীৱ-জন্তু সম্পৰ্কীয় ক্রীড়া
- শিশুৰ খেল-ধেমালী
- প্রাচীন অসমৰ কিছু খেল ধেমালী

১২.৪: অসমৰ কিছু পৰম্পৰাগত ক্রীড়া

- হাতী যুঁজ
- শেন যুঁজ
- ম'হ যুঁজ
- বুলবুলি যুঁজ
- কুকুৰা যুঁজ
- কণী যুঁজ
- কড়ি খেল
- নাও খেল
- আঙঠি লুকোৱা খেল
- ঘিলা খেল
- খুলি গুটি খেল
- কচু গুটি খেল

১২.৫: অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

১২.৬: অধিক জানিবলৈ

১২.৭: অগ্রগতিৰ খতিয়ান

১২.৮: আৰ্হি প্রশ্ন

১২.১. উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি তলত উল্লেখিত বিষয়সমূহ শিকিবলৈ সক্ষম হ'ব--

অসমৰ সমাজ আৰু সংস্কৃতিত ক্রীড়া আৰু পৰম্পৰাগত খেলসমূহৰ ভূমিকা।

অসমত প্রচলিত বিভিন্ন পৰম্পৰাগত ক্রীড়াৰ ঐতিহাসিক বিকাশ আৰু সাংস্কৃতিক তাৎপর্য।

সামাজিক ঐক্য, শাৰীৰিক বিকাশ, লোক-পৰম্পৰা তথা অসমীয়া সাংস্কৃতিক ঐতিহ্য সংৰক্ষণত পৰম্পৰাগত খেলসমূহৰ অৱদান ।

১২.২. পৰিচয়

অসম প্রাকৃতিক প্রাচুর্য আৰু ঐতিহ্যৰে সমৃদ্ধ এখন ৰাজ্য। ইয়াৰ প্রাকৃতিক বৈচিত্র্যৰ সমানে আছে মেতমৰা সাংস্কৃতিক ভিন্নতাও। ভৌগলিকভাৱে ভাৰতবর্ষৰ উত্তৰ পূৱ অংশত অৱস্থিত অসম ভূমিৰ প্রান্তৰে প্রান্তৰে সমাহিত হৈ আছে বিবিধ সাংস্কৃতিক উপাদান। কেৱল মাত্র উৎসৱ আৰু পৰিৱেশ্য কলাসমূহেই ইয়াৰ সাংস্কৃতিক সত্তাক প্রতিনিধিত্ব নকৰে। এই সমূহৰ ওপৰিও অসমীয়া সংস্কৃতিক প্রান্তবন্ত কৰি ৰখা এক অভিন্ন উপাদান হৈছে ক্রীড়া-যি অসমীয়া চহা জীৱনৰ আত্মাৰ প্রত্যয় প্রকাশ কৰে। এই পাঠত আমি আলোচনা কৰিম-অসমীয়া কৃষ্টি আৰু পৰিচয়ৰ কেন্দ্রবিন্দু হিচাপে ক্রীড়াৰ মূল্য, আৰু বিভিন্ন পৰম্পৰাগত খেলসমূহৰ বিষয়ে।

১২.৩. অসমৰ সমাজ আৰু সংস্কৃতিত ক্রীড়াৰ ভূমিকা ঃ

ক্রীড়া হৈছে শাৰিৰীক আৰু মানসিক উৎকর্ষ সাধনৰ এক মাধ্যম। ই সংস্কৃতিৰো এক অভিন্ন অংগ। মানৱ বিৱর্তনৰ প্রাৰম্ভিক স্তৰৰ পৰাই ক্রীড়াই যে এক বিশেষ ভূমিকা পালন কৰিছিল এই কথা বিভিন্ন পুৰাতাত্বিক সমলে প্রতীয়মান কৰে। প্রস্তৰযুগৰ বিভিন্ন গুহা চিত্র সমূহত খোদিত চিকাৰ সম্পর্কীয় দৃশ্যসমূহে এই কথাৰ উমান দিয়ে যে চিকাৰ কেৱল খাদ্য সংগ্রহৰ এক কৌশলেই নাছিল, ই আছিল প্রাৰম্ভিক মানৱৰ মনোৰঞ্জনৰ এক মাধ্যমো। অতি সাম্প্রতিক কাললৈ চলি অহা বিভিন্ন চিকাৰ প্রথাই এই যুক্তিক দৃঢ়ভাৱে প্রতীয়মান কৰে। কালৰ পৰিক্রমাত সমাজ বিৱর্তনৰ সমানে সমানে সাংস্কৃতিক বিকাশো দৃশ্যমান হয়। অনুৰূপভাৱে মনোৰঞ্জন আৰু শাৰিৰীক-মানসিক বিকাশৰ আহিলা হিচাপে বিৱর্তন ঘটে ক্রীড়াৰো।

অসমৰ প্রাচীন ঐতিহাসিক সমলসমূহ যেনে বুৰঞ্জী, লোককথা, গীত-মাত আদিত বিভিন্ন ক্রীড়াৰ উল্লেখ পোৱা যায়। এই খেল-ধেমালীসমূহ মনোৰঞ্জন, শাৰিৰীক-মানসিক উৎকর্ষ সাধন আৰু জ্ঞান তথা কৌশল অর্জনৰ আহিলা হিচাপে প্রচলিত হৈ আহিছিল। অতি প্রাচীন কালৰে পৰা অসমত ধনুর্বিদ্যা, যুদ্ধ-সম্পর্কীয় খেল-ধেমালী আদি প্রচলিত হৈ আহিছিল বুলি বিভিন্ন উৎসৰ পৰা জনা যায়। এই ক্রীড়া সমূহ আছিল দৈহিক শক্তি প্রদর্শন, সাহস, গৌৰৱ আৰু পৌৰুষত্বৰ প্রতীক স্বৰূপ। ক্রীড়াসমূহে দৈহিক সাধনাৰ প্রতীক হিচাপে প্রাচীন কালৰে পৰা সমাজ জীৱনলৈ বৰঙনি যোগাই আহিছে।

অসমৰ পৰম্পৰাগত ক্রীড়াসমূহক কেইটা মান বিশেষ ভাগত ভাগ কৰিব পাৰি। সেই সমূহ যেনেঃ ৰাজকীয় পৃষ্ঠপোষকতাত অনুষ্ঠিত ক্রীড়া, উৎসৱ কেন্দ্রীক ক্রীড়া, জীৱ-জন্তু সম্পর্কীয় ক্রীড়া, শিশুৰ খেল-ধেমালী ইত্যাদি। তলত এই ক্রীড়া সমূহৰ বিষয়ে চমুকৈ বিশ্লেষণ ক'ৰা হ''ব।

ৰজাঘৰীয়া পৃষ্ঠপোষকতাত অনুষ্ঠিত ক্রীড়া ঃ

পূর্বতেই উল্লেখ কৰা হৈছে যে অসমত প্রাচীন কালৰ পৰাই ৰাজ পৃষ্ঠপোষকতাত বিভিন্ন ক্রীড় অনুষ্ঠিত হৈছিল। বিশেষকৈ আহোম যুগৰ বুৰঞ্জীসমূহে ৰাজকীয় ক্রীড়া সমাৰোহ অনুষ্ঠিত হোৱাৰ সাক্ষ্য প্রদান কৰে। আহোম ৰাজবংশৰ ওপৰিও অসমত শাসন কৰা আন আন ৰাজ বংশসমূহেও বিভিন্ন ক্রীড়া সমাৰোহ ইত্যাদিৰ পৃষ্ঠপোষকতা কৰাৰ বর্ণন লাভ কৰা যায়। এই ৰাজশক্তি সমূহে জনসাধাৰণৰ মনোৰঞ্জনৰ লগতে শাৰিৰীক আৰু মানসিক উৎকর্ষ সাধনৰ উদ্দেশ্য আগত ৰাখি বিভিন্ন খেল-ধেমালীৰ প্রচলন আৰু পৃষ্ঠপোষকতা কৰাত গুৰুত্ব আৰোপ কৰিছিল। আহোমৰ শাসন কালত স্বর্গদেউ ৰুদ্র সিংহৰ দিনত স্থাপন কৰা ৰংঘৰ আছিল ক্রীড়া সমাৰোহ

অনুষ্ঠিত কৰাৰ এক মূল স্থান। ৰংঘৰৰ বাকৰিত ৰাজ পৃষ্ঠপোষকতাত ঘোঁৰা দৌৰ, মল্ল যুঁজ, হাতী দৌৰ আদি ক্রীড়া অনুষ্ঠিত হোৱাৰ তথ্য লাভ কৰা যায়। আহোম যুগত ৰংঘৰৰ বাকৰিত ৰাজ পৃষ্ঠপোষকতাত অনুষ্ঠিত এই ক্রীড়া সমূহক 'ৰংঘৰীয়া খেল বা ক্রীড়া' বুলিও জনা যায়। এই খেল ধেমালীসমূহৰ মুখ্য উদ্দেশ্য আছিল মনোৰঞ্জন আৰু জনসাধাৰণৰ মাজত একতাৰ ভাৱ গঢ়ি তোলা।

উৎসৱ কেন্দ্রীক ক্রীড়া

অসমৰ বিভিন্ন লোক উৎসৱক কেন্দ্র কৰি বিভিন্ন ধৰনৰ খেল ধেমালী অতীজৰে পৰা প্রচলিত হৈ আহিছে। কালক্রমত এই খেল ধেমালীসমূহ একো একোটা বিশেষ লোক উৎসৱৰ অভিন্ন অংগলৈ ৰূপান্তৰিত হৈছে। অসমৰ জাতীয় উৎসৱ বিহুক কেন্দ্র কৰি কেতবোৰ খেল ধেমালী অসমৰ চহা জীৱনত আজিও বিপুলভাৱে সমাদৃত আৰু প্রচলিত হৈ আহিছে। বিশেষকৈ ভোগালী বিহু আৰু ৰঙালী বিহুক কেন্দ্র কৰি এই পৰম্পৰাগত খেল-ধেমালীসমূহ প্রচলিত হৈ আহিছে। ম'হ যুঁজ, কণী যুঁজ, বুলবুলি চৰাইৰ যুঁজ, কলগছত উঠা, টেকেলি ভঙা, ৰছি টনা, কড়ি খেল আদি বিহুৰ সময়ত বহুলভাৱে প্রচলিত কিছুমান খেল। বিহুৰ ওপৰিও আন আন লোক উৎসৱক কেন্দ্র কৰিও বিভিন্ন পৰম্পৰাগত খেল-ধেমালী চলি আহিছে। ঠাই ভেদে এইসমূহৰ প্রচলন ভিন্ন ভিন্ন। উদাহৰণ স্বৰূপে নামনি অসমৰ ভঠেলি, সুৱৰী আদি লোক উৎসৱৰ সৈতে সংগতি ৰাখি হাতী দৌৰ, কলহ লৈ দৌৰ আদি ঠাইয়ে ঠাইয়ে আজিও প্রচলিত হৈ আহিছে। অসমৰ বিভিন্ন জন-গোষ্ঠীৰ লোক উৎসৱ সমূহক কেন্দ্র কৰিও এনে বহু থলুৱা খেল-ধেমালী প্রচলিত হয়। এই খেল-ধেমালীসমূহে উৎসৱৰ সময়ত মনোৰঞ্জন প্রদানৰ সমান্তৰালভাৱে জনসাধৰণৰ মাজত ঐক্য, সম্প্রীতীৰ মনোভাৱ সৃষ্টি কৰাতো বিশেষ ভূমিকা পালন কৰে। সমান্তৰাল ভাৱে এই পৰম্পৰাগত ক্রীড়াসমূহে প্রতিকী অর্থতো উৎসৱ ভিন্নে বিশেষ তাৎপর্য বহন কৰে। উদাহৰণ স্বৰূপে অসমৰ বিভিন্ন অঞ্চলত বিহুৰ সময়ত প্রচলিত কলগছ বগোৱা খেলক শক্তিৰ প্রতীক হিচাপে বিবেচনা কৰা হয়। আনহাতে বিহুৰ সময়ত প্রচলিত কড়ি খেলক উর্বৰতাৰ প্রতীক হিচাপে মান্য কৰা হয়। এনেদৰেই একো একোতা বিশেষ খেল ধেমালীয়ে কৃষি ভিত্তিক বিহু উৎসৱৰ তাৎপর্য ব্যাখ্যাত বিশেষ মাত্রা প্রদান কৰে।

জীৱ-জন্তু সম্পর্কীয় ক্রীড়া ঃ

অসমত অতীজৰে পৰা জীৱ-জন্তুক কেন্দ্র কৰি বিভিন্ন খেল ধেমালী প্রচলিত হৈ আহিছে। পূর্বতে উল্লেখ কৰা খেল-ধেমালীৰ ভিতৰত ম'হ যুঁজ, হাতী দৌৰ, বুলবুলি চৰাইৰ যুঁজ আদিৰ উল্লেখ কৰা হৈছে। অসমৰ বিভিন্ন স্থানত জীৱ-জন্তু কেন্দ্রীক এনে বহু খেল-ধেমালী প্রচলিত হৈ আহিছে। ম'হ যুঁজ, কুকুৰা চৰাইৰ যুঁজ, হাতী দৌৰ, বুলবুলি যুঁজ, শেন চৰাইৰ যুঁজ, বান্দৰ নাচ, সাপ নাচ আদি জীৱ-জন্তু কেন্দ্রীক ক্রীড়াৰ উদাহৰণ। আঁহতগুৰিৰ ম'হ যুঁজ আৰু হাজোৰ বুলবুলি যুঁজ এনে ক্রীড়াৰ লেখত ল'বলগীয়া উদাহৰণ। অতি সম্প্রতি ন্যায়িক বাধ্যবাধকতাৰ পৰিপ্রেক্ষিতত এইসমূহ পৰম্পৰাগত ক্রীড়া প্রচলনত যতি পৰিছে যদিও এইসমূহে অসমৰ সাংস্কৃতিক ইতিহাসত বিশেষ তাৎপর্য বহন কৰি আহিছে।

শিশুৰ খেল-ধেমালী ঃ

অতীজৰে পৰা অসমত শিশু আৰু চেমনীয়াৰ মাজত প্রচলিত বহু খেল ধেমালী সম্প্রতি কালৰ গৰাহত। বিশ্বায়ণ আৰু আধুনিকতাৰ ধামখুমীয়াত বহু পৰম্পৰাগত খেল-ধেমালী সম্প্রতি অধুনালুপ্ত যদিও আজিও অসমৰ গাৱে গাৱে শিশু আৰু চেমনীয়াৰ মাজত বিভিন্ন পৰম্পৰাগত খেল-ধেমালী প্রচলিত হৈ আহিছে। এই খেল-

ধেমালীসমূহে শিশুৰ শাৰিৰীক আৰু মনস্তাত্ত্বিক বিশেষভাৱে সহায় কৰে। সমান্তৰালভাৱে এইসমূহ খেল-ধেমালীয়ে শিশু আৰু চেমনীয়াসকলক সমাজ জীৱনৰ সৈতে সংপৃক্ত কৰাতো বিশেষ ভূমিকা পালন কৰে। অসমৰ প্রান্তৰে প্রান্তৰে প্রচলিত শিশু আৰু কিশোৰৰ খেল - ধেমালী সমূহ হৈছে তাংগুটি, ঘিলা খেল, ঢোপ খেল, হাই গুদু, দৰা কইনা, চেংগুটি, কাবাদী ইত্যাদি।

প্রাচীন অসমৰ কিছু খেল ধেমালী ঃ

অসমত প্রাচীন কালৰ পৰাই বিভিন্ন খেল-ধেমালী প্রচলিত হৈ অহাৰ কথা পূৰ্বতে উল্লেখ কৰা হৈছে। মাধৱ কন্দলি বিৰচিত ৰামায়ণত কিছুমান খেলৰ বিৱৰণ লাভ কৰা যায়। সেইবোৰ হৈছে আকুটি-ভ্রুকুটি, খেড়ি, গোৱাল-গোৱালী, ঘিলা, জুৱা, ঝুণ্টি, টোকৰা, টোপখেড়ি, দলি যুঁজ, পাশা, ফল-ফুল খেল, ভণ্টা, মালযুদ্ধ, লৰমৰা, লুনি আৰু হাতা-হাতি (উৎসঃ অসমৰ সংস্কৃতি কোষ, ড° নাৰায়ন দাস (সম্পা.), প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী, ২০০৯) । এইসমূহ খেল-ধেমালী মধ্যযুগৰ অসমত প্রচলিত আছিল বুলি অনুমান কৰা হয়। এই সমূহৰ ওপৰিও প্রাচীন অসমত প্রচলিত আন কিছুমান খেল-ধেমালী হৈছে -

আঙুঠি খেল, আদা খেল, আলি চিগা খেল, ইৰিকটি-মিৰিকটি (ইচনি-বিচনি) খেল, উকুলি-মুকুলি, কঁকাল চিগা, কচু গুটি খেল, কণী যুঁজ, কপৌ-কু-খেল, কড়িখেল, কলহভঙা খেল, কাণী-মুনি খেল (চকুত কাপোৰ বন্ধা), কুকুৰ খেল (কুকুৰ-পোৱালি), কুকুৰা যুঁজ (কুকুৰা ঠেঙীয়া), খৰ-বাগৰ খেল, খালি-ফুটি খেল, গছ-কুমটি (গছ-কৰদি) খেল, গামোচা চেৰোৱা, ঘাই পকোৱা, ঘিলা, চকু মুদা, ঢাক-ঘোঁৰা-বাহৰ ঠেং, চাকি-চুকুৰী, চিলনি-চিলনি খেল, চিকিমিকি, চোৱা-চুই খেল, ছাবিশটা বকুল বা তেতেলী গুটিৰ খেল, টোকৰ মৰা, টোপা খেল, তৰোৱাল ঘুৰোৱা, তাই-বাই, তাংগুটি, দৰা-কইনা, দ'ল (দৌল) সজা, দাইবাবান্দা, দোলা, ধোপ, নাওখেল, নাগৰী, নিগনি-মেকুৰী, পাক ঘূৰণি, পাশা, বাটা, বাঘ-গৰু (বাঘ-বোল), বুলবুলি যুঁজ, ভাকুট কুট্ কুট, মল্লযুদ্ধ, মংগল, ম'ই যুঁজ, মুঠি যুঁজ, মোগল পাঠান, লাঠিখেল, লুকাভাকু (লুকালুকি), লেটেকু, শালিকা জোত, শেন যুঁজ, সোল খেল, হাও (হৈ গুদু), হাত উলিওৱা, হাতী যুঁজ, হাথাবাটা, হাফোলা, হেতালি আদি (উৎসঃ অসমৰ সংস্কৃতি কোষ, ড° নাৰায়ন দাস (সম্পা.), প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী, ২০০৯ । প্রাচীন অসমত প্রচলিত এই খেলসমূহৰ কিছুমান থলুৱা আৰু আন কিছু অন্যান্য সংস্কৃতিৰ সংমিশ্রণত সৃষ্টি হোৱা। এইসমূহৰ কিছুমান খেল-ধেমালী আজিও অসমৰ গাৱে ভূঞে প্রচলিত হৈ আছে, আনহাতে সময়ৰ গতিত বহু সংখ্যকেই সম্প্রতি লুপ্ত হোৱা পৰিলক্ষিত হয়।

১২.৪. অসমৰ কিছু পৰম্পৰাগত ক্রীড়া

এই অংশত আমি অসমৰ কিছুমান পৰম্পৰাগত ক্রীণোৰ সম্পর্কে সংক্ষেপে আলোচনা কৰিম। আলোচনাৰ সীমাৱদ্ধতাৰ প্রতি লক্ষ্য ৰাখি কিছু নির্বাচিত ক্রীণোৰ বিষয়ে হে আলোচনা কৰা হক্সব।

হাতী যুঁজ ঃ

হাতী যুঁজ মধ্য যুগৰ অসমৰ এক উল্লেখযোগ্য ক্রীড়া আছিল। আহোম বুৰঞ্জীৰ তথ্য অনুসৰি স্বর্গদেউ ৰুদ্র সিংহৰ শাসন কালৰ পৰা ৰংঘৰৰ বাকৰিত হাতী যুঁজ অনুষ্ঠিত কৰা হৈছিল। হাতী যিহেতু আহোম সকলৰ যুদ্ধ কৌশলৰ এক অপৰিহার্য্য অংশ আছিল তেনে পৰিপ্রেক্ষিতত এই বিশেষ ক্রীড়া বিধ অনুষ্ঠিত কৰা হৈছিল মনোৰঞ্জনৰ লগতে শক্তি আৰু যুদ্ধ কৌশলৰ প্রতীক হিচাপেও। তামুলী ফুকনৰ বুৰঞ্জীৰ তথ্য অনুসৰি স্বর্গদেউ ৰুদ্র সিংহৰ

শাসন কালত ৰংঘৰৰ উত্তৰে থকা হাতী খোকত যুঁজৰ বাবে দঁতাল হাতী সমূহক প্রশিক্ষণ দিয়া হৈছিল। যুঁজৰ দিন চেৰেক পূর্বৰে পৰা এই হাতী সমূহক বৰা চাউলৰ ভাত, মাটি মাহৰ আঞ্জা আদি খাবলৈ দি যুঁজৰ বাবে বিশেষভাৱে পাকৈত কৰি তোলা হৈছিল। হাতী যুঁজ দুই ধৰণে অনুষ্ঠিত হৈছিল। কেতিয়াবা যুঁজাৰু দুটা হাতীক মুকলিকৈ ৰাখি যুঁজত অৱতীর্ণ কৰোৱা হৈছিল। এনেদৰে মুকলিকৈ যুঁজোৱা হাতীৰ দিঙিত গজ ঘণ্টা আঁৰি দিয়া হৈছিল। আনহাতে কেতিয়াবা এটা হাঁতীক নঙলা মাৰি হাতী খোকত আৱদ্ধ কৰি ৰাখি আৰু আনটো হাতীক খোকৰ বাহিৰত ৰাখি যুঁজোৱা হৈছিল। যুঁজাৰো হাতী দুটাই মূৰে-মূৰে আৰু দাঁতে দাঁতে খুন্দিয়া খুন্দি কৰি যুঁজ কৰিছিল। যুঁজত হৰা জিকা হ'লে নতুন হাতী যুঁজোৱা হৈছিল। পাকৈত মাউতে হাতীৰ পিঠিত উঠি এই হাতী যুঁজৰ পৰিচালনা কৰিছিল।

শেন যুঁজঃ

চৰাই যুঁজ অসমত প্রাচীন কালৰ পৰাই প্রচলিত হৈ আহিছে। এইসমূহৰ ভিতৰত শেন চৰাইৰ যুঁজ, কুকুৰা চৰাইৰ যুঁজ, বুলবুলি যুঁজ হৈছে লেখত ল'ব লগীয়া। আহোমৰ শাসন কালত শেন যুঁজ আছিল মনোৰঞ্জনৰ এক উল্লেখযোগ্য মাধ্যম। এই যুঁজৰ বাবে শেন চৰাইক প্রশিক্ষণ দিয়াৰ উদ্দেশ্যে আহোম স্বর্গদেৰে শেনচোৱা বৰুৱা নামেৰে এক বিশেষ বিষয়া বাব সৃষ্টি কৰিছিল। যুঁজৰ বাবে শেন চৰাইক প্রশিক্ষিত কৰি তোলা আৰু যুঁজৰ দিনা যুঁজ পৰিচালনা কৰাটো আছিল শেনচোৱা বৰুৱাসকলৰ মুখ্য দায়িত্ব।

শেন যুজ সাধাৰণতে মাঘ মাহৰ পৰা ব'হাগ মাহলৈ অনুষ্ঠিত হৈছিল। শেন যুঁজৰ বাবে ঠায়ে ঠায়ে কণুৱা চৰাইৰ চোং পতা হৈছিল। সৰু মাছ খাবলৈ দি শ শ কণুৱা চৰাইক এই চোং সমূহত চৰিবলৈ দিয়া হৈছিল। শেন যুঁজৰ দিনা প্রশিক্ষণ দি অনা শেন চৰাইসমূহ কণুৱা চৰাইৰ মাজত মেলি দিয়া হৈছিল। মুকলি আকাশত শেনে কণুৱাৰ সৈতে যুঁজ কৰি কণুৱা ধৰি আনি গৰাকীৰ হাতত পৰাটো আছিল এই যুঁজৰ নিয়ম। যদিহে যুঁজাৰু শেনে কণুৱা ধৰি আনি শেনচোৱা বৰুৱাৰ হাতত পৰিছিল তেতিয়া তেওঁক পুৰস্কিত কৰা হৈছিল। আনহাতে যি শেনচোৱা বৰুৱাৰ শেনে কণুৱাৰ সৈতে যুঁজ নিদি আন স্থানলৈ উৰি গৈছিল সেই শেনচোৱা বৰুৱাক তিৰস্কাৰ কৰাৰ লগতে শাস্তি বিহা হৈছিল।

ম'হ যুঁজঃ

মধ্য যুগৰ পৰা অসমত প্রচলিত হৈ অহা আন এবিধ পশু কেন্দ্রীক খেল হৈছে ম'হ যুঁজ। আহোমৰ শাসন কালত অসমত ম'হ যুঁজ অতি জনপ্রিয় আছিল। বিশেষকৈ মাঘ বিহুৰ সময়ত ম'হ যুঁজ অনুষ্ঠিত হোৱাৰ দস্তুৰ। এনে প্রেক্ষাপটত ম'হ যুঁজ মাঘ বা ভোগালী বিহুৰ এক অভিন্ন অংগ হিচাপে বিবেচিত হৈ আহিছিল। মধ্যযুগৰ পৰা অসমত প্রচলিত হৈ অহা ম'হ যুঁজৰ বর্ণন বুৰঞ্জীসমূহৰ লগতে বিহু গীত, লোক কথা আদিতো পোৱা যায়। অতি সম্প্রতি ন্যায়ালয়ৰ নির্দেশনাৰ পৰিপ্রেক্ষিতত বন্ধ হৈ পৰা এই ম'হ যুঁজ আছিল চহা অসমীয়া জন জীৱনৰ বাবে শক্তিৰ প্রতীক স্বৰূপ। এই যুঁজৰ সৈতে শক্তিৰ সমানে সমানে কৌশল আৰু পাৰদর্শিতাও জৰুৰী। ম'হ যুঁজ অনুষ্ঠিত হোৱাৰ কেইমাহমান পূর্বৰে পৰা যুঁজাব লগীয়া মতা ম'হ সমূহক গৰাকীয়ে বিশেষ ভাৱে প্রশিক্ষণ প্রদান কৰে। যুঁজৰ বাবে সাজু কৰা ম'হ সমূহক বিশেষভাৱে সজাই পৰাই যুঁজৰ থলীলৈ অনা হয়। প্রশিক্ষণ প্রাপ্ত গোণা ম'হক যুঁজৰ দিনা মুকলি পথাৰত মেলি বা গৰালত সোমোৱাই যুঁজোৱা হয়। কেতিয়াবা ম'হৰ নাকিত ধৰিও যুঁজ লগোৱা হয়। এই যুঁজৰ সময়ত বিভিন্ন নিয়ম মানি চলা হয় আৰু অভিজ্ঞ গোৱাল বা ম'হৰ গৰাকীয়ে এই যুঁজ পৰিচালনা কৰে। যুঁজত হাৰি এটা ম'হ পলাই গ'লে আনটো ম'হক বিজয়ী ঘোষণা কৰা হয়। আহোমৰ শাসন

কালত ৰজাঘৰীয়া পৃষ্ঠপোষকতাত ম'হ যুঁজ অনুষ্ঠিত কৰা হৈছিল। আঁহত গুৱিৰ ম'হ যুঁজ অতি সাম্প্ৰতিক সময়লৈ মাঘ বিহুৰ সময়ৰ এক আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হিচাপে বিবেচিত হৈ আহিছে।

বুলবুলি যুঁজ ঃ

বুলবুলি চৰাইৰ যুঁজ অসমৰ বিহু কেন্দ্ৰীক এক আকৰ্ষণীয় লোক ক্ৰীড়া। নামনি অসমৰ হাজো অঞ্চলত প্ৰচলিত এই ক্ৰীড়া কেইবা শতিকা আগৰ পৰাই প্ৰচলিত বুলি সাক্ষ্য প্ৰমাণ লাভ কৰা যায়। হাজোৰ হয়গ্ৰীৱ-মাধৱ মন্দিৰ প্ৰাংগণত মাঘ বিহুৰ প্ৰথম দিনা এই বিশেষ খেল বিধ অনুষ্ঠিত হয়। যুঁজৰ বাবে বুলবুলি চৰাই ধৰি এক-ডেৰ মাহ প্ৰশিক্ষণ দিয়া হয়। মাঘবিহুৰ উৰুকাৰ নিশা এই যুঁজৰ বাবে প্ৰশিক্ষণ দিয়া বুল বুলি চৰাই সমূহক বিশেষ ভাৱে প্ৰস্তুত কৰা ৰাগিয়াল ভোগ খুৱাই পিছদিনা যুঁজৰ বাবে চৰাইবোৰ মেলি দিয়া হয়। এবাৰত দুটাকৈ চৰাইক যুঁজিবলৈ দিয়া হয়। যুঁজ পৰিচালনা কৰা ব্যক্তিসকলক মাচিং বোলা হয়। মাচিং দুগৰাকীয়ে এডোখৰ ভীমকল দেখুৱাই দুটা বুলবুলিৰ মাজত যুঁজ লগাই দিয়ে। যুঁজৰ অন্তত বিজয়ী বুলবুলিটোক আন এটা নতুন চৰাইৰ সৈতে যুঁজোৱা হয়। এনেদৰে অন্তিম পৰ্যায়ত তিনিটা চৰাইক প্ৰথম, দ্বিতীয় আৰু তৃতীয় বিজয়ী হিচাপে ঘোষণা কৰা হয়। হাজো অঞ্চলৰ এই বুল বুলি যুঁজ অতি সাম্প্ৰতিক কাললৈ বহুল ভাৱে সমাদৃত হৈ আহিছিল।

কুকুৰা যুঁজ ঃ

কুকুৰা যুঁজ অসমৰ পৰম্পৰাগত জনপ্ৰিয় খেল। এই খেল দুই ধৰণৰ। এবিধ কুকুৰা চৰাইৰ মাজত হোৱা যুঁজ আৰু আনবিধ পুৰুষ সকলৰ মাজত হোৱা খেল। ইতিহাস অনুসৰি, আহোম যুগত কুকুৰাৰ যুঁজ এক জনপ্ৰিয় বিনোদন আছিল। আহোম ৰজাসকলে ৰাজসভাৰ ভিতৰতে কুকুৰা যুঁজাই উপভোগ কৰিছিল। দুটা সমান শক্তিৰ কুকুৰা চৰাইক মুখামুখি কৰি, কোনো এটা নমৰালৈকে সিহঁতক যুঁজাই ৰাখিছিল। আজিও কেতবোৰ ঠাইত এই যুঁজ আয়োজন কৰা হয়। কেতিয়াবা কুকুৰাৰ ঠেঙত চোকা অস্ত্ৰ বান্ধি দি যুঁজ অধিক ভয়ংকৰ কৰি তোলা দেখা যায়।

অন্যহাতে কুকুৰা যুঁজ পুৰুষ সকলৰ মাজত প্ৰচলিত এক লোক-খেল, য'ত পুৰুষসকলে কুকুৰা ৰূপে অংশ লয়। খেলুৱৈ জনে এখন ভৰি পিছফালে হাতেদি ধৰি, আনখন হাতে বাহুত ধৰি থাকে আৰু এখন ভৰিৰে দেও দি ইজনে-সিজনক খুন্দিয়াই পেলাবলৈ চেষ্টা কৰে। বৃত্তাকাৰ ক্ষেত্ৰত খেল অনুষ্ঠিত হয় আৰু এজন পৰিচালকে যুঁজ আৰম্ভ কৰাৰ সংকেত দিয়ে। যিজনে খেলুৱৈয়ে ভৰি মেলি দিয়ে, বাহু খহি পৰে বা সীমাৰ বাহিৰলৈ ওলায় সেইজন খেলুৱৈ খেলৰ পৰা বাদ পৰে। শেষলৈ বাচি থকা খেলুৱৈ জয়ী হয়।

কণী যুঁজ ঃ

কণী যুঁজ অসমীয়াৰ এক জনপ্ৰিয় বিহুৰ খেল। ব'হাগ বিহুৰ আগৰ পৰা বিহু উৰৰালৈকে এই খেল চলে। খেলত সাধাৰণতে ব্যৱহাৰ হয় পাতিহাঁহৰ টান কণী, যাক সৈয়া বা হৈয়া বুলি কোৱা হয়। খেলুৱৈয়ে বিভিন্ন ঠাইৰ পৰা টান কণী বিচাৰি আনি কড়ি বা নখেৰে টুকুৰীয়াই কণীৰ কাঠিন্য পৰীক্ষা কৰে। খেল আৰম্ভ হোৱাৰ আগতে, দুই পক্ষৰ মাজত দৰ-দাম ঠিক হয়। এই দৰ দামৰ অৰ্থ হৈছে কণীৰ কোন দিশেৰে খুন্দা মাৰিব সেইয়া নিৰ্ণয় কৰা। তাৰপিছত, এজন খেলুৱৈয়ে নিজৰ কণীৰে আনজন খেলুৱৈৰ কণীৰ নিৰ্দিষ্ট ফালটোত খুন্দা মাৰে। যাৰ কণী ভাগে, তেওঁ হাৰ মানি কণীটো বিজয়ীজনক দিব লাগে।

এনেদৰে খেলি খেলি যিজনে সাত বিহুলৈকে কণী নভগাকৈ ৰাখে, তেওঁৰ কণীটোক সাত বিহুৰ সৈয়া

কণী বুলি কোৱা হয়। এনেদৰে কণী নভগাকৈ ৰাখিব পৰাটো গৌৰৱৰ প্রতীক হিচাপে বিবেচনা কৰা হয়। বিহু কেন্দ্রীক এই খেলত সকলো বয়সৰ লোকৰ সমান অংশগ্রহণ পৰিলক্ষিত হয়।

কড়ি খেল ঃ

কড়ি খেল হৈছে অসমৰ এক পুৰণি পৰম্পৰাগত খেল। এই খেলৰ সৈতে মূলত কৃষি, উৰ্বৰতা আদি সম্পর্কীয় জন বিশ্বাস জড়িত হৈ আছে। কড়ি প্রজননৰ প্রতীক হিচাপে গণ্য কৰা হয়। গতিকে কড়িখেলক উৰ্বৰতা আৰু শস্য বৃদ্ধিৰ প্রতীক হিচাপে গণ্য কৰা হয়। মধ্যযুগৰ পৰাই কড়িখেল অসমত বহুল ভাৱে প্রচলিত হৈ আহিছে। এই খেল বছৰৰ আৰম্ভণিতে খেলা হয়। লোক বিশ্বাস অনুসৰি, কড়ি ফুটিলে শুভ অর্থাৎ প্রকৃতি শইচেৰে নদন-বদন হয় আনহাতে কৰি নুফুটিলে অশুভ ফল হয়-যেনে অনাবৃষ্টি বা বন্যা আদিৰ দৰে দুর্যোগে দেখা দিয়ে বুলি ধাৰণা কৰা হয়। এনেবোৰ কাৰণতে কড়ি খেলক বসুমতীৰ পূজা আৰু কৃষিজীৱনৰ প্রতীক বুলি ধৰা হয়।

এই খেল কড়িৰ ঢাল মাটিত আঁকি খেলা হয়। সাধাৰণতে ৫টা কড়িৰে দুজন বা চাৰিজনে এই খেল খেলে। খেলত কড়ি হাতেৰে লৈ মাটিত মাৰিলে ওপৰমূৰা কড়িৰ সংখ্যাৰ ভিত্তিত নম্বৰ লাভ কৰে-এটা ওপৰমূৰা হ'লে ১, পাঁচটা ওপৰমূৰা হ'লে ১০ নম্বৰ। ১০ নম্বৰ পোৱা খেলুৰৈয়ে গুটি জগাব পাৰে। বলোৱা গুটি আনৰ কড়ি পৰিলে, সেই কড়ি 'মৰে' আৰু পুনৰ জগাব লাগে। কড়িৰ ঢালত থকা আঠটা সংখ্যাক আঠোৰ, কাঠোৰ, নলব, জবা, বামুণ, আটাই, বাণছি আৰু ঘোঁৰা হিচাপে গণনা কৰা হয়। যিজনে প্রথমে ঘাইত গুটি উঠায়, তেওঁ জয়ী হয়।

নাও খেল ঃ

নদীমাতৃক দেশ অসমত পৰম্পৰাগত ৰূপত নানান ৰকমৰ আনন্দ-বিনোদনমূলক খেল-ধেমালিৰ চলি আছে। তেনে এটি বিশেষ আৰু জনপ্রিয় খেল হৈছে নাওখেল। প্রাচীনকালত ৰজা-মহাৰজাৰ আনন্দৰ বাবে প্রজাসকলে এই খেলৰ আয়োজন কৰিছিল। বিশেষকৈ আহোম ৰজা স্বর্গদেউ ৰুদ্র সিংহৰ সময়তে ৰজাঘৰীয়া পৃষ্ঠপোষকতাত নাওখেল অনুষ্ঠিত হোৱা কথা ইতিহাসত পোৱা যায়। অসমত নাওখেল সাধাৰণতে বিভিন্ন উৎসৱ-পার্বণৰ লগত জড়িত। শুৱালকুছি, ৰৰপেটা, ৰামদিয়া, ধুবুৰী, কুকুৰমৰা, গৌৰীপুৰ, ধাৰাপুৰ আদিত আজিও এই পৰম্পৰা জীয়াই আছে। শুৱালকুছিত মহাপুৰুষ শংকৰদেৱৰ তিৰোভাৱ তিথিত ব্রহ্মপুত্র নদীত বিশাল নাওখেল অনুষ্ঠিত হয়। ৰৰপেটা সত্রতো এক সময়ত শংকৰদেৱ, মাধৱদেৱ আৰু মথুৰা দাস বুঢ়া আতাৰ কীর্তনৰ লগত নাওখেল অনুষ্ঠিত হোৱা দেখা গৈছিল। যদিও এতিয়া নদীৰ ঠাই মঞ্চত লৈছে, তথাপিও পৰম্পৰাটো অটুট আছে।

নাওখেলত ব্যৱহৃত নাওবোৰ হেঙুল-হাইতালৰে সুসজ্জিত আৰু নানা বৈচিত্র্যময় নক্সাৰে অলংকৃত হয়। ময়ুৰপংখী নাও বিশেষকৈ জনপ্রিয়, যি প্রায় ১৮০ হাত দীঘল আৰু ৪ হাত বহল হয়। এই নাওত বহুজন নাৱৰীয়া থাকিব পাৰে। নাও বাই থকা সময়ত নাৱৰীয়াসকলে দলবদ্ধভাৱে বিশেষ গীত গায়, যাক নাওখেলৰ গীত বোলা হয়। এই গীতবোৰত কৃষ্ণ-ৰাধাৰ প্রেমকাহিনী, সাউদ বেপাৰৰলৈ যোৱা আৰু তেওঁৰ পত্নীৰ বিৰহ, ৰামায়ণ-মহাভাৰতৰ কাহিনী আদিৰ বিৱৰণ পোৱ যায়। কিছুমান গীত সম্পূর্ণৰূপে নাও আৰু নদীক কেন্দ্র কৰি ৰচিত। গীতৰ সংগে সংগে গীতাল বা পাঠকে বিশেষ নৃত্য-ভংগীত গীত গায়, যিয়ে দর্শকসকলক আনন্দ দিয়ে। এই গীত ধর্ম-নিৰপেক্ষ। হিন্দুৱে আল্লা, আৰু মুছলমানে হৰিক লৈ গীত গায়। এই পৰম্পৰাই সম্প্রীতি আৰু সামাজিক ঐক্য সজীৱ কৰি ৰাখে।

আঙঠি লুকোৱা খেল ঃ

আঙঠি লুকোৱা খেল হৈছে অসমীয়া বিবাহ অনুষ্ঠানৰ এক জনপ্রিয় আৰু আমোদজনক পৰম্পৰা। বিয়াৰ পিছত দৰা-কইনাক ঘৰতে বহুৱাই, কইনাৰ পৰিয়ালে এই খেল আয়োজন কৰে। এটা খৰাহীত চাউল ভৰাই তাত দৰা-কইনাৰ আঙঠি লুকোৱা হয় আৰু দৰা-কইনাক সেই আঙঠি বিচাৰি উলিয়াবলৈ দিয়া হয়। এই খেলৰ মাজেৰে গৃহস্থ জীৱনৰ সুখ-শান্তি, ধন-সম্পত্তি ৰক্ষা আৰু স্বচ্ছল পাৰিবাৰিক জীৱনৰ কামনা কৰা হয়। খেলখন দৰা আৰু কইনা দুয়োৰে ঘৰত আয়োজন হয় আৰু বহু সময়ত এই খেলৰ মাজেৰে ৰগৰ আৰু হর্ষধ্বনিত পৰিবেশ আনন্দময় হৈ উঠে। খেলৰ অন্তত দৰাই কইনাক আঙঠি পিন্ধায় আৰু কইনাই দৰাক ঘূৰাই দিয়ে। এই খেল বৈদিক পৰম্পৰাৰ অংশ নহয়। ই অসমীয়া সমাজ জীৱনৰ বিবাহ ৰীতিৰ এক অভিন্ন অংশ স্বৰূপ।

ঘিলা খেল ঃ

ঘিলা খেল অসমৰ এক জনপ্রিয় পৰম্পৰাগত খেল। এই খেলত গুটি হিচাপে ঘিলা ব্যৱহাৰ কৰা হয় বাবে খেলবিধক ঘিলা খেল'ম বুলি কোৱা হয়। এই খেল খেলিবলৈ মাটিত ছটা ঘৰৰ দৰে অংশ আঁকিব লাগে। তলৰ পৰা ওপৰলৈ এই ঘৰৰ নাম হৈছে - হাতী, মাউত, দালি (দালি দুটা ভাগত ভাগ হয়), ঠগি আৰু চকুমুজা। খেলুৱৈজনে প্রথমে ঘিলাটো হাতী ঘৰত পেলাই, ভৰিৰে ঠেলি ঘিলাটো সকলোবোৰ ঘৰ পাৰ কৰিব লাগে। যেতিয়া খেলুৱৈজনে ঘিলাটো আঁকৰ বাহিৰত পেলায়, ভৰিৰে আঁকৰ বাহিৰত খোজ দিয়ে, দলিত ভৰি পেলায়, নিজৰ কটা ঘৰত ভৰি নিদিয়ে, অন্যজনৰ কটা ঘৰ পাৰ কৰে,

তেন্তে সি 'মৰে' মানে খেলৰ পৰা বাহিৰ হয়। যেতিয়া ঘিলাটো সকলো ঘৰ পাৰ হয়, তেতিয়া হাতীৰ ওপৰত খোজ দি ঘিলাটো ওপৰলৈ পেলাই এটা ঘৰ কাটিব লাগে অর্থাৎ নিজৰ বুলি দাবী কৰিব পাৰে । যিজনে বেছি ঘৰ কাটে তেওঁ খেলত জয়ী হয়।

খুলি গুটি খেল :

খুলি গুটি খেল হৈছে দুজন খেলুৱৈৰ মাজত খেলা এটা পৰম্পৰাগত খেল। এই খেল জিৰণিৰ সময়ত আনন্দৰ বাবে খেলা হয়। খেলত মাটিত সমানে দুই শাৰীত পাঁচটা খুলি খান্দি লোৱা হয় আৰু প্রত্যেকটো খুলি ৫টাকৈ গুটিৰে ভৰাই লোৱা হয়। গুটি হিচাপে শিল, গছৰ গুটি বা মাটিৰ বাটলু গুটি ব্যৱহাৰ কৰা হয়। খেলুৱৈয়ে নিজৰ ফালৰ যিকোনো এটা খুলিৰ পৰা গুটি লৈ প্রত্যকটো খুলিত একোটাকৈ গুটি ভৰাই যায়। গুটি ভৰাই অন্ত পৰা পাছত পৰৱর্তী খুলিৰ পৰা গুটি উঠাই লৈ পুণৰ একেদৰে ভৰাই যায়। এইদৰে গুটি ভৰাই গৈ থাকোতে কোনোবা পাকত কোনোবা খুলি গুটি নপৰাকৈ খালি থাকি যায়। সেই খালি খুলিৰ পাছৰ গুটি খেলুৱৈজনে লাভ কৰে। এনেকৈ নিজৰ পঁচিশটা গুটি সাঁচি ৰাখিব নোৱাৰিলে, খেলুৱৈয়ে খুলি বন্ধক দিব লাগে বা ধাৰে ল'ব লাগে। যিজনে সকলো খুলি নিজৰ হাতলৈ আনে, তেওঁ বিজয়ী হয়।

কচু গুটি খেল ঃ

কচু গুটি খেল হৈছে অসমৰ এটি পুৰণি আৰু জনপ্রিয় খেল, যিটো দুজন বা দলৰ মাজত খেল হয়। খেলত এজনে গুটি (লাউ, জিকা বা ভোলৰ) এটা হাতত লুকুৱায় আৰু গীত গাই অন্যজনে গুটিৰ ঠাই অনুমান কৰে। 'অলৌ গুটি টলৌ গুটি কচু গুটি লাই, এইখন হাতৰ গুটিটো এইখন হাতে পায়।' এনেদৰে গীত গাই যিখন হাতত গীত শেষ হয়, সেইখন হাত খুলে। গুটি পালেই দ্বিতীয় খেলুৱৈয়ে গুটি লুকুৱাব পাৰে। অন্যথা গুটিটো আগৰ

জনেই পুনৰ লুকুৱায়। দলীয় খেলত, এক পক্ষৰ খেলুৱৈয়ে আন পক্ষৰ কোনো হাতত গুটি দিয়ে, আৰু বাকীয়ে গীত গাই সন্ধান কৰে। গুটি পালে নিজ দলে লুকুৱায়। এই খেলত আনন্দ, ধৈর্য্য আৰু মনোযোগৰ প্রয়োজন হয়।

এইসমূহৰ ওপৰিও অসমৰ চহা জীৱনক আন অলেখ লোক ক্রীড়াই সমৃদ্ধ কৰি আহিছে। হাউ গুদু বা হাদুগুদু খেল, লাটুম খেল, চৌ খেল, কধৰা টনা খেল, লুকা ভাকু, ৰচি টনা, চোৰ-পুলিচ, টাংগুটি খেল, ঢোপ খেল, টেকেলি ভঙা, পাৰ-পানী, দৰা-কইনা, অলং-দলং আদি অসমত প্রচলিত লোক ক্রীড়াৰ উদাহৰণ। এই সমূহ লোক ক্রীড়াই বহু যুগৰ পৰাই অসমীয়া সমাজ-সংস্কৃতিক সমৃদ্ধ কৰি আহিছে।

অসমৰ লোক ক্রীড়া সম্পর্কীয় গীত মাত ঃ

লোক ক্রীড়া সমূহে যে কেৱল মনোৰঞ্জনৰ মাধ্যম হিচাপে অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে এনে নহয়। বহুতো লোক ক্রীড়াৰ লগত জড়িত গীত-মাত বা প্রবচন সমূহেও অসমৰ সংস্কৃতি আৰু সাহিত্যৰ ভঁৰাল টনকিয়াল কৰিছে। এই গীত-পদ সমূহে শিশুৰ মানসিক উৎকর্ষ সাধনত বিশেষ প্রভাৱ বিস্তাৰ কৰে। শিশু মনক প্রভাৱিত কৰা তেনে এক ক্রীড়াৰ লগত জড়িত গীত হৈছে-

'বৰ ঘৰৰ মেকুৰী সৰু ঘৰলৈ যায়
ঢাকোন গুচাই পইতা ভাত খায়
ভাকুটঞ্জ কুটঞ্জ। ভাকুটঞ্জ কুটঞ্জ।

ঠিক একেদৰে কচুগুটি খেলৰ কচুগুটি লুকুৱা গীত -

অলৌ গুটি তলৌ গুটি
কচু গুটি লাই,
যোনখন হাতত গুটি আছে
সেইখন হাতত পায়।

আন এবিধ জনপ্রিয় শিশু খেল হাত উলিওৱা খেলত গোৱা গীত হৈছে -

ইচনি বিচনি দৰিকা মাছৰ কিচনি
মৌ পৰাই মৌপাৰে
ডিমা পৰাই ডিমা পাৰে।
এল হাত বেল হাত
ৰজাই কাটে শ্রীহাত
কুচ লঙ্কা বুটী মাৰে নহাত।।

অলং দলং খেলত শিশু সকলে গায়-

'অলং দলং কৰিছে
ৰজা-ৰাণী আহিছে ...'

এনেবোৰ ছন্দময় গীত-পদে শিশুৰ মানসিক উৎকর্ষ সাধনত বাৰুকৈয়ে প্রভাৱ পেলোৱাৰ সমান্তৰাল ভাৱে অসমৰ লোক সংস্কৃতিকো সমৃদ্ধ কৰি আহিছে।

লোকক্রীড়া সমূহৰ লগত জড়িত গীত-পদে বৰ অসমৰ সংস্কৃতিক কিদৰে উদ্বুদ্ধ কৰি আহিছে তাৰ উদাহৰণ নাওঁখেলৰ গীতসমুহত পৰিস্ফুট হয়। এই গীত পদসমূহৰ সাংস্কৃতিক গুৰুত্ব ইমানেই অপৰিসীম যে এইসমূহে

সাম্প্রতিক কালত মঞ্চত ঠাই লাভ কৰিছে। এই গীত সমূহে বিভিন্ন সামাজিক চিত্র প্রতিফলিত কৰিবলৈ সক্ষম হোৱা বাবেই এইসমূহে সংস্কৃতিৰ মূল ধাৰাত স্থান লাভ কৰিবলৈ সক্ষম হৈছে। নামনি অসমত বহুলভাৱে প্রচলিত এটি নাওঁখেলৰ গীত এনেধৰণৰ-

দিহা ঃ

ও হায় মোৰ মোলুৱাহে
ও মোৰে মোলুৱা কোনে মাৰিলা হায় মোৰ হায় মোৰ মোলুৱা হে।

পদ ঃ

এ যঁতাৰ যঁতাৰ কৰে তাই
হায় মোৰ মোলুৱা হে।

এ যঁতাৰ আনি দিলু মই
হায় মোৰ মোলুৱা হে।।

এ যঁতাৰত ধৰি ধৰি কান্দে মোৰ মলুৱা হে।।

এ মোৰে মোলুৱা কোনে মাৰিলা। হায় মোৰ হায় মোব মোলুৱা হে।

এ নেঠা নেঠা কৰে তাই
হায় মোৰ মোলুৱা হে।।

এ নেঠা আনি দিলো মই
হায় মোৰ মোলুৱা হে।

এ নেঠাত ধৰি ধৰি কান্দে মোৰ মোলুৱাহে।
.... ”

অসমীয়া বিবাহ অনুষ্ঠানৰ লগত সংপৃক্ত এবিধ লোক ক্রীড়া হৈছে পাশা খেল। এই খেলক কেন্দ্র কৰিও বিশেষ বিয়া নাম প্রচলিত হৈ আহিছে। বিবাহ অনুষ্ঠানৰ লগত সংগতি ৰাখি অনুষ্ঠিত এই খেলৰ সময়ত দৰা-কইনাক উদ্দেশ্যি আয়তীসকলে গায়-

‘লাই নে ধেৰুৱা তিৰোতা সেৰুৱা / ঐ ৰাম তেওঁৰে পিছে পিছে যোৱা হে / য'লৈকে নিয়ে ৰাম তলৈকে যাবা ৰাম / ঐ ৰাম ভার্যাৰে অধীনত হ'লা হে।’”

এনেদৰেই ক্রীড়াৰ লগত জড়িত গীত পদ সমূহে অসমীয়া সংস্কৃতিক সমৃদ্ধ কৰিছে।

সামৰণি ঃ

অসমীয়া সংস্কৃতি আৰু সমাজ জীৱনৰ সৈতে ক্রীড়াৰ গভীৰ সম্পর্ক আছে। ক্রীড়াসমূহ কেৱল শাৰীৰিক কার্যকলাপ নহয়, এইসমূহ অসমীয়া সমাজৰ চিন্তাধাৰা, পৰম্পৰা আৰু লোকজীৱনৰ এক গুৰুত্বপূর্ণ অংগস্বৰূপ। অসমৰ বিভিন্ন জাতি-জনজাতিৰ পৰম্পৰাগত খেল-ধেমালীৰ স্বকীয় বৈশিষ্ট্যই অসমৰ বৈচিত্র্যময় সংস্কৃতিক সত্তাক প্রতিফলিত কৰে।

বিহু উৎসৱৰ সময়ত অনুষ্ঠিত বহুবিধ ক্রীড়া যেনে কণী-যুঁজ, কলগছত উঠা, কড়ি খেল, আদিয়ে সামাজিক

সম্প্রীতি আৰু আনন্দৰ বতৰা বহন কৰে। ম'হ-যুঁজ, হাতী-যুঁজ, শেন-যুঁজ আদি পশু-নির্ভৰ খেলসমূহেও অসমীয়াৰ সাহসিকতা আৰু পৰম্পৰাগত জীৱনচিন্তাক প্রতিফলিত কৰে। শিশুসকলৰ মাজত প্রচলিত ঘিলা-খেল, তাংগুটি, খলিগুটি, কচু-গুটি খেল আদি সামাজিকীকৰণ আৰু বৌদ্ধিক বিকাশৰ ক্ষেত্রতো সহায়ক। এই পৰম্পৰাগত খেল-ধেমালীসমূহ কেৱল মনোৰঞ্জন নহয়, সামাজিক সংহতি, পৰম্পৰাগত জ্ঞান আৰু শাৰীৰিক দৃষ্টিভংগিৰ বিকাশৰ মাধ্যম হিচাপেও ক্রীয়াশীল। সময়ৰ পৰিবর্তনৰ লগে লগে বহু পৰম্পৰাগত খেল-ধেমালী সম্প্রতি লুপ্ত হোৱাৰ মুখত। তেনে পৰিস্থিতি এই সমূহৰ সংৰক্ষণ আৰু পুনৰুজ্জীৱন সমাজ জীৱনৰ দায়িত্ব হোৱা উচিত।

১২.৫ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

- খেল-ধেমালি আৰু ক্রীড়া অসমীয়া সমাজ আৰু সংস্কৃতিৰ এক গুৰুত্বপূর্ণ অংশ। ই অসমবাসীৰ পৰম্পৰা, জীৱনশৈলী আৰু সামূহিক পৰিচয়ক প্রতিফলিত কৰে।
- প্রাচীন কালৰ পৰাই পৰম্পৰাগত খেল-ধেমালিয়ে মানুহৰ শাৰীৰিক আৰু মানসিক বিকাশত সহায় কৰিছিল। ইয়াৰ উপৰিও ই শৃংখলা, সাহস আৰু সামাজিক অংশগ্রহণৰ মনোভাৱ গঢ়ি তুলিছিল।
- অসমৰ পৰম্পৰাগত খেলসমূহক বিভিন্ন শ্রেণীত বিভক্ত কৰিব পাৰি, যেনে-ৰাজসাহায্যপ্রাপ্ত খেল, উৎসৱকেন্দ্রিক খেল, পশুকেন্দ্রিক খেল আৰু শিশুসকলৰ খেল। প্রতিটো শ্রেণীয়ে অসমীয়া সাংস্কৃতিক জীৱনৰ এক বিশেষ দিশ প্রতিফলিত কৰে।
- বিহুৰ সৈতে জড়িত কণী যুঁজ, ম'হ যুঁজ আৰু পইচাৰ খেল আদি অসমীয়া লোকপৰম্পৰাৰ সৈতে গভীৰভাৱে সম্পৃক্ত। এই খেলসমূহে আনন্দ, উর্বৰতা, শক্তি আৰু কৃষিজীৱনৰ সমৃদ্ধিৰ প্রতীক বহন কৰে।
- আহোম যুগত ৰংঘৰৰ দৰে স্থানত ৰাজপৃষ্ঠপোষকতাত ক্রীড়া উৎসৱৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানসমূহে জনসাধাৰণৰ মাজত মনোৰঞ্জন, ঐক্য আৰু শাৰীৰিক সক্ষমতাৰ বিকাশ সাধন কৰিছিল।
- অসমীয়া সংস্কৃতিত বহুতো পৰম্পৰাগত খেলৰ প্রতীকী তাৎপর্য আছিল। ষাঁড় যুঁজ আৰু তালগছ বগোৱা আদি খেলসমূহে শক্তি, বীৰত্ব আৰু পুৰুষত্বৰ প্রতীক হিচাপে গণ্য হৈছিল।
- অসমীয়া লোকক্রীড়াসমূহ লোকগীত আৰু ছন্দৰ সৈতে ওতপ্রোতভাৱে জড়িত ।এই গীতসমূহে শিশুসকলৰ মানসিক বিকাশ সমৃদ্ধ কৰাৰ লগতে অসমৰ লোকসংস্কৃতিকো অধিক শক্তিশালী কৰি তুলিছিল।
- আধুনিকীকৰণ আৰু বিশ্বায়নৰ প্রভাৱত অসমৰ বহুতো স্বদেশীয় খেল-ধেমালি ক্রমে বিলুপ্তিৰ পথত আগবাঢ়িছে। সেয়েহে, অসমীয়া সাংস্কৃতিক ঐতিহ্য সংৰক্ষণৰ বাবে এই পৰম্পৰাগত খেলসমূহৰ সংৰক্ষণ আৰু পুনৰুজ্জীৱন অতি প্রয়োজনীয়।

১২.৬ অধিক জানিবলৈ

- শর্মা, ডক্টৰ নবীনচন্দ্র, অসমৰ লোক সাহিত্য, জ্যোতি প্রকাশন, গুৱাহাটী, ২০১৪
- দাস, ড° নাৰায়ন (সম্পা.), অসমৰ সংস্কৃতি-কোষ, প্রাগজ্যোতিষ মহাবিদ্যালয়, গুৱাহাটী, ২০০৯
- শর্মা, চিৰঞ্জীব আৰু গোহিন সোণোৱাল। অসমৰ ক্রীড়া ইতিহাস (প্রথম খণ্ড): পৰম্পৰাগত খেল আৰু ক্রীড়া। গুৱাহাটীঃ অলিম্পিয়া প্রকাশন, ২০১৭।
- ভগবতী, তৰুণ। অতীতৰ পৰম্পৰাগত খেল আৰু বিনোদনৰ ইতিহাস: অসমৰ বিশেষ উল্লেখেৰে। মিউনিখ: গ্রীন ভাৱলাগ, ২০১৭।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১: অসমৰ ঐতিহ্যবাহী ক্ৰীড়াসমূহ সাধাৰণতে কোন কোন ভাগত বিভক্ত কৰা হয়?

.....

প্ৰশ্ন নং ২: ৰংঘৰত হাতীযুঁজ কোন আহোম ৰজাৰ সময়ত বিশেষভাৱে অনুষ্ঠিত হৈছিল?

.....

প্ৰশ্ন নং ৩: অসমৰ কোনটো উৎসৱৰ সৈতে কণীযুঁজ, ম'হযুঁজ আৰু কড়িখেল বিশেষভাৱে জড়িত?

.....

প্ৰশ্ন নং ৪: কড়িখেল মূলতঃ কিহৰ প্ৰতীক হিচাপে গণ্য কৰা হয়?

.....

প্ৰশ্ন নং: ৫: অসমৰ কোন পৰম্পৰাগত খেলত নববিবাহিত দৰা-কইনাই চাউলভৰ্তি পাত্ৰৰ ভিতৰত আঙুঠি বিচাৰে?

.....

১২.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্ন ৰ উত্তৰঃ ৰাজপৃষ্ঠপোষক ক্ৰীড়া, উৎসৱভিত্তিক ক্ৰীড়া, পশুকেন্দ্ৰিক ক্ৰীড়া আৰু শিশুৰ খেল।

২ নং প্ৰশ্ন ৰ উত্তৰঃ স্বৰ্গদেউ ৰুদ্ৰ সিংহ।

৩ নং প্ৰশ্ন ৰ উত্তৰঃ বিহু উৎসৱ।

৪ নং প্ৰশ্ন ৰ উত্তৰঃ উৰ্বৰতা আৰু কৃষিজীৱন।

৫ নং প্ৰশ্ন ৰ উত্তৰঃ আঙুঠি লুকুওৱা খেল।

১২.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন নং ১ঃ অসমৰ সমাজ আৰু সংস্কৃতিত খেল-ধেমালিৰ ভূমিকা আলোচনা কৰক। পৰম্পৰাগত খেলসমূহে কেনেদৰে সামাজিক সংহতি, শাৰীৰিক বিকাশ আৰু সাংস্কৃতিক পৰিচয় গঢ়ি তুলিছিল, ব্যাখ্যা কৰক।

প্ৰশ্ন নং ২ঃ অসমৰ উৎসৱকেন্দ্ৰিক খেলসমূহৰ বিষয়ে বিস্তৃত আলোচনা কৰক। বিশেষকৈ বিহুৰ সৈতে জড়িত খেলসমূহৰ সাংস্কৃতিক আৰু প্ৰতীকী তাৎপৰ্য বিশ্লেষণ কৰক।

প্ৰশ্ন নং ৩ঃ অসমৰ পশুকেন্দ্ৰিক খেলসমূহৰ ঐতিহাসিক পটভূমি আৰু সাংস্কৃতিক গুৰুত্ব আলোচনা কৰক। হাতীযুঁজ, ম'হযুঁজ আৰু শেনযুঁজৰ উদাহৰণ দিয়া।

প্ৰশ্ন নং ৪ঃ অসমৰ লোকক্ৰীড়া আৰু লোকগীতৰ মাজৰ সম্পৰ্ক বিশ্লেষণ কৰক। খেল-ধেমালিৰ লগত জড়িত গীতসমূহে কেনেদৰে অসমৰ লোকসংস্কৃতি আৰু শিশুমনৰ বিকাশত প্ৰভাৱ পেলাইছে, আলোচনা কৰক।

অধ্যায় ১৩ ঃ অসমীয়া চলচ্চিত্র আৰু ভ্রাম্যমান নাট্যদল

শঅধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ অসমীয়া চলচ্চিত্ৰৰ পৃষ্ঠভূমি
১২.৪ অসমীয়া চলচ্চিত্ৰৰ ধাৰা ঃ জ্যোতিপ্ৰসাদ আগৰৱালাৰ পৰা ভবেন্দ্ৰ নাথ শইকীয়ালৈ
১২.৫ ভ্রাম্যমান নাট্যদল
১২.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
১২.৭ অধিক জানিবলৈ
১২.৮ অগ্ৰগতিৰ খতিয়ান
১২.৯ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া চলচ্চিত্ৰৰ পৃষ্ঠভূমি আলোচনা কৰিব পাৰিব।
- জ্যোতি প্ৰসাদ আগৰৱালাৰ পৰা ভবেন্দ্ৰ নাথ শইকীয়ালৈ অসমীয়া চলচ্চিত্ৰৰ ধাৰা বৰ্ণনা কৰিব পাৰিব।
- অসমত ভ্রাম্যমান নাট্যদলৰ বিকাশ আলোচনা কৰিব পাৰিব।

১৩.২ পৰিচয়

যিকোনো সভ্যতাৰেই সাংস্কৃতিক জীৱনৰ এৰাব নোৱাৰা অংশ দুটা হ'ল চলচ্চিত্ৰ আৰু নাটক। দুয়োটাকেই কোনো এক ৰাজহুৱা মঞ্চত ৰাজহুৱা জীৱনৰ প্ৰতিফলন ঘটোৱাৰ সৰ্বোত্তম উপায়বোৰৰ এটা বুলি গণ্য কৰা হয়। এই অধ্যায়টিত আমি অসমীয়া চলচ্চিত্ৰ আৰু মঞ্চনাটৰ আৰম্ভণি তথা বিকাশ সম্পৰ্কে আলোচনা কৰিম।

১৩.৩ অসমীয়া চলচ্চিত্ৰৰ পৃষ্ঠভূমি

অসমীয়া চলচ্চিত্ৰৰ বিকাশৰ কাহিনী বৈচিত্ৰ্যময়। ১৯৩৫ চনত জ্যোতিপ্ৰসাদ আগৰৱালাই নিৰ্মাণ কৰা প্ৰথমখন অসমীয়া চলচ্চিত্ৰ 'জয়মতী'য়ে মুক্তলাভ কৰিছিল। এনে এক অভিলাষী প্ৰয়াসৰ বাবে কোনো ধৰণৰ উপযুক্ত আন্তঃগাঁথনি উপলব্ধ নথকা সময়ত 'জয়মতী' নিৰ্মাণ কৰা হৈছিল। কলিকতাত থকাৰ সময়ত বাংলা চলচ্চিত্ৰ উপভোগ কৰি জ্যোতিপ্ৰসাদে এই দুঃসাহসিক প্ৰকল্পটোৰ কাম হাতত লৈছল। ইয়াৰ বাবে তেওঁ ভোলাগুৰি চাহবাগিছাৰ কাৰখানা কার্যালয়টোত এটা সৰু অস্থায়ী ষ্টুডিঅ' গঢ়ি তুলিছিল। অৱশ্যে 'জয়মতী'য়ে দৰ্শকৰপৰা আশাব্যঞ্জক সঁহাৰি লাভ কৰিব নোৱাৰিলে আৰু জ্যোতিপ্ৰসাদৰ কঠোৰ পৰিশ্ৰম ভবা ধৰণে সফল নহ'ল। তথাপি তেওঁ হতাশ নহৈ পুনৰ নতুন উদ্যমেৰে ১৯৩৯ চনত দ্বিতীয়খন অসমীয়া চলচ্চিত্ৰ 'ইন্দ্ৰমালতী' নিৰ্মাণ কৰে।

এইখিনিতে এটা কথা উল্লেখ কৰাতো উচিত হ'ব যে প্ৰথমখন অসমীয়া চলচ্চিত্ৰ 'জয়মতী'ৰ পাছত এতিয়ালৈকে ৩০০খনতকৈও অধিক অসমীয়া তথা অসমত প্ৰচলিত অন্য দোৱানৰ চলচ্চিত্ৰই মুক্তিলাভ কৰিছে।

এইবোৰৰ ভিতৰত বহুকেইখন চলচ্চিত্রই ৰাষ্ট্রীয় স্বীকৃতি লাভ কৰিছে। চলচ্চিত্রবোৰ পৌৰাণিক কাহিনজ্ঞ প্রেম কাহিনী, ঐতিহাসিক ঘটনা, হাস্যৰসাত্মক, দেশপ্রেমমূলক আৰু ভৌতিক কাহিনীৰ আধাৰত নির্মাণ কৰা হৈছে। এই আটাইবোৰ বিষয়বস্তুৱে দর্শকক চেলুলয়ড জগতৰ অপূর্ব সম্মোহিনী শক্তিৰ অভিজ্ঞতা লাভৰ সুযোগ দিছে।

উল্লেখ্য যে অসমীয়া চলচ্চিত্রই বিভিন্ন ৰাষ্ট্রীয় বঁটাৰ লগতে সময়ে সময়ে আন্তঃৰাষ্ট্রীয় পর্যায়তো সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। 'পিয়লি ফুকন', 'মাক আৰু মৰম' আৰু 'তেজীমলা'ৰ দৰে পঞ্চাশৰ দশকত নির্মিত চলচ্চিত্রই ৰাষ্ট্রপতিৰ ৰজত কমল বঁটা লাভ কৰিছে। এই একেখিনি সময়তে মুক্তি লভা 'পূবেৰুণ' নামৰ চলচ্চিত্রখনে বার্লিন চলচ্চিত্র মহোৎসৱত আন্তঃৰাষ্ট্রীয় প্রশংসা বুটলিবলৈ সক্ষম হৈছিল।

- **অসমীয়া চলচ্চিত্র উদ্যোগৰ সোণালী যুগ**

অসমত চলচ্চিত্র নির্মাণ বিষয়ক কাম-কাজবোৰ বৃদ্ধি পোৱাৰ লগে লগে অসমীয়া চলচ্চিত্র উদ্যোগৰ সোণালী যুগৰ সূচনা হৈছিল। এই সময়ছোৱাত অসমীয়া চলচ্চিত্রৰ সংখ্যা প্রতি বছৰে বৃদ্ধি পাইছিল তথা বিষয়বস্তু আৰু অন্য চলচ্চিত্র নির্মাণ কৌশলৰ দিশেৰে উন্নতমানৰ চলচ্চিত্র প্রযোজনা কৰা হৈছিল। ১৯৭০ আৰু ৮০ৰ দশক দুটাত এই ইতিবাচক দিশবোৰ পৰিলক্ষিত হৈছিল। এই সময়ছোৱাত 'যোগ বিয়োগ', 'ওপজা সোণৰ মাটি', 'ভাইটি', 'চামেলি মেমচাহাব', 'মেঘমুক্তি', 'দূৰণিৰ ৰং', 'আজলী নবৌ', 'সেন্দূৰ', 'ঘৰ সংসাৰ', 'বোৱাৰী', 'সোণমইনা' আৰু আন বহুতো হিট-চুপাৰহিট অসমীয়া চলচ্চিত্রই দর্শকৰ মনোৰঞ্জন কৰিছিল।

অসমৰ কেইগৰাকীমান জনপ্রিয় চলচ্চিত্র নির্মাতা হ'ল— জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভা, ফণী শর্মা, পার্বতী প্রসাদ বৰুৱা, কমল নাৰায়ণ চৌধুৰী, ড° ভূপেন হাজৰিকা, শিৱ ঠাকুৰ, অজান বৰুৱা, পদুম বৰুৱা, নিপ বৰুৱা, শৈল বৰুৱা, ব্রজেন বৰুৱা, আব্দুল মজিদ, জাহ্নু বৰুৱা, ড° ভবেন্দ্র নাথ শইকীয়া, মুনীন বৰুৱা, মঞ্জু বৰা, ৰীমা দাস আদি।

১৩.৪ অসমীয়া চলচ্চিত্রৰ ধাৰা ঃ জ্যোতিপ্রসাদ আগৰৱালাৰপৰা ভবেন্দ্রনাথ শইকীয়ালৈ

অসমীয়া চলচ্চিত্র নির্মাণৰ বাটকটীয়াৰূপে জ্যোতিপ্রসাদ আগৰৱালাৰ নাম সোণালী আখৰেৰে লিপিৱদ্ধ কৰা আছে। বহুমুখী প্রতিভাৰ আঁকৰ শিল্পী জ্যোতিপ্রসাদে অসংখ্য সৃজনশীল ক্ষেত্রত নিজৰ অসাধাৰণ প্রতিভাৰ চানেকী এৰি গৈছে। তেওঁ আছিল একেধাৰে এগৰাকী গীতিকাৰ, সু�ৰকাৰ, নাট্যকাৰ, চলচ্চিত্র নির্মাতা আৰু কবি। এই আটাইবোৰ বৈশিষ্ট্যই তেওঁক অসমৰ সাংস্কৃতিক জগতৰ এগৰাকী উপাস্য ব্যক্তিত পৰিণত কৰিছিল।

জ্যোতিপ্রসাদ আগৰৱালাই তেওঁৰ প্রথমখন চলচ্চিত্র 'জয়মতী'ৰ সহায়ত ১৯৩৫ চনত অসমীয়া চলচ্চিত্র উদ্যোগৰ বাবে এটি ধাৰাৰ পাতনি মেলিছিল। তেওঁ এডিনবার্গ আৰু কেম্ব্রীজ বিশ্ববিদ্যালয়ত সংগীত অধ্যয়ন কৰিছিল যদিও নিজৰ নাটক আৰু চলচ্চিত্রবোৰত অসমৰ থলুৱা সংগীতহে প্রয়োগ কৰিছিল।

জ্যোতিপ্রসাদৰ মৃত্যুঞ্জ পাছত কেইবছৰমানৰ বাবে অসমীয়া চলচ্চিত্র জগতখনত এক অস্থায়ী শূন্যতাৰ সৃষ্টি হৈছিল। কিন্তু দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে এই দৃশ্যপট সলনি হৈছিল। এই সময়খিনিৰ সদ্ব্যৱহাৰ কৰি ৰোহিনী কুমাৰ বৰুৱাই প্রাসংগিক ঐতিহাসিক বিষয়বস্তু এটাৰে ১৯৪১ চনত 'মনোমতী' নির্মাণ কৰিছিল। ইয়াৰ পাছত পার্বতী প্রসাদ বৰুৱাই 'ৰূপহী' (১৯৪৬), কমল নাৰায়ণ চৌধুৰীয়ে 'বদন বৰফুকন' (১৯৪৭), ফণী শর্মাই 'চিৰাজ', অসিত সেনে 'বিপ্লৱী', প্রবীণ ফুকনে 'পাৰঘাট' আৰু সুৰেশ গোস্বামীয়ে 'ৰুণুমী' নির্মাণ কৰিছিল ড° ভূপেন হাজৰিকাৰ দ্বাৰা প্রযোজিত আৰু পৰিচালিত প্রথমখন চলচ্চিত্র হ'ল 'এৰাবাটৰ সুৰ'। তাৰ পাছত

১৯৬১ চনত তেওঁ নিজৰ দ্বিতীয়খন সংগীতপ্রধান চলচ্চিত্র 'শকুন্তলা' নির্মাণ কৰিছিল। চলচ্চিত্র সমালোচক আৰু ছপা মাধ্যম উভয়ে ভূয়ঁসী প্রশংসা কৰা এই চলচ্চিত্রখনে ৰাষ্ট্রপতিৰ ৰজত কমল বঁটা লাভ কৰিছিল। ইয়াৰ পাছত একেৰাহে কেইবাখনো অসমীয়া চলচ্চিত্র নিয়মীয়াকৈ প্রযোজনা আৰু মুক্তি দিয়া হৈছিল। এই চলচ্চিত্রবোৰৰ মাজৰে উল্লেখযোগ্য চলচ্চিত্র এখন হ'ল নিপ বৰুৱাৰ 'নৰকাসুৰ'।

অসমৰ আন এগৰাকী স্বনামধন্য চলচ্চিত্র নির্মাতা হ'ল ভবেন্দ্র নাথ শইকীয়া। চিত্র নির্মাতাৰূপে নিচেই কম সময় ব্যয় কৰাৰ সুযোগ পোৱা শইকীয়াই জীৱনকালত সাতখন চলচ্চিত্র নির্মাণ কৰিছিল। লণ্ডনত শিক্ষাগ্রহণ কৰা পদার্থ বিজ্ঞানবিদ শইকীয়াদেৱে চলচ্চিত্র নির্মাণৰ উপৰি গল্পকাৰ আৰু নাট্যকাৰ ৰূপেও খ্যাতি অর্জন কৰিছিল। জ্যোতিপ্রসাদ আগৰৱালাৰ প্রাৰম্ভিক প্রয়াসৰ পাছত অসমীয়া চলচ্চিত্র উদ্যোগৰ ভেটিটো সুদৃঢ় কৰাৰ কৃতিত্ব শইকীয়াক যঁচা হয়।

অসমীয়া চলচ্চিত্র আন্দোলনলৈ ভবেন্দ্র নাথ শইকীয়াই আগবঢ়োৱা অৱদানৰ কথা চিৰস্মৰণীয় হৈ ৰ'ব। শইকীয়াই নির্মাণ কৰা চলচ্চিত্রকেইখন হ'ল— সন্ধ্যাৰাগ (১৯৭৭), অগ্নিস্নান (১৯৮৫), কোলাহল (১৯৮৮), সাৰথি (১৯৯১), আৱর্তন (১৯৯৩), কোলসন্ধ্যা (১৯৯৭), আৰু এক্সপ্ল'ৰেশ্যন (১৯৯৫)। তাৎপর্যপূর্ণ কথা হ'ল শইকীয়াই তেওঁৰ আটাইকেইখন চলচ্চিত্রতে নাৰী চৰিত্রসমূহক এক সংবেদনশীল তথা সহানুভূতিশীল ৰূপত চিত্রায়িত কৰিছিল।

১৩.৫ ভ্রাম্যমাঞ্জন নাট্যদল যাত্রা

পোনপ্রথমে বংদেশত 'যাত্রা' দলবোৰে জনপ্রিয়তা অর্জন কৰিছিল। বৃটিছ প্রশাসনে নিযুক্তি দিয়া 'বাঙালী বাবু' সকলৰ লগতেই এসময়ত এই 'যাত্রা' পৰম্পৰাই অসমত প্রৱেশ কৰিছিল। সময় বাগৰাৰ লগে লগে বংগদেশৰপৰা অহা ভ্রাম্যমান 'যাত্রা' দলবোৰৰ আর্হিত স্থানীয় 'যাত্রা' দলবোৰে আত্মপ্রকাশ কৰিছিল। 'যাত্রা' শব্দটোৰ অর্থই হ'ল ইঠাইৰপৰা সিঠাইলৈ কৰা ভ্রমণ। বিশেষকৈ, কোনো বিশেষ উপলক্ষ নাইবা উৎসৱৰ বাবে কৰা ভ্রমণক 'যাত্রা' বোলা হয়। এনে দলীয় ভ্রমণৰ সময়ত ভ্রমণকাৰীক জিৰণি তথা মনোৰঞ্জনৰ অৱকাশ দিবলৈ বিভিন্ন ধৰণৰ আমোদৰ খোৰাক যোগাব পৰা অনুষ্ঠান আৰু অভিনয় প্রদর্শন কৰা হৈছিল। 'যাত্রা'ৰ দ্বিতীয় স্তৰে উৎসৱমুখৰতা বুজায়। 'যাত্রা'ৰ তৃতীয় স্তৰে নাটক প্রদর্শন অথবা অভিনয়ৰ কথা বুজায়। সাধাৰণতে বিভিন্ন উৎসৱ-পার্বনত কিছুমান নাটকীয় পৰিৱেশনৰ আয়োজন কৰা হৈছিল।

প্রথমে 'যাত্রা' দলবোৰে কেৱল বাংলা নাটকহে পৰিৱেশন কৰিছিল। পৰৱর্তী সময়ত এই নাটকবোৰ অসমীয়ালৈ ভাঙনি কৰা হৈছিল আৰু সময় বাগৰাৰ লগে লগে মৌলিক অসমীয়া নাটকে 'যাত্রা'দলৰ মঞ্চত স্থান পাইছিল। এই ক্ষেত্রত অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰীয়ে এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছিল। এইগৰাকী কবি, বৈপ্লৱিক চিন্তাবিদ আৰু জাতীয়তাবাদীয়ে বৰপেটা অঞ্চলৰ 'যাত্রা'দলবোৰৰ বাংলা নাট নাইবা অসমীয়ালৈ ভাঙনি কৰা বাংলামূলীয় নাট পৰিৱেশনৰ ধাৰাটো নাইকিয়া কৰিছিল। তেৱেঁই ১৯১০ চনত 'যাত্রা' দলে পৰিৱেশন কৰিব পৰাকৈ প্রথমখন অসমীয়া নাটক 'জয়দ্রথ বধ' ৰচনা কৰিছিল। এনেকৈয়ে তেওঁ অসমত বাংলা 'যাত্রা' প্রদর্শনৰ পৰম্পৰা উৎখাত কৰিছিল।

অসমীয়া 'যাত্রা' দলবোৰে মূলতঃ পৌৰাণিক আৰু ঐতিহাসিক নাটক পৰিৱেশন কৰিছিল। ইয়াৰ ফলতেই পুৰুষোত্তম, মায়া নাৰী, দেৱলা দেৰী, প্রায়শ্চিত্ত, নাগাকোঁৱৰ, মদন-বসন্ত, নল-দময়ন্তী, হৰিশ্চন্দ্র, শ্রীৰামচন্দ্র,

কালাপাহাৰ আদিৰ দৰে মৌলিক অসমীয়া নাট ৰচিত হৈছিল। অসমীয়া নাট্যদলৰ ইতিহাসৰ আন এগৰাকী বাটকটীয়া হ'ল ব্রজনাথ শর্মা। অসমীয়া নাট্যদলৰ বৃত্তিগত বিকাশত শর্মাই অতুলনীয় অৱদান আগবঢ়াই থৈ গৈছে। উপযুক্ত সংৰক্ষণ ব্যৱস্থাৰ অভাৱত 'যাত্রা' নাটৰ বহুকেইখন পাণ্ডুলিপি আৰু বহুগৰাকী নাট্যকাৰৰ নাম কালৰ গর্ভত বিলীন হৈ গৈছে।

- **ভ্রাম্যমান নাট্যদল**

'যাত্রা' দলৰ অভিনেতা সদানন্দ লহকৰে নাটকৰ 'যাত্রা'ৰপৰা ভ্রাম্যমান নাট্যদললৈ স্থানান্তৰ কৰিছিল। ১৯৫৯ চনত পাঠশালাত তেওঁ অসমৰ প্রথমটো আধুনিক যাত্রা দল 'নটৰাজ অ'পেৰা'ৰ জন্ম দিছিল। ৰূপান্তৰৰ এই প্রক্রিয়াত অচ্যুত লহকৰে প্রধান স্থপতিবিদৰ ভূমিকা পালন কৰিছিল। যাত্রা নাট পৰিৱেশনৰ পৰম্পৰালৈ কিবা এটা নতুনত্ব কঢ়িয়াই অনাৰ প্রয়াসকাৰী আছিল অচ্যুত লহকৰ। তেওঁ অ'পেৰাৰ কিছুমান দিশ ভাল নাপাইছিল। যেনে— পুৰুষে নাৰীৰ চৰিত্র ৰূপায়ণ কৰা, গীতৰ মাধ্যমেৰে সংলাপ কোৱা, অশুদ্ধ উচ্চাৰম, ভাঙনি কৰা নাটকবোৰত থকা সামাজিক সমস্যাবোৰৰ ভুল ব্যাখ্যা, অসমীয়া সমাজৰ প্রেক্ষাপটত ৰচিত নাটকৰ অভাৱ ইত্যাদি। তেওঁ শিল্পীসকলৰ বিত্তীয় সুৰক্ষাৰ দিশটোও চিন্তা কৰিছিল। অসমীয়া ভ্রাম্যমান নাট্যদলৰ ইতিহাস সলনি কৰা প্রয়াসটো হ'ল 'নাটৰাজ থিয়েটাৰ'ৰ আত্মপ্রকাশ। নটৰাজ থিয়েটাৰ সকলো দিশেৰে সঁচা অর্থত ভ্রাম্যমান আছিল। নাটকৰ বাবে প্রয়োজনীয় সকলো আহিলা-পাতিয়েই ইঠাইৰপৰা সিঠাইলৈ কঢ়িয়াই লৈ ফুৰিব পৰাবিধৰ আছিল। যিকোনো স্থানতে পাতিব আৰু খুলিব পৰাকৈ তক্তাৰে এখন প্র'চেনিয়াম মঞ্চ সাজি লোৱা হৈছিল আৰু প্রকাণ্ড তম্বু তৰি একোঠা অস্থায়ী প্রেক্ষাগৃহ সাজু কৰা হৈছিল। এনে প্রেক্ষাগৃহৰ ভিতৰত অতি কমেও এহেজাৰ গৰাকী দর্শক বহিব পাৰিছিল। অর্থাৎ, এই ভ্রাম্যমান নাট্যদলে ইঠাইৰপৰা সিঠাইলৈ মঞ্চনাটক জনগণৰ মাজলৈ কঢ়িয়াই নিছিল। দর্শকে নাটক চাবলৈ ইঠাইৰপৰা সিঠাইলৈ যাবলগীয়া হোৱা নাছিল। এনে মঞ্চত 'যাত্রা' নাইবা 'অ'পেৰা' আৰ্হিৰ নাটক মঞ্চস্থ হোৱা নাছিল। এনে মঞ্চত পৰিৱেশন কৰা নাটকবোৰ আছিল আধুনিক। 'নটৰাজ থিয়েটাৰ' দলৰ নিজা পোহৰ আৰু ধ্বনি সামগ্রী আছিল। বিজুলী শক্তি উৎপাদন কৰিব পৰাকৈ জেনেৰেটৰ আছিল। ইয়াৰ উপৰি দলটোত সংগীত আৰু অভিনয়ৰ বাবে প্রয়োজনীয় সকলো বাদ্যযন্ত্র, পোছাক-পৰিচ্ছদ আৰু ৰূপসজ্জাৰ সা-সামগ্রী আছিল।

এনেকৈয়ে অসমত আধুনিক ভ্রাম্যমান নাট্যদলৰ সামগ্রিক ধাৰণাটোৱে মূর্ত ৰূপ লৈছিল। খুব কম দিনৰ ভিতৰতে ৰাজ্যখনত বহুকেইটা ভ্রাম্যমান নাট্যদলে আত্মপ্রকাশ কৰিছিল। বর্তমান ভ্রাম্যমান নাট্যদলবোৰে অসমৰ এক বৃহৎ সাংস্কৃতিক উদ্যোগৰ ভূমিকা পালন কৰি আছে।

অগ্রগতি নিৰীক্ষণ

তলৰ প্রশ্নবোৰৰ উত্তৰ দিয়ক—

প্রশ্ন নং ১ঃ প্রথমখন অসমীয়া চলচ্চিত্রৰ নাম

.....

প্রশ্ন নং ২ঃ কোনে 'চিৰাজ' চলচ্চিত্রখন নির্মাণ কৰিছিল?

.....

প্রশ্ন নং ৩ঃ ড° ভূপেন হাজৰিকাই নির্মাণ কৰা প্রথম চলচ্চিত্রখনৰ নাম কি?

.....

প্রশ্ন নং ৪ঃ ..... ই সন্ধ্যাৰাগ চলচ্চিত্রখন নির্মাণ কৰিছিল।

১৩.৬ অধ্যায়টোৰ পৰা আমি কি শিকিলোঁ

অধ্যায়টি পঢ়ি আঞ্জুপিন তলৰ মূল কথাকেইটা জানিব পাৰিলে—

- অসমীয়া চলচ্চিত্রৰ ইতিহাস
- অসমীয়া চলচ্চিত্র উদ্যোগলৈ জ্যোতিপ্রসাদ আগৰৱালাৰ অৱদান
- অসমত 'যাত্রা' দলবোৰত বিকাশ
- অসমত ভ্রাম্যমান নাট্যদলৰ উৎপত্তি আৰু বিকাশ।

১৩.৭ অধিক জানিবলৈ

1) Jacques, Gernet. (1996). A History of Chinese Civilization, (2nd ed.) Cambridge University Press, U.K.
2) Patricia Buckley, Ebrey (edited) (1993). Chinese Civilization: A Sourcebook, (2nd ed.), the Free Press, New York.
3) Swain, J.E. (1983). A History of World Civilization, The McGraw Hill Book Company Inc., New York.

১৩.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ জয়মতী

২ নং প্রশ্নৰ উত্তৰঃ ফণী শর্মা

৩ নং প্রশ্নৰ উত্তৰঃ এৰাবাটৰ সুৰ

৪ **নং প্রশ্নৰ উত্তৰঃ** ড° ভবেন্দ্র নাথ শইকীয়া

১৩.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৫০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ জ্যোতিপ্রসাদ আগৰৱালাই ক'ত প্রথমটো অস্থায়ী ষ্টুডিঅ' সাজি লৈছিল?

প্রশ্ন ২ঃ অসমৰ প্রথমটো ভ্রাম্যমান নাট্যদলৰ নাম কি আছিল?

প্রশ্ন ৩ঃ অসমৰ 'যাত্রা' দলবোৰক বাংলা 'যাত্রা' দলবোৰে প্রভাৱিত কৰিছিল। (শুদ্ধনে অশুদ্ধ)

(খ) চমু প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ১৫০ টামান শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ এগৰাকী চিত্র নির্মাতা হিচাপে জ্যোতিপ্রসাদ আগৰৱালা সম্পর্কে এটা চমুটোকা লিখক।

প্রশ্ন ২ঃ এগৰাকী চিত্র নির্মাতা হিচাপে ভবেন্দ্র নাথ শইকীয়া সম্পর্কে এটা চমুটোকা লিখক।

প্রশ্ন ৩ঃ পাইক প্রথাৰ ওপৰত এটি চমু টোকা লিখক ।

(গ) ৰচনাধর্মী প্রশ্ন (প্রতিটো প্রশ্নৰ উত্তৰ ৩০০-৫০০ শব্দৰ ভিতৰত লিখক)

প্রশ্ন ১ঃ অসমীয়া চলচ্চিত্রৰ জন্ম আৰু বিকাশ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ২ঃ অসমীয়া ভ্রাম্যমান নাট্যদলৰ জন্ম আৰু বিকাশ সম্পর্কে আলোচনা কৰক।

*** ***** ***

REFERENCE

- Adler, Philip J. & Pouwells, Randall L. (2006) World Civilizations, 4th edition, , Thomson Wadsworth, USA.
- Allcroft, A.H. & Masom, W.F. (1958). The Tutorial History of Rome (to A.D. 69), University Tutorial Press, London.
- Chaudhuri, K. C., (2001), *History of Greece*, New Central Book Agency Pvt. Ltd., Calcutta.
- Gadalla, Moustafa (2007). *The Ancient Egyptian Culture Revealed*, Tehuti Research Foundation, USA.
- Hundley, Michael B. (2013). Gods in Dwellings: Temples and Divine Presence in the Ancient Near East, The Society of Biblical Literature, USA.
- Jacques, Gernet. (1996). A History of Chinese Civilization, (2nd ed.) Cambridge University Press, U.K.
- Laistner, M.L.W. (1929). *A Survey of Ancient History to the Death of Constantine, 1929, Boston.*
- Llyod, Alan B *(*2010). *A Companion to ancient Egypt: Volume 1*, Wiley Blackwell Publication, UK.
- Majumdar, R. K. & Srivastva, A.N., (2006). *History of World Civilization*, Surjeet Book Depot, New Delhi.
- Patricia Buckley, Ebrey (edited) (1993). Chinese Civilization: A Sourcebook, (2nd ed.), the Free Press, New York.
- Potts, D.T. (1997). Mesopotamian Civilization: *The Material Foundation*, Cornell University Press, UK.
- Jha, D.N. (1977). Ancient India- An Introductory Outline. Peoples Publisihing House. New Delhi: India
- Majumdar, R.C., Raychaudhuri, H.C., Datta, K. (1986). An Advanced History of India. Macmillan India Ltd. New Delhi India
- Raychaudhuri, H.C. (1972). Political History of Ancient India. University of Calcutta. Calcutta: India

- Tripathi, Ramashankar. (1999). History of Ancient India. Motilala Banrsidass Publishers Pvt. Ltd. Delhi: India
- Sharma, H.C. and Singh, Dharam (2008). *World Civilizations: A Brief Study*, Alfa Publications, New Delhi.
- Swain, James Edgar (1983). A History of World Civilization, Mc Graw Hill Book Co., New York.
- Thompson, Jason *(*2008). A History of Egypt: From Early times to the Present, American University Press, NY.
- Woods, Michael and Woods, Mary B (2011). *Ancient Construction Technology: From Pyramids to Fortresses,* Lerner Publishing Group Inc., USA. Image Courtesy:
- Swain, James Edgar (1983). A History of World Civilization, Mc Graw Hill Book Co., New York.
- Woods, Michael and Woods, Mary B (2011). *Ancient Construction Technology: From Pyramids to Fortresses,* Lerner Publishing Group Inc., USA.